# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

## ৩০ তম্ সংখ্যা, ২০০৭-২০০৮ বৰ্ষ



তত্ত্বাৱধায়ক

ড° চন্দ্ৰনাথ বৰুৱা

সম্পাদক

ডেভিদ বড়া

## মহাবিদ্যালয়ৰ সংগীত

কথা ঃ পূৰ্ণানন্দ গগৈ

অধ্যাপক, অসমীয়া বিভাগ

আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
পোহৰৰ গতি খেদি
অজ্ঞানৰ আন্ধাৰ ভেদি
নিতে নৱ সৃষ্টিৰ আপোন প্ৰতিভা বিকাশোঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সময়ৰ সংগতি ৰাখি
পুৰণি দুষ্কৃতি নাশি
আমি নৱ জ্ঞানৰ দিগন্ত প্ৰকাশোঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ
সাম্য মৈত্ৰীৰ গান ৰচি
বঞ্চিতক প্ৰাপ্য যাঁচি
ভাতৃসম বন্ধুত্বৰে
নতুন সমাজ গঢ়োঁ
আমি অজ্ঞানৰ আন্ধাৰ বিনাশোঁ।



# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

৩০ তম্ সংখ্যা ঃ ২০০৭-২০০৮ বৰ্ষ

প্ৰতি,

..................................................................

..................................................................

তত্বাৱধায়ক
ড° চন্দ্ৰনাথ বৰুৱা

সম্পাদক
ডেভিদ বড়া

**DHAKUAKHANA COLLEGE MAGAZINE**

30TH ISSUE : 2007-2008

*Dhakuakhana College Magazine, Vol. XXX : 2007-2008, Edited by Sri Devid Borah and published by Dhakuakhana College Student's Union, Dhakuakhana-787055, Assam and printed at P.K. Commercial & Offset printers, Dhakuakhana.*

## এই সংখ্যাৰ আঁৰত


| | |
|---|---|
| সভাপতি | ঃ ড° গিৰিণ গগৈ |
| তত্বাৱধায়ক | ঃ ড° চন্দ্ৰনাথ বৰুৱা |
| উপদেষ্টা মণ্ডলী | ঃ ইন্দিবৰ বুঢ়াগোহাঞি |
| | ঃ অমিয় কুমাৰ সন্দিকৈ |
| | ঃ ডিম্বেশ্বৰ গগৈ |
| | ঃ ভাৰতী গগৈ |
| সম্পাদক | ঃ শ্ৰী ডেভিদ বড়া |
| সদস্য / সদস্যা | ঃ ডিম্পল হাজৰিকা |
| | ঃ ধ্ৰুৱজ্যোতি গগৈ |
| | ঃ পদ্মেশ্বৰ ৰয় |
| | ঃ দেৱজিৎ বড়া |
| | ঃ জুলুশ্ৰী গগৈ |
| | ঃ জুপিতৰা নাথ |
| বেটুপাত | ঃ ইন্দিবৰ বুঢ়াগোহাঞি |
| অংগসজ্জা | ঃ ডেভিদ বড়া |
| স্কেচ | ঃ ইন্দিবৰ বুঢ়াগোহাঞি |
| | ডিম্পল হাজৰিকা |
| কলা নিৰ্দেশনা | ঃ ইন্দিবৰ বুঢ়াগোহাঞি |
| প্ৰকাশক | ঃ ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা |

মুদ্ৰণ ঃ পি, কে, কমাৰ্চিয়েল এণ্ড অফছেট প্ৰিন্টাৰ্ছ, ঢকুৱাখনা।



### যিসকলৰ ওচৰত চিৰকৃতজ্ঞ -

- আলোচনীখনি প্ৰকাশৰ ক্ষেত্ৰত সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ ড° গিৰিণ গগৈ আৰু উপাধ্যক্ষ পূৰ্ণানন্দ গগৈ দেৱ।
- তত্বাৱধায়ক ড° চন্দ্ৰনাথ বৰুৱা ছাৰ।
- বেটুপাত অংকণ, কলা নিৰ্দেশনাৰ লগতে পাণ্ডুলিপি আদি নিৰীক্ষণ কৰি সহায় কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু ইন্দিবৰ বুঢ়াগোহাঞি ছাৰ।
- পাণ্ডুলিপিসমূহ নিৰীক্ষণ কৰি সহায় কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু অমিয় কুমাৰ সন্দিকৈ ছাৰ, ডিম্বেশ্বৰ গগৈ ছাৰ আৰু ভাৰতী গগৈ বাইদেউ।
- আলোচনীখনি প্ৰকাশৰ ক্ষেত্ৰত সকলো সময়তে মোৰ সোঁ-বাঁওহাতে ছাঁৰ দৰে থাকি সহায়-সহযোগিতাৰ লগতে দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু নিৰঞ্জন দাস ছাৰ, সদ্যপ্ৰয়াত মনালিছা গগৈ বাইদেউ, দাদা প্ৰণৱ বৰুৱা আৰু ভাইটি ডিম্পল হাজৰিকা, গুণকৃষ্ণ কোঁছ আৰু ভন্টি পাপৰি চুতীয়া।
- আলোচনীখনিলৈ লেখা আগবঢ়োৱা শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকল।
- পি, কে, কমাৰ্চিয়েল এণ্ড অফছেট প্ৰিন্টাৰ্ছৰ স্বত্বাধিকাৰীৰ লগতে সমূহ কৰ্মচাৰীবৃন্দ।


### বেটুপাতৰ তাৎপৰ্য

নতুন পুৰুষৰ হাতে হাতে সৃষ্টিৰ তুলিকা।





# শ্ৰদ্ধাঞ্জলি

*কবিৰ ভাষাত মৃত্যু হৈছে এটা শিল্প, মৃত্যু প্ৰকৃতিৰ নিয়ম। এই প্ৰকৃতিৰ নিয়মক স্বীকাৰ কৰি অকালতে আমাৰ মাজৰপৰা হেৰাই গ'ল ভালেকেইজন কবি, সাহিত্যিক, নাট্যকাৰ, শিক্ষাবিদ, শিল্পী, পৰিচালক, স্বাধীনতা সংগ্ৰামী .... । তেখেতসকলৰ পবিত্ৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে আমি জনাইছো শ্ৰদ্ধাঞ্জলি-*

- গুৱাহাটী, মুম্বাই আৰু তাৰ আগতে দিল্লী, বাঙ্গালুৰ, আহমদাবাদ আদি বিভিন্ন ঠাইত সন্ত্ৰাসবাদী আক্ৰমনত হোৱা নিহতসকললৈ।
- দৰং-ওদালগুৰিৰ গোষ্ঠী সংঘৰ্ষত অকাল মৃত্যুক সাৱটি লোৱাসকললৈ।
- প্ৰাকৃতিক দুৰ্যোগ ( বানপানী, ভূমিকম্প আদি )ত নিহতসকললৈ।
- সামাজিক কুসংস্কাৰৰ বলি হোৱাসকললৈ।
- নমস্য ব্যক্তি ভি. পি. সিং, হৰকিষণ সিং সুৰজিত, দুলাল বৰুৱা, গনেশ কুটুম, ছাবিনা শইকীয়া ছাইগল, ইন্দুকল্প হাজৰিকা, ডাঃ ৰবিন্দ্ৰ গোস্বামী, দিলীপ শৰ্মা, বিজয় তেঙুলকাৰ আদিলৈ।
- আমাৰ মহাবিদ্যালয় পৰিয়ালৰ সমাজশাস্ত্ৰ বিভাগৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ডিম্বেশ্বৰ চুতীয়া ছাৰ, অসমীয়া বিভাগৰ মনালিছা গগৈ বাইদেউ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী অঞ্জুমণি বড়ালৈ।
- লগতে দেশ-বিদেশৰ মুক্তি সংগ্ৰামত শ্বহীদ হোৱাসকললৈ।

*-সম্পাদনা সমিতি*



অধ্যাপক ডিম্বেশ্বৰ চুতীয়া
জন্মঃ ১ অক্টোবৰ,১৯৬১।
মৃত্যু ঃ ২৮ ফেব্ৰুৱাৰী
২০০৮।

# উচৰ্গা



অধ্যাপিকা মনালিছা গগৈ
জন্মঃ ২৮ জানুৱাৰী,১৯৭৮।
মৃত্যু ঃ ১ জানুৱাৰী
২০০৯।

অধ্যাপক ডিম্বেশ্বৰ চুতীয়া ছাৰ

আৰু

অধ্যাপিকা মনালিছা গগৈ বাইদেউলৈ

অশ্ৰুসিক্ত সশ্ৰদ্ধ সোঁৱৰণেৰে

ঢকুৱাখনা মহাবিদ্যালয় আলোচনীৰ

এই সংখ্যাটি

উচৰ্গা কৰা হ'ল।

- সম্পাদনা সমিতি





অধ্যক্ষ ড° গিৰিণ গগৈ



উপাধ্যক্ষ পূৰ্ণানন্দ গগৈ

## ছাত্ৰ একতা সভা (২০০৭-২০০৮)ৰ সম্পাদক/ সম্পাদিকা, সভাপতি আৰু তত্বাৱধায়ক সকলৰ একাংশ



বাওঁফালৰ পৰা বহিঃ অধ্যাপক সত্যৰঞ্জন নেওগ (উপদেষ্টা, সাংস্কৃতিক শাখা) অধ্যাপক ৰবীন পেগু (উপদেষ্টা, সমাজসেৱা), ড° গিৰিণ গগৈ (সভাপতি / অধ্যক্ষ) অধ্যাপক ড° চন্দ্ৰনাথ বৰুৱা (তত্বাৱধায়ক, আলোচনী শাখা)

বাওঁফালৰ পৰা থিয় হৈ ঃ মনালিছা বৰুৱা ( সম্পাদিকা, সাংস্কৃতিক শাখা), শিখামণি খনিকৰ (সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা), ডেভিদ বড়া (সম্পাদক, আলোচনী শাখা), যতীন বড়া (সাধাৰণ সম্পাদক), মনোজ বৰুৱা ( সম্পাদক, তৰ্ক ও আলোচনা শাখা), পঙ্কজ ভৰালী (সম্পাদক, সমাজ সেৱা), ধ্ৰুৱজ্যোতি গগৈ (সম্পাদক, শৰীৰ চৰ্চা শাখা), দুলাল মুদৈ (সহঃ সাধাৰণ সম্পাদক), ভৱেশ দাস (সম্পাদক, ছাত্ৰ জিৰণী কোঠা) ।

অনুপস্থিত ঃ অধ্যাপক অমিয় কুমাৰ সন্দিকৈ (উপদেষ্টা, তৰ্ক ও আলোচনা শাখা), অধ্যাপক যোগানন্দ সূত (উপদেষ্টা, ক্ৰীড়া শাখা), অধ্যাপিকা বাসন্তী মৰাং (উপদেষ্টা, ছাত্ৰী জিৰণী কোঠা), অধ্যাপক যুক্তিৰত্ন শইকীয়া (উপদেষ্টা, ছাত্ৰ জিৰণী কোঠা), অধ্যাপক গুনীন গগৈ ( উপদেষ্টা, শৰীৰ চৰ্চা শাখা), ৰাজজ্যোতি বুঢ়াগোহাঞি (সম্পাদক, ক্ৰীড়া শাখা)

## ২০০৭-০৮ বৰ্ষৰ আলোচনী সম্পাদনা সমিতি



বাওঁফালৰ পৰা বহিঃ অধ্যাপক ড° চন্দ্ৰনাথ বৰুৱা (তত্বাৱধায়ক), ড° গিৰিণ গগৈ (সভাপতি), অধ্যাপক ইন্দিবৰ বুঢ়াগোহাঞি (উপদেষ্টা), অধ্যাপক ডিম্বেশ্বৰ গগৈ (উপদেষ্টা), অধ্যাপিকা ভাৰতী গগৈ ( উপদেষ্টা),

বাওঁফালৰ পৰা থিয় হৈ ঃ ডিম্পল হাজৰিকা (সদস্য), দেৱজিৎ বড়া(সদস্য), পদ্মেশ্বৰ ৰয় (সদস্য), ডেভিদ বড়া (সম্পাদক), ধ্ৰুৱজ্যোতি গগৈ (সদস্য), জুলুশ্ৰী গগৈ (সদস্যা), জুপিতৰা নাথ (সদস্যা) ।

অনুপস্থিত ঃ অধ্যাপক অমিয় কুমাৰ সন্দিকৈ (উপদেষ্টা)

Prof. K.K. Deka, M.Sc., M.Ed.,Ph.D. 'Stazorovka' (USSR)
*Vice-Chancellor*

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM, INDIA
Phone: 0373-2370239(O)
Fax : 0373-2370323
e.Mail: kkdekadu@yahoo.com

No.DU/VC/073/08/141 Date: 10.11.2008

## শুভেচ্ছা বাণী

প্রতি

শ্ৰী ডেভিদ বড়া
আলোচনী সম্পাদক, ঢকুৱাখনা মহাবিদ্যালয় ছাত্র একতা সভা
ঢকুৱাখনা মহাবিদ্যালয়, লক্ষিমপুৰ

প্রিয় শ্রী বড়া,

মই জানিবলৈ পাই অতি আনন্দিত হৈছোঁ যে ঢকুৱাখনা মহাবিদ্যালয় ছাত্র একতা সভাৰ বাৰ্ষিক আলোচনীখনৰ ২০০৭-২০০৮ বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা হৈছে।

মহাবিদ্যালয় এখনৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সাহিত্য আৰু চিত্ৰকলা আদিৰ প্ৰতিভা বিকাশৰ কাৰণে বিশেষ সুযোগ প্ৰদান কৰে। মই আশা কৰিছোঁ ঢকুৱাখনা মহাবিদ্যালয়ৰ আলোচনীখনেও ছাত্ৰ-ছাত্ৰীসকলক সৃজনীমূলক প্ৰতিভা বিকাশৰ সুযোগ দিব।

সম্পাদনা সমিতিৰ আশাসুধীয়া প্ৰচেষ্টাত এখন সৰ্বাংগসুন্দৰ আলোচনী প্ৰকাশ পাওক, এই কামনাৰে --

(কন্দৰ্প কুমাৰ ডেকা) 10/11/08
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়

# - বিষয় সূচী -

▶সম্পাদকীয় ঃ-
▶সোঁৱৰণ ঃ-
⇨সোদৰোপম অধ্যাপক ডিম্বেশ্বৰ চুতীয়াৰ সোঁৱৰণত - ডিম্বেশ্বৰ গগৈ / ০১
⇨প্ৰয়াত ডিম্বেশ্বৰ চুতীয়া ছাৰৰ সোঁৱৰণত - চিত্ৰ কুমাৰ কোঁছ /০৪
▶প্ৰবন্ধ ঃ-
⇨বাসুদেৱ থানৰ অৱস্থিতি আৰু লোকমানসত ইয়াৰ প্ৰভাৱ - জিন্টু কলিতা /০৬
⇨অসমীয়া সাহিত্যত মন্ত্ৰ সাহিত্যৰ অৱস্থিতি - ৰুবী গগৈ /০৮
⇨মাধৱ কন্দলি 'ৰামায়ণ'ৰ অনুবাদ ৰীতি - ৰশ্মিৰেখা চুতীয়া /১০
⇨তুলনামূলক সাহিত্য আৰু বৰ্তমান সময়ৰ সাহিত্যত ইয়াৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা- ধৰ্মেন্দ্ৰ দত্ত / ১২
⇨ সাহিত্য বঁটা আৰু অসমীয়াত সাহিত্য অকাডেমী বঁটা - সদানন্দ গগৈ / ১৪
⇨লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প-এক আলোকপাত - জুলুশ্ৰী গগৈ /১৬
⇨অসমীয়া ভাষা সাহিত্যৰ অগ্ৰগতিত আলোচনী, বাতৰি কাকতৰ ভূমিকা - টুটুমণি ফুকন / ১৯
⇨চুকাফাৰ দেশত স্বাধীনতাৰ কুচ্‌কাৱাজ ঃ ৰাজনৈতিক আৰু অৰ্থনৈতিক বিশ্লেষণ - আলোক ৰাজখোৱা / ২২
▶গল্প ঃ-
◆ প্ৰত্যাহ্বান - প্ৰবীণ ভৰালী / ২৪
◆ এযোৰ বিষণ্ণ চকুৰ কবিতা - জুপিতৰা নাথ / ২৬
◆ এজন সত্যান্বেষীৰ কথাৰে.... - গুণকৃষ্ণ কোঁছ / ২৮
◆ অসম্পূৰ্ণ ডায়েৰীত প্ৰেমৰ স্তৱক - ডিম্পল হাজৰিকা / ৩০
◆ প্ৰস্থায়া গুচি গ'ল বহু দূৰলৈ - বৰ্ণালী বৰুৱা / ৩৬
◆ অপ্ৰকাশ - প্ৰণীতা বুঢ়াগোহাঁই / ৩৯
▶অনুভৱৰ চ'ৰা ঃ-
□ "জোনাক এতিয়া চৌপাশে" - মন্মী কলিতা / ৪৪
□ আকৌ, এবাৰ দিয়ানা জনম মোক - সংগীতা দত্ত /৪৫
□ বুঢ়া লুইত ! এবাৰ থমকি ৰৈ শুনি যোৱা তোমাৰ সন্তানৰ বিননি ! - ৰবিনা দলে / ৪৭
□ বিজ্ঞাপন - অপৰাজিতা বুঢ়াগোহাঞি /৪৮
□ বিজ্ঞাপন - সংগীতা শইকীয়া / ৪৯
▶কবিতাৰ কৰণি ঃ- ৫১-৫৮
শিৰোনামত আই - মুনমী গগৈ, বিষাদ - ৰাতুল দত্ত, তেওঁ মোৰ পিতাই- মনিপ্ৰসাদ পেগু, মনত পৰে তোমালৈ - দ্বীপজ্যোতি বৰুৱা বিচ্ছেদ ঃ এচমকা কলীয়া ডাৱৰ - জুহি বৰুৱা, এখন ভগ্ন হৃদয়ৰ আৰ্তনাদ - জেচমিন গগৈ, চকুলোৰ কবিতা - ৰুবী গগৈ, সুৰ - অংচুমী শইকীয়া, এটা দুখৰ পদ্য - দিগন্ত ভূঞা, এখন মেঘ বিহীন আকাশ- পুষ্পাঞ্জলী হাজৰিকা, গুছি গৈছে সময়বোৰ - বীণাপাণি বৰুৱা, এবটল সুৰাৰ সলনি - ময়ূৰ কৃষ্ণা বৰা, তোমাক ভালপোৱাৰ বাবেই - পিংকী বৰুৱা, আৰু কিমান দিন ...- চুমি বৰুৱা থিয়েটাৰৰ এটি নিশা - ডিম্পী সন্দিকৈ, ভগ্ন হৃদয়ৰ গুঞ্জন - চয়নিকা বৰা
▶কাব্যোপন্যাস ঃ-
প্ৰিয় বন্ধুলৈ একলম - নিতুল চুতীয়া / ৫৯
▶লিমাৰিক ঃ- নন্দ চুতীয়া / ৬৩
ENGLISH SECTION
▷INDIRA GANDHI NATIONAL OPEN UNIVERSITY (IGNOU)'S PROGRAMMES UNDER CONVER GENCE SCHEME AT DHAKUAKHANA COLLEGE - JAMINI KUMAR SAIKIA / ৬৪
▷TWO INDIAN ANTHROPOLOGISTS AND THEIR LIFE AND WORKS- BUDDHA MOHAN BORAUH/ ৬৮
▷BOTANY AS AN IMPORTANT BRANCH OF SCIENCE - GITUMONI SAIKIA / ৭০
▷FRIENDSHIP- A DIVINE BLESSING - ROMEN LAGACHU / ৭৩
▶সাক্ষাৎকাৰ ঃ- সাহিত্যিকৰে আলাপ ঃ হোমেন বৰগোহাঞি / ৭৪
▶প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ শিতান ঃ-
আহিনৰ প্ৰতিশব্দ - সুশান্ত পেগু / ৭৭
দিব্যলতা দত্ত আৰু অৰুন্ধতী বৰুৱাক বিচাৰি...- গায়ত্ৰী দলে / ৭৮
BOOK REVIEW- HIND SWARAJ, GANDHI'S CHALLENGE TO MODERN CIVILIZATION. VOL. I NEW DELHI R.P. MISHRA (ED.) / ৮১
▶আলোকচিত্ৰ ঃ- ৮৩-৮৮ ▶প্ৰতিবেদন ঃ- ৮৯-৯৭ ▶মহাবিদ্যালয় সপ্তাহৰ ফলাফলঃ- ৯৮-১০১



ঢকুৱাখনা মহাবিদ্যালয় আলোচনী



# সম্পাদকীয়

(এক)

## *সামগ্ৰিক শিক্ষা, সমতাবোধ আৰু সামাজিক ঐক্য ঃ*

সৰ্বশিক্ষা নে সামগ্ৰিক শিক্ষা? আমাৰ দেশত কোনোটোৱেই হৈ উঠা নাই। সামগ্ৰিক শিক্ষাৰ ৰেখাডাল নিৰ্দিষ্ট দিশে আগুৱাই নিনি দেশৰ শাসকবৰ্গই তাৰ বিপৰীতে নিয়াৰ প্ৰৱণতাটোৱেই অতি বাস্তৱ সত্য হৈ পৰিছে। ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদত উল্লিখিত নিৰ্দেশানুযায়ী চৰকাৰী পুঁজিৰ সহায়ত ১৪ বছৰ বয়সৰ দেশৰ সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰাই নহয়, সেই ব্যৱস্থা সম্পূৰ্ণ কৰি তোলাৰ সময়সীমা কাহানিবাই অতিক্ৰম কৰি গৈছে।

স্বাধীনতাৰ পৰৱৰ্তী সময়ত ১৯৬৬ চনতেই Kothari আয়োগে দেশৰ শিক্ষা পৰিস্থিতিৰ সন্দৰ্ভত উল্লেখ কৰিছিল যে, "It is the responsibility of the educational system to bring the different social classess and groups together and thus promote the emergence of an egalitarian and integrated society. But at present instead of doing so, education itself is tending to increase social segregation and to perpetuate and widen class distinction." বিশ্ব বাণিজ্য সংস্থা (W.T.O.) ই অনানুষ্ঠানিকভাৱে শিক্ষাক পাঁচটা পৰ্যায়ত শ্ৰেণীৰ্ভুক্ত কৰিছে। প্ৰাথমিক শিক্ষা, উচ্চ শিক্ষা, উচ্চতৰ শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা আৰু অন্যান্য শিক্ষা সেৱা। বিশ্ব বাণিজ্য সংস্থাই যুগুতোৱা এই শ্ৰেণীকৰণৰ অন্তৰালত শিক্ষাক মুক্ত আৰু বিশ্ব বাণিজ্যৰ দিশে লৈ যোৱাৰ পৰিকল্পনা এক অভিনৱ প্ৰয়াস মাথো। জ্ঞানৰ জ্যোতিৰ দিগন্তৰ আওতাত আমাৰ দেশৰ সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক অন্তৰ্ভুক্ত কৰিব পাৰিলেহে আমাৰ সমাজৰ অস্তিত্ব ৰক্ষা পৰিব। সমাজত প্ৰান্তৱৰ্তী অংশৰ ছাত্ৰ-ছাত্ৰীক শিক্ষিত কৰিব নোৱাৰিলে সামগ্ৰিক শিক্ষাৰ আঁচনি অৰ্থহীন হৈ পৰিব। এই ক্ষেত্ৰত ৰাষ্ট্ৰৰ হস্তক্ষেপ আৰু দায়িত্ব অপৰিহাৰ্য। সমজুৱা খণ্ডৰ অৱহেলা অমনোযোগিতাৰ সুযোগ লৈ ব্যক্তিগত পুঁজিয়ে ব্যাপক হাৰত গঢ়ি তোলা শিক্ষা ব্যৱস্থাটো মুনাফাৰ চৰম লক্ষ্য হিচাপে পৰিগণিত হৈছে। বিজ্ঞানৰ উচ্চতৰ পৰীক্ষাত ৪৫ শতাংশ নম্বৰ লাভ কৰিও ২৪ লক্ষ টকা অৰিহণা দিব পৰা ছাত্ৰইহে বাংগালোৰৰ বহুজাতিক মেডিকেল কলেজত ভৰ্তি হ'ব পৰাৰ সুযোগ আছে। ত্ৰিশ হাজাৰৰ পৰা অৰ্ধলক্ষ পৰ্যন্ত টকাৰ অৰিহণাৰে যিকোনো পৰ্যায়ৰ স্নাতকে স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ব্যৱস্থাও পৰিলক্ষিত হৈছে। উচ্চ শিক্ষাৰ এই ভয়ংকৰ পৰিস্থিতি দেখি সমাজৰ দুৰ্বল অংশ থৰ লাগিছে। সামাজিক অস্তিত্ব, সমতাবোধ আৰু সামাজিক ঐক্য সংহতি, এনে বৈষম্যমূলক শিক্ষা পদ্ধতিৰে সম্ভৱ কৰিব নোৱাৰে, বৰং ই ইয়াৰ বিপৰীত পৰিণতিৰহে সৃষ্টি কৰিব। তদুপৰি মেধা ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত হ'ব আৰু দক্ষ শিক্ষক তথা সামাজিক দায়বদ্ধ নাগৰিক গঢ়াৰ কথাটো গুৰুত্বহীন হৈ পৰিব। ফলত শিশু ছাত্ৰ-

ছাত্ৰীসকল মানৱ সম্পদ হোৱাৰ বিপৰীতে মানৱ সমাজৰ সমস্যাহে হৈ উঠিব। ২,৭০০ বছৰৰ পূৰ্বে তক্ষশিলাত প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়ে বিজ্ঞান আৰু প্ৰযুক্তিত দেখুওৱা অভূৰ্তপূৰ্ব সাফল্যৰ ইতিহাস থকা দেশ ভাৰতত শিক্ষাৰ বৰ্তমান ৰূপটো দেখি সচেতনমহল স্তম্ভিত হৈ পৰিছে।

উল্লিখিত পাঁচ খলপীয়া ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পশ্চাদ অপসাৰণৰ বাবে কাক জগৰীয়া কৰি ইয়াৰ সমাধান সূত্ৰ উদ্ভাৱন কৰিব পৰা হ'ব- এই প্ৰসংগত আলোচনা হ'লেহে দেশে সামগ্ৰিক শিক্ষাৰ ফচল বুটলিবলৈ সক্ষম হ'ব। তাকে কৰিবলৈ হ'লে ভাৰতৰ দৰে দেশত জাতীয় আয়ৰ (G.D.P.) দহ শতাংশ পুঁজি শিক্ষা-শিতানত ধাৰ্য কৰি ইয়াৰ এক তৃতীয়াংশ উচ্চ শিক্ষাৰ বাবে খৰচৰ পৰিকল্পনা গ্ৰহণ কৰি, পৰিকল্পনাসমূহৰ সমুচিত ৰূপায়ন কৰিলেহে সমাজৰ অৱহেলিত অংশটো দেশৰ ঘাই সুঁতিত অন্তৰ্ভুক্ত হ'ব পাৰিব। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত শিক্ষাৰ বাবদ G.D.P.ৰ ৭.৭ শতাংশ ধাৰ্য কৰা হৈছিল। দুখৰ বিষয় এই যে যোৱা দশম পৰিকল্পনাত এই পৰিমান ২.৯ শতাংশলৈ হ্ৰাস কৰা হয়। বিষয়টো দুভাৰ্গ্যজনক আৰু ই সমূলি আশাব্যঞ্জক নহয়।

(দুই)

## ঢকুৱাখনাৰ সাম্প্ৰতিক পৰিস্থিতি ঃ নিৰাময়ৰ তাৎক্ষণিক উপায়

এটা অঞ্চলৰ উন্নতি বুলিলে বহু কথাই আহি পৰে। ১৯৮৯ চনতে গঠন হোৱা লখিমপুৰ জিলাৰ অন্যতম মহকুমা হিচাপে ঢকুৱাখনাই অত্যন্ত জৰুৰী আৰু অপৰিহাৰ্য সেৱাসমূহ আজি পৰ্যন্ত পাবলৈ সক্ষম হোৱা নাই। চাকৰিৰ বাবে প্ৰাৰ্থী হ'বলৈও শিক্ষিত নিবনুৱাসকলে নিজৰ নামটো পঞ্জীয়ন কৰিবলৈ নিয়োগ বিনিময় কেন্দ্ৰটি বিগত বিশ বছৰেও হৈ নুঠিল। "কাকনো বুলিবা ককা, আটায়ে দাড়ি চুলি পকা।"

নামমাত্ৰও শিল্প-কাৰখানা নথকা ঠাইখনত বিকল্প সংস্থাপন আৰু শিক্ষাৰ জ্যোতিৰে পোহৰাই তুলিবলৈ প্ৰতিষ্ঠা কৰা স্কুল-কলেজকেইখনৰ প্ৰতিষ্ঠাপকসকল অৱসৰ গ্ৰহণ কৰিব ধৰিছে। তথাপিও উল্লিখিত শিক্ষানুষ্ঠান সমূহৰ প্ৰাদেশিকীকৰণ কৰাৰ সদিচ্ছাকন চৰকাৰৰ নাই।

বানাক্ৰান্ত ঢকুৱাখনা কৃষক আৰু কৃষি সমস্যা যোৱা দুটা দশকত অভাৱনীয়ভাৱে বৃদ্ধি পালে। ব্ৰহ্মপুত্ৰৰ লেঠাৰী নিচিগা প্ৰৱল বানে চিচি-টেকেলিফুটা মথাউৰি ছিঙি মহকুমাটোৰ সমগ্ৰ কৃষিভূমি বালিয়ে পুতি মৰুভূমিত পৰিণত কৰিলে। বহু কৃষক এতিয়া ভূমিহীন। ভূমিহীন আৰু নিঃস্ব মাতমৰাবাসীয়ে এতিয়া এসাঁজ খাই এসাঁজ নাখাই, জাৰত কঁপি-কঁপি দিন নিয়াইছে। তেওঁলোকৰ ভৱিষ্যৎ বুলিবলৈ একোটোৱেই নাইকিয়া হৈ পৰিছে। মথাউৰি পুনৰ নিৰ্মাণৰ বেলিকাও সীমাহীন নিলৰ্জ কাহিনী। বিধায়ক, পালিনেতা, ঠিকাদাৰ, আমোলাসকলৰ কাৰ্‌চাজি দেখি-শুনি ৰাইজে মুখ ঘূৰাইছে। কি বিৰল (?) তেওঁলোকৰ দেশপ্ৰেম আৰু সামাজিক দায়বদ্ধতা। শিক্ষা ব্যৱস্থাৰ স্থবিৰতা, অভাৱনীয় মূল্য বৃদ্ধি, দুৰ্ভিক্ষ পৰিস্থিতি, গাওঁ অঞ্চলৰ পশুধন সমূলঞ্চে বিধ্বংস, মহকুমা আৰু জিলা সদৰৰ সৈতে যোগাযোগ বিচ্ছিন্ন- এনেবিলাক দিশলৈ সততে চকু দি সু-ব্যৱস্থা তৎকালে কৰিলেহে ঢকুৱাখনা তথা ঢকুৱাখনাবাসীৰ উন্নতি সম্ভৱ হৈ উঠিব বুলি আমি ভাবোঁ।

(ডেভিদ বড়া)
২০/১২/০৮





সোঁৱৰণ

# সোদৰোপম অধ্যাপক ডিম্বেশ্বৰ চুতীয়াৰ সোঁৱৰণত

- ডিম্বেশ্বৰ গগৈ



তাৰ আগলৈকে আমাৰ চা-চিনাকি নাছিল। ঢকুৱাখনাৰ আঁতৰৰ এখন কলেজত দুয়ো চাকৰি প্ৰাৰ্থী। ইন্টাৰভিউ একেদিনাই। কোঠা এটাত প্ৰাৰ্থী হিচাপে বহি আছোঁ। মনত উৎকণ্ঠা। আমি পৰস্পৰে চিনাকি হওঁতে হোৱা কথোপকথন এনেধৰণৰ-

আপুনি?
মোৰ নাম ডিম্বেশ্বৰ।
আপোনাৰ নাম?
মোৰ নাম ডিম্বেশ্বৰ।
ঘৰ?
ঢকুৱাখনাত।
আপোনাৰ ঘৰ?
ঢকুৱাখনাত।

দুয়োজনেই আচৰিত। ওচৰত বহি থকা কেইজনো অবাক। কথা কি? ইজনে সিজনক উপলুঙা? মুখ টিপি হাঁহিছে। আপুনি কোন কলেজৰ পৰা গ্ৰেজুৱেশ্যন লৈছে?

ঢকুৱাখনা কলেজৰ পৰা।
আপুনিনো কোন কলেজৰ পৰা?
ময়ো ঢকুৱাখনা কলেজৰ পৰা।

সেইখন কলেজৰ নিযুক্তি পত্ৰ পাইছিলো। কিন্তু হিতাকাংক্ষীয়ে ক'বৰ দৰে- ঘৰত মলহা ঘাঁহ খাই ভেটিৰখীয়া হ'লোহি। ভগা জেউৰা বাটি, গজমূৰী গাই খেদি বীৰত্ব প্ৰদৰ্শন কৰোঁতেই গ'ল। কিমান ভুল সিদ্ধান্তত মেৰপাক খালো-পিছতহে উপলব্ধি কৰিছিলো। ঘৰৰ পৰা নিলগত থাকি চাকৰি কৰাৰ সমান সুখ নাই। আলহী ফুৰিবলৈ যাব লাগে ৰিঙে-ডাঁৱে নোপোৱা দূৰৰ মিতিৰৰ ঘৰলৈ- হাঁহ মাৰি খুৱাব। চাকৰি কৰিবলৈ যাব লাগে দূৰ-দূৰণিলৈ - অভিজ্ঞতাৰ মোনা গধুৰ হ'ব। বিহুৱে সংক্ৰান্তিয়ে ঘাই-ঘৰখনলৈ আহিলেও গোটা গাঁওখনে মৰম-চেনেহ ঢালি দিব। পিছত চাকৰি প্ৰাৰ্থী হ'লো এসময়ত শিক্ষালাভ কৰা কঠিয়াতলী-ঢকুৱাখনা কলেজত। তেওঁ সমাজ শাস্ত্ৰৰ, মই অসমীয়াৰ। কেঁচা তামোল এখনো কাকো যাচিবলৈ নহ'ল-প্ৰতিদ্বন্দী প্ৰাৰ্থীও নাছিল। চিৰপূজ্য শিক্ষাগুৰুসকলেও নিজৰে পো-পোৱালি বুলি বুকুত সামৰি ল'লে। ১৯৮৬ চনৰ পহিলা আগষ্টৰ দিনাই দুয়ো দুফালৰ পৰা একে সময়তে আহি দুয়ো জইন কৰিলো। তেওঁতকৈ মোৰ কপালৰ বলিৰেখা কিডাল গভীৰ। আঁহ-পাহৰ চাপটো বেছি দেখি প্ৰিঞ্চিপালছাৰে আগলৈ জ্যেষ্ঠতাৰ কোহ্‌কাল লাগে বুলি টিচাৰছ এটেন্‌ডেন্স বহীখনত মোক আগৰ আয়তক্ষেত্ৰাকাৰ ঘৰত প্ৰথম চহী কৰিবলৈ দিলে। তেওঁক কুমলীয়া দেখি পিছত। হয়ো, বয়সত তেওঁ মোতকৈ ৩/৪ টা মান বহাগৰ বিহু কমকৈ দেখিছে। মই বি এ পাছ কৰি যোৱা বছৰতে তেওঁ উজনি মাজুলী খেৰকটা কলেজৰ পৰা আহি দুবছৰীয়া স্নাতক মহলাত নাম ভৰ্ত্তি কৰিছিল। সেই কাৰণে দুয়োৰে চা-চিনাকি নোহোৱাত 'একে গোহালিৰে গৰু' হৈয়ো ওপৰত বৰ্ণনা কৰা অথন্তৰটো ঘটিছিল। তদুপৰি কলেজত আমি আজিকালিৰ ভাষাত 'হাই-ফাই' ৰিজাল্টো কৰা নাছিলো। অন্যভাৱেও চিনাকি দিয়াৰ সক্ষমতা নাছিল। দুয়োজনৰে নামৰ মিল আছিল অথচ চা-চিনাকি নাছিল। কমন ৰুমৰ বৃন্দাবনীয়া সভাত

সোঁৱৰণ

# প্ৰয়াত ডিম্বেশ্বৰ চুতীয়া ছাৰৰ সোঁৱৰণত

চিত্ৰ কুমাৰ কোঁ
জ্যেষ্ঠ প্ৰবক্তা, অসমীয়া বিভা



সেই দিনা আছিল ২০০৮ বৰ্ষৰ ২৮ ফেব্ৰুৱাৰী, বৃহস্পতিবাৰ। মহাবিদ্যালয়ত নিজ কৰ্তব্য সমাপণ কৰি ঢকুৱাখনা চাৰিআলি পালোগৈ। দেহৰ ক্লান্তি লাঘৱ কৰিবৰ বাবে ‘ঘোষ হোটেল’ৰ আধা নাঙঠ বেঞ্চখনত বহি ফিকা চাহ কাপত চুমুক দিছিলো। সময় তেতিয়া ১ বাজি ১০ মিনিট গৈছিল। সহকৰ্মী যামিনী কুমাৰ শইকীয়াই ফোন কৰি ক’লে- ‘চিত্ৰ দাদা, আপুনি য’তেই আছে ঢকুৱাখনা ৩০খন বিছনাযুক্ত চিকিৎসালয়লৈ আহক। ডিম্বেশ্বৰ চুতীয়া ছাৰ আৰু আমাৰ মাজত নাই। ছাৰৰ আকস্মিক মৃত্যুৰ বাতৰিটোৱে মোক হতভম্ব কৰাই নহয় মূৰটো আচন্দ্ৰাই কৰি তুলিলে। ধৈৰ্য সহকাৰে মটৰ চাইকেলখন লৈ ঢকুৱাখনাৰ ৩০খন বিচনাযুক্ত চিকিৎসালয় পালোগৈ। চিকিৎসালয়খনৰ এখন বিচনাত ছাৰৰ নিঠৰ দেহটো দেখি ভৰি দুখনত খামুচি ধৰি অশ্ৰুসিক্ত নয়নেৰে কৈছিলো- “চুতীয়া ছাৰ ! সঁচাকৈয়ে আপুনি আমাক এৰি গ’লগৈ।” চিকিৎসালয়খনৰ বাহিৰলৈ ওলাই আহি অন্যান ছাৰসকলৰ লগত আলাপ-আলোচনা কৰি বোধ হ’লো ছা উচ্চৰক্ত ছাপত পৰি মৃত্যুক সাবটি ল’লে। এইজন ছাৰৰ লগত আগদিনা কলেজ কেন্টিনত কিমান যে হাঁহি ধেমালি কৰিছিলো সেইবোৰ কথাই মোৰ মনটো সেমেকাই তুলিলে। মহাবিদ্যাল পৰিয়ালত শূণ্যতাই বিৰাজ কৰিলে। চুতীয়া ছাৰৰ মৃতদেহ সম্মা সহকাৰে কলেজ কেম্পাছৰ ঘৰলৈ আনি শ্ৰদ্ধা জ্ঞাপন কৰিলে সেই সময়ত ছাৰৰ পৰিবাৰ পদ্মা বাইদেউ আৰু তিনিওটি সন্তান লগতে উপস্থিত গুণমুগ্ধসকলে কান্দোনত গছৰ পাত সৰুৱাইছি তাৰ পাছতে মহাবিদ্যালয়লৈ আনি শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ ছাত্ৰীসকলে ছাৰৰ শৱদেহত পুষ্প বৰিষণেৰে শেষ শ্ৰদ্ধা জ্ঞাপন কৰিলে আৰু তাৰ লগে লগে গাড়ীৰে ছাৰৰ মৃতদেহ নিজ বাসস্থা উজনি কেকুৰী গাঁৱলৈ নি সৎকাৰ কৰা হয়। মৃতদেহ গাঁৱৰ ঘৰ চোতালত থোৱাৰ লগে লগে ছাৰৰ সহজ-সৰল পিতৃ-মাতৃ, ভা আৰু বোৱাৰীসকলে চিঞৰত গগণফলা যি হৃদয় বিদাৰক দৃশ তাক নিজ চকুৰে নেদেখিলে বিশ্বাস কৰিবলৈ টান হ’লহেতেন।

চিৰপূজ্য শিক্ষাগুৰু ডিম্বেশ্বৰ চুতীয়া ছাৰক মই লগ পাইছিলো ১৯৮৭ চনৰ আগষ্ট মাহত। মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ ঢকুৱাখনা মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰাৰ লগে লগে প্ৰত্যক্ষভাৱে ছাৰৰ ছাত্ৰ হোৱাৰ সৌভাগ্য লাভ কৰিছিলো। চুতীয়া ছাৰ সেই সময়ত এজন চফল ডেকা। শৰীৰত তেজে দগমগাই থকাৰ বয়স। ছাৰৰ শ্ৰেণী সমূহৰ মই পৰম ভক্ত আছিলো। শ্ৰেণী কোঠাত বক্তৃতা দিয়াৰ এক সুকীয়া ঠাঁচৰ অধিকাৰী আছিল চুতীয়া ছাৰ। নিৰ্দিষ্ট সময়ত শ্ৰেণী কোঠাত উপস্থিত হৈ ছাৰে সমাজ শাস্ত্ৰৰ জটিল বিষয়বোৰ ইমান কলা সন্মতভাৱে, সৰলতাৰে ছাত্ৰ-ছাত্ৰীক বিষয়ৰ গভীৰতালৈ লৈ যোৱা দেখি আশ্চৰ্যবোধ কৰিছিলো। শ্ৰেণীকোঠাত ছাৰৰ উজ্জ্বল বুদ্ধিদীপ্ত চকু দুটালৈ চাই শ্ৰদ্ধাত শিৰ নত হৈছিল।





চুতীয়া ছাৰৰ প্ৰতি মোৰ এটি গভীৰ আকৰ্ষণ আছিল। ছাৰে বৰ কষ্টৰে পঢ়া-শুনা কৰিব লগা হৈছিল বুলি সৰু ভায়েক শ্ৰীমান ৰজিত চুতীয়াৰ মুখেদি জানিব পাৰিছিলো। ৰজিত চুতীয়া আছিল মোৰ সহপাঠী। চুতীয়া ছাৰে কঠোৰ জীৱন সংগ্ৰামৰ মাজেদি জীৱন ৰথ চলাই মহাবিদ্যালয় এখনৰ অধ্যাপকৰ পদ অধিগ্ৰহণ কৰাটো আমাৰ সকলোৰে বাবে পাথেয় হ’ব লাগে। ছাৰে শ্ৰেণী কোঠাত কোৱা এষাৰ কথাই মোক ছাৰৰ প্ৰতি আকৰ্ষণ বঢ়াই তুলিছিল। সেইয়া হ’ল- ছাৰে কৈছিল- “সংগ্ৰামহীন জীৱনৰ মাধুৰ্য নাই”। চুতীয়া ছাৰৰ জীৱনৰ বৈশিষ্ট্য হ’ল- চিন্তাৰ মৌলিকতা, চিন্তাৰ গতিশীলতা আৰু চিন্তাৰ স্বচ্ছতা। পিন্ধন উৰণত ছাৰ বৰ চাফ চিকুণ আছিল। এখন কোমল অন্তৰৰ, মুখত খং-ৰাগৰ তিলমানো ভাব নথকা, মৰমিয়াল হৃদয়ৰ মানুহ আছিল চুতীয়া ছাৰ। ছাত্ৰ-জীৱনত চুতীয়া ছাৰৰ পৰা মই মৰম বুটলিবলৈ সমৰ্থ হৈছিলো।

১৯৯৭ চনৰ পৰা ছাৰৰ সহকৰ্মী হ’লো আৰু তেতিয়া ছাৰৰ হৃদয়খন নিচেই সমীপৰ পৰা জুখি চোৱাৰ অৱকাশ মিলিল। ছাৰে অনাৱশ্যক কাম বা আলোচনাত মিলিত হৈ কাল আৰু বুদ্ধি ক্ষয় নকৰে। ছাত্ৰ-ছাত্ৰীক পাঠদান কৰাৰ পাছত যদিহে মহাবিদ্যালয়ত কাম নাথাকে ছাৰে ঘৰলৈ গৈ নিজ সন্তানক পঢ়োৱাৰ কামত আত্মনিয়োগ কৰে। চুতীয়া ছাৰৰ তিনিটি সন্তান। তিনিওটি সন্তানেই পঢ়া শুনাত মেধাৱী। ছাৰৰ কৰ্তব্যনিষ্ঠা আৰু সময়নিষ্ঠা আমাৰ সকলোৰে পৰম পাথেয় হৈ ৰ’ব।

চুতীয়া ছাৰৰ জীৱনৰ আন এক চকুত লগা বৈশিষ্ট্য হ’ল- ছাৰৰ নিৰ্ভীকতা আৰু স্পষ্টবাদিতা গুণ। ছাৰে কোনো কথাতে ভয় কৰা নাছিল। শিক্ষক গোটৰ সভাত ছাৰে নিৰ্ভীকভাৱে স্পষ্টবাদিতাৰে নিজ বক্তব্য দাঙি ধৰিছিল। যাৰ ফলত ছাৰে কেতিয়াবা অপ্ৰিয়ভাজনো হ’ব লগা হৈছিল। ছাৰে কেইবাবাৰো শিক্ষকগোটৰ পৰা মহাবিদ্যালয় পৰিচালনা সমিতিৰ শিক্ষক সদস্য হিচাবে নিয়োজিত হৈ নিজ দক্ষতাৰ পৰিচয় দিছিল।

চুতীয়া ছাৰৰ জীৱনত কোনো ধৰণৰ কৃত্ৰিমতাৰ বোল দেখা পোৱা নাছিলো। ছাৰৰ জীৱনত ঘটা ঘটনাবোৰৰ সবিশেষ বৰ্ণনা তেখেতে কোনো ধৰণৰ কৃত্ৰিমতাৰ ৰহন নসনাকৈ ক’ব পাৰিছিল, যিবোৰ কথা নেকি সকলোৰে বাবে সম্ভৱ নাছিল। তাৰে ছাৰৰ নিজ মুখৰ পৰা শিক্ষকৰ জিৰণী-কোঠাত কোৱা কেইটামান কথা উল্লেখ নকৰি নোৱাৰিলো। বিজুলী বাতিৰ সৈতে পৰিচয় নথকা চুতীয়া ছাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়িবলৈ যোৱা প্ৰথম দিনা ছাত্ৰাবাসৰ নিজ কোঠাত থকা লাইটৰ চুইচটো অন্ আৰু অফ কৰি থাকোতেই বোলে ৰাতি পুৱাল। কাৰণ ছাৰৰ বাবে বোলে সাঁথৰ আছিল চুইচটো অন আৰু অফ কৰিলেই কেনেকৈ বাল্বটো জ্বলে আৰু নুমাই যায়। আন এদিনাখন ছাৰে কমন ৰুমত প্ৰাসংগিকভাৱেই ক’লে যে- ছাৰে বোলে মচুৰ দালি চিনি নাপাইছিল। যোৰহাটত ফুৰিবলৈ যাওতে মাৰোৱাৰী দোকানৰ সন্মুখত কাউৰীয়ে বৰষুণত ভিজি থকা মচুৰ দালিবোৰ খাওতে লগৰ জনৰ পৰা গম পাইছিল সেইবোৰ মচুৰ দালি বুলি। মচুৰ দালিৰ ব্যৱহাৰ ছাৰৰ ঘৰত নাছিলেই বোলে। এৰা ! যি মানুহে ঢেকীয়া, নলটেঙা, বেত গাজ, ঔ টেঙা আৰু চেনি, কুঢ়ি মাছৰ জুতি পাইছে, সেই মানুহে বাৰু মচুৰ দালি খাই পেট ফুলাব কিয় ? এনেবোৰ সৰু বৰ ঘটনা বা দিশ সকলোৰে জীৱনত নঘটা নহয়। কিন্তু ঘটনা সমূহৰ কোনো ধৰণৰ আঁৰ বেৰ নোহোৱাকৈ তথা মুকলি মুৰীয়াকৈ আনৰ আগত উদঙাই দেখুওৱাৰ পৰাটো আছিল চুতীয়া ছাৰৰ বিৰল গুণ।

প্ৰয়াত ডিম্বেশ্বৰ চুতীয়া ছাৰ আছিল বহু পৰিমাণে মিতব্যয়ী আৰু ঘৰুৱা জীৱনত আছিল এজন দায়িত্বশীল অভিভাৱক। গাঁৱৰ ঘৰখনৰ লগতে মিতিৰ কুটুম আৰু বন্ধু-বান্ধৱৰ সুখ-দুখৰ সমভাগী হ’ব পৰা এখন বহল হৃদয়ৰ গৰাকী আছিল তেওঁ। ঘৰখনত কিবা এপদ সামগ্ৰী ল’লে আৰু নিজৰ মিতিৰ কুটুমৰ ল’ৰা-ছোৱালীয়ে পৰীক্ষাত ভাল ফলাফল লাভ কৰিলে ছাৰে শিক্ষকসকলক মাতি নি হোটেলত চাহ মিঠাইৰ ভাগ ল’বলৈ দিছিল। ছাৰৰ কাম-কাজে আৰু শিক্ষকতাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সহকৰ্মীসকলৰ পৰাও সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

সি যি নহওক, ছাৰ আমাৰ মাজত বৰ্তমান নাই, সেয়াই ধ্ৰুৱ সত্য। চুতীয়া ছাৰ য’তেই নাথাকক, তেখেতৰ হেপাহৰ ঘৰখনলৈ, মহাবিদ্যালয়খনলৈ আশীৰ্বাদ চটিয়াই থাকক, তাকে মই মনে প্ৰাণে কামনা কৰিছো। লগতে অশ্ৰুসিক্ত নয়নেৰে পৰম পিতা ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ যাতে ছাৰৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক।

প্ৰবন্ধ

# বাসুদেৱ থানৰ অৱস্থিতি আৰু লোকমানসত ইয়াৰ প্ৰভাৱ

জিন্টু কলিতা
স্নাতক ২য় বৰ্ষ
নৃতত্ত্ব বিভাগ



লক্ষীমপুৰ জিলাৰ গোহাঁই মৌজাত অৱস্থিত বাসুদেৱ থান নৰোৱা সত্ৰ অসমৰ এখন প্ৰখ্যাত বৈষ্ণৱ পীঠ। ঢকুৱাখনাৰ পৰা ১২ কিঃমিঃ পশ্চিমত সোৱণশিৰি আৰু উত্তৰ লক্ষীমপুৰ নগৰৰ পৰা যথাক্ৰমে ৬ আৰু ২৬কিঃমিঃ পূৱত থকা এই থানৰ পূৱত কঢ়া আৰু পশ্চিম দিশত বৈ আছে চামপৰা নৈ। এই পবিত্ৰ ক্ষেত্ৰৰ সৰ্বপ্ৰধান আকৰ্ষণ হৈছে কলীয়া শিলত নিৰ্মিত ইয়াৰ বাসুদেৱ বিষ্ণুৰ বৃহৎ প্ৰতিমূৰ্তি। এই চতুৰ্ভূজ বিগ্ৰহটি, ইয়াৰ বিতোপন-নগ্ৰাখচিত স্থান দ্ৰোণিভাগৰ সৈতে ১.২০ মিটাৰ উচ্চতাৰ, অসমৰ বিভিন্ন অঞ্চলত অদ্যপৰিমিত উদ্ধাৰ হোৱা আৰু বিভিন্ন সত্ৰ মন্দিৰত পূজিত হৈ থকা বিগ্ৰহৰ মাজত এনে আকাৰৰ বাসুদেৱ মূৰ্তি দৃষ্টিগোচৰ হোৱা নাই।

পোন্ধৰ শতিকাৰ প্ৰথম বৰ্ষত সোৱণশিৰি সমীপত এই থানৰ অৱস্থিতিৰ বিষয়ে স্পষ্ট ভাৱে জনা যায় ১৯৩২ চনত ঘিলামৰা মেৰ কাঠনিত উদ্ধাৰ হোৱা এক তাম্ৰপত্ৰৰ পৰা। এই ঠাই আজিৰ বাসুদেৱথানৰ পৰা মাত্ৰ ৭ কিঃমিটাৰ মান উত্তৰত। উক্ত তাম্ৰপত্ৰৰ পাঠৰ পৰা জানিব পৰা যায় যে ১৪০১ চনত স্বধয়াপুৰীৰ ৰজা লক্ষ্মীনাৰায়ণে বাসুদেৱ মন্দিৰৰ পুৰোহিত ৰবিদেৱক পুণ্য বিচাৰ দিনা কমনাগ্ৰাম সমন্বিতে ২০০ পুৰা মাটি দান কৰিছিল আৰু ৰবিদেৱৰ পিতৃ হৰিও আছিল পূৰ্বে সেই থানৰ পূজাৰী।

পুৰণি তথ্যাদিৰ পৰা জনা যায় যে, কালৰ চাকনৈয়াত প্ৰাচীন যুগৰ বাসুদেৱ থান মধ্যযুগৰ নৰোৱা সত্ৰ লগত অঙ্গাঙ্গীভাৱে পৰিচিত ১৭৩৪ চনৰ পূৰ্বেই আজিৰ ঠাইত নাছিল।

এই বৈষ্ণৱ পীঠস্থানৰ অস্তিত্বৰ সম্ভেদ পোৱা যায় একাদশ শতিকাত ৰচিত কালিকা পুৰাণৰ যোগেদি, যাৰ পৰা নিশ্চিতভাৱে ক'ব পাৰি যে এই থান অন্ততঃ খৃষ্টীয় অষ্টম-নৱম শতিকা মানতে সোৱণশিৰিৰ তীৰৱতী এক জনস্থানত প্ৰতিষ্ঠিত হৈছিল। উক্ত পুৰাণৰ মতে কামৰূপৰ পূৰ্বাংশ বা দেৱী দিকৰ-বাসিনী অধ্যুষিত পৰিমণ্ডলত প্ৰৱাহিত সিত-গংগা আৰু স্বৰ্ণদী বা সোৱণশিৰিৰ পাৰত সেই সময়ত তান্ত্ৰিক পদ্ধতিৰে বাসুদেৱ-বিষ্ণুৰ পূজা-সেৱা পূৰ্ণোদ্যমে চলিছিল আৰু ইয়াৰ লগতে চলিছিল বাসুদেৱ বিজড়িত পন্ধ্যদেৱতাৰ উপাসুনা, বিশেষকৈ দ্বাদশী তিথি আৰু বসন্ত কালত। শস্য-মৎস্যৰে পয়োভৰা তাহানিৰ হাবুং অঞ্চলৰ সোৱণশিৰিৰ বালিত সোণ বুটলিবলৈ আহি বসতি কৰা উত্তৰ ভাৰতৰ গংগা যমুনাৰ তীৰৱতী কোনো বাসুদেৱ পন্থীলোকৰ উদ্যোগত আৰু তদানীন্তন কোনো কামৰূপ নৃপতিৰ পৃষ্ঠপোষকতাত এই শীৰ্ষস্থানৰ উদ্ভৱ হৈ শেষ শতিকাৰ সু-প্ৰসিদ্ধ হৈ পৰিছিল। ইয়াৰ পাছত চৈধ্য শতিকা পৰ্যন্ত ইয়াৰ কোনো সম্ভেদ পোৱা নাযায়।

পোন্ধৰ শতিকাৰ প্ৰথম বৰ্ষত সোৱণশিৰি সমীপত এই থানৰ অৱস্থিতিৰ বিষয়ে স্পষ্ট ভাৱে জনা যায় ১৯৩২ চনত ঘিলামৰা মেৰ কাঠনিত উদ্ধাৰ হোৱা এক তাম্ৰপত্ৰৰ পৰা। এই ঠাই আজিৰ বাসুদেৱথানৰ পৰা মাত্ৰ ৭ কিঃমিটাৰ মান উত্তৰত। উক্ত তাম্ৰপত্ৰৰ পাঠৰ পৰা জানিব পৰা যায় যে ১৪০১ চনত স্বধয়াপুৰীৰ ৰজা লক্ষ্মীনাৰায়ণে বাসুদেৱ মন্দিৰৰ পুৰোহিত ৰবিদেৱক পূণ্য বিচাৰ দিনা কমনাগ্ৰাম সমন্বিতে ২০০ পুৰা মাটি দান কৰিছিল আৰু ৰবিদেৱৰ পিতৃ হৰিও আছিল পূৰ্বে সেই থানৰ পূজাৰী। ফলিখনৰ পৰা এই কথাও নিশ্চিত হ'ব পাৰি যে, স্বৰ্ণ নদীৰ পূৱ পাৰত ... সুঁতিৰ পশ্চিমত থকা তৎকালৰ বসনাগ্ৰামতে সেই সময়ত বাসুদেৱ মন্দিৰটো আছিল। ফলিৰ উল্লেখিত স্বৰ্ণদীক সোৱণশিৰি, চম্পাৱতীক চামপৰা নৈ আৰু বখনাগ্ৰামক আজিৰ বাসুদেৱ থানৰ পৰা ৭ কিঃ মিটাৰমান দক্ষিণ-পশ্চিমত সোৱনশিৰিৰ পূৱপাৰে থকা, বৰ্ষামুখ বুলি চিনাক্ত কৰা হৈছে। বৰ্তমানৰ পকীমুৰী বিলৰ অৱস্থিতিৰ পৰা বুজিব পাৰি যে, ১৪০১ চনত বখনাগাওঁ সমন্বিত বাসুদেৱ থানখন আছিল। বৰ্তমান স্থানৰ পৰা ৯ কিঃমিটাৰমান পশ্চিমৰ ঘূণাসুঁতি- পলাসপৰা গাঁৱত।

সোতৰ শতিকাৰ মাজভাগত ঠিক সেই ঠাইতে বাসুদেৱ থানৰ অৱস্থিতিৰ কথা জনা যায় ১৭৩৫ চনতে লিখা হৰিনাৰায়ণ দ্বিজৰ শ্ৰীঠাকুৰ চৰিত পুথিৰ পৰা। আজিৰ বাসুদেৱথান নৰোৱা থানতে ৰচিত এই চৰিতৰ মতে শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰিনাতি দামোদৰ ঠাকুৰ (১৬০৪-১৬৫৪ চন) কামৰূপৰ বিষ্ণুপুৰ সত্ৰত মোগলৰ উৎপাতত তিষ্ঠিব নোৱাৰি উজাই আহি বৰদোৱাথান উদ্ধাৰ কৰাৰ পিছত স্বৰ্গদেৱ জয়ধ্বজ সিংহৰ সাহাৰ্যত উত্তৰ পাৰে নতুনকৈ বংশ-কন্দলী বৃক্ষৰোপণ কৰি নৰোৱা নাম দি দুঠাইত দুখন সত্ৰ পাতিছিল। ইয়াৰে এখন লাউমূৰীত, ঘিলামৰাৰ পৰা ১১ কিঃ মিঃ উত্তৰ পূৱ দিশত, যাক এতিয়া নৰোৱাথান বোলা হয় আৰু আনখন সোৱণশিৰিৰ পাৰৰ চাৰিভাগিত সত্ৰ পতা সময়তে দামোদৰ প্ৰাচীন বাসুদেৱ মূৰ্তিটো স্বৰ্গদেৱৰ অনুগ্ৰহত লাভ কৰি নৰোৱা সত্ৰত স্থাপন কৰিছিল। প্ৰচলিত এক জনশ্ৰুতিৰ মতে পূৰ্বোক্ত পূজাৰী ৰবিদেৱৰ এক পৰিনাতি ৰবিধৰ বাচপতিয়ে তিল কুশ সৈতে বাসুদেৱ মূৰ্তিটো দামোদৰ ঠাকুৰৰ পুত্ৰ ৰমাকান্তক অৰ্পণ কৰিছিল। এইটো বিশ্বাস কৰিব পাৰি যে আজিৰ ঘূণাসুঁতিৰ ওচৰত থকা প্ৰাচীন বাসুদেৱ তীৰ্থস্থানতে দামোদৰ নতুবা ৰমাকান্ত ঠাকুৰে ৰাজ অনুগ্ৰহত সত্ৰ পাতি সেই ঠাইত থকা পূৰ্বৰ বাসুদেৱ মূৰ্তিটো নৰোৱা সত্ৰৰ প্ৰধান, উপাস্য বিগ্ৰহ হিচাপে লাভ কৰিবলৈ সমৰ্থ হৈছিল আৰু এই সত্ৰত মূৰ্তিটো অবিচ্ছেদ্য অংগ হিচাপে সোমাই পৰে।

১৭৩৪ চনত সোৱণশিৰিয়ে চাৰিভাগীত থকা নৰোৱা সত্ৰ খহাই ধ্বংস কৰাত ৰমাকান্তৰ পুত্ৰ ৰামচন্দ্ৰই সত্ৰখন বাসুদেৱ মূৰ্তিৰে সৈতে বৰ্তমানৰ ঠাই কঢ়া-চামপৰাৰ মধ্যৱতী ৰৌমৰা পথাৰলৈ স্থানান্তৰ কৰে। স্বৰ্গদেৱ শিৱসিংহই অনেক শিল্পী-কৰ্মী লগাই শিল-ইটাৰে এই সত্ৰৰ হৰিমন্দিৰটো অতি বিচক্ষণ কৰি সজাই দি তাত বাসুদেৱ বিগ্ৰহ স্থাপন কৰাৰ উপৰিও এক তাম্ৰপত্ৰৰ যোগে সত্ৰৰ চৌহদ নিমোক্ত ধৰণে নিৰূপণ কৰি ২৫০০ পুৰা ভূমি দান দিছিল।

বৰ্তমানৰ বাসুদেৱথানৰ বিপৰীতে আহোম যুগত ই নৰোৱা সত্ৰ বুলিহে প্ৰসিদ্ধি লাভ কৰিছিল। ১৭৮৫ চনত এই ঠাইৰ নৰোৱা সত্ৰ দৰ্শন কৰিবলৈকে আহিছিল লুইত পাৰেহে স্বৰ্গদেৱ গৌৰীনাথ সিংহ। মানৰ আক্ৰমণত এই সত্ৰ বিধ্বস্ত হৈ গভীৰ অৰণ্যত পৰিণত হোৱাত দীৰ্ঘকালৰ বাবে বাসুদেৱ বিগ্ৰহ তাতে অনাদৃত হৈ থাকি জনসানসত বাসুদেৱ অৰণ্যপতি দেৱতালৈ ৰূপান্তৰিত হৈছিলগৈ। মানৰ দিনত সত্ৰৰ অধিকাৰ লক্ষ্মীদেৱ কিছু শিষ্যৰে বৰদোৱালৈ গুচি যোৱাত বাসুদেৱৰ হাবিত নৰোৱা সত্ৰৰ অস্তিত্ব হেৰাই যায়। তদ্ৰূপ লাউমূৰীত থকা নৰোৱা সত্ৰত হৰিনাম লৈ থকাৰ সময়তে মানে সকলো ভক্তকে নিষ্ঠুৰভাৱে হত্যা কৰাত সেই সত্ৰত গভীৰ অৰণ্যত নিমজ্জিত হয়। চলিত উনবিংশ শতিকাৰ আৰম্ভণীতে নৰোৱা লক্ষ্মীদেৱৰ নাতি অচ্যুত চন্দ্ৰ গোস্বামীয়ে ঢকুৱাখনা জালভাৰিৰ ৰঙাই আলধৰা আৰু মথুৰা আলধৰাকে মুখ্য কৰি কেইজনমান ভকতৰ সহায়ত বাসুদেৱ মূৰ্তিক পুনৰ প্ৰতিষ্ঠা কৰে। সেই সময়ৰ পৰা জনসাধাৰণৰ মাজত নৰোৱা সত্ৰতকৈ বাসুদেৱ থান নামটোৱেহে অধিক জনপ্ৰিয়তা লাভ কৰিলে। এই ঠাইত এতিয়া তাৰ স্থানীয় লোকে এটি নামঘৰ সাজি সত্ৰখনিৰ পুৰণি ঐতিহ্যক জীয়াই ৰাখিছে।

বাসুদেৱথান নৰোৱা সত্ৰৰ মহাত্ম্য আৰু অলৌকিক প্ৰভাৱ অসমৰ বহু সংখ্যক লোকৰ মাজত বিশষকৈ লখিমপুৰ জিলাত ক'ব নোৱাৰা দিনৰে পৰা প্ৰৱাহমান। বহাগ বিহুত হোৱা ইয়াৰ মেলা আৰু ফাকুৱা এই দুটা ইয়াত অনুষ্ঠিত হোৱা ডাঙৰ উৎসৱ। বহাগৰ মেলাত নেপাল-ভুটানৰ পৰাও ইয়ালৈ যাত্ৰী আহে, আনকি নেপালৰ ৰজাই এই থানত কাঁহৰ ঘন্টা উপহাৰ দিয়াৰ কথাও এদিন থানৰ অধিকাৰ মহেশ চন্দ্ৰ গোস্বামীদেৱৰ পৰা জানিবলৈ পৰা গৈছিল।

লখিমপুৰ অঞ্চলৰ শিৰৰ মুকুট পৰম পবিত্ৰ বাসুদেৱ থানৰ কথা অসমৰেই কিয় অসমৰ বাহিৰতো যিসকল লোকে শুনিছে সেই সকলোৰেই বাসুদেৱথানৰ প্ৰতি গভীৰ শ্ৰদ্ধা, ভক্তি দেখুৱাই আৰু অনেকে থানলৈ এবাৰ আহি জীৱন ধন্য কৰা দেখা যায়। আনকি অৰুণাচলৰ মিচি সকলৰ মাজতো এই থানৰ প্ৰতি অসীম শ্ৰদ্ধা।

বাসুদেৱ থানত শৰাই-সফুঁৰা দিলে অপুত্ৰকৰ পুত্ৰ লাভ হয় বুলি অসমৰ মানুহৰ মাজত এক প্ৰবল জনবিশ্বাস আছে। আনকি শ্ৰী ঠাকুৰ চৰিততো "অন্ধকে চক্ষুক অপুত্ৰ পুত্ৰক' বুলি উল্লেখ আছে। কোনো লোকে ইপ্সিত ফল লাভ কৰিবলৈ অথবা বিপদ আ পদত পৰিলে বাসুদেৱৰ প্ৰতি এগছি চাকি জ্বলোৱাটো, বাসুদেৱলৈ এটা টোপোলা বন্ধা নাইবা ৰূপৰ ফুল, সোণৰ ফুল আগবঢ়োৱাটো সমাজৰ এটা প্ৰচলিত প্ৰথা।

সহায়ক গ্ৰন্থ-

-শ্ৰী ঠাকুৰ চৰিত *(শ্ৰীমন্ত শঙ্কৰদেৱৰ বংশধৰসকলৰ জীৱন চৰিত)* *লেখক- হৰিনাৰায়ণ দ্বিজ, সময়-১৭৩৫ চন।*-ড° নিত্যানন্দ গগৈৰ *সম্পাদিত-পাতনি আৰু পৰিশিষ্ট, প্ৰকাশক- শ্ৰীমতী স্নেহলতা গগৈ, ২য় প্ৰকাশ - ২০০১ চন।*

প্ৰবন্ধ

# অসমীয়া সাহিত্যত মন্ত্ৰ সাহিত্যৰ অৱস্থিতি

ৰুবী গগৈ
স্নাতক ৩য় বৰ্ষ
অসমীয়া বিভাগ

মন্ত্ৰ সাহিত্য লোক সাহিত্যৰ এটা শ্ৰেণী। ইয়াক পৃথক শ্ৰেণী হিচাপে চিনাক্ত কৰাৰ প্ৰথম কাৰণ হৈছে মন্ত্ৰ সাহিত্য বিশুদ্ধ পদ্য অথবা গদ্য নহয়। পদৰ ৰূপত ই গঢ় ল'বলৈ বিচাৰে যদিও ই বাৰে বাৰে গদ্যলৈ উভতি আহে অৰ্থাৎ পদ্য সাহিত্যৰ এটা ঐতিহ্য মন্ত্ৰ সাহিত্যই বহন কৰি আছে। দেখা যায় যে মন্ত্ৰ সাহিত্য- ব্যৱহাৰিক জীৱনত পোনপটীয়া ভাৱে প্ৰয়োগ হোৱা সাহিত্য। সেয়েহে ইয়াৰ নান্দনিক সাহিত্যৰ মূল্য কিছু কম। ব্যৱহাৰিক জীৱনত পোনপটীয়া ভাৱে প্ৰয়োগ হোৱা সাহিত্য। সেয়েহে ইয়াৰ নান্দনিক সাহিত্যৰ মূল্য কিছু কম। ব্যৱহাৰিক জীৱনৰ পৰা দূৰত্ব যিমানে বাঢ়ি যায়, কলা আৰু কলামূল্যও সিমানে বাঢ়ে।

মন্ত্ৰ প্ৰয়োগ কৰিবলৈ কোনো বিশেষ জাতি বা বৰ্ণৰ মানুহ হ'ব নালাগে, যিকোনো মানুহে এইবোৰৰ প্ৰয়োগ কৰিব পাৰিছিল। মন্ত্ৰবোৰত অপদেৱতা, ডাইনী যখিনী আদিৰ লগতে পৌ ৰাণিক দেৱতা সমূহেও সমান স্থান পাইছে।

বিষয়বস্তু আৰু ৰচনাৰ পটভূমিলৈ দৃষ্টি ৰাখি মন্ত্ৰ সাহিত্যক আমি প্ৰাক্‌শংকৰী যুগত স্থাপন কৰিব পাৰোঁ। যুগৰ পৰিৱৰ্তনৰ লগত হয়তো মন্ত্ৰ সমূহক ভাষাৰ পৰিৱৰ্তনো নোহোৱাকৈ থকা নাই। সেয়ে মন্ত্ৰবোৰৰ ৰচনাকাল সঠিককৈ নিৰ্ণয় কৰা টান। তথাপি মৌখিক গীতৰ দৰে ইয়াৰ আমূল পৰিৱৰ্তন ঘটা নাই। ইয়াৰ মূল কাৰণ হ'ল- 'মন্ত্ৰপুথিবোৰ গোপনীয় কৰি ৰখা হয় আৰু মন্ত্ৰবোৰৰ শুদ্ধ পাঠ আৰু উচ্চাৰণ ভংগীৰ ওপৰতে ইয়াৰ গুণাগুণ নিৰ্ভৰ কৰে বুলি মানুহৰ বিশ্বাস। মন্ত্ৰ সাহিত্য প্ৰধান বৈশিষ্ট্য- "তাৰ ছন্দধ্বনি আছে যদিও অন্ত্যানুপ্ৰাস আৰু পদ-সামা সিবোৰত অভিপ্ৰেত নহয়। অসমৰ মন্ত্ৰ সাহিত্যৰ এফালে চাৰিবেদ (বিশেষকৈ অথৰ্ব বেদ), আনফালে আকৌ কোৰাণ, মহম্মদ, ফিৰিঙ্গি আদিৰ নাম পোৱা যায়। কিছুমান মন্ত্ৰ-পুথি গুৰু শঙ্কৰদেৱৰ 'অনাদি পতন'ৰ অভাৱ নহ'লেও কিছুদূৰ সামঞ্জস্য মন কৰিব পাৰি। শংকৰদেৱৰ আগৰে পৰাই অসমত নানা মন্ত্ৰ প্ৰচলিত হৈ আহিছে।

পানী কৰতি, ধৰণী মন্ত্ৰ, সৰ্বধাক মন, বীৰাজৰা মন্ত্ৰ, সুদৰ্শন মন্ত্ৰ আদি বহুতো তন্ত্ৰ-মন্ত্ৰৰ পুথি আমাৰ ভাষাত আছে। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে- খ্ৰীষ্টিয় দশম একাদশ শতিকা মানৰ পৰাই অসমত মন্ত্ৰৰ ব্যাপক প্ৰচলন হ'বলৈ ধৰে। তেখেতে মহাযান ধাৰণী মন্ত্ৰৰ লগত অসমীয়া ধাৰণীমন্ত্ৰৰ সাদৃশ্যও উল্লেখ কৰিছে। তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যাৰ প্ৰভাৱ সাধাৰণতে আদিম সমাজতে অধিক পৰিমাণে দেখা যায়। দেৱতা, অপদেৱতা, ভূত-প্ৰেত, ডাইনী, যখিনী, যম, যখিনী আদি কুপ্ৰভাৱৰ ফলত হোৱা বেমাৰ আজাৰ, শুত্ৰু বৃদ্ধি, ধন-নাশ, বিষ আদি দূৰ কৰাৰ উদ্দেশ্যে মন্ত্ৰবোৰৰ প্ৰয়োগ হয়। কোনো ঠাইত "ওভোটা" বেদ বুলি কোৱা হৈছে জৰা-ফুকা, বেদ বাহা, আচাৰৰ কাৰণে। দ্বিতীয়তে কিছুমান মন্ত্ৰ প্ৰয়োগ হৈছিল বশীকৰণ, বাজীকৰণ আদি যৌন অভিলাষ পূৰণৰ অৰ্থে আৰু আন কিছুমান ৰচিত আৰু ব্যৱহাৰ হৈছিল গাৰ্হস্থ্য জীৱনৰ মঙ্গল আৰু উন্নতিৰ অৰ্থে। কিছুমান মন্ত্ৰত আমাৰ দেশত প্ৰচলিত ভেষজ বিদ্যা আৰু ৰোগ নিৰাময়ৰ বিৱৰণ আছে। "বাৰভনী বিষালী'- নামৰ পুথিখন সৰ্বব্যাধিৰ মূলমন্ত্ৰ। "বাৰভনী বিষালী" সম্পৰ্কে তাত আছে এনেদৰে-

"শ্ৰী কৃষ্ণায় নমঃ ধন্বন্তটয্য নমঃ চক্ষুৰ হন্তে, বৰ্ণৰ হন্তে, মাংসৰ হন্তে, তেজয় হন্তে, হাড়ৰ হন্তে, পেটৰ হন্তে, পিঠিৰ হন্তে, নাড়ীৰ হন্তে, কঙ্কালৰ হন্তে, হস্তৰ হতে, ভৰিৰ হন্তে, এৰি বাৰ ভনী মায়া ব্ৰান্মায়ে স্ৰজিলা..."।

মন্ত্ৰ প্ৰয়োগ কৰিবলৈ কোনো বিশেষ জাতি বা বৰ্ণৰ মানুহ হ'ব নালাগে, যিকোনো মানুহে এইবোৰৰ প্ৰয়োগ কৰিব পাৰিছিল। মন্ত্ৰবোৰত অপদেৱতা, ডাইনী যখিনী আদিৰ লগতে পৌ ৰাণিক দেৱতা সমূহেও সমান স্থান পাইছে। একশৰণীয়া বৈষ্ণৱ অভ্যুত্থানৰ মাজেদি সৰকি আহিলেও দেৱতা আৰু অপদেৱতাবোৰৰ উত্তৰ তন্ত্ৰ-মন্ত্ৰৰ প্ৰাধান্যৰ যুগত আৰম্ভ হ'লেও গাঁৱলীয়া সমাজত ইয়াৰ অধিপত্য বৈষ্ণৱ ধৰ্মৰ বাধা নি[illegible] যুগলৈকে অব্যাহত আছিল আৰু গাঁৱলীয়া মানুহে গভীৰ বিশ্বাসেৰে এই মন্ত্ৰকৰতি পুথিসমূহ প্ৰয়োগ কৰিছিল।

মন্ত্ৰবোৰৰ ছন্দগন্ধী নিৰ্দিষ্ট যতি, পৰ্ব, পূৱাৰ্ঙ্গৰ দ্বাৰা সুসংবদ্ধ ছন্দ নাই যদিও সকলো মন্ত্ৰতে ছন্দৰ লয় পোৱা যায়। অন্ত্যানুপ্ৰাস বা শেষবৰ্ণৰ মিল বহুতো মন্ত্ৰত দেখা যায়। পংক্তিৰ শিকলিৰূপে একেটা ক্ৰিয়াৰ পুনৰুক্তি হোৱা দেখা যায়। উদাহৰণস্বৰূপে পোৱা যায়- (চুৰ দিয়া মন্ত্ৰ)- "চুৰ চুৰ আদি চুৰ, চুৰ চুৰ মহাচুৰ, চুৰ চুৰ অনাদি চুৰক বান্ধিলো। আকৌ ব্ৰহ্মাৰ গাঁঠি কাটো; বিষ্ণুৰ গাঁঠি কাটো। ৰুদ্ৰৰ গাঁঠি কাটো; হালৰ গাঁঠি কাটো। দেৱতাৰ গাঁঠি কাটো ইত্যাদি। কোনো কোনো ঠাইত তান্ত্ৰিক বীজৰ দৰে অবুজ ধ্বনি প্ৰয়োগ কৰি এটা ৰহস্যঘন পৰিবেশ সৃষ্টি কৰাৰ চেষ্টা দেখা যায়। হং, স্বাহা, ৰং, লং, ও, হ্ৰী, ফুং, ফেং, ফ, খ্ৰী এনে ধৰণৰ ধ্বনি প্ৰয়োগৰ দ্বাৰা 'Magical atmosphere' সৃষ্টি কৰা হয়। মন্ত্ৰবটোতাৰ বৰ্ণনা শক্তিৰো স্থান বিশেষে পৰিচয় পোৱা যায়। সুদৰ্শন. চক্ৰৰ প্ৰভাৱত দেৱতাবোৰক কেনে বিলাই হৈছিল তাৰ বৰ্ণনা মন্ত্ৰত এইদৰে দিছে-

"মহাতেজে চক্ৰ দেৱন্ত গিৰি।
ত্ৰিদশ দেৱতা পলাইলা লৰি।।
ত্ৰিদশদেৱে নাপাই ঠাই।
কানি কন্থা বান্ধি ভিক্ষা মাগি খায়।।
ত্ৰিদশ দেৱৰ চিন্তা জ্বৰ ভৈলা।
স্বৰ্গত লোক কম্পিবাক লৈলা।।
পলাই দেৱগাণ নাহি স্থিতি স্থান।
বিষ্ণু চক্ৰে খেদি খেদি নেয় পাণ।।
কম্পিলা মন্দৰ কম্পে হিমগিৰি।।
ব্ৰহ্মা মহেশ্বৰ কম্পে তৰতাৰ।
পৃথিৱীক জিনি জিনিল পাতাল।।
তেৱে চক্ৰবাশু কৰিলা গমন।
থৰহৰি কম্পে চৈধ্য ভূৱন।।

"পুৰুষ-মোহিনী' মন্ত্ৰৰ তলৰ চৰণটোৱে পুষ্পনৰৰ ইংগিত বহন কৰিছে-

"ফুলৰ পুখুৰী ফুলৰ পাৰ
ফুল ফুলি আছে জাতিষ্কাৰ
এই ফুল আমুকীৰ মুৰত চৰে
আমুকীক অমুকাই জপা কাপোৰ যেন দেখে।"
(বৃহৎ বৈদ্যসাৰ)

মন্ত্ৰবোৰত স্থান বিশেষে পৌৰাণিক সৃষ্টি তত্ত্বৰো আভাস পোৱা যায় আৰু বৈদিক; পৌৰাণিক অপৌৰাণিক অনেক দেৱতা আৰু অপদেৱতা উল্লেখ আৰু সেইবোৰত বিশ্বাসৰ প্ৰমাণ পোৱা যায়। ৰামায়ণ, মহাভাৰত আদি পুৰাণবোৰৰ আখ্যানকিছু কিছু প্ৰভাৱ আৰু তাৰ বিকৃত লৌকিক ৰূপ পোৱা যায়। মুঠৰ ওপৰত মন্ত্ৰবোৰ আমাৰ সন্মুখত এনে এখন সমাজৰ চিত্ৰ দাঙি ধৰা হয় য'ত এটা স্থিৰ সুসংবদ্ধ আৰু অব্যভিচাৰ ধৰ্মবিশ্বাসৰ প্ৰচলন নাছিল।

মন্ত্ৰবোৰৰ ভাষা কথিত ভাষাৰ ওপৰত প্ৰতিষ্ঠিত। সৰহ ভাগ ভাষাত উজনীৰ চাপ বিদ্যমান। খুউৱ সম্ভৱ কামৰূপতকৈ উজনি আৰু মধ্য অসমত মন্ত্ৰবোৰ অধিক পৰিমাণে চলিছিল। জনসাহিত্যৰ এটা দিশো মন্ত্ৰপুথিসমূহে সংৰক্ষণ কৰিছে।

সহায়ক গ্ৰন্থ ঃ

১। *অসমীয়া সাহিত্যৰ ৰূপৰেখা - ড° মহেশ্বৰ নেওগ*
২। *অসমীয়া সাহিত্যৰ ইতিবৃত্ত - ড° সতেন্দ্ৰনাথ শৰ্মা*
৩। *অসমীয়া সাহিত্য বুৰঞ্জী - যতীন্দ্ৰনাথ গোস্বামী*

**"তোমালোকে হাতত অস্ত্ৰ তুলি লৈছা। অস্ত্ৰৰ লগত মানুহৰ হত্যা জড়িত হৈ থাকে। হত্যাটো এটা নিচাৰ দৰে। এটা বিপ্লৱী যিকোনো সময়তে এটা হত্যাকাৰীলৈ ৰূপান্তৰিত হৈ যাব পাৰে- হত্যাৰ নিচাত, অৰ্থৰ লোভত, ক্ষমতা দখলৰ যুঁজত। বহুতে ভাৱে- বিপ্লৱী হ'বলৈ সুকুমাৰ অনুভূতিহীন, স্নেহ মমতাহীন, নিৰ্দয় হত্যাকাৰী হ'ব লাগিব। মানুহ হত্যা মানেই বিপ্লৱ নহয় বিভৱ! সাধাৰণ মানুহতকৈ বিপ্লৱীৰ হৃদয়ত মানুহলৈ বেছি মৰম থাকিব লাগিব। মানুহৰ প্ৰতি ভাল পোৱাহে সকলো বিপ্লৱৰ ভেটি বিভৱ! অস্ত্ৰ আৰু হত্যা নহয়।"**

*(মহাজীৱনৰ আধাৰশিলা) - ৰীতা চৌধুৰী*

প্ৰবন্ধ

# মাধৱ কন্দলি 'ৰামায়ণ'ৰ অনুবাদ ৰীতি

ৰশ্মিৰেখা চুতীয়া
স্নাতক ৩য় বৰ্ষ
অসমীয়া বিভাগ

**ৰামক বনৰপৰা ওভোতাই আনিবলৈ ভৰতৰ লগত যিখিনি মানুহ গৈছিল সেইখিনি বাল্মীকি ৰামায়নৰ মানুহ নহয়, অসমৰ বিভিন্ন বৃত্তিৰ ব্যৱসায়ী-ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, কায়স্থ, নট, ভাট, তেলী, তাঁতী, কমাৰ, সোনাৰী, কঁহাৰ, বণিয়া, ধোবা, কুমাৰ আদি। ইয়াৰ উপৰিও চতুদশ শতিকাৰ অসমীয়া সমাজ, জীৱন ধাৰণ প্ৰণালী, শিল্প, ধৰ্মবিশ্বাস,, খাদ্যাখাদ্য, ফুল-মূল, পশু-পক্ষী, ৰাজকীয় ব্যৱস্থা আদিৰ আভাস ৰামায়ণৰ ফাঁকে ফাঁকে সাৱলীলতাৰে কন্দলিয়ে দাঙি ধৰিছিল।**

প্ৰাকশংকৰী যুগৰ এজন শ্ৰেষ্ঠ কবি মাধৱ কন্দলি। মাধৱ কন্দলি বৰাহী ৰজা মহামানিক্যৰ ৰাজকবি আছিল। মহামানিক্যৰ অনুৰোধত মাধৱ কন্দলিয়ে ৰামায়ণ ৰচনা কৰিছিল বুলি উল্লেখ আছে। তেওঁ লংকাকাণ্ডৰ শেষত কোৱা কথাখিনি কেবাটাও দিশৰ পৰা মূল্যবান-

কবিৰাজ কন্দলিয়ে আমাকেসে বুলিৱয়
কৰিলোহো সৰ্বজন বোধে।
ৰামায়ন সুপয়াৰ শ্ৰী মহামাণিক্যযে
বৰাহ ৰজাৰ অনুৰোধে।।
সাতকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোদ্ধৃতে।
মহামাণিক্যৰ বোলে কাব্যৰস কিছো দিলো
দুগ্ধক মথিলে যেন ঘৃতে।।

কবিৰ উক্তিমতে তেওঁ সাতকাণ্ড ৰামায়ণ ৰচনা কৰিছিল। কিন্তু দুভাগ্যবশতঃ এওঁৰ ৰামায়ণখনৰ প্ৰথম আৰু সপ্তম কাণ্ড পাবলৈ নাই। এই কাণ্ড দুটা কিবা উপায়ে হেৰুৱা বুলি জনশ্ৰুতি চলি আহিছে। কথাগুৰু চৰিত্ৰ মতে শংকৰদেৱে উত্তৰাকাণ্ড আৰু মাধৱদেৱে আদিকাণ্ড ৰচনা কৰি ৰামায়ণখন সম্পূৰ্ণ কৰে।

মাধৱ কন্দলি ৰামায়ণখনেই উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাত ৰচিত ৰামায়ণৰ তিৰত প্ৰাচীনতম। তেওঁ বাল্মীকি ৰামায়ণৰ পূব ভাৰতীয় (গৌড়ীয় পাঠ) পাঠ অনুসৰণ কৰি অতি শক্তিশালী আৰু মনোৰম ৰূপত অসমীয়ালৈ অনুবাদ কৰিছে। মাধৱ কন্দলি অনুবাদৰ মূল কথা আছিল - 'লম্ভা পৰিহৰি সাৰোদ্ধৃতে'।

কন্দলিয়ে ৰামায়ণখন জনসাধাৰণৰ সুখপাঠ্য কৰি তুলিছিল। তেওঁ অসমৰ সহজ-সৰল নিৰক্ষৰ শ্ৰোতাৰ মনোৰঞ্জনাৰ্থে ঠায়ে ঠায়ে অলপ ৰহণ লগাইছে আৰু কেতিয়াবা ঘটনাৰ সামান্য লৰচৰ কৰিছে। প্ৰয়োজন সাপেক্ষে মূলৰ কিছুমান অধ্যায়ৰ কাহিনী কম বেছিও মাধৱ কন্দলিয়ে কৰিছে। উদাহৰণস্বৰূপে - গৌড়ীয় পাঠৰ অযোধ্যাকাণ্ডৰ ১১৯ টা সৰ্গ অসমীয়া সংস্কৰণত ৪১ টা অধ্যায়ত, অৰণ্যকাণ্ডৰ ৭৫ টা সৰ্গ ২২ টা অধ্যায়ত আৰু লংকাকাণ্ডৰ ১২৮ টা সৰ্গৰ কথা ৫৬ টা অধ্যায়ত সামৰিছে। কিন্তু চমুৰূপ দিবলৈ যাওঁতে কোনো প্ৰয়োজনীয় ঘটনা বা বিৱৰণৰ বাদ দিয়া নাই; কেৱল বঢ়া-টুটা কৰিছে। অনুবাদ কৰোঁতে সৌন্দৰ্য আৰু পাঠকৰ ৰুচি-এই দুটা কথালৈ মাধৱ কন্দলিয়ে সততে দৃষ্টি ৰাখিছিল।

মাধৱ কন্দলিৰ অনুবাদ ৰীতিৰ প্ৰথম বৈশিষ্ট হ'ল- আক্ষৰিক অনুবাদ। আক্ষৰিক অনুবাদ কন্দলিয়ে বৰ কমকৈ কৰিছে যদিও মূলত থকা কিছুমান শ্লোক তেওঁ শুৱলাকৈ অনুবাদ কৰিছে। যেনে- মূল ঃ

*অশ্ৰুপূৰ্ণেক্ষিণো দীনো নৱবদ্ধ ইব দ্বিপ ঃ।*
*দীৰ্ঘমুষ্ণঞ্চ নিশ্বাসংস বিমুঞ্চন্ মুহুৰ্মহুঃ।।*

অনুবাদ ঃ

*প্ৰথমে ধৰিলা যেন অৰণ্যৰ হাতী।*
*নিশ্বাস ফোকাৰে যেন ঠাঠাৰিৰ ভাটি।।*

অনুবাদ ৰীতিৰ আন এটা বৈশিষ্ট্য হ'ল ভাবানুবাদ। ভাবানুবাদ কৰোতে কন্দলিয়ে মূলত থকা ভাবটো বুজি লৈ শ্লোকবোৰৰ সংক্ষিপ্ত ৰূপত অসমীয়ালৈ অনুবাদ কৰিছে। মূলৰ কথাখিনি অটুট থাকে, কিন্তু বিভিন্ন শ্লোকৰ লগত জড়িত শব্দ, চিত্ৰ বা উপমাদি সাধাৰণতে যথাযথভাৱে পোৱা নাযায়।

কন্দলি ৰামায়ণৰ অনুবাদ ৰীতিৰ অন্য এটা বৈশিষ্ট হ'ল- লৌকিকতাৰ সংযোজন। কন্দলি ৰামায়ণৰ সীতা বাল্মীকি ৰামায়ণৰ সীতাসদৃশ সতী হলেও কিছু বেছি লৌকিক লোক জীৱনৰ আন গাভৰুৰ দৰে সীতাও ৰামৰ সৈতে জীৱন যৌৱন উপভোগত আগ্ৰহী। সেয়ে ৰামে বনলৈ যাওঁতে সীতাক নিব নিবিচৰাৰ বাবেই সীতাই প্ৰতিবাদ কৰিছে তাইৰ সকলোখিনি লৌকিকতা প্ৰকাশ কৰি-

*"কমল অংগত মোক হীন দেখিলাহা।*
*কি কাৰণে প্ৰভু মোক উপক্ষিয়া যাহা।।"*
*(অযোধ্যাকাণ্ড)*

তাৰোপৰি মাক কৈকেয়ীক লক্ষ্মণৰ গালি-গালাজ, কুঁজীয়ে গুপ্ত পটেশ্বৰী হোৱাৰ সেই গুপ্ত আকাংক্ষা- এইবোৰ লৌকিকতাৰে নামান্তৰ।

কন্দলিৰ অনুবাদৰীতিৰ অন্য এটা বৈশিষ্ট্য হ'ল- অসমৰ সমাজ মানুহ আৰু প্ৰকৃতিৰ প্ৰতিফলন। তেওঁৰ ৰচনাত বনৰ সৌন্দৰ্য, ঘৰ-দুৱাৰ আদি বৰ্ণনাত অসমৰ চিত্ৰই ঠাই পাইছে। এই ক্ষেত্ৰত আমি চিত্ৰকূট পৰ্বতৰ বৰ্ণনাৰ কথা ক'বপাৰোঁ-

দেখা দেখা জানকী হৰিষ কৰি মন।
ফল মূল যুকুত বিবিধ তৰুবন।।
জাই যুতি বকুল বন্দুলি কৰ্নিকাৰ।
কাঞ্চন তগৰ কুন্দ শেৱালী মন্দাৰ।।
অশোক পলাশ ফুলি গৈল হিসাহিসি।
নাগেশ্বৰ চম্পাক ফুলিল অহৰ্নিশি।।
মূলত এনে বৰ্ণনা নাই।

কন্দলিৰ ৰচনাৰপৰা সেই সময়ৰ অসমত প্ৰচলিত কুটীৰ শিল্প আৰু বিভিন্ন বৃত্তিৰ বিষয়ে জানিব পাৰি। অসমীয়া ঘৰ সজা পদ্ধতি, অসমীয়া খেল আদি তেওঁৰ অনুদিত কাব্যখনত পাওঁ। ৰামক বনৰপৰা ওভোতাই আনিবলৈ ভৰতৰ লগত যিখিনি মানুহ গৈছিল সেইখিনি বাল্মীকি ৰামায়নৰ মানুহ নহয়, অসমৰ বিভিন্ন বৃত্তিৰ ব্যৱসায়ী- ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, কায়স্থ, নট, ভাট, তেলী, তাঁতী, কমাৰ, সোনাৰী, কঁহাৰ, বণিয়া, ধোবা, কুমাৰ আদি। ইয়াৰ উপৰিও চতুদশ শতিকাৰ অসমীয়া সমাজ, জীৱন ধাৰণ প্ৰণালী, শিল্প, ধৰ্মবিশ্বাস,, খাদ্যাখাদ্য, ফুল-মূল, পশু-পক্ষী, ৰাজকীয় ব্যৱস্থা আদিৰ আ!ভাস ৰামায়ণৰ ফাঁকে ফাঁকে সাৱলীলতাৰে কন্দলিয়ে দাঙি ধৰিছিল।

প্ৰকৃততে ৰামায়ণৰ ঘাই ৰস কৰুণ। কন্দলিৰ ৰামায়ণত হাস্যৰস সিঁচৰতি হৈ আছে যদিও ইয়াৰ ফলত ৰামায়ণৰ মহত্ব হানি হোৱা নাই। হাস্যৰস সৃষ্টিৰ জৰিয়তে মানুহক হাঁহিৰ খোৰাক জগাবলৈ যত্ন কৰিছে। এই সম্পৰ্কত আযোধ্যাকাণ্ডৰ কুঁজী বুঢ়ী ভৰতৰ গুপ্ত পটেশ্বৰী হোৱাৰ বাসনাৰ কথা ক'ব পাৰি। ৰাম-সীতাৰ অনুৰাগ আৰু আকৰ্ষণৰ মাজত শৃংগাৰ ৰস, অন্তেষপুৰৰ বৰ্ণনা আদি বহু ঠাইত শৃংগাৰ ৰস জিলিকি উঠিছে; সুন্দৰাকাণ্ড আৰু লংকাকাণ্ডত বীৰ আৰু ৰৌদ্ৰৰস, দশৰথ-কৌশল্যা, ৰাম-সীতাৰ মাজেদি কৰুণ ৰস বিৰিঙি উঠিছে। এইকেইটা ৰস তেওঁ কাব্যৰ ঠায়ে ঠায়ে জিলিকি উঠিছে।

কন্দলিয়ে তেওঁ ৰচনাত প্ৰয়োগ কৰা শব্দ চয়ন আৰু শব্দ প্ৰয়োগৰ কৌশল উল্লেখযোগ্য বৈশিষ্ট্য। সংস্কৃত বা তৎসম শব্দৰ লগত অসমীয়া তদ্ভৱ অৰ্ধতৎসম আৰু দেশীয় শব্দৰ সুন্দৰ সংগতি ৰাখি সুকৌশল প্ৰয়োগৰ দ্বাৰা এটা শক্তিশালী সৌষ্ঠৱপূৰ্ণ ৰচনাশৈলী সৃষ্টি কৰিছিল। এই ভাষাটো সকলো শ্ৰেণীৰ লোকে বুজিব পাৰিছিল।

কন্দলিৰ ৰামায়ণত ৰাম-সীতাক মানৱ-মানৱীৰূপে চিত্ৰিত কৰা হৈছিল। মূল ৰামায়ণত ৰাম দোষে-গুণে, আবেগে-অনুভূতিয়ে ভৰা এজন বীৰ পুৰুষ। সীতা এগৰাকী সহজ সৰল নাৰী যাৰ দেহ-মন সৌন্দৰ্যৰে ভৰপুৰ। কন্দলিৰ ৰাম-সীতা বীৰত্ব, সাহস, স্পষ্টবাদিতা, তেজস্বিতা আদিৰে উজ্জ্বল যদিও বিৰহত ভাঙি পৰা, দুখত আকুল হোৱা আৰু অনিশ্চিত ভৱিষ্যতৰ আশংকাত কঁপি উঠা সাধাৰণ মানুহৰ দৰেই তেওঁলোকৰ চৰিত্ৰ। এনে গুণসমূহ প্ৰতিফলিত হোৱা বাবে কাব্যখনৰ আকৰ্ষণ বৃদ্ধি পাইছে।

মাধৱ কন্দলিয়ে ঘটনাৰ বৰ্ণনা কৰোঁতে মূলৰ কবি প্ৰসিদ্ধ সমূহ ব্যৱহাৰ কৰাৰ উপৰিও বহুক্ষেত্ৰত তেওঁ নিজস্ব মৌলিক প্ৰতিভাৰে তুলনা, উপমা ব্যৱহাৰ কৰিছিল। যেনে-

দশৰথ সাগৰ তৰঙ্গী নদী তই।
অলপতে শুকাই যাইবি জানিলোহো মই।।
প্ৰিয়া গংগা কৌশল্যা গম্ভীৰ বেগে বহে।
ৰাম অভিযেকক বেকত কৰি কহে।।- *ইত্যাদি*

কন্দলিয়ে ৰামায়নৰ ৰচনাৰীতিৰ বৈশিষ্ট্য বিচাৰৰ ক্ষেত্ৰত কন্দলিয়ে নিজে কৈ থৈ যোৱা কথা-

'বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য পদ্য ছন্দে।
তাহাক বিচাৰ আমি কৰিয়া প্ৰৱন্ধে।।
আপোনাৰ বুদ্ধি অৰ্থ যিমতে বুজিলো।
সংক্ষেপে কৰিয়া তাক পদ বিৰচিলো।।'

"কবিসৰ নিৱন্ধয় লোক ব্যৱহাৰে।
কতো নিজা কতো লম্ভা কথা অনুসাৰে।।
দৈৱবাণী নোহি ইটো লৌকিকহে কথা।
এতেকে ইহাৰ দোষ নলৈবা সবৰ্থা।।
*(কিষ্কিন্ধ্যাকাণ্ড)*

কন্দলিয়ে নিজৰ ৰচনাৰীতিৰ সম্পৰ্কে দিয়া মন্তব্যৰপৰা তেওঁ অলপো আঁতৰি যোৱা নাই।

পৰিশেষত ক'ব পাৰি যে একোখন কাব্য জনসমাজত গ্ৰহণীয় হ'বলৈ যিমানবোৰ গুণ লাগে কন্দলিৰ ৰামায়ণখন এই আটাইবোৰ গুণেৰে সমৃদ্ধ হৈ আছে। স্বকীয় অনুবাদৰীতিৰে উদ্ভাসিত কন্দলিৰ ৰামায়ণখনে প্ৰাচীনতম অসমীয়া লিখিত কাব্য সাহিত্যৰ নিদৰ্শন স্বৰূপে চিৰদিন নিজৰ গুৰুত্ব প্ৰকাশ পাব আৰু কন্দলিকো অমৰ কৰি ৰাখিব। ●

সহায়ক গ্ৰন্থ ঃ

১। ৰামায়ণৰ ইতিবৃত্ত - সত্যেন্দ্ৰনাথ শৰ্মা।
২। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত - সত্যেন্দ্ৰনাথ শৰ্মা।
৩। অসমীয়া সাহিত্যৰ ৰূপৰেখা - ড° মহেশ্বৰ নেওগ।

প্ৰবন্ধ

# তুলনামূলক সাহিত্য আৰু বৰ্তমান সময়ৰ সাহিত্যত ইয়াৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা

ধৰ্মেন্দ্ৰ দত্ত
স্নাতক ৩য় বৰ্ষ
কলা শাখা

সত্য আৰু সুন্দৰৰ বোলসনা জীৱন অভিজ্ঞতাৰ প্ৰকাশেই সাহিত্য। এতিয়া আমাৰ মূল আলোচ্য বিষয় হ'ল তুলনামূলক সাহিত্য। দুটা বা ততোধিক সংখ্যাৰ বস্তু একেলগে ৰাখি সেই বস্তু কেইটাত থকা সাদৃশ্য আৰু বৈসাদৃশ্যৰ বিষয়ে জানিবৰ বাবে কৰা পৰীক্ষা নিৰীক্ষাৰ কাৰ্যই হ'ল তুলনা। এই তুলনাৰ সহায়ত আমি বস্তু কেইটাৰ উমৈহতীয়া গুণসমূহৰ আধাৰত সেই বিলাকৰ বিষয়ে সম্পূৰ্ণ জ্ঞান লাভ কৰাৰ ক্ষেত্ৰত আগবাঢ়িব পাৰোঁ।

"তুলনা" শব্দৰ উৎপত্তি সংস্কৃত 'তুল' ধাতুৰ পৰা হৈছে। তুলনামূলক সাহিত্য বুলি সাহিত্যৰ কোনো বিশেষ প্ৰকাৰ নাই, প্ৰকৃততে ই হ'ল সাহিত্য অধ্যয়নৰ এক প্ৰকাৰৰ নতুন পদ্ধতি বা সাহিত্যৰ এক প্ৰকাৰৰ বিচাৰ।

"তুলনামূলক সাহিত্য" বিষয়টোৱে ইউৰোপত জন্ম লাভ কৰিছিল। এটা স্বতন্ত্ৰ বিষয় হিচাপে এই বিষয়টোৱে ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আৰম্ভণিতহে প্ৰতিষ্ঠা লাভ কৰে। বৰ্তমান তুলনামূলক সাহিত্যক ইংৰাজী "Comparative Literature" ৰ সমাৰ্থক ৰূপত ব্যৱহাৰ হয়। Comparative শব্দটোৰ প্ৰয়োগ ১৫৯৮ চনৰ পৰা হৈছে যদিও ইয়াৰ লগত "Literature" ৰ সংযোগ ১৮৪৮ চনত মেথিউ আৰ্ণল্ডৰ হাতত সৰ্বপ্ৰথমে হোৱা তুলনামূলক সাহিত্যৰ বিষয়টোক Comparative Literature বুলি লিখিছিল।

ড° অমিয় দেৱৰ মতে, "প্ৰথম অৱস্থাত এটা পাশ্চাত্য ভাষাৰ সাহিত্য অন্য এটা পাশ্চাত্য ভাষাৰ সাহিত্যৰ তুলনা কৰাকে Comparative Literature বুলি গণ্য কৰা হৈছিল। পাচলৈ ফ্ৰান্স, জাৰ্মানী, ইংলেণ্ড, ৰাছিয়া, আমেৰিকা আদিত নিজা ধৰণেৰে তুলনামূলক সাহিত্যই গঢ় ললে।

পশ্চিমীয়া দেশবোৰত তুলনামূলক সাহিত্যই বিশেষভাৱে গা- কৰি আহিছে যদিও ভাৰতলৈ এই বিষয়টো বা ধাৰণাটো আহিছে বহু শেহতীয়াকৈ। ১৯০৭ চনত ৰবীন্দ্ৰ নাথ ঠাকুৰে ভাৰতীয় শিক্ষা পৰিষদৰ আমন্ত্ৰণ ক্ৰমে Comparative Literature বিষয়ত দিয়া ভাষণত "বিশ্ব সাহিত্য" পদটোৱে তুলনামূলক সাহিত্যৰ ধাৰণাত কিছু ব্যাখ্যা দাঙি ধৰিছিল। ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধৰে পৰা ভাৰতত আধুনিক শিক্ষাৰ পোহৰত ন- ন- দৃষ্টিভঙ্গীয়ে ক্ষেত্ৰখন বাৰুকৈয়ে আলোড়িত হৈছিল।

ভাৰতবৰ্ষত যাদৱপুৰ বিশ্ববিদ্যালয়ত ১৯৫৬ চনত এই সাহিত্যক সুকীয়া বিভাগত সূচনা কৰা হয়। সৌ-সিদিনালৈ ইয়েই মাত্ৰ সমগ্ৰ দেশৰ ভিতৰতে একমাত্ৰ বিভাগ আছিল। সম্প্ৰতি মাদুৰাই কামৰাজ বিশ্ববিদ্যালয়ত ইয়াক প্ৰৱৰ্তন কৰা হৈছে। চমুকথাত ভাৰতৰ তুলনামূলক সাহিত্যৰ পথন-গঠন এতিয়াও চালুকীয়া অৱস্থাত আছে আৰু ইয়াৰ পৰিসৰো অদ্যপৰিমিত সীমিত হৈয়ে আছে। স্মৰণযোগ্য যে বৰ্তমান সময়ত যাদৱপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক অমিয়দেৱ আৰু দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক অমিয়দেৱ আৰু দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক নিশিৰ কুমাৰ দাসে এই বিষটো গুৰি বঠা ধৰিছে।

> ভাৰতবৰ্ষত যাদৱপুৰ বিশ্ববিদ্যালয়ত ১৯৫৬ চনত এই সাহিত্যক সুকীয়া বিভাগত সূচনা কৰা হয়। সৌ-সিদিনালৈ ইয়েই মাত্ৰ সমগ্ৰ দেশৰ ভিতৰতে একমাত্ৰ বিভাগ আছিল। সম্প্ৰতি মাদুৰাই কামৰাজ বিশ্ববিদ্যালয়ত ইয়াক প্ৰৱৰ্তন কৰা হৈছে। চমুকথাত ভাৰতৰ তুলনামূলক সাহিত্যৰ পথন-গঠন এতিয়াও চালুকীয়া অৱস্থাত আছে আৰু ইয়াৰ পৰিসৰো অদ্যপৰিমিত সীমিত হৈয়ে আছে।

সৌভাগ্যৰ কথা যদিও এই বিষটো অসমত এতিয়াও একেবাৰে আচহুৱা হৈয়ে আছে তথাপি ১৯৯৩ চনৰ পৰাহে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত তুলনামূলক ভাৰতীয় সাহিত্য তিনিখন প্ৰশ্নপত্ৰ অন্তৰ্ভুক্ত কৰি অসমত এই বিষয়টো পোন প্ৰথমবাৰৰ বাবে বিদ্যায়তনিক অনুশীলনত অৰ্ন্তভুক্তি কৰা হয়।

ড° প্ৰফুল্ল কটকীৰ "তুলনামূলক সাহিত্য' শীৰ্ষক কিতাপৰ যোগেদি অসমীয়া বিষয়টোত প্ৰথম আত্ম প্ৰকাশ কৰে। তাৰ পাচতেই ড° নীৰজনা মহন্ত বেজবৰাৰ "তুলনামূলক সাহিত্য আৰু সাহিত্যিক গৱেষণা' আৰু "তুলনামূলক সাহিত্যৰ সিদ্ধান্ত আৰু প্ৰয়োগ- এই দুখন পুথিৰ যোগেদি তুলনামূলক সাহিত্যৰ নানা





দিশ পোহৰলৈ আনে। এই দুই গৰাকী লেখক লেখিকাৰ আগতে প্ৰকাশ পোৱা একমাত্ৰ গৱেষনা গ্ৰন্থ ড° ইন্দিৰা গোস্বামীৰ "মাধৱ কন্দলী" আৰু তুলসী দাসৰ "ৰামায়ণৰ" তুলনা বিচাৰ ভিত্তিক গৱেষণা গ্ৰন্থ।

*বৰ্তমান সময়ৰ পটভূমিত সাহিত্যত তুলনামূলক অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ*

বৰ্তমান সময়ৰ পটভূমিত তুলনামূলক সাহিত্যৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা ব্যাপক। সাহিত্যৰ তুলনামূলক অধ্যয়নে পাঠকৰ মন দিগন্তৰ সম্প্ৰসাৰণ কৰে আৰু বিভিন্ন দেশৰ বিভিন্ন যুগৰ সাহিত্য সম্পৰ্কে এক ঐতিহাসিক দৃষ্টিভংগীৰ গ্ৰহণ কৰাৰ অৱকাশ দিয়ে। বিভিন্ন দেশৰ বিভিন্ন যুগৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ব্যৱহাৰ জ্ঞানো তুলনামূলক অধ্যয়নৰ দ্বাৰা লাভ কৰিব পাৰি।

তুলনামূলক সাহিত্যই বৰ্তমান বিশ্বত এটি গুৰুত্বপূৰ্ণ বিদ্যায়তনিক অনুশীলন হিচাপে পণ্ডিতসকলৰ মাজত বিশেষ সমাদৰ লাভ কৰিছে। ই কেৱল এক বিদ্যায়তনিক অনুশীলনেই নহয়, ইয়াৰ তাৎপৰ্য আৰু গুৰুত্ব অতি ব্যাপক আৰু গভীৰ।

কোনো কোনো নীতি প্ৰসিদ্ধ সাহিত্যক পৰিস্থিতি বা ৰচনাক নতুনকৈ আধুনিক পাঠকৰ দৃষ্টি গোচৰ কৰোৱাটো ইয়াৰ অন্যতম উদ্দেশ্য বুলি পৰিগণিত হৈছে। সাহিত্যৰ তুলনামূলক অধ্যয়নে সাহিত্য জগতৰ পৃষ্ঠভুমিস্বৰূপ সামাজিক সাংস্কৃতিক আৰু ৰাজনৈতিক পটভূমিকো সামৰি লয় আৰু সাধাৰণ পৰ্যালোচনাও চকুত নপৰা একো একোটা তাৎপৰ্যপূৰ্ণ দিশ আৱিস্কাৰ কৰি চাঞ্চল্যৰ সৃষ্টি কৰে। আলোচ্য সাহিত্যকৰ্মৰ অন্তৰালত আন্তনিৰ্হিত সাংস্কৃতিক পৰম্পৰাৰ ভিন্নতাই তুলনামূলক সাহিত্য বিচাৰৰ পৰিসৰো ব্যাপক কৰি তোলে। ফলত সমাজতত্ব, ভাষাতত্ব, নৃতত্ব, মনস্তত্ব আৰু যুগ বিশেষৰ আৰ্থ-সামাজিক প্ৰক্ৰিয়া তুলনামূলক সাহিত্যৰ সৈতে জড়িত হৈ পৰে।

সাহিত্যৰ যথাযথ মূল্যায়ণৰ বাবেও সাহিত্য সম্পৰ্কে জ্ঞান অৰ্জন অতি প্ৰয়োজনীয়। আনৰ্ল্ডৰ মতে নানা সমালোচকে তেওঁৰ নিজৰ ভাষাৰ সাহিত্যৰ উপৰিও অন্ততঃ অন্য এটা ভাষাৰ সাহিত্যৰ জ্ঞান থকাৰ প্ৰয়োজন আৰু সেই দুই সাহিত্যৰ ভিতৰত প্ৰভেদ যিমানেই বেচি হয় সিমানেই ভাল।

কুৰি শতিকাৰ বহুতো লেখকৰ ৰচনাত ঘাইকৈ কবিতাত দেশ বিদেশৰ আন বহুতো লেখকৰ প্ৰভাৱ পৰা দেখা গৈছে। গতিকে সাম্প্ৰতিক কালত ৰচিত কবিতা এটা ফঁহিয়াই চাবলৈ হলেও বিভিন্ন ভাষাৰ সাহিত্যৰ জ্ঞান থাকিব লাগে।

নিজৰ সাহিত্যৰ স্বকীয় বৈশিষ্ট্য উপলব্ধি কৰিবলৈ তাক অন্যান্য সাহিত্যৰ লগত ৰিজাই চোৱা দৰকাৰ। ইয়াৰ ফলত সাহিত্য সম্বন্ধে উৎকট স্বদেশিকতা হ্ৰাস পায় আৰু উদাৰ দৃষ্টিভঙ্গীৰ বিকাশ সহজ হয়।

উচ্চ পৰ্য্যায়ৰ সাহিত্য সৃষ্টিৰ বাবে সাহিত্যত তুলনামূলক অধ্যয়নৰ একান্ত প্ৰয়োজন। অন্যথাই উচ্চমান বিশিষ্ট সাহিত্য কৰ্মৰ লগত বহুতো পাঠক আৰু লেখকৰ পৰিচয় নঘটে। সাম্প্ৰতিক কালৰ সাহিত্যৰ লগত পৰিচিত পাঠক এজনৰ যদি নিজৰ ভাষাৰ বা অন্য ভাষাৰ বিখ্যাত ক্লাছিকবোৰৰ লগত পৰিচয় নাথাকে, তেন্তে তেওঁৰ সাহিত্যজ্ঞান আধৰুৱা বা উপৰুৱা হৈ ৰ'ব। কিছুমান লেখকৰ ৰচনা পঢ়িবলৈ হ'লে অন্য কোনো প্ৰাচীন লেখকৰ লগতো পাঠকৰ পৰিচয় থকাৰ প্ৰয়োজন হয়। ইয়াৰ পৰা এই কথা স্পষ্ট হয় যে তুলনামূলক সাহিত্য অধ্যয়নৰ পৰিধি আৰু প্ৰয়োজন উভয়েই ব্যাপক।

তুলনামূলক সাহিত্যই সাহিত্যৰ বাহ্যিক ৰূপৰ পৰিৱৰ্তে সাহিত্যৰ আভ্যন্তৰীণ সৌন্দৰ্য আৰু উদঘাটন আৰু প্ৰতিষ্ঠাত গুৰুত্ব আৰোপ কৰে আৰু বিবিধ ভাষা সাহিত্যৰ মাজত সামগ্ৰিক ঐক্যৰ সন্ধান কৰে। তুলনামূলক সাহিত্যই সামগ্ৰিক আৰু অখণ্ড ৰূপৰ মাজত সাহিত্য অধ্যয়নত গুৰুত্ব দিয়ে আৰু বিভিন্ন সাহিত্যৰ মাজত সাহিত্যিক ৰূপৰ মাজত থকা আন্তঃসম্বন্ধ নিৰূপণ কৰি সাৰ্বজনীন ধাৰণা নিৰ্মানত গুৰুত্ব আৰোপ কৰে।

আলোচনাৰ পৰা দেখা যায় যে তুলনামূলক সাহিত্যই সাহিত্যৰ সামগ্ৰিক দিশৰ অধ্যয়নত গুৰুত্ব দিয়ে, য'ত দেশ-কাল-জাতি-ভাষাৰ সংকীৰ্ণ বন্ধন চিন্ন কৰি এক সাৰ্বজনীন দৃষ্টিভঙ্গীৰে মানৱীয় আবেদন সৃষ্টিত গুৰুত্ব আৰোপ কৰা হয়।

উপৰোক্ত আলোচনাৰ পৰা এইটো কথা প্ৰতীয়মান হয় যে বৰ্তমান সময়ৰ পটভূমিত নিজ নিজ ভাষাৰে সাহিত্য উচ্চ পৰ্য্যায়ৰ সাহিত্যলৈ আগুৱাই নিবলৈ হ'লে বিভিন্ন ভাষাৰ সাহিত্যৰ লগত তুলনা কৰি চোৱাটো নিতান্ত প্ৰয়োজন। সেয়েহে বৰ্তমান সময়ৰ পটভূমিত তুলনামূলক সাহিত্যৰ গুৰুত্ব আৰু প্ৰয়োজন যথেষ্ট। ●

সহায়ক পুথি ঃ

১। তুলনামূলক ভাৰতীয় সাহিত্য - ড° নীৰজনা মহন্ত বেজবৰুৱা
২। তুলনামূলক সাহিত্য - ড° প্ৰফুল্ল কটকী
৩। তুলনামূলক সাহিত্য বিচাৰ - ড° নগেন শইকীয়া

প্ৰবন্ধ

# সাহিত্য বঁটা আৰু অসমীয়াত সাহিত্য অকাডেমী বঁটা

সদানন্দ গগৈ
স্নাতক ৩য় বৰ্ষ
অসমীয়া বিভাগ

**বঁটা বাহন আৰু কিছু কথা ঃ**

বঁটা বা স্বীকৃতি লাভেই সাহিত্য সৃষ্টিৰ শেষ কথা নহয়। যদিও যোগ্যজনক বা উৎকৃষ্ট সাহিত্য সৃষ্টিসমূহক পুৰস্কৃত কৰি সৃষ্টিশীল লেখকক উৎসাহ জনোৱাটোহে বঁটা প্ৰদানৰ উদ্দেশ্য। এই বঁটা প্ৰদানে লেখকজনক প্ৰশংসিত কৰাৰ লগে লগে তেওঁৰ বিশেষ লেখাসমূহক বিতৰ্কিত কৰিও তোলে। সেই বিতৰ্কই তেওঁৰ সৃষ্টি কাযেদি অধিক সবল আৰু মানৱীয় স-প্ৰতিভমূলক লেখা নিগৰি পৰে।

বঁটা প্ৰাপ্তিয়ে লেখকক উৎসাহ উদ্‌গনি দিয়ে। গতিকে এই উৎসাহ বা উদগনি লেখকক তেওঁৰ সৃষ্টিকৰ্মত লাগি থাকোঁতেই দিব লাগে। তেতিয়াহে তেওঁ অনুপ্ৰাণিত হয় আৰু আগলৈ কঠোৰ কামবোৰ কৰিবলৈ বা গভীৰ চিন্তাত নিমগ্ন হ'বলৈ সাহস পাব।

এজন সাহিত্যিকৰ ৰচনাৰাজিয়ে এক বিশেষ সময়ৰ বা বিশেষ শ্ৰেণী পাঠকৰ মাজত ৰসৰ টোপোলা আগবঢ়াই খ্যাতি লাভ কৰি বঁটা-বাহন পালেও পিছলৈ তেওঁৰ সেই লেখাই পাঠকৰ মাজত আস্থা নাপাবও পাৰে। টলষ্টয় আজিও এজন খ্যাতি সম্পন্ন সাহিত্যিক, যদিও তেওঁ ন'বেল বঁটা নাপালে, হ'লেও এই বঁটা প্ৰাপ্ত অনেকজনৰ নামেই এতিয়াও বহু পাঠকে শুনিয়েই পোৱা নাই। আচলতে লেখকে তেওঁৰ ৰচনাৰাজিৰ জৰিয়তে কিমান সময়লৈকে ৰসগ্ৰাহী, চিৰিয়াছ পঢ়ুৱৈৰ প্ৰশংসা লাভ কৰিব পাৰে, তাতহে তেওঁৰ সাৰ্থকতা।

বঁটা প্ৰাপ্তিয়ে লেখকক উৎসাহ উদ্‌গনি দিয়ে। গতিকে এই উৎসাহ বা উদগনি লেখকক তেওঁৰ সৃষ্টিকৰ্মত লাগি থাকোঁতেই দিব লাগে। তেতিয়াহে তেওঁ অনুপ্ৰাণিত হয় আৰু আগলৈ কঠোৰ কামবোৰ কৰিবলৈ বা গভীৰ চিন্তাত নিমগ্ন হ'বলৈ সাহস পাব। কিন্তু যদি এই বঁটাসমূহ মৃত্যুৰ শয্যাত পৰি থাঁকোতে, অলৰ বয়সত বা মৰণোত্তৰ ভাৱে প্ৰদান কৰা হয় তেতিয়া প্ৰেৰণাৰ কথা আহি নপৰে। গ্ৰন্থ বাছনিতকৈ সৃষ্টিশীল লেখকক উদগনি দিয়াটোহে বঁটা প্ৰদানৰ মূল উদ্দেশ্য হ'ব লাগে। গ্ৰন্থ বাছনি পাঠকৰ কামহে।

এটা কথা ঠিক যে, বৰ্তমান সময়ত যিমানবোৰ সৃষ্টিশীল লেখক বা সাহিত্যিক আছে সকলোকে পুৰস্কৃত কৰি উৎসাহ জনোৱাতো সম্ভৱ নহয়। সেই গতিকে পুৰস্কাৰৰ কথালৈ বাদ দি কেৱল সৃষ্টি কৰ্মত নিমগ্ন হৈ ভাল লেখাৰ জৰিয়তে সকলো শ্ৰেণীৰ পাঠকৰ মন জুৰাব পৰাতেই লেখকৰ সফলতা। তেওঁৰ বাবে ইয়াতকৈ ডাঙৰ বঁটা একো নাই।

**বঁটা আৰু আৰ্থিক মূল্য ঃ**

বৰ্তমান সময়ত পুৰস্কাৰ বা বঁটা বুলি ক'লেই এক মোটা পৰিমাণৰ ধনৰ কথা আহি পৰে। পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ বঁটা হ'ল 'নোবেল বঁটা'। এই বঁটা ১৯০১ চনৰ পৰা দিয়া হৈছে। প্ৰথমে ইয়াৰ লগত কম পৰিমাণৰ মূল্য দিয়া হৈছিল যদিও সাম্প্ৰতিক কালত ইয়াৰ অৰ্থমূল্য এক নিযুত মাৰ্কিন ডলাৰ। পৃথিৱীৰ অন্য এটা জনপ্ৰিয় বঁটা হ'ল 'বুকাৰ'। ইয়াৰ লগত বত্ৰিছ হাজাৰ মাৰ্কিন ডলাৰ মূল্য জড়িত হৈ থাকে। এনেদৰে বহু পৰিমাণৰ অৰ্থৰ লগত জড়িত অনেক বঁটা আছে। আনহাতে ফৰাছী উপন্যাসৰ বাবে আগবঢ়োৱা 'গকুঁৰ' পুৰস্কাৰৰ আৰ্থিক মূল্য হ'ল মাত্ৰ দহটা মাৰ্কিন ডলাৰ। এই বঁটাৰ মাননি কম হঁলেও ইয়াৰ গুৰুত্ব খ্যাতি আৰু সন্মান অন্যান্য শ্ৰেষ্ঠ বঁটাতকৈ কম নহয়। এটা কথা লক্ষণীয় যে এই বঁটা সমূহৰ আৰ্থিক মূল্য বেছি হৈ যোৱাৰ লগে লগে বঁটা প্ৰদানত বেছি বেমেজালি হৈছে। আচলতে অৰ্থৰ মাননি দিয়া হয় লেখকৰ সৃষ্টিত সহায় হ'বৰ বাবেহে।

ভাৰতৰ আটাইতকৈ সন্মানীয় সাহিত্য পুৰস্কাৰটোৱেই হ'ল-'জ্ঞানপীঠ বঁটা'। এই বঁটা ১৯৬৫ চনৰ পৰা এটা বেচৰকাৰী অনুষ্ঠান 'ভাৰতীয় জ্ঞানপীঠ ন্যাস' এ প্ৰদান কৰি আহিছে। সাম্প্ৰতিক এই বঁটাৰ অৰ্থমূল্য পাঁচ লাখ টকা আৰু এখন প্ৰশস্তি পত্ৰসহ এটা বাগ্‌দেৱীৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তিও আগবঢ়োৱা হয়। অসমীয়া সাহিত্যত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য (১৯৭৯) আৰু ড° ইন্দিৰা গোস্বামী (২০০০) য়েহে এই সন্মান পাবলৈ সক্ষম হৈছে।

**অকাডেমি বঁটাঃ**

পৃথিৱীৰ অন্যান্য দেশৰ সাহিত্য সম্পৰ্কীয় পুৰস্কাৰসমূহৰ





দৰে ভাৰতৰ ৰাষ্ট্ৰীয় সাহিত্য পুৰস্কাৰটো হ'ল- 'সাহিত্য অকাডেমি বঁটা'। এই বঁটাৰ দ্বাৰা ১৯৫৫ চনৰ পৰা ভাৰতীয় সাহিত্য জগতৰ শ্ৰেষ্ঠ চিন্তাশীল বা সমালোচনাত্মক আৰু সৃষ্টিশীল ৰচনাৰ বাবে বিশেষ বিশেষ কিছুমান গ্ৰন্থৰ বাবে লেখকলৈ আগবঢ়োৱা হৈছে। এই বঁটাৰ লগত বৰ্তমান পঞ্চাছ হাজাৰ মাননি আৰু অকাডেমিৰ এটা ব্ৰঞ্জৰ প্ৰতীক প্ৰদান কৰা হয়। উক্ত বঁটা প্ৰদানৰ এবছৰ আগতেই আনুষ্ঠানিক ভাৱে চৰকাৰে এই সিদ্ধান্ত লয় যে সংবিধান স্বীকৃত প্ৰতিটো আঞ্চলিক ভাষাৰ পূৰ্ব পাঁচ বছৰৰ ভিতৰত প্ৰকাশিত গ্ৰন্থ সমূহৰ শ্ৰেষ্ঠ বুলি বিবেচিত লেখকক অকাডেমিৰ বঁটা দিয়া হ'ব। এই বঁটা বৰ্তমানলৈকে সংবিধান স্বীকৃত ২৪ টা আঞ্চলিক ভাষালৈ অকাডেমিয়ে আগবঢ়াইছে।

নব্য অসমীয়া ভাষাত সাহিত্য চৰ্চাৰ সময় হিন্দী বা বাংলা ভাষাতকৈ দেৰি। যদিও এই কম সময়ৰ ভিতৰতে সাহিত্যিকসকলে নিজৰ ভাষা, সাহিত্য, সংস্কৃতিৰ সকলো দিশ মহীয়ান কৰি তুলি প্ৰথমৰ পৰাই সাহিত্য অকাডেমিৰ বঁটাৰ সন্মান পাবলৈ সক্ষম হৈছে। ১৯৫৫ চনৰ পৰা ২০০৭ চনৰলৈকে অসমীয়া সাহিত্যিকৰ এই বঁটা ৪৪খন গ্ৰন্থৰ বাবে লাভ কৰিছে। গ্ৰন্থ সমূহৰ ভিতৰত অধিক গল্প, কবিতা, উপন্যাস আদি বিষয়ক। হ'লেও আত্মজীৱনীমূলক, জীৱনীমূলক, প্ৰৱন্ধ, গীত, সংস্কৃতি, পৰম্পৰা আদি বিষয়ক পুথিও আছে।

অসমীয়া সাহিত্যত ভাষা, সংস্কৃতি, পৰম্পৰা আদিলৈ আগবঢ়োৱা আৰু বহুতো বঁটা আছে। সেইবোৰৰ ভিতৰত প্ৰধানকৈ অসম উপত্যকা বঁটা, শ্ৰীমন্ত শঙ্কৰদেৱ বঁটা, মুনীন বৰকটকী বঁটা, মাধৱদেৱ বঁটা আদি। তাৰোপৰি অসম সাহিত্য সভাই অনেকজন খ্যাতনামা ব্যক্তিৰ সোঁৱৰণত বহুকেইটা বঁটা অসমৰ তৰুণ প্ৰজন্মৰ প্ৰতিভাসম্পন্ন লেখক-লেখিকাক প্ৰদান কৰি আহিছে।

তলত ১৯৫৫ চনৰ পৰা সাম্প্ৰতিক কাললৈকে অসমীয়া ভাষাত 'সাহিত্য অকাডেমি' বঁটা লাভ কৰা গ্ৰন্থ, গ্ৰন্থৰ লেখক আৰু বঁটা প্ৰাপ্ত চনৰ নাম একাদিক্ৰমে উল্লেখ কৰা হ'ল।


| গ্ৰন্থ | লেখক | চন |
|---|---|---|
| বনফুল | যতীন্দ্ৰনাথ দুৱৰা | ১৯৫৫ |
| কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত | বেণুধৰ শৰ্মা | ১৯৬০ |
| ইয়াৰুইঙ্গম | বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য | ১৯৬১ |
| অসমৰ লোক সংস্কৃতি | বিৰিঞ্চি কুমাৰ বৰুৱা | ১৯৬৪ |
| বেদনাৰ উল্কা | অম্বিকাগিৰি ৰায়চৌধুৰী | ১৯৬৬ |
| আধুনিক গল্প সাহিত্য | ত্ৰৈলোক্যনাথ গোস্বামী | ১৯৬৭ |
| অলকানন্দা | নলিনীবালা দেৱী | ১৯৬৮ |
| মঞ্চলেখা | অতুল চন্দ্ৰ হাজৰিকা | ১৯৬৯ |
| মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ | লক্ষ্মীনাথ ফুকন | ১৯৭০ |
| অঘৰী আত্মাৰ কাহিনী | চৈয়দ আব্দুল মালিক | ১৯৭১ |
| গোলাম | সৌৰভ কুমাৰ চলিহা | ১৯৭৪ |
| ককাদেউতাৰ হাড় | নৱকান্ত বৰুৱা | ১৯৭৫ |
| শৃংখল | ভবেন্দ্ৰনাথ শইকীয়া | ১৯৭৬ |
| বকুল বনৰ কবিতা | আনন্দ চন্দ্ৰ বৰুৱা | ১৯৭৭ |
| পিতা-পুত্ৰ | হোমেন বৰগোহাঞি | ১৯৭৮ |
| সোণালী জাহাজ | ভবেন বৰুৱা | ১৯৭৯ |
| পৃথিৱীৰ অসুখ | যোগেশ দাস | ১৯৮০ |
| কবিতা | নীলমণি ফুকন | ১৯৮১ |
| মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস | মামণি ৰয়ছম গোস্বামী | ১৯৮২ |
| সুদীৰ্ঘ দিন আৰু ঋতু | নিৰ্মল প্ৰভা বৰদলৈ | ১৯৮৩ |
| জংগম | দেবেন্দ্ৰ নাথ আচাৰ্য | ১৯৮৪ |
| কৃষ্ণকান্ত সন্দিকৈৰ ৰচনা সম্ভাৰ | কৃষ্ণকান্ত সন্দিকৈ | ১৯৮৫ |
| বেণুধৰ শৰ্মা | তীৰ্থনাথ শৰ্মা | ১৯৮৬ |
| আন এজন | হৰেকৃষ্ণ ডেকা | ১৯৮৭ |
| পাতাল ভৈৰৱী | লক্ষ্মীনন্দন বৰা | ১৯৮৮ |
| অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা | হীৰেণ গোহাঁই | ১৯৮৯ |
| স্নেহ দেৱীৰ একুকি গল্প | স্নেহ দেৱী | ১৯৯০ |
| ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য | অজিৎ বৰুৱা | ১৯৯১ |
| শইচৰ পথাৰৰ মানুহ | হীৰেণ ভট্টাচাৰ্য | ১৯৯২ |
| মোৰ যে কিমান হেঁপাহ | কেশৱ মহন্ত | ১৯৯৩ |
| মধুপুৰ বহুদূৰ | শীলভদ্ৰ | ১৯৯৪ |
| মহাৰথী | চন্দ্ৰপ্ৰসাদ শইকীয়া | ১৯৯৫ |
| অভিযাত্ৰী | নিৰুপমা বৰগোহাঞি | ১৯৯৬ |
| আন্ধাৰত নিজৰ মুখ | নগেন শইকীয়া | ১৯৯৭ |
| আশীৰ্বাদৰ ৰং | অৰুণ শৰ্মা | ১৯৯৮ |
| বিপন্ন সময় | মেদিনী চৌধুৰী | ১৯৯৯ |
| বাঘে টাপুৰ ৰাতি | অপূৰ্ব শৰ্মা | ২০০০ |
| এধানি মাহীৰ হাঁহি | মহিম বৰা | ২০০১ |
| মহৎ ঐতিহ্য | নলিনীধৰ ভট্টাচাৰ্য | ২০০২ |
| অনেক মানুহ অনেক ঠাই আৰু নিৰ্জনতা | বীৰেশ্বৰ বৰুৱা | ২০০৩ |
| মানুহ অনুকূলে | হীৰেন্দ্ৰনাথ দত্ত | ২০০৪ |
| মৌন ওঁঠ মুখৰ হৃদয় | য়েছে দৰজে ঠংছি | ২০০৫ |
| চেনেহ জৰীৰ গাঁঠি | অতুলানন্দ গোস্বামী | ২০০৬ |
| শান্তনুকুলনন্দন | পূৰবী বৰমুদৈ | ২০০৭ |

প্ৰবন্ধ

# লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প - এক আলোকপাত

জুলুশ্ৰী গগৈ
স্নাতক ৩য় বৰ্ষ
অসমীয়া বিভাগ

মহেন্দ্ৰ বৰাৰ ভাষাৰে - "চুটি গল্প যেন এটি পাখিলাহি পখিলা। নাচি নাচি উৰি আহে,এক লহমাৰ বাবে এটা ফুলৰ পাহিত বহি মৌ চুহে, তাৰপাছত উৰা মাৰি কোনোবাখিনি পায়গৈ। আমাৰ চকুৱে বন্দী কৰিব পাৰে মাথোন তাৰ লহমাৰ এক আকণ্ঠ মধুপান।"



অসমীয়া চুটিগল্প উনবিংশ শতিকাৰ অভিনৱ সাহিত্য সৃষ্টি। এই অসমীয়া চুটিগল্পৰ ইতিহাসক আমি বহলভাৱে তিনিটা ভাগত ভগাব পাৰো। সেইকেইটা হ'ল ক্ৰমে-

বেজবৰুৱা আৰু তেওঁ সতীৰ্থসকলৰ ৰচনা।
আৱাহনৰ কাল বা যুদ্ধোত্তৰ কালৰ ৰচনা।
ৰামধেনু কালৰ পৰা আধুনিক যুগৰ ৰচনা।

ইয়াৰ পৰা অনুমান কৰিব পাৰি যে, অসমীয়া চুটিগল্প জন্ম হয় স্বনামধন্য সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত। আধুনিক অসমীয়া সাহিত্যৰ জন্ম পত্ৰিকা 'জোনাকী'তে তাৰ প্ৰথম প্ৰকাশ। কলিকতাৰ পৰা ষষ্ঠ বছৰলৈ প্ৰকাশিত হৈ থকাৰ পাছত জোনাকীৰ প্ৰকাশ বন্ধ হয় যদিও পুনৰ ১৯০১ চনৰপৰা স্বৰ্গীয় সত্যনাথ বৰাৰ সম্পাদনাত গুৱাহাটীৰ পৰা জোনাকী পুনৰ প্ৰকাশিত হয়। এই গুৱাহাটীয়া জোনাকীতে বেজবৰুৱাৰ 'আৰ্জি' 'চেনিচম্পা', 'কেকোককা', 'জয়ন্তী', 'পুত্ৰবান-পিতা আদি গল্প প্ৰকাশিত হৈছিল। বহুতো সমালোচকৰ মতে১৯০৯ চনত প্ৰকাশিত বেজবৰুৱাৰ প্ৰথম চুটি গল্প সংকলন 'সুৰভি'তে অসমীয়া চুটিগল্পৰ সূত্ৰপাত হৈছে। ইয়াৰ পাছত বেজবৰুৱা গল্প সংকলন 'জোনবিৰি' ১৯১৩ চনত প্ৰকাশ হয়।

বেজবৰুৱাই যি সময়ত চুটিগল্প ৰচনাত হাত দিছিল সেই সময়ত অসমীয়া সাহিত্যত কোনো চুটি গল্পৰ আৰ্হি নাছিল। মানুহৰ মুখে মুখে চলা সাধুকথাৰ এটা ছাপ পৰাটো স্বা ভাৱিক। তথাপিও, এই কথা ন দি ক'ব পাৰি যে তেওঁৰ বহুতো চুটিগল্প আংগিকৰ ফালৰ পৰা সম-সাময়িক আধুনিক চুটিগল্পৰ ওচৰচপা। বেজবৰুৱাই চুটি গল্প ৰচনা কৰিবলৈ লোৱা সময় আজিৰ পৰা এক শতিকাৰো আগৰ সময়। তেতিয়া পৰিৱেশ, সমাজ-ব্যৱস্থা, মানুহৰ আচাৰ-ব্যৱহাৰ সকলো সুকীয়া আছিল আৰু বেজবৰুৱাই তেওঁৰ গল্পৰ কাৰণে সমল বুটলি আনিছিল সেইখন সমাজৰ পৰা। সময়ৰ লগে লগে সমাজ-ব্যৱস্থাৰো পৰিৱৰ্তন হয়। হয়তো, আজিৰ সমাজত তেওঁৰ বহু চুটিগল্পৰ পৰিৱেশ, কাহিনী আদি আচহুৱা লাগিব পাৰে। কিন্তু সময়ৰ পৰিৱৰ্তনৰ পাছতো মন কৰিবলগীয়া কথাটো হ'ল বেজবৰুৱাৰ গল্পত প্ৰকাশ পোৱা বহু চৰিত্ৰ, তেওঁলোকৰ মুখৰ সংলাপ তথা চৰিত্ৰসমূহৰ আচৰণ, ব্যৱহাৰ এক শতিকাৰ পাছতো আধুনিক সমাজ ব্যৱস্থাতো সমানেই প্ৰযোজ্য হৈ আছে। বৰং ক'ব পাৰি, বহুক্ষেত্ৰত তাৰ গুৰুত্ব বাঢ়িছেহে; যাৰবাবে বেজবৰুৱা বহুতো গল্পক কালজয়ী আখ্যা দিব পাৰি।

বেজবৰুৱাৰ হাতৰ প্ৰথম চুটিগল্প 'সেউতী'। তেওঁ 'সেউতী' গল্পটো লিখি উলিয়াইছিল ১৮৯২ চনত। ড° নগেন শইকীয়াৰ সম্পাদনাত প্ৰকাশিত 'জোনাকী'ত সেউতী গল্পটো প্ৰকাশিত হৈছিল। ১৮৯৫ চনত তেখেতে লিখি উলিয়াইছিল 'ভদৰী', 'অনিদ্ৰা বা স্বৰ্গাৰোহণ' আৰু 'ভেমপুৰীয়া মৌজাদাৰ' নামৰ গল্পকেইটি। ১৮৯৬ চনৰ নৱেম্বৰ মাহত লিখি উলিয়াইছিল 'মিলাৰামৰ আত্মজীৱনী'। ১৮৯৭ চনত লিখি উলিয়াই 'চোৰ' ইত্যাদি গল্প।





সি যি কি নহ্ওক, বেজবৰুৱাৰ গল্পৰ কথা ক'লেই চকুৰ আগত ভাঁহি উঠে গাগৰি মুখলৈকে উপচি থকা হাঁহিৰ ৰস মাধুৰীবোৰলৈ, ব্যংগবানেৰে থকা-সৰকা কৰা অধঃপতিত অসমীয়া সমাজ তথা অসমীয়া মানুহৰ জীৱন যাত্ৰাৰ মৰ্মন্তুদ চিত্ৰলৈ আৰু তাৰ মাজতেই ধ্বনিত হোৱা জাতীয় বোধেৰে উন্মেষ হোৱা দেশৰ গৌৰৱ গাঁথাৰ সুৰটোলৈ। সংস্কাৰত নিৰ্মজ্জিত শুচিবায়ুগ্ৰস্ত সমাজৰ কাৰ্য আৰু ব্যৱহাৰৰ ভেঁটিত বহুতো গল্প ৰচনা কৰিছে। বিলাতী শিক্ষা-দীক্ষাৰ ভেমত নিজৰ স্নেহান্ধ পিতৃ-মাতৃক অপমান কৰা মোলাম গগৈ আৰু পুৰণি অৰ্থহীন আচাৰ-ব্যৱহাৰত পোত গৈ মানবোচিত দয়া-মায়া হেৰুৱাই পেলোৱা 'ধৰ্ম্ম-ধ্বজা', 'ফয়চলা নবিচ' এই দুয়োটা চৰিত্ৰক বেজবৰুৱাই প্ৰৱল বিতৃষ্ণাৰে অংকণ কৰিছে।

বেজবৰুৱাদেৱে তেওঁৰ নাৰী চৰিত্ৰসমূহক ধৈৰ্য আৰু সহনশীলতাৰ প্ৰতিমূৰ্তিৰূপে অংকণ কৰিছে। এইক্ষেত্ৰত আমি 'ভদৰী' নামৰ গল্পটোলৈ আঙুলিয়াই চাব পাৰো। এটা ঘৰুৱা পৰিস্থিতিক কেন্দ্ৰ কৰি গল্পটো ৰচনা কৰা হৈছে, যদিও কম পৰিসৰৰ মাজতে 'ভদৰী' চৰিত্ৰটো উজ্জ্বল হৈ উঠিছে। অসমীয়া নাৰীৰ সহনশীলতা ভদৰী চৰিত্ৰৰ মূল বিষয়বস্তু।

হাস্যব্যংগক প্ৰাধান্য দি বেজবৰুৱাই গল্প ৰচনা কৰিছে যদিও তেওঁৰ গল্পত চৰিত্ৰৰ ভাব চিন্তা আৰু বিসংগতি প্ৰদৰ্শন কৰি হাস্যৰস সৃষ্টিৰ প্ৰচেষ্টা কৰিছে। অধিকাংশ গল্পতে তেওঁ হাস্য ব্যংগৰ গইনা লৈ সমকালীন সমাজ ব্যৱস্থাৰ দোষ-ক্ৰুটি সমালোচনা কৰিছে। সি যি কি নহওঁক কথন ভংগীৰ বিশেষত্ব আৰু হাস্যৰসৰ কাৰণে বেজবৰুৱাৰ গল্প সমূহে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

হাস্যৰসেই বেজবৰুৱা গল্পৰ একমাত্ৰ উপজীব্য যদিও তেওঁ অসমৰ মধ্যবিত্ত শ্ৰেণী, গাঁৱৰ সহজ-সৰল জীৱন-যাপন, মানৱীয় দোষ-গুণ, আশা-নিৰাশা, হাঁহি-কান্দোন আৰু প্ৰকৃতিৰ অনুপম সৌন্দৰ্যক লৈয়ো কেইবাটাও উৎকৃষ্ট গল্প ৰচনা কৰিছে? 'জলকুঁৱৰী', 'এৰাবাৰীৰ কন্যা', 'পাতমুগী' 'কেহুকলি' আদি এনেধৰণৰ গল্পৰ উদাহৰণ। মানুহৰ সহজাত প্ৰেম-ভালপোৱাক কেন্দ্ৰ কৰি তেওঁ ৰচনা কৰিছে 'ৰতনমুণ্ডা', 'সেউতী কন্যা' আদিৰ দৰে গল্প। 'মৈদাম' গল্পত বেজবৰুৱাই অতি প্ৰাকৃতিক পৰিৱেশ সৃষ্টি কৰিছে যদিও ই বিশ্বাসযোগ্য হোৱা নাই। ইয়াৰ উপৰিও বেজবৰুৱাই নাৰীৰ প্ৰত্যুৎপন্নমতিতা আৰু সাহসিকতাৰ সুন্দৰ প্ৰকাশ ফুটাই তুলিছে 'জয়ন্তী' নামৰ গল্পত। বেজবৰুৱা 'ভদৰী' গল্পত ভদৰীক ক্ষমা আৰু সহনশীলতাৰ প্ৰতিমূৰ্তিৰূপে অংকন কৰা হৈছে।

গল্পলেখক হিচাপে বেজবৰুৱা এজন সমাজ সচেতন লেখক আছিল। স্বাধীন, স্বাভাৱিক মহিমামণ্ডিতাত তেওঁৰ আছিল গভীৰ আস্থা। সেয়ে, সমাজৰ ভণ্ডামী, দুৰ্নীতি, অহংকাৰ, কুসংস্কাৰ, ভাঙোনমুখিতা, অন্তঃসাৰশূণ্যতা, গোড়ামী, আভিজাত্যৰ ধ্বজা বহনকাৰী নিম্ন মধ্যবিত্ত শ্ৰেণী আৰু অন্ধ

অসমীয়া সমাজৰ উপৰিও বেজবৰুৱাই বঙালী আৰু কোলমুণ্ডা সমাজৰ লগত ঘনিষ্ঠভাৱে পৰিচিত হৈ তাৰ আলমত বহুকেইটা গল্প ৰচনা কৰি থৈ গৈছে। 'লাওখোলা' আদি গল্পত বঙালী সমাজ আৰু 'ৰতনমুণ্ডা', 'কন্যা' আদি গল্পত কোলমুণ্ডা সমাজৰ ছবি দেখা যায়। ইয়াৰ উপৰিও বেজবৰুৱা 'নকওঁ', 'ৰতনমুণ্ডা', 'কেহুকলি', আদি দুটামান গল্পত বেজবৰুৱাই ৰোমান্টিক চেতনাৰ পৰিচয় দাঙি ধৰিছে। তাৰোপৰি, 'মুক্তি', 'পাটমুগী' আদি গল্পত মনঃভিত্তিক বিশ্লেষণ ফুটি উঠা দেখা যায়। সঁচাকৈ, তেওঁ বিচিত্ৰ ভাব আৰু অনুভূতিৰে সিক্ত আছিল।

এইবোৰৰ উপৰিও বেজবৰুৱা গল্পত আন এটা মন কৰিবলগীয়া দিশ হ'ল তেওঁৰ চৰিত্ৰ সৃষ্টি। তেওঁৰ চৰিত্ৰ সমূহ আপোন মহিমাৰে মহিমামণ্ডিত। বাস্তৱত সদায় দেখি থকা চৰিত্ৰসমূহক তেওঁ বুটলি আনি তেওঁৰ গল্পত ব্যৱহাৰ কৰিছে। সেইকাৰণে বেজবৰুৱাৰ গল্প একোটা পঢ়ি যাওঁতে আমাৰ সন্মুখত তেজ-মঙহৰে জীৱন্ত এজন ব্যক্তি উপস্থিত হোৱা যেন লাগে। আৰু গল্পটোৰ পাঠক সেই চৰিত্ৰটোৰ লগত একাত্ম হৈ পৰে। আনহাতে, চৰিত্ৰসমূহৰ ভাব আৰু চিন্তাধাৰা, চৰিত্ৰৰ প্ৰকৃতি আৰু অৱস্থাৰ লগতে এনেভাৱে খাপ খাই পৰে যে সেইবোৰক গল্পৰ চৰিত্ৰ বোলাতকৈ পাঠকে ঘৰৰ বাহিৰলৈ ওলাই যাঁওতে সদায় লগপোৱা বা সমাজত সততে ঘটি থকা ঘটনাৰ আঁৰৰ একোটা চৰিত্ৰ যেন লাগে। ইয়াৰ মূলতে হ'ল বেজবৰুৱা সমাজৰ ওপৰত থকা সুক্ষ্ম নিৰীক্ষণ, অসাধাৰণ পৰ্যবেক্ষণ আৰু তেওঁৰ বৰ্ণনাৰীতি।

বেজবৰুৱাৰ চুটি গল্পসমূহৰ মাজত বহু সংখ্যক পুৰুষ আৰু নাৰী চৰিত্ৰই ভূমুকি মাৰিছে। তেওঁৰ গল্পত সৃষ্টি কৰা পুৰুষ চৰিত্ৰ সমূহৰ মাজত ভণ্ডামি, কপটতা, ঠগ-প্ৰবঞ্চনা দেখা পালেও

কেতবোৰ পুৰুষ চৰিত্ৰক অধিক আদৰ্শনীয় ৰূপতো অংকণ কৰিছে। বেজবৰুৱাই নাৰীৰ প্ৰতি এক সমমৰ্মিতা প্ৰকাশ কৰা দেখা যায়। তেওঁ কৃপাবৰী ৰচনাৰ অনেক ঠাইত নাৰীক সজাগ কৰি তুলিবলৈ অনেক প্ৰবন্ধ লিখি থৈ গৈছে। নাৰীক উচ্চশিক্ষিত কৰি তুলি বিবেক, যুক্তি, ন্যায় আৰু ধৰ্মমতে নিজৰ যোগ্য আসনত সমাদৰ আৰু সন্মান কৰি দুয়োৰে কাৰ্যত দুয়োৰে সহযোগিতাৰ মনোভাৱেৰে কাম কৰি যাবলৈ পৰামৰ্শ দিছিল। চৰিত্ৰ একোটা সাধাৰণতে দোষ-গুণৰ সমষ্টি হয় যদিও বেজবৰুৱাৰ নাৰী চৰিত্ৰসমূহৰ মাজত সততে দোষ দেখা পোৱা নাযায়। আনহাতে, কোনো চৰিত্ৰৰ সাময়িক দোষ-দুৰ্বলতাৰ উমান পোৱা যায় যদিও গল্পকাৰে যুক্তিৰে তাক খণ্ডন কৰি চৰিত্ৰটোক সমাজৰ ওচৰত নিষ্কলংক কৰি তুলিছে। বেজবৰুৱাদেৱে তেওঁৰ নাৰী চৰিত্ৰসমূহক ধৈৰ্য আৰু সহনশীলতাৰ প্ৰতিমূৰ্তিৰূপে অংকণ কৰিছে। এইক্ষেত্ৰত আমি 'ভদৰী' নামৰ গল্পটোলৈ আঙুলিয়াই চাব পাৰো। এটা ঘৰুৱা পৰিস্থিতিক কেন্দ্ৰ কৰি গল্পটো ৰচনা কৰা হৈছে, যদিও কম পৰিসৰৰ মাজতে 'ভদৰী' চৰিত্ৰটো উজ্জ্বল হৈ উঠিছে। অসমীয়া নাৰীৰ সহনশীলতা ভদৰী চৰিত্ৰৰ মূল বিষয়বস্তু। ইয়াৰ উপৰিও বেজবৰুৱাৰ নাৰী চৰিত্ৰসমূহ আধুনিক ভাবধাৰা আৰু বৈশিষ্ট্য সম্পন্ন। তেওঁ নাৰীৰ নিজস্ব চিন্তা আৰু অধিকাৰ সম্পৰ্কে অতিশয় সচেতন। যিকোনো সময়তে ৰক্ষণশীলতাৰ অসাৰতা প্ৰতিপন্ন কৰাত তেওঁ সিদ্ধহস্ত। অৱশ্যে, চুটিগল্পৰ মাজত 'বাপিৰাম'ৰ দৰে দুই-এটা পুৰুষ চৰিত্ৰ যিদৰে আদৰ্শৰ উদ্ধৃত উঠিছে সেইদৰে দুই এটা নাৰী চৰিত্ৰয়ো ব্যতিক্ৰম নোহোৱাকৈ থকা নাই। কিন্তু সেই সংখ্যা তেনেই সীমিত।

বেজবৰুৱাই পুৰুষ আৰু নাৰী চৰিত্ৰক সুন্দৰভাৱে অংকণ কৰিছে। পুৰুষে নাৰীক কৰি অহা বঞ্চনা, অন্যায়, অত্যাচাৰৰ বিপৰীতে নাৰীৰ সহনশীলতা, ত্যাগ আৰু দুৰ্বলতাৰ চিত্ৰখন গল্পসমূহৰ মাজত সাৰ্থকভাৱে ৰূপায়িত কৰিছে। বেজবৰুৱা গল্পসমূহৰ প্ৰতিটো নাৰী চৰিত্ৰ বিশ্লেষণ কৰিলে এটা কথা দেখা যায় যে, প্ৰত্যেকটো নাৰী চৰিত্ৰই সুকীয়া। কোনোবাটো সমাজৰ নিষ্পেষণৰ বলি হৈছে, কোনোবাই নিজৰ ত্যাগ আৰু আদৰ্শৰে উজ্জ্বল হৈ উঠিছে, কোনোবাই সাহসেৰে সমাজত চলি থকা অন্যায়, অত্যাচাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে আৰু কাৰোবাৰ মাজেৰে নাৰীৰ দোষ-দুৰ্বলতা প্ৰতিফলিত হৈ উঠিছে। প্ৰতিটো চৰিত্ৰই একোখন উজ্জ্বল চিত্ৰ দাঙি ধৰিছে। নাৰী চৰিত্ৰৰ মাজেদিয়েই বেজবৰুৱাৰ উদাৰ, যুক্তিবাদী, আৰু সমাজ-সংস্কাৰক মনটো প্ৰতিফলিত হৈ উঠিছে। মুঠতে, তেওঁৰ চৰিত্ৰসমূহে গল্পসমূহ আকৰ্ষণীয় কৰি তুলিছে।

অসমীয়া সমাজখন বেজবৰুৱা দৰ্পণত আছিল। সেয়েহে, তেওঁ সমকালীন সমাজৰ বিভিন্ন স্তৰৰপৰা চৰিত্ৰ-সমূহ বুটলি নি সজীৱ আৰু বাস্তৱ ৰূপত অংকণ কৰিছিল, যাৰফলত গল্পসমূহ পাঠক সমাজৰ অধিক মনোগ্ৰাহী হৈ পৰিছিল। বেজবৰুৱাৰ গল্পত জৈৱিক আৰু অৰ্থনৈতিক বিশ্লেষণ উপেক্ষা কৰা হৈছে। জটিল জীৱনৰ চিত্ৰৰ সলনি তেওঁৰ গল্প সমূহত গাঁৱলীয়া সহজ-সৰল জীৱনৰ চিত্ৰ দাঙি ধৰিছে। প্ৰাসংগিক বিষয়ৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰাৰ বাবে বেজবৰুৱা গল্পত ঐক্য বা সংহতি হ্ৰাস হৈছে। কিছুমান গল্প ঠায়ে ঠায়ে অতিৰঞ্জন দোষ-পুষ্ট নোহোৱাকৈ থকা নাই। এনে বহু দোষ-ত্ৰুটি থাকিলেও বেজবৰুৱাৰ গল্পই অসমীয়া সমাজত সমাদৰ লাভ কৰি আহিছে। তেখেতে অসমীয়া জীৱনৰ পটভূমিৰ গইনা লৈ যি গল্প সাহিত্য সৃষ্টি কৰিলে সিয়েই তেখেতক অসমীয়া সাহিত্য জগতত অবিস্মৰণীয় কৰি ৰাখিব চিৰদিন। পৰিশেষত ক'ব পাৰি, বেজবৰুৱা কেৱল অসমীয়া চুটিগল্পৰ স্ৰষ্টাই নহয়, সাৰ্থক দ্ৰষ্টাও। ●

**মহৎ লোকৰ বাণী**

" ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে, ভদ্ৰলোক বা ভদ্ৰ মহিলা হ'বলৈ নহয়।"

- পদ্মনাথ গোহাঞিবৰুৱা

" তুমি সাহসী হোৱা কাৰোবাক হিংসা কৰিবলৈ নহয়, তুমি ঘিন কৰাজনক আঁকোৱালি ল'বলৈ।"

- মাদাৰ টেৰেছা

সংগ্ৰাহক- হৰেণ পেগু





প্ৰবন্ধ

# অসমীয়া ভাষা সাহিত্যৰ অগ্ৰগতিত আলোচনী, বাতৰি কাকতৰ ভূমিকা

টুটুমণি ফুকন
স্নাতক ৩য় বৰ্ষ
অসমীয়া বিভাগ

অৰুণোদয় কাকতৰ যোগেদিয়েই পাশ্চাত্যৰ সাহিত্যৰ ধ্যান-ধাৰণা অসমীয়া সাহিত্যলৈ আমদানি হয়। গদ্য সাহিত্যত নতুন শৈলী প্ৰতিষ্ঠা হয়। এই কাকতত প্ৰকাশিত কবিতাসমূহত কাব্যিক মূল্য যিয়েই নাথাকক ইয়াৰ জৰিয়তে আধুনিক অসমীয়া কবিতাৰ ভেঁটিটো প্ৰতিষ্ঠা হ'ল।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্তমতে অসম ইংৰাজৰ হাতলৈ যোৱাৰ লগে লগে অসমৰ সুদীৰ্ঘ ছশবছৰীয়া স্বাধীনতাৰ বেলি মাৰ যোৱাৰ লগতে অসমীয়া ভাষা সাহিত্যৰো অভাৱনীয় অৱনতি ঘটিল। অসম ইংৰাজৰ শাসনাধীন হোৱাৰ লগে লগে কিছুমান বৃটিশ শাসক আৰু বঙালী কেৰাণী-মহৰীৰ প্ৰৰোচনাত ১৮৩৬ চনৰ পৰা ১৮৭২-৭৩ চনলৈকে অসমৰ স্কুল আদালতত অসমীয়া ভাষাৰ ঠাইত বঙালী ভাষাৰ প্ৰচলন হয়। প্ৰায় দুকুৰি বছৰ বঙলা ভাষাই অসমৰ স্কুল আদালতত আধিপত্য লাভ কৰাত অসমীয়া ভাষা সাহিত্যই পঞ্চাশ বছৰ কাল পশ্চাদগামী হ'ব লগাত পৰিল। এই বিস্তৰ ক্ষতি আমি প্ৰতিজন অসমীয়াই প্ৰতি মূহুৰ্তে অনুভৱ কৰি থাকিব লাগিব ।

আধুনিক অসমীয়া ভাষা সাহিত্যৰ অগ্ৰগতিত আলোচনী, বাতৰি কাকতৰ ভূমিকা গুৰুত্বপূৰ্ণ। আলোচনী বাতৰি-কাকতৰ বুকুৰেদি বগুৱা বাই আহি অসমীয়া ভাষা সাহিত্যই আজিৰ ৰূপ গ্ৰহণ কৰিছে বুলিলে অত্যুক্তি কৰা নহয়।

১৮৩৬ চনত আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলে 'ঘনান্ধকাৰণেষ ইৰ দীপদৰ্শনম'ৰ দৰে ধৰ্মৰ জোৰ হাতত লৈ অসমত ভৰি দিলেহি। এওঁলোকৰ প্ৰচেষ্টাতে ১৮৪৬ চনত অসমীয়া 'অৰুণোদয়'ৰ (মিছনেৰী সকলে 'অৰুণোদই' ব্যৱহাৰ কৰিছিল) জন্ম হয়। অসমীয়া মানুহৰ মানসিক দিগন্ত প্ৰসাৰিত কৰাৰ উপৰিও অসমীয়া মানুহৰ মনত ভাষাভিত্তিক জাতীয় চেতনাৰ বীজ সিঁচি দিছিল। প্ৰথম অসমীয়া আলোচনী এই অৰুণোদয়ে নাথান ব্ৰাউন, এ. এইচ চোৰ্ফাম, এচ.এম. হুইটি, মাইলচ্ ব্ৰনছন, ডব্লিউ বাৰ্ড, ৰেভাৰেণ্ড ক্লাৰ্ক, এ কে গাৰ্ণী আদিয়ে এই কাকত সম্পাদনা কৰি ১৮৮০ চনলৈকে প্ৰকাশ কৰিছিল।

অৰুণোদয় আলোচনী প্ৰধানকৈ খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বাবে প্ৰকাশ কৰা হৈছিল যদিও কেৱল ধৰ্ম প্ৰচাৰতে সীমাবদ্ধ নাথাকি অনেক দেশৰ সংবাদ প্ৰদান, বিভিন্ন দেশৰ প্ৰসিদ্ধ ঐতিহাসিক ঘটনাৰ পৰিচয়, বাইবেলৰ কাহিনী অনুবাদ, প্ৰকৃতি অধ্যয়ন, নৈতিক শিক্ষা, হিন্দুস্থানৰ বিৱৰণ, অসমত সেই সময়ত ঘটা ঘটনা, সামাজিক কথা, চুটি সাধু, জীৱনী, ভূগোল বিষয়ক ৰচনা, বৈজ্ঞানিক আৱিস্কাৰ, স্তুতিগীত, জনজাতি কিছুমানৰ বিৱৰণ, বৰ্ণনাত্মক কবিতা আদি বিভিন্ন বিষয়ে ইয়াত ঠাই পাইছিল। অৰুণোদয়ৰ বুকুতেই ছোৱা-ছোৱাকৈ প্ৰকাশিত 'দেওধাই অসম বুৰঞ্জী' 'পুৰণি আৰু কামৰূপৰ বুৰঞ্জী''য়ে অসমৰ ইতিহাস ঘোষণা কৰিলে। ইংৰাজীৰ "Pilgrim's Progress" ৰ অসমীয়া ভাঙনি 'যাত্ৰিকৰ যাত্ৰা' ই আধুনিক অসমীয়া সাহিত্যত অনুবাদ সাহিত্যৰ সূচনা কৰিলে। প্ৰথম অসমীয়া ইংৰাজী অভিধান প্ৰণেতা মাইলস ব্ৰনছন চাহাবৰ "অসমীয়া ভাষা ব্ৰহ্মপুত্ৰৰ গতিৰ দৰে চলি থাকিব, ইয়াক বাধা দিবলৈ কাৰ সাধ্য" দৃঢ়তাৰে ঘোষণা কৰা কথাযাৰৰ মৰ্যদা অৰুণোদয় কাকতে সম্পূৰ্ণভাৱে ৰক্ষা কৰি অসমীয়া ভাষা সাহিত্যক নিৰ্দিষ্ট ৰূপ প্ৰদান কৰিলে।

আলোচনী বা বাতৰি কাকত হ'ল কোনো জাতি বা দেশৰ সম সাময়িক ভাবধাৰা আৰু ঘটনাৱলীৰ প্ৰকাশৰ বাহন। অসমীয়া ভাষাত এনে আলোচনী বা বাতৰি কাকত ব্যৱসায়ৰ আদৰ্শ দাঙি ধৰি অৰুণোদয় কাকতে ব্যৱসায় তথা সাংবাদিকতাৰ সূচনা কৰে।

অৰুণোদয় কাকতৰ যোগেদিয়েই পাশ্চাত্যৰ সাহিত্যৰ ধ্যান-ধাৰণা অসমীয়া সাহিত্যলৈ আমদানি হয়। গদ্য সাহিত্যত নতুন শৈলী প্ৰতিষ্ঠা হয়। এই কাকতত প্ৰকাশিত কবিতাসমূহত কাব্যিক মূল্য যিয়েই নাথাকক ইয়াৰ জৰিয়তে আধুনিক অসমীয়া কবিতাৰ ভেঁটিটো প্ৰতিষ্ঠা হ'ল। এই ক্ষেত্ৰত বিনই বচন, নিস্তাৰৰ উপায়, সৰগৰ বিৱৰণ আদি উল্লেখযোগ্য। এক কথাত ক'বলৈ গলে অৰুণোদয়ৰ বুকুতে আধুনিক অসমীয়া ভাষা সাহিত্য আৰু জাতীয় চেতনাৰ অৰুণ উদয় হ'ল।

অৰুণোদয় কাকতে একশ্ৰেণীৰ লেখকৰ সৃষ্টি কৰিলে। হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন আদি লেখকক এই কাকততে আত্ম প্ৰকাশ কৰালে। আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত হেমচন্দ্ৰ-গুণাভিৰাম বৰুৱাৰ যুগ এক স্বৰ্ণমণ্ডিত যুগ। তেওঁলোকে অসমীয়া সাহিত্যত মিছনেৰী স্তৰৰ অৱসান ঘটাই উজ্জীৱিত কৰিলে কেতবোৰ নতুন বিষয়ৰ। হেমচন্দ্ৰ আৰু গুণাভিৰামৰ যুগত মিছনেৰী সাহিত্যৰ তথা অৰুনোদয় যুগৰ ভাষা গাঁথনি আৰু আখৰৰ জোঁটনি পৰিহাৰ কৰি নতুন ৰূপ গ্ৰহণ কৰে। তেওঁলোকৰ প্ৰচেষ্টাতে নাটক, কাব্য, ভ্ৰমণ কাহিনী আদি সাহিত্যৰ বিভাগবোৰত দৃঢ় পদক্ষেপ আগবঢ়োৱা হ'ল। ইয়াৰ

প্ৰতিক্ৰিয়াস্বৰূপে অসমীয়া প্ৰতিজন শিক্ষিত ব্যক্তিৰ অন্তৰাত্মাত জগাই তুলিলে জাতীয় প্ৰেম, সমাজ-চেতনা আৰু সংস্কাৰধৰ্মী মনোভাৱে। প্ৰকৃতাৰ্থত এই যুগটোৱেই হ'ল অসমীয়া ভাষা, সাহিত্য আৰু জাতীয় মনোভাৱ প্ৰতিষ্ঠাৰ যুগ। হেমচন্দ্ৰ-গুণাভিৰাম বৰুৱাই সৃষ্টিশীল সাহিত্যৰ সূচনাৰে অসমীয়া ভাষা সাহিত্যক এক নিৰ্দিষ্ট ৰূপ প্ৰদান কৰাৰ প্ৰসংগত সু-সাহিত্যিক যোগেশ দাসৰ এষাৰ অতি প্ৰণিধানযোগ্য কথা হৈছে- "বেপ্তিষ্ট মিছনেৰীসকলৰ সেৱা আৰু অৱদান অস্বীকাৰ নকৰাকৈও আমি ক'ব পাৰো যে তেওঁলোকৰ অসমীয়া ভাষা চৰ্চাৰ পদ্ধতি হেমচন্দ্ৰ-গুণাভিৰাম বৰুৱাই নিজ চিন্তা-চৰ্চাৰে আৰু প্ৰজ্ঞাৰে বিজ্ঞানসন্মত ভিত্তিত নতুনকৈ প্ৰতিষ্ঠা নকৰা হ'লে অসমীয়া ভাষাৰ গঢ় কেতিয়াও আজিৰ নিচিনা নহ'লহেতেন।"

অৰুণোদয়ৰ আদৰ্শতে অসমীয়া ভাষা সাহিত্যত ইন্ধন যোগাব পৰাকৈ 'আসাম বিলাসিনী (১৮৭১-৮৩) 'আসাম মিহিৰ' (১৮৭২-৭৩) 'আসাম দৰ্পণ' (১৮৭৪-৭৫) 'আসাম বন্ধু' সম্পৰ্কে সু-সাহিত্যিক চন্দ্ৰ প্ৰসাদ শইকীয়াদেৱে মত পোষণ কৰিছে যে বিশেষ কোনো আলোড়নকাৰী যুগৰ সৃষ্টি নহ'লেও এই আলোচনীয়ে অসমীয়া আলোচনী সাহিত্যৰ ক্ষেত্ৰত এক মচিব নোৱাৰা স্বাক্ষৰ ৰাখি থৈ গৈছে।

১৮৮৫ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৮৮৭ চনৰ মাৰ্চ মাহলৈকে মাত্ৰ চাৰিটা সংখ্যা প্ৰকাশ হৈয়ে বন্ধ হৈ যোৱা কাকত 'মৌ' অসমীয়া সংবাদ পত্ৰৰ বুৰঞ্জীত এক লেখত লবলগীয়া পৰ্ব (সম্পাদক- হৰিনাৰায়ণ বৰা)।

১৮৮৮ চনত কলিকতীয়া অসমীয়া ছাত্ৰই "অসমীয়া ভাষা উন্নতি সাধিনী সভা" চমুকৈ অঃ ভাঃ উঃ সাঃ সভাৰ জন্ম দিয়ে। এই সভাৰ মুখপত্ৰ হিচাপে ১৮৮৯ চনৰ জানুৱাৰী মাহত 'জোনাকী' কাকত প্ৰকাশ হোৱাত অসমীয়া সাহিত্যৰ আন এটা যুগৰ সূচনা হয়। আনহাতে সাহিত্য ৰচনাৰ ভাৱাদৰ্শৰ ফালৰ পৰা এই যুগটোক "ৰমন্যাসিক যুগ" আৰু এই যুগৰ শক্তিশালী নেতৃত্ব প্ৰদান কৰোঁতা লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদানলৈ লক্ষ্য কৰি 'বেজবৰুৱাৰ যুগ' হিচাপে অভিহিত কৰি দ্বিতীয় মহাসমৰলৈ অৰ্থাৎ ১৯৪০ চন পৰ্যন্ত সম্প্ৰসাৰণ ঘটোৱা হয়।

'জোনাকী'ৰ প্ৰথম সম্পাদক চন্দ্ৰকুমাৰ আগৰৱালাদেৱে 'জোনাকী'ৰ উদ্দেশ্য সম্পৰ্কে আত্মকথাত লিখিছিল "— এই পাছপৰি থকা আন্ধাৰ দেশলৈ অলপ জোনাক সোমোৱাব নোৱাৰিলেও, যদিও নিজে নিজৰ যত্নৰ ফিৰিঙতিৰে পোহৰৰ বাট পাওঁ তেন্তে আমাৰ শক্তি মিছা ব্যয় হোৱা নাই বুলি ভাবিম।" আমি যুঁজিবলৈ ওলাইছো আন্ধাৰৰ বিপক্ষে। উদ্দেশ্য দেশৰ উন্নতি, জোনাক। এনে মহান উদ্দেশ্য লৈ কাকতখন অসমৰ শিক্ষিত ডেকাদলৰ সাহিত্য প্ৰচেষ্টাৰ বিকিৰণ কেন্দ্ৰ হৈ পৰিছিল। এই সকলৰ ভিতৰত আগৰৱালাৰ বাহিৰেও, বেজবৰুৱা হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাইবৰুৱা, সত্যনাথ বৰা, কনকলাল বৰুৱা উল্লেখযোগ্য।

প্ৰথম সংখ্যা 'জোনাকীতে' আগৰৱালাৰ 'বনকুৱৰী' প্ৰকাশ পায়। এই কবিতাৰেই প্ৰকৃততে অসমীয়া ৰোমান্টিক কবিতাৰ শুভাৰম্ভ ঘটিল। বেজবৰুৱাৰ ভাষাৰে- "যি সকলে আগেয়ে ভাবিছিল যে অসমীয়া ভাষাত বৰ্তমানকালৰ শুৱলা কবিতা লেখিব নোৱাৰি এই কবিতা পঢ়ি সেইসকলৰ ভ্ৰান্তি গ'ল।" এই প্ৰথম সংখ্যাৰে পৰা বেজবৰুৱাৰ প্ৰহসন 'লিটিকাই' ছোৱা ছোৱাকৈ প্ৰকাশ হৈছিল।

জোনাকী কাকতৰ যোগেদি পশ্চিমীয়া ৰোমান্টিক ভাৱধাৰৰ প্ৰতিফলন ঘটে। গীতি কবিতাৰ- প্ৰকৃতিমূলক, প্ৰেমবিষয়ক, ছনেট, শোক-কবিতা, ব্যংগ কবিতা আদিৰ সৃষ্টিয়ে অসমীয়া কাব্য সাহিত্যলৈ নতুনত্বৰ জোৱাৰ আনে। কবিতাৰ উপৰিও সাহিত্যৰ আন আন শাখাও জোনাকী কাকতৰ যোগেদি পল্লৱিত হৈ উঠে। উপন্যাস, চুটিগল্প, বিভিন্ন শ্ৰেণীৰ প্ৰবন্ধ আমদানি কৰি অসমীয়া গদ্য সাহিত্য বৈচিত্ৰ্যময় কৰি তোলে। এই ক্ষেত্ৰত আগৰৱালা, বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ৰঘুনাথ চোধাৰীৰ হাতত কবিতা; গোহাঞিবৰুৱা, ৰজনীকান্ত বৰদলৈৰ হাতত উপন্যাস, বেজবৰুৱা, চন্দ্ৰধৰ বৰুৱাৰ হাতত নাটক, বেজবৰুৱা আৰু শৰৎচন্দ্ৰ গোস্বামীৰ হাতত চুটিগল্প আৰু বেজবৰুৱাৰ ব্যংগাত্মক খুহুতীয়া ৰচনাই পাঠকক অভিভূত কৰিলে।

'জোনাকী' কাকতৰ যোগেদি ভাষাৰ নিৰ্ভুল আৰু উচ্চতম আধুনিক মান নিৰ্ণয় কৰা যত্নত সাহিত্যিক শৈলী সমৃদ্ধ হয়। প্ৰাচ্য আৰু প্ৰাশ্চাত্যৰ সেতু স্থাপন হয়।

১৮৯০ চনত প্ৰকাশ হোৱা 'বিজুলী' কাকতৰ যোগেদিও অসমীয়া সাহিত্যৰ সুঁতি প্ৰবল হ'ল। "জোনাকী", "বিজুলী" আলোচনীৰ যোগেদি অসমীয়া সাহিত্যই খৰতকীয়া গতি লাভ কৰিছিল যদিও দ্বিতীয় মহাসমৰৰ তাণ্ডলীলাই এই গতিক স্তব্ধ কৰি তুলিলে।

অসমীয়া সাহিত্য সংস্কৃতিৰ উন্নতিৰ ক্ষেত্ৰত 'বাঁহী'ৰ অৱদানো লেখত লবলগীয়া। ১৯০৯ চনৰ 'নবেম্বৰ' মাহত লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত 'বাঁহী' প্ৰকাশ পায়। 'বাঁহী'য়ে সমকালীন অসমীয়া মানুহৰ মাজত সৃষ্টি কৰিছিল এটা ভাবিক, সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক জাগৰণ।

ইয়াৰ পাছৰ 'সাদিনীয়া অসমীয়া' 'চেতনা' আদি ভালদৰে চলি আছিল। চৌধাৰীৰ 'জয়ন্তী'ও ১৯৩৮ চনত স্তব্ধ হৈ ৰ'ল। মহাযুদ্ধৰ বাবে হোৱা কাগজৰ নাটনিয়েই ইয়াৰ কাৰণ। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনেও সাহিত্য চৰ্চাৰে দেশবাসীক উদ্বুদ্ধ কৰিব নোৱাৰিলে। মাত্ৰ চোৰাংকৈ দুই এটা বিদ্ৰোহাত্মক কবিতা ছপাই স্বাধীনতা যুঁজলৈ জনসাধাৰণক আমন্ত্ৰণ জনোৱা হৈছিল। এনেবোৰ কথালৈ দৃষ্টি নিক্ষেপ কৰিয়ে সত্যেন্দ্ৰনাথ শৰ্মাই ১৯৪০-





৪৭ চনলৈকে অসমীয়া সাহিত্যৰ "বন্ধ্যাযুগ" বুলি অভিহিত কৰিছে।

চল্লিছৰ দশকৰ পাছৰ পৰা অসমীয়া সাহিত্যই নতুন বাটৰ বাটৰুৱা হ'ল। ৰোমান্টিক ভাৱধাৰাৰ পৰিৱৰ্তে বাস্তৱবাদী ভাৱধাৰাই সাহিত্যত আত্মপ্ৰকাশ কৰিলে। ড° মহেশ্বৰ নেওগদেৱে কৈছে, "যুদ্ধৰ পাছত অসমীয়া সাহিত্যই নতুন গজালি মেলিব লগীয়া হ'ল আৰু এই গজালি মাটিৰ তলৰ আগৰ শিপাৰ পৰাই ওলাল।তাৰ ডাল-পাতবোৰহে আগতকৈ সুকীয়া ধৰণৰ হ'ল। ১৯৪৫ চনত 'জয়ন্তী' পুনৰ প্ৰকাশ হৈ ওলাল। প্ৰগতিবাদী চিন্তাধাৰা 'জয়ন্তী' কাকততেই প্ৰথম প্ৰৱাহিত হয় বুলি ধৰা হয়। এই যুগৰ সাহিত্য সম্পৰ্কে এটি অভিমত-"আগৰ সাহিত্য আৰু এতিয়াৰ সাহিত্য পাৰ্থক্য এয়ে যে- আগৰ সাহিত্য আছিল আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত আৰু এতিয়াৰ সাহিত্য বাস্তৱৰ ওপৰত প্ৰতিস্থিত। আগৰ কবিয়ে কল্পনাৰ মাজেৰে বাস্তৱলৈ আহিছিল কিন্তু এতিয়াৰ কবিয়ে বাস্তৱৰ মাজেৰেহে কল্পনালৈ উৰা মাৰে। ইয়াৰ উদাহৰণ- হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল', অমূল্য বৰুৱাৰ 'বেশ্যা' আদি কবিতা য'ত অমূল্য বৰুৱাই বেশ্যাজনীক চিনি পাইছে আৰু কৈছে- "কুৰি শতিকাৰ যান্ত্ৰিক সভ্যতাৰ তায়ো এজনী মানুহ।"

অসমীয়া সাহিত্যাকাশত 'পছোৱা' (১৯৪৮-৪৯) আৰু ৰামধেনু (১৯৫১) ও গুৰুত্বপূৰ্ণ আলোচনী। 'ৰামধেনু' আলোচনীয়ে অসমীয়া সাহিত্যত বিষয়বস্তু প্ৰকাশভংগী, কলা-কৌশল, আদৰ্শ, দৃষ্টিভংগী সকলোতে এক আলোড়নৰ সৃষ্টি কৰিলে। ৰামধেনুৰ লগত নিবিড়ভাৱে জড়িত আছে জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু ড° মামণি ৰয়ছম গোস্বামী। বাস্তৱবাদী চিন্তা-চৰ্চাৰে ৰামধেনু কবিতাৰে পাঠকক যুগোচিত সমস্যাৰ লগত সংগ্ৰাম কৰাৰ মানসিকতা গঢ়ি তুলিছিল। হোমেন বৰগোহাঞি, নৱকান্ত বৰুৱা, হেম বৰুৱা, মহেন্দ্ৰ বৰা আদি কবিসকলৰ কবিতাই অসমীয়া সাহিত্যত নতুন বোল সানি পোহৰ বিলালে। সেই সময়ৰ গল্প লেখক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, হোমেন বৰগোহাঞি, সৌৰভ কুমাৰ চলিহা, চন্দ্ৰপ্ৰসাদ শইকীয়া, লক্ষীনন্দন বৰা, শীলভদ্ৰ, মেদিনী চৌধুৰী, মহিম বৰা আদিৰ অৱদান চিৰস্মৰণীয়। ইয়াৰ পাছত অসমীয়া সাহিত্যত 'মণিদীপ' (১৯৬০), 'অসমীয়া', (১৯৬৮), 'প্ৰকাশ' (১৯৭৫), আমাৰ প্ৰতিনিধি, নৱযুগ, প্ৰান্তিক, সূত্ৰধাৰ আদি আলোচনীয়ে প্ৰভূত অৱদান আগবঢ়াইছে।

নৈতিক ধ্যান ধাৰণা আৰু পাৰস্পৰিক সম্পৰ্কবোৰৰ বিষয়ে আলোচনা কৰোতে বৈজ্ঞানিক পদ্ধতি অৱলম্বনৰ ফলত অসমীয়া সাহিত্যত নতুন দিশ মুকলি হয়। যুগ যুগ ধৰি সাহিত্যৰ জগতখনত কেৱল পুৰুষৰ দৃষ্টিভংগীৰ পৰাই সকলো অভিজ্ঞতা প্ৰকাশ কৰাৰ যি চেষ্টা সি প্ৰথমবাৰৰ বাবে লুপ্ত হৈ মহিলা দৃষ্টিভংগীৰ পৰাও সাহিত্যক চোৱা হ'ল। বিভিন্ন নাৰী লেখিকাসকলে তেওঁলোকৰ প্ৰাপ্যৰ প্ৰতি সচেতন হ'বলৈ অন্যান্য নাৰীসকলক অনুপ্ৰেৰণা যোগালে। এনেবোৰ কাৰণতে তথা নাৰীৰ বিভিন্ন সমস্যাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিবলৈ মহিলা সাহিত্যিকক আত্মপ্ৰকাশ কৰোৱাৰ বাবেও বিভিন্ন মহিলা আলোচনী প্ৰকাশিত হল। শ্ৰীময়ী, পূবালী, প্ৰিয় সখী, নন্দিনী ইত্যাদি মহিলা আলোচনী এই ক্ষেত্ৰত উল্লেখযোগ্য।

অসমীয়া আলোচনী, বাতৰি কাকত সমূহৰ দৃষ্টিভংগী গতিশীল বাবেই সাহিত্যলৈ এইবোৰৰ অৱদানো যথেষ্ট। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদিৰ উপৰিও অসমীয়া সাহিত্যৰ বিভিন্ন বিভাগত নিজৰ স্থান উলিয়াই লৈছে। দৈনিক অসম, নীলাচল, অগ্ৰদূত, আজিৰ অসম, আমাৰ অসম, প্ৰতিদিন, আজি, খবৰ, জনসাধাৰণ আদি বৰ্তমানৰ বিভিন্ন বাতৰি কাকত সমূহেও সম-সাময়িক অৱস্থাৰ ভিত্তিতৰচিত সাহিত্য প্ৰকাশ কৰি সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

বৰ্তমান সময়ৰ সবাতোকৈ উল্লেখযোগ্য আলোচনী হৈছে 'গৰিয়সী' (১৯৯৩) আৰু সাতসৰী (আগষ্ট ২০০৫)। সময় পৰিস্থিতি আদি বিভিন্ন প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি এই দুখন আলোচনীয়ে অসমীয়া সাহিত্যলৈ অমূল্য অৱদান আগবঢ়াইছে।

বৰ্তমান অসমত সামাজিক স্খলন, অস্থিৰতা, অপৰাধ প্ৰৱণতা, মানৱতাবোধৰ অৱক্ষয়ে গা কৰি উঠিছে। সাহিত্যিকসকলে বিভিন্ন আলোচনী, বাতৰি কাকত আদিৰ যোগেদি ইয়াৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

অসমীয়া ভাষা সাহিত্যই বিভিন্ন আলোচনী, বাতৰি কাকতৰ মাজেৰে আহি বৰ্তমানৰ ৰূপ পৰিগ্ৰহণ কৰিছে। ইয়াত নিহিত হৈ আছে পৰিৱেশ পাৰিপাৰ্শ্বিকতা তথা সময়। আধুনিক অসমীয়া সাহিত্যৰ বিষয়ে বাংলা সাহিত্যিক বুদ্ধদেৱ বসুৰ এষাৰ কথা প্ৰণিধানযোগ্য। তেওঁ কৈছে, "আধুনিক অসমীয়া সাহিত্য বঙলা সাহিত্যতকৈ নহ'লেও আজিৰ হিন্দী সাহিত্যতকৈও বহুত চহকী।" এই সাহিত্যৰ লেখকসকলৰ লগত পাশ্চাত্য সাহিত্যৰ সম্পূৰ্ণভাৱে সম্পৰ্ক আছে আৰু তেওঁ লোকৰ মনোবৃত্তি সম্পূৰ্ণ আধুনিক।

সাহিত্যৰ গতি বোঁৱতী নদীৰ দৰে। মানুহৰ কোনো অভিজ্ঞতাই শেষ আৰু চূড়ান্ত অভিজ্ঞতা নহয়। সময় আৰু চিন্তা-চৰ্চাৰ পৰিৱৰ্তনে সাহিত্যৰ কলা-কৌশলৰ পৰিৱৰ্তন আনে সেই ফালৰ পৰা আধুনিক অসমীয়া সাহিত্যৰ বাবে ই গৌৰৱৰ বিষয়। ইয়াৰ বাবে প্ৰয়োজন সাপেক্ষে পৰিৱৰ্তনৰ ধাৰাত আলোচনী, বাতৰি কাকতসমূহে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি ইয়াৰ স্থায়িত্ব বজাই ৰাখিবলৈ যত্নপৰ হ'ব লাগিব। ◉

**সহায়ক গ্ৰন্থ ঃ** ১। অসমীয়া সাহিত্যৰ বুৰঞ্জী- ডিম্বেশ্বৰ নেওগ ২। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত- সত্যেন্দ্ৰনাথ শৰ্মা ৩। অসমীয়া সাহিত্যৰ ৰূপৰেখা- মহেশ্বৰ নেওগ৪। অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান- হেম বৰা ৫। অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী ৬। বিভিন্ন আলোচনী, বাতৰি কাকতৰ প্ৰবন্ধ।

প্ৰবন্ধ

# চুকাফাৰ দেশত স্বাধীনতাৰ কুচ্‌কাৱাজঃ ৰাজনৈতিক আৰু অৰ্থনৈতিক বিশ্লেষণ

আলোক ৰাজখোৱা
স্নাতক ২য় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

ছশ বছৰীয়া আহোম ৰাজত্বৰ অতীত গৰিমাৰে মহিমামণ্ডিত এই অসম ৰাজ্য। অতীতৰ এই সু-সমৃদ্ধিশালী জাতিটো এতিয়া অস্তিত্বৰ সংকটত। তাহানিৰ চুকাফাৰ দেশত নিজে সংখ্যালঘূ হোৱাৰ পথত অসমীয়া জাতি। ২০০১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি সবাতোকৈ দুৰ্ভাগ্যজনক সত্যটো হৈছে ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ভিতৰত অসমীয়া ভাষীৰ সংখ্যা মাত্ৰ ৪৯.৪ শতাংশ। ইয়াৰ কাৰণ হৈছে অবৈধ বিদেশী প্ৰব্ৰজনকাৰী আৰু খিলঞ্জীয়া জনগোষ্ঠীসমূহে অসমীয়াৰ পৰিচয় ত্যাগ কৰি নিজা নিজা পৰিচয়ৰে মূৰ দাঙি উঠিছে।

তাৰোপৰি অসমীয়া জাতিৰ এনে এটা সন্ধিক্ষণত আৰু এটা প্ৰশ্নই জনসাধাৰণৰ মনত ক্ৰিয়া কৰি আছে। প্ৰশ্নটো হ'ল- সাৰ্বভৌম অসমৰ দাবী যুক্তিযুক্তনে। ১৯৭৩ চনত ৰংঘৰৰ বাকৰিত হাজাৰ হাজাৰ অসমীয়া ৰাইজে সমবেত হৈ সাৰ্বভৌমত্বৰ সপোন দেখিছিল। ১৯৪৭ চনৰ পিছত যেন তেতিয়াহে অসমীয়া ৰাইজে সাৰ পালে। এখন স্বাধীন সোণৰ অসমৰ বাবে লাচিতৰ আদৰ্শৰে হাতত বন্দুক তুলি ল'লে বহুতো পাহোৱাল অসমীয়া ডেকাই। মহাত্মা গান্ধীৰ সপোনৰ দেশত আন এক সশস্ত্ৰ সংগ্ৰামৰ আৰম্ভণি হ'ল।

১৯৭৯ চনৰ পৰা আজিৰ তাৰিখলৈ সুদীৰ্ঘ ২৯ বছৰে বহুতো অসমীয়া ডেকাই স্বাধীন অসমৰ প্ৰতিষ্ঠাৰ বাবে প্ৰাণ হেৰুৱালে আৰু মুক্তি বাহিনীৰ হাততো বহুতো নিৰীহ-নিৰস্ত্ৰই প্ৰাণ দিছে। এইদৰে আৰু কিমান দিন? মুক্তি বাহিনীৰ স্বাধীনতাৰ ঐতিহাসিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ভিত্তি আছে নে নাই তাক নিৰপেক্ষভাৱে বিচাৰ কৰি চোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

মুক্তি বাহিনীৰ দাবী মতে- শদিয়াৰ পৰা ধুবুৰিলৈ এই বিস্তৃত এলেকা ইংৰাজ বাহিনীয়ে ১৮২৬ চনত নিজৰ হাতলৈ নিছিল আৰু ১৯৪৭ চনত ভাৰতৰ হাতত ইয়াক অৰ্পণ কৰিছিল। বুৰঞ্জীয়ে জানো তাকে কয়? চুকাফাৰ ৰাজ্যৰ সীমা কেৱল উজনী অসমতে সীমাবদ্ধ আছিল। গোৱালপাৰা আৰু কামৰূপ বহুত পাছতহে আহোম ৰাজ্যৰ ভিতৰুৱা হৈছিল যদিও তাৰ জনসাধাৰণে কেতিয়াও আৱেগিকভাৱে আহোম ৰাজ্যৰ লগত সংযুক্ত হোৱা নাছিল। ইয়াণ্ডাবু সন্ধিৰ দুবছৰ আগতে এই জিলা দুখন বৃটিছ সাম্ৰাজ্যৰ ভিতৰুৱা হৈছিল। "১৮২৬ চনেই হ'ল অসমৰ স্বাধীনতাৰ শেষ বছৰ আৰু এতিয়ালৈকে অসমে স্বাধীনতাৰ সোৱাদ পোৱা নাই"- এইয়া মুক্তি বাহিনীৰ দাবী। প্ৰথমে বৃটিছে আৰু পিছত ভাৰতীয় দখলদাৰী বাহিনীয়ে অসম শাসন কৰিছে বুলি দাবী উত্থাপিত হৈ আহিছে। কিন্তু ভাৰত চৰকাৰে এই দাবী কেতিয়াও মানি লোৱা নাই। ১৮২৪ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ সৈন্যবাহিনীয়ে মানক অসমৰ পৰা খেদি পঠালে আৰু মানৰ নিষ্ঠুৰ অত্যাচাৰৰ পৰা জনসাধাৰণক ৰক্ষা কৰিলে। কালৰ কি নিষ্ঠুৰ পৰিহাস! যি মানে ছশ বছৰীয়া আহোম ৰাজত্ব তথা চুকাফাৰ সপোনৰ ৰাজ্য থানবান কৰিলে সেই মান বৰ্তমান ম্যানমাৰ দেশলৈ গৈ আমাৰ মুক্তিকামী ডেকাসকলে স্বাধীনতা সংগ্ৰামৰ প্ৰশিক্ষণ লয়গৈ।

সপ্তম শতিকাৰ পৃথিৱী বিখ্যাত নালন্দা বিশ্ববিদ্যালয়ৰ অধ্যক্ষ আছিল শীলভদ্ৰ। কে. এম. পাণিক্কাৰৰ মতে শীলভদ্ৰ সম্ভৱতঃ পূব ভাৰত অৰ্থাৎ কামৰূপৰ বাসিন্দা। পুৰণি অসমৰ বহুতো ছাত্ৰই তক্ষশীলা, নালন্দা আদি বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল। কোঁচৰজা নৰনাৰায়ণ আৰু চিলাৰায়ে কাশীত সংস্কৃত অধ্যয়ন কৰিছিল।

সংযুক্ত মুক্তি বাহিনীৰ মতে- "অসমৰ অতীতৰে পৰা ভাৰত উপমহাদেশৰ লগত কোনো ক্ষেত্ৰতে সম্পৰ্ক নাই"। কেৱল ২০ কিঃমিঃ শিলিগুৰি কৰিডৰেৰে অসম ভৌগোলিকভাৱে ভাৰতৰ লগত সংযুক্ত হৈ আছে। কিন্তু এই ধাৰণা অমূলক। পুৰণি কালৰে পৰা শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত অসমে ভাৰতৰ আন অংশৰ লগত যোগাযোগ ৰক্ষা কৰি আহিছে। অসমীয়া ভাষা পুৰণি ভাৰতীয় আৰ্য ভাষা সংস্কৃতৰ পৰাই উদ্ভৱ হৈছে। ভাৰতৰ আন অংশৰ লগত যদি সম্পৰ্কই নাই তেন্তে আহোম ৰাজপৰিয়ালে নিজৰ পৰম্পৰাগত বিশ্বাস এৰি কিয় বিখ্যাত ভাৰতীয় সভ্যতাত লীণ হৈ হিন্দু ধৰ্ম গ্ৰহণ কৰিলে? মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱেও ভাৰতৰ বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰি তেওঁ লিখাৰ সমল গোটাইছিল। সপ্তম শতিকাৰ পৃথিৱী বিখ্যাত নালন্দা বিশ্ববিদ্যালয়ৰ অধ্যক্ষ আছিল শীলভদ্ৰ। কে. এম. পাণিক্কাৰৰ মতে শীলভদ্ৰ সম্ভৱতঃ পূৱ ভাৰত অৰ্থাৎ কামৰূপৰ বাসিন্দা। পুৰণি অসমৰ বহুতো ছাত্ৰই তক্ষশীলা, নালন্দা আদি বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল। কোঁচৰজা নৰনাৰায়ণ আৰু চিলাৰায়ে কাশীত সংস্কৃত অধ্যয়ন কৰিছিল। পুৰণি অসমৰ শিক্ষাৰ কেন্দ্ৰ আছিল কলিকতা। আহোমৰ শ্ৰেষ্ঠ ৰজা ৰুদ্ৰসিংহই ভাৰতৰ বিভিন্ন ৰাজ্যৰ অধিপতিসকললৈ বন্ধুত্বৰ প্ৰস্তাৱ আগবঢ়াইছিল। অসম আৰু ভাৰতৰ বাকী অংশৰ ইমানবোৰ যোগসূত্ৰৰ ঐতিহাসিক ভিত্তি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ইমানবোৰ ঐতিহাসিক যোগসূত্ৰ থকা স্বত্বেও অসমৰ লোকসকলৰ মনত কিয় সাৰ্বভৌমত্বৰ ধাৰণাই ঠাই পালে? ইয়াৰ বহুতো ৰাজনৈতিক ভিত্তি আছে।





১৯২১ চনত মহাত্মা গান্ধীয়ে আৰম্ভ কৰা অহিংস আন্দোলনত গোপীনাথ বৰদলৈৰ নেতৃত্বত অসমেও যোগদান কৰিলে। এই আন্দোলনে ১৯৪২ চনত তীব্ৰৰূপ ল'লে। সেয়েহে বৃটিছ চৰকাৰে ভাৰতৰ স্বাধীনতাৰ সম্পৰ্কে আলোচনা কৰিবলৈ কেবিনেট মিছন পঠালে।

এই মিছনে ভাৰতক ক, খ আৰু গ অংশত ভাগ কৰিছিল। অসম পৰিলে এই গ অংশত। এই প্ৰস্তাৱ ১৯৪৬ চনৰ জুন মাহত মুছলীম লীগে গ্ৰহণ কৰিলে। এই প্ৰস্তাৱ কাৰ্যকৰী হ'লে অসমে নিজৰ অস্তিত্ব বিসৰ্জন দি চিৰকাল মুছলীম প্ৰধান দেশৰ অংগ হৈ পৰিব। গোপীনাথ বৰদলৈয়ে মহাত্মা গান্ধীৰ সহযোগত এই প্ৰস্তাৱৰ ঘোৰ বিৰোধিতা কৰিলে। কিন্তু ভাৰতবৰ্ষৰ মহান নেতা জৱাহৰলাল নেহৰু আৰু চৰ্দাৰ বল্লভ ভাই পেটেল প্ৰভৃতি নেতাসকলে গান্ধীজীৰ এই কাৰ্যত অসন্তুষ্ট হ'ল। কাৰণ এনেবোৰ খেলিমেলি হৈ থাকিলে ভাৰতৰ স্বাধীনতা পিছুৱাই যাব আৰু তেওঁলোকে শাসনৰ বাঘজৰী কোনোদিনে নাপাব বুলি ভয় খাইছিল। নেহৰুৱে স্বাধীনতাৰ পিছতো অসম সম্পৰ্কে বিৰূপ মন্তব্য কৰিছিল। ১৯৬২ চনত চীনা আক্ৰমণ ৰোধিব নোৱাৰি বিদায় অসম বুলি ঘঁৰিয়ালৰ চকুপানী টুকিছিল। এই বিদায় বাণী ভাৰতৰ ইতিহাসত চিৰকাললৈ মচিব নোৱাৰা কলংক হৈ ৰ'ল। ভাৰতীয় সংসদৰ মজিয়াত নেহৰুৱে সাংসদ হেম বৰুৱাক জংঘলৰ মানুহ বুলি কটাক্ষ কৰিছিল। নেহৰুকে ধৰি অতি কেন্দ্ৰীকতা নীতিৰ সমৰ্থক অন্যান্য নেতাৰ বাবেই অসমৰ মানুহৰ মনত অসম ভাৰতৰ উপনিবেশ বুলি ভাবিবলৈ ঠাই পাইছে আৰু তাৰ পৰিণতিকেই সশস্ত্ৰ সংগ্ৰাম চলি আছে।

স্বাধীন অসমৰ দাবীৰ বহুতো অৰ্থনৈতিক কাৰণো সাম্প্ৰতিক প্ৰেক্ষাপটত পৰিস্ফূট হৈ আছে। ইয়াৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ কিছুমান বৈষম্যমূলক নীতিও পৰে। অসমৰ অৰ্থনীতি বুলিলে চাহ, খনিজসম্পদ, বনজ সম্পদৰ কথাকে বুজোঁ। অসমত আৰু তেল শোধাগাৰ পাতিবলৈ ঠাই নোহোৱা হ'ল নেকি যে অসমৰ দাবী স্বত্বেও বিহাৰৰ বাৰাউনীত পতা হ'ল। অতিৰিক্ত টকা খৰছ কৰি পাইপ লাইনৰ যোগেদি অসমৰ খাৰুৱা তেল নি তাত শোধন কৰাৰ যুক্তি বিচাৰি পোৱা নাযায়। বিহাৰৰ পৰা এনে কি সামগ্ৰী আহে অসমলৈ? ইয়াৰ কাৰণ আছে। চাহ খেতিত অসম পৃথিৱী বিখ্যাত। কিন্তু চাহৰ বজাৰ অসমত নাপাতি কিয় কলিকতাত পাতিলে? চাহৰ বিক্ৰীকৰ অসমে পাব লাগিছিল কিন্তু পায় পশ্চিমবংগই। যোৱা শতিকাৰ সত্তৰ আৰু আশীৰ দশকত এইবোৰ কাৰণতে বহুতো আন্দোলন হৈছিল কিন্তু কোনো কামত নাহিল। উত্তৰ প্ৰদেশত এনে কি সম্পদ আছে যাৰ বাবে কেন্দ্ৰৰ প্ৰথম সুবিধাটো পায় আৰু এটা মোটা অংকৰ পেকেজ এই ৰাজ্যখনে পায়? বাংগালোৰ, হায়দৰাবাদ আদি চহৰত দিনে দিনে উদ্যোগ বাঢ়ি গৈ আছে আৰু এইবোৰে তাৰ নিবনুৱা সমস্যা অলপ হ'লেও হ্ৰাস কৰিছে। কিন্তু গুৱাহাটীত কি আছে? গুৱাহাটী হেনো দক্ষিণ পূৱ এছিয়াৰ বাণিজ্যৰ দুৱাৰমুখ হ'ব। কিন্তু কেতিয়া হ'ব তাৰ সঠিক সময় নাই। অসমত নিবনুৱা সমস্যাই ইমান ভয়াবহৰূপ ধাৰণ কৰিছে যে হাতত বন্দুক তুলি নল'লে অন্য পথ নাই। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্দুল কালামে 'ভাৰতবৰ্ষ ২০২০' নামৰ গ্ৰন্থখনত যিমানবোৰ অৰ্থনৈতিক উন্নয়ণ কল্পনা কৰিছে তাৰ এক তৃতীয়াংশ অসমত ফলৱতী হ'লেও অসম বহু দিশত আগবাঢ়ি যাব।

সাম্প্ৰতিক প্ৰেক্ষাপটলৈ আহোঁ। সময় সদায় একেদৰে নাথাকে। অসমৰ ছাত্ৰনেতাসকলে যি বাংলাদেশীক খেদিবলৈ অসম আন্দোলন কৰিছিল, সেই ছাত্ৰনেতা সকলৰে একাংশই বাংলাদেশৰ বুকুৰ পৰাই সশস্ত্ৰ সংগ্ৰাম পৰিচালনা কৰি অসমৰ স্বাধীনতাৰ বাবে যুঁজি আছে।

অন্য দেশৰ পৰা সংগ্ৰাম পৰিচালনা কৰাটো কোনো ডাঙৰ কথা নহয়। সংগ্ৰামী নেতাসকলে যিদৰে আজি মৌলবাদীৰ কবলত সোমাই পৰিছে তাৰ পৰা ওলাই অহাটো সহজ নহ'ব। বাংলাদেশত থকা নেতাসকলে এবাৰো কোৱা নাই যে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পাছত অহা বাংলাদেশীসকল উভতি যাব লাগিব। দলমত নিৰ্বিশেষে বিদেশী বিতাড়ন কাৰ্য ধৰ্মীয় বিবেচনাৰে কৰিব নালাগে। তেওঁলোকে কেৱল হিন্দী ভাষী লোকৰ ওপৰত আক্ৰমণ চলাই অসম ৰক্ষা কৰাৰ কাৰ্যসূচীত আৱদ্ধ থাকিলে নহ'ব। সেইবাবে সকলো ক্ষেত্ৰতে আজি বাংলাদেশী মুছলীম সকলে কাম পাবলৈ ধৰিছে আৰু গোজেই গজালি হৈ অসম বাংলাদেশীয়ে ছানি ধৰিছে। ১৯৪৬ চনত কেবিনেট মিছনে অসম যি 'গ' ভাগত অসমক ৰাখিছিল সেই শ্ৰেণীকৰণ অনুযায়ী অসমে মুছলীম প্ৰধান দেশত বিলীন হ'বলৈ যেন কুচকাৱাজ কৰিছে। যুক্তিসংগত আৰু সময় উচিত প্ৰতিবাদী উদ্যোগৰ অবিহনে অসমীয়া জাতি তথা দেশৰ অখণ্ডতা ৰক্ষা কৰিব পৰা নাযাব। ●

# গল্প

## প্ৰত্যাহ্বান

প্ৰবীণ ভৰালী,
স্নাতক প্ৰথম বৰ্ষ,
সমাজতত্ব বিভাগ

কলেজৰ পৰা আহিয়েই কাপোৰযোৰ সলাই লৈ উদয়ন বিচনাখনত বাগৰি পৰিল। সি আজি ভীষণ ভাগৰুৱা। বিচনাখনত ওপৰলৈ মূৰ কৰি শুই সি কলেজৰ ঘটনাটোৰ বিষয়ে ভাবিবলৈ ধৰিলে।


উদয়ন, উদয়ন শইকীয়া। সি এইবাৰ স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰিছে। পঢ়া-শুনাত সি অৱশ্যেই বেয়া নহয়। উচ্চতৰ মাধ্যমিক পৰীক্ষাত সি প্ৰথম বিভাগতেই উত্তীৰ্ণ হৈছে। চৰিত্ৰৰ দিশৰ পৰাও তাক বেয়া বুলিব নোৱাৰি। কলেজত অভদ্ৰামি কৰি, ছোৱালী জোকাই ফুৰা ল'ৰাচামৰ লগত সি ফুৰিবলৈ বেয়া পায়। অতি অমায়িক আৰু লাজকুৰীয়া স্বভাৱৰ উদয়নৰ ঘৰুৱা অৱস্থা বৰ ভাল নহয়। তাৰ দেউতাক এজন সাধাৰণ খেতিয়ক। দেউতাকৰ খেতিৰ ধনেৰে বছৰৰ চাৰিটা মাহো ভালদৰে নাটে। তাৰ মাক শিশু কল্যাণ বিভাগৰ এগৰাকী সাধাৰণ তলতীয়া কৰ্মচাৰী। মাকে দুই তিনি মাহৰ মূৰে মূৰে পোৱা টকাকেইটাৰে সিহঁতৰ ঘৰখন, তাৰ পঢ়া-শুনা আৰু তাৰ ভনীয়েক আঠবছৰীয়া মৌচুমীৰ বেমাৰত খৰছ কৰিবলৈ যেনে তেনে জোৰে। তাৰ ভনীয়েকজনী আজি প্ৰায় ডেৰ বছৰ ধৰি কিবা এক অচিন ৰোগত ভুগি আছে। টকা-পইছাৰ অসুবিধাৰ হেতু ভাল চিকিৎসা কৰিব পৰা নাই। মুঠতে কোনো ৰকমে সিহঁতৰ ঘৰখন চলি আছে। নিজৰ ঘৰুৱা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিয়েই উদয়নেআজিকালি এটা পৰিসীমা বজাই ৰাখিবলৈ চেষ্টা কৰে।

> সি আশ্বাস লভিবলৈ চেষ্টা কৰিলে যে আজিৰ ঘটনাটোৰে তাক এক প্ৰত্যাহ্বানৰ পথহে দেখুৱাই দিলে। সি ভাবিলে যে মানুহৰ জীৱনত সকলোধৰণৰ অভিজ্ঞতাই লাগে। এই অভিজ্ঞতাৰ পৰাই হয়তো সি জীৱনত কিবা নহয় কিবা এটা ভাল ফল পাব পাৰে। এতিয়া তাৰ লক্ষ্য হ'ল এই প্ৰত্যাহ্বানৰ ওচৰত নিজকে বিজয়ী কৰি তোলা।

সেইদিনা কলেজত সি দুটা ক্লাছ কৰাৰ পাছত ক্লাছ নথকাত প্ৰয়োজনীয় কিতাপ এখন আনিবৰ বাবে লাইব্ৰেৰীলৈ গ'ল। লাইব্ৰেৰীৰ পৰা সি কিতাপ লৈ পুনৰ উভতি আহিল। কলেজৰ বাৰাণ্ডাইদি সি নিজৰ ক্লাছৰ অভিমুখে যাবলৈ ধৰিলে। বাৰাণ্ডাৰ তলৰ পকা হাফৱালটোত অসংখ্য ছাত্ৰ-ছাত্ৰী বহি নিজৰ কথাত ব্যস্ত হৈ আছে। সি ক্লাছৰ অভিমুখে আহি থাকোতে বাৰাণ্ডাৰ ৱালত বহি থকা ছাত্ৰ এজনৰ অলপ বেছিকৈ আগবাঢ়ি থকা তাৰ ভৰিখনত তাৰ ভৰিখন লাগি গ'ল। সি কথমপি পৰাৰ পৰা বাছি ছাত্ৰজনক ক্ষমা খুজিবলৈ লওঁতেই ছাত্ৰজনে উঠি আহি তাক চোলাত ধৰি অতি বেয়াকৈ ককৰ্থনা কৰিছিল। প্ৰকৃততে তাৰ গাত কোনো দোষ নাছিল। সেই ছাত্ৰজনেহে ইচ্ছাকৃতভাৱে ভৰিখন আগবঢ়াই দিছিল। তথাপিও সি বাৰে বাৰে ক্ষমা খোজা সত্বেও ছাত্ৰজনে তাৰ কোনো কথাতে গুৰুত্ব নিদি তাক গতা মাৰি দিলে। সি ভাৰসাম্য ৰখাব নোৱাৰি অন্য এজন ছাত্ৰৰ ভৰিত পৰিলগৈ। সেই ছাত্ৰজনে ঘটনাটো দেখি থকা সত্বেও তাক "অই ল'ৰা নেদেখ নেকি বে" বুলি গলগলীয়া মাতেৰে কোৱাৰ লগতে তাৰ গালত এটা চৰ বহুৱাই দিলে। তেনেতে সেইফাললৈ কলেজৰ প্ৰিন্সিপালজন অহা দেখি সকলোবোৰ ছাত্ৰ-ছাত্ৰীৰ আগত অতি লজ্জিত হৈ নিজৰ ক্লাছ ৰুমলৈ সোমাই গ'ল। ক্লাছত সোমালেও সি কিন্তু সেইদিনা ক্লাছটোত অকণো মন বহুৱাব নোৱাৰিলে। ক্লাছ শেষ হোৱাৰ লগে লগে সি ঘৰলৈ আহিল। একো নোখোৱা -নোবোৱাকৈয়ে সি বিছনাখনত পৰি কথাবোৰ পুনৰ প্ৰথমৰ পৰা শেষলৈকে ভাবিবলৈ ধৰিলে। সি নিজকে নিজে প্ৰশ্ন কৰিলে 'সি জানো ছাত্ৰজনৰ ভৰিত ইচ্ছা কৰি তাৰ ভৰিখন লগাই দিছিল? নাই সিতো কেতিয়াও তেনেকুৱা কৰা নাছিল। তেনেহ'লে বাৰু কিয় তেনেকুৱা হ'বলৈ পালে? ভগবানে বাৰু কিয় তাৰ প্ৰতি অকণো চকু-মেলি চাব নোৱাৰিলে? সেই ছাত্ৰকেইজনে বাৰু কিয় তাক বুজিবলৈ চেষ্টা নকৰিলে?" সি তাতোকৈ ভাবি আচৰিত হ'ল সেই সময়ত সিহঁতৰ ওচৰতে থকা সিহঁততকৈ চিনিয়ৰ ছাত্ৰকেইজনে







তেওঁলোকক কিয় বাধা দিবলৈ আগবাঢ়ি নাহিল। নে তেওঁলোকো সেই ছাত্ৰ কেইজনৰ দৰেই... নাই নহ'বও পাৰে। অৱশ্যে সি আজিকালি মানুহক বিশ্বাস কৰাটো কিমান কঠিন হৈ পৰিছে বুজি পায়। সি সেই চিনিয়ৰ ছাত্ৰকেইজনক কিমান সন্মান কৰিছিল, অথচ...

ভাগৰুৱা দেহাটো অলপ ইকাটি-সিকাটি কৰি সি পুনৰ ভাবিবলৈ ধৰিলে যে বৰ্তমানৰ যুগত তাৰ দৰে অজলা হৈ থাকিলে একো লাভ নহ'ব। সি গুণ্ডা হ'বলৈ শিকিব। সেই ছাত্ৰকেইজনক যেনেকৈ সি আজি একোৱেই কৰিব নোৱাৰিলে, সিও সিহঁতৰ দৰে হ'লে তাক কোনেও একো কৰিব নোৱাৰিব, কিন্তু খন্তেক পাছতে সি মনৰ আবেগ ত্যাগ কৰি কথাবোৰ ভালদৰে ভাবিবলৈ ধৰিলে। সি ভাবিলে আজি সি যিদৰে অপমানিত হ'ল সেই গুণ্ডা কেইজনৰ হাতত, ঠিক তেনেদৰে সি গুণ্ডা হৈ গ'লে তাৰ হাততো যদি কোনোবা সহজ সৰল ছাত্ৰ তাৰ দৰে অপমানিত হয়, তেতিয়া ...। নাই নাই সি কেতিয়াও সিহঁতৰ দৰে গুণ্ডা হ'ব নোৱাৰে। সি মনত ঠিৰাং কৰিলে যে আজি তাৰ যি অৱস্থা হ'ল, সেইয়া তাৰ উপস্থিতিত আন কাৰোবাৰ ক্ষেত্ৰত কেতিয়াও হ'বলৈ নিদিয়ে। সি প্ৰতিবাদ কৰিব। সি সত্যৰ পথেৰেই আগুৱাই গৈ সি তাৰ ঘৰখনত কষ্টৰ মিঠা ফল দিব লাগিব। তাৰ ওপৰতে যিহেতু ঘৰখনৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে, গতিকে সি গুণ্ডা হ'লে নহ'ব। বৰং সিহঁতৰ নিচিনা গুণ্ডাবোৰক সি পাৰিলে ভাল পথলৈ আনিবলৈ চেষ্টা কৰিব আৰু নোৱাৰিলেও সিহঁতৰ অন্যায়ৰ বিৰুদ্ধে সদায় প্ৰতিবাদ কৰি যাব। সি আশ্বাস লভিবলৈ চেষ্টা কৰিলে যে আজিৰ ঘটনাটোৱে তাক এক প্ৰত্যাহ্বানৰ পথহে দেখুৱাই দিলে। সি ভাবিলে যে মানুহৰ জীৱনত সকলোধৰণৰ অভিজ্ঞতাই লাগে। এই অভিজ্ঞতাৰ পৰাই হয়তো সি জীৱনত কিবা নহয় কিবা এটা ভাল ফল পাব পাৰে। এতিয়া তাৰ লক্ষ্য হ'ল এই প্ৰত্যাহ্বানৰ ওচৰত নিজকে বিজয়ী কৰি তোলা।

সেই সময়ত বেৰৰ জলঙাইদি সূৰ্যাস্তৰ হেঙুলীয়া আভা আহি তাৰ কোঠাৰ চাৰিওফালে সিঁচৰতি হৈ পৰিছিল। সি ভাবিবলৈ ধৰিলে আজি সূৰ্যটোৱে হেঙুলীয়া আভাখিনি এৰি থৈ গুছি যাবগৈ। কিন্তু কাইলৈ সি পুনৰ উজ্বলাই তুলিবহি সেউজীয়া ধৰিত্ৰী। ঠিক সেইদৰে সিও আজিৰ কাৰুণ্যখিনি অন্তৰৰপৰা মচি দি কাইলৈ উদয় হৈ উঠিব, হৈ উঠিব এক নতুন উদয়নৰ ৰূপত আৰু জ্যোতিষ্মান কৰি তুলিব তাৰ চৌপাশ। ●

# গল্প

## এযোৰ বিষণ্ণ চকুৰ কবিতা

জুপিতৰা নাথ
স্নাতক প্ৰথম বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

*কবিতাটোৰ শিৰোনামত কিছু বিজুতি -যান্ত্ৰিক অথচ আৱেগিক*

নাই... ক'তো দেখা নাই তাই এনে এযোৰ স্থিৰ অথচ বিষণ্ণ চকু...। ক'ৰবাত হয়তো মুহূৰ্তৰ বাবে তাই এনে এযোৰ চকু দেখিছে, কিন্তু তাই প্ৰৱল নিশ্চয়তাৰে ক'ব পাৰে যে কোনো এক লহমাৰ অন্তৰালতেই সেই চকুযোৰ চঞ্চল হৈ উঠিছে, দুষ্ট হৈ উঠিছে, চকুলোৰে তিৰবিৰাই উঠিছে নতুবা হাঁহিৰে উদ্ভাসি উঠিছে। কিন্তু সেই 'চকুযোৰৰ' বিষণ্ণতাই এই সকলো উপাদানকে পৰাস্ত কৰি এখনি বেনামী উপনিৱেশ গঢ়ি তুলিছে তাইৰ বুকুত...। তাইৰ সাঁচতীয়া ঐশ্বৰ্যবোৰৰ ওপৰত এক শোষণ নীতি প্ৰয়োগৰ জৰিয়তে ক্ৰমশঃ বৃদ্ধি কৰিব ধৰিছে সেই বিষণ্ণ সাম্ৰাজ্যৰ পৰিসীমা...। তাইৰ হৃদয়ত অকাৰণতে উৎপন্ন হোৱা দুখ আৰু নিসংগতাক দমন কৰি কিহৰ বাবে আৰম্ভ কৰিছে এই লুটপাত? তাইৰ হৃদয় নতুবা হৃদয়ৰ সমীপতো এনে কোনো সুদৃশ্য অট্টালিকা নাই প্ৰেম-মহৱতৰ!!! তেন্তে তাই কিয় পঢ়িব বিচাৰিছে সেই বিষণ্ণ গ্ৰন্থৰ পৃষ্ঠা? যাৰ প্ৰতিটো পৃষ্ঠাৰ বাখৰ সদৃশ আখৰেৰে তাইৰ দুচকুত সপোনৰ ফটিকা বাকে আৰু প্ৰতিটো শব্দই তাইৰ নদীত উদাসী পানচৈ মেলে...।

দুজোপা কৃষ্ণচূড়াই
কলেজখনৰ বদনাম আনিছে, কি প্ৰয়োজনত
কৃষ্ণচূড়া দুজোপাই দূবৰিৰ নীৰৱ সংগীতৰ সুৰ-তাল-লয়ক
আওকাণ কৰি ৰঙা বিষাদবোৰ ঢালিছে ধাৰাসাৰে...। আৰু
সেই নদীখন... যি অন্যায়ভাৱে আমলখিৰ
চিৰিলি চিৰিলি পাতেদি বৈ অহা
উদাসী সুবাসক ঢৌৰ লগত লীণ
যোৱাই গৰ্বী কৰি তুলিছে
পাৰৰ শিলবোৰক...।

মেঘ আছে নেকি সেই দুচকুত, এখনি বিষাদৰ আকাশ আৰু কাজল কাজল বৰষুণ...? নাই...আছে কেৱল স্থিৰ বিষণ্ণতা, তাইৰ ভাললগা অথচ পাৰা-পাৰহীন সাগৰৰ শূণ্যতা...। শূণ্যতাকো ভাল পায়নে তাই? কেতিয়া জানো বাংময় হৈ উঠে নিঃসীম নৈঃশব্দৰ শূণ্যতাও...!!!

যদি একোৱেই নাই, তেন্তে তাই কিয় সকলো বিচাৰি পায় সেই দুচকুত? কিয় সেইবাবেই এই কবিতাৰ জন্ম!!!

*এজাক বতাহে নচুৱাই গ'ল কঁহুৱাত নীৰৱে বৈ থকা লাৱণী কবিতাটো...*

অন্তৰংগ বন্ধুৰ তাগিদা - 'কলেজ নহাকৈ নাথাকিবি সোমবাৰে'। এক অত্যাধুনিক কায়দাৰে জোখ মাখ লোৱা হ'ব সুখ, দুখ, হাঁহি, কান্দোনৰ আৰু...।

সেইয়া, বৈয়েই যে আছেহি সেই বিষণ্ণ কৰুণ চকুযুৰি...। কলেজৰ মূল তোৰণৰ সোঁহাতে, কেন্টিনৰ ফালে মূৰ কৰি কাৰোবাক কিবা কৈছে- "দুজোপা কৃষ্ণচূড়াই কলেজখনৰ বদনাম আনিছে, কি প্ৰয়োজনত কৃষ্ণচূড়া দুজোপাই দূবৰিৰ নীৰৱ সংগীতৰ সুৰ-তাল-লয়ক আওকাণ কৰি ৰঙা বিষাদবোৰ ঢালিছে ধাৰাসাৰে...। আৰু সেই নদীখন... যি অন্যায়ভাৱে আমলখিৰ চিৰিলি চিৰিলি পাতেদি বৈ অহা উদাসী সুবাসক ঢৌৰ লগত লীণ যোৱাই গৰ্বী কৰি তুলিছে পাৰৰ শিলবোৰক...। সেই সুযোগতেইতো শিলবোৰে ৰোধ কৰিব খুজিছে কলিজাৰ অজস্ৰ খহনীয়াক...। খহিব পৰা নাই বাবেইতো বুকুত গঢ়ি উঠিছে বিষণ্ণ সাম্ৰাজ্য। সেই অন্যায়ৰেই যে ঘোৰ প্ৰতিবাদ জিলিকিছে এই দুচকুত বিষণ্ণতা হৈ!!!"


তাইৰ দুচকুৰ অপাৰ বিস্ময়ক আওকাণ কৰি অহৰহ কৈফিয়ৎ জাহিৰ কৰিব ধৰিলে সেই দুচকুৱে...।





*কবিতাটো পঠনযোগ্য আৰু প্ৰকাশযোগ্য হ'বলৈ কিছু শব্দৰ অন্বেষণ..*

আচৰিত হ'ল তাই। হঠাতে ক'ৰপৰানো ইমান দৃঢ়তা আহিল তাইৰ হৃদয়ৰ একেবাৰে সমীপলৈ। সেই দুচকুৰ বিষণ্ণতাক তাই জুখিব পাৰিবই লাগিব।



সেই উদ্দেশ্যকেই বৰপেৰাত সুমুৱাই তাই 'মেৰ্চাছ জীৱন ষ্টৰত' সোমাই 'সময়' নামৰ চিৰসেউজ যুৱকজনক সুধিলে 'তেওঁনো কি কিনে সদায় ইয়াৰ পৰা-শিখৰ, তিৰংগা নে পানমছলা? (তাই খুউব ভালকৈয়ে জানে সেই দুচকুৱে এইবোৰ বস্তু চাবই নাজানে, কল্পনাতো প্ৰশ্নবোধক আঁকি কিয় যে ভাল লাগে) তাইৰ প্ৰশ্নৰ উত্তৰত যুৱকজনে ক'লে- "তেওঁ সদায় দুটা হাঁহিৰ পেকেট কিনে- নিচেই সৰু সৰু...।' লগতে যুৱকজনে সংযোগ কৰিলে যে হাঁহি এচামুচ নিদিলে হেনো তেওঁৰ মাকে আঞ্জাকণ ৰান্ধিবলৈ অলপ দ্বিধাবোধ কৰে। সেয়ে দুটোপাল বৰ্ণিল চকুলোৰ বিনিময়ত তেওঁ দুটা হাঁহিৰ পেকেট নিবলৈ নেপাহৰে। বেছিকৈ নিবলৈ নিজৰে বেয়া লাগে, হাঁহিৰ অকণি অকণি টোপালবোৰ ওলমি থাকিলে দোকানখনৰ এনেয়ে শোভা বাঢ়ে...!!!

*কবিতাটোৰ সমাপ্তিত কবিৰ কিছু অপাৰগতা -হঠাতে আহি পৰা সেই বিষণ্ণতা...*

ব্যাকৰণ শিকি আছিল তাই পঢ়িবলৈ সেই দুচকুৰ ভাষাক - হঠাতে জানো কি হ'ল তাইৰ - তাইৰ বিস্মৃত দুচকুলৈ সেই দুচকুৰ পৰা ভালপোৱাৰ বাৰিষা নামি আহিল- বৰষুণ হৈ !!

পৰেনে সেই দুচকু ব্যাকুল হৈ নাহৰে কুঁহিপাত নেমেলিলে? জাননে উদাসী গ্ৰন্থৰ শেষ পৃষ্ঠা পঢ়ি সুবাস ঢালিবলৈ....? আৰে এয়া কি? সেই দুচকুৰ গৰাকী দেখোন তাইৰ ফালেই আগবাঢ়িছে এখুজি দুখুজিকৈ? আহিছা যদি আহাই- মাত্ৰ তোমাৰ দুচকু থৈ আহা আমলখিৰ চিৰিলি চিৰিলি পাতৰ সুবাসত নতুবা দূবৰিৰ এশ এবুৰি সংগীতৰ মাজত! কিন্তু দুচকু থৈ আহিলে কেনেকৈনো পাৰ হ'বা অতবোৰ জান, জুৰি আৰু নিজৰা? কেনেকৈ হ'বা এখন নদীৰ নিভীক নদীৰ নাৱৰীয়া? বিষণ্ণতাৰ পৰিৱৰ্তে তাইৰ দুচকুত মৰুভূমীয় উষ্ণতা দেখি ঘৃণা যদি কৰে সেই দুচকুৱে। সকলো হেঁপাহ যদি হেৰাই যায় মৰীচিকা হৈ!

তেওঁৰ ওঁঠ দুটা কঁপা কঁপা লাগিছে-কিবা কৈছে নেকি তাইকে উদ্দেশ্যি? তাইৰ ভাৱনাত আউল লাগি গ'ল হঠাতে...! সুধিছে তেওঁ- "তোমাৰ দুচকুত ক'ৰ পৰা সংগ্ৰহ কৰি ৰাখিছা ইমান বিষণ্ণতা?" কি শুনিছে তাই! তাই বাৰু সেই মুহূৰ্ততে ঢলি নপৰিলে কিয় বেজাৰৰ কোনো এক দ' খাৱৈত। আলফুলীয়া সপোনৰ মিঠা অনুভৱক প্ৰকাশ কৰিব পৰা যায়নে? দেখুৱাব পাৰিনে হৃদয়ত সঞ্চিত হৈ থকা আকুলতাখিনিক?

বুকুত এখন বিষণ্ণ সাম্ৰাজ্য গঢ়ি লৈও তাই ৰঙেৰে বুৰাই ৰাখিব পাৰে প্ৰতি মুহূৰ্ত...। এক বিষণ্ণ সজীৱতাই জীপাল কৰিলে তাইৰ নিজান অৰণ্যক। নাজানে তাই- বিষণ্ণতাকো ভাল পাব পাৰিনে-ভালপোৱাতো বিষণ্ণতা থাকেনে? জানে মাথোঁ বিষণ্ণতাতো ভালপোৱা ওপজে!!! অদেখা সূতাৰে গঁঠা এনে মায়াবী অনুভৱে হৃদয়লৈ এক আকাশী বিশালতা নমাই আনে- য'ত ভালপোৱাবোৰে নক্ষত্ৰৰ চাহিদা পূৰণ কৰে।

## গল্প

# এজন সত্যান্বেষীৰ কথাৰে.....

গুণকৃষ্ণ কো
স্নাতক প্ৰথম ব
ৰাজনীতি বিজ্ঞান বিভা

বিনয়ে তাৰ কোঠাটোত সোমাই জোতাযোৰ নোখোলাকৈয়ে বিচনাখনত দীঘল দি শুই পৰিল। সংসাৰৰ সমস্ত ভাগৰে যেন তাক হেঁচা মাৰি ধৰিলে। হলেও তাৰ যে এতিয়া সোনকালে টোপনি নাহে সি জানে। টেবুলত তাৰ বাবে ভাত বাঢ়ি থৈ ৰতন শুলে ছাঁগে। নাই তাৰ আজি একেবাৰে ভোক নাই। কিবা এক হতাশাই তাক আজি আবৰি ধৰিছে। সি ইমান অকলশৰীয়া কিয় ? সৎ কাম এটা কৰিবলৈ যাঁওতে সি যে এনেদৰে অকলশৰীয়া হৈ পৰিব সি ভবা নাছিল।

এখন ভিতৰুৱা গাঁৱৰ পৰা অহা ল'ৰা সি। দুচকুত এক ৰঙীণ সপোন। কৈশোৰৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ সি আজি সুবিধা পাইছে। অথচ তাৰ পদে পদে বাধা। এতিয়া সি অসমৰ এখন জনপ্ৰিয় বাতৰি কাকতৰ এজন সাংবাদিক। কৈশোৰত সি এজন সাংবাদিক হোৱাৰ সপোন দেখিছিল। সপোন দেখিছিল তাৰ কলমৰ জোৰত সমাজৰ ভ্ৰষ্টাচাৰ, দুৰ্নীতি উদঙাই দেখুৱাই এখন নিকা সমাজ গঢ়াৰ। কিন্তু আজি সি কি কৰিব পাৰিছে।

যেতিয়া সি মেট্ৰিকত সুখ্যাতিৰে পাছ কৰোতে সম্বৰ্ধনা জনাইছিল, তেতিয়া তাক ভৱিষ্যৎ লক্ষ্যৰ বিষয়ে' সোধাত সি বিনাদ্বিধাই কৈছিল সি এজন সাংবাদিক হব। সমাজৰ শোষণৰ বিৰুদ্ধে মাত মাতিব, সমাজৰ স্বাৰ্থৰ হকে মাতিব। তেতিয়া কোনোৱে তাক কৈছিল তই সাংবাদিক হৈ কি পাবি ? তোৰ দৰে এটা টেলেন্টেড ল'ৰাই বেলেগ পথৰ কথা ভাব। অন্ততঃ জীৱনটো সুখৰ হব। দেউতাকৰ বাহিৰে ঘৰৰ আনবোৰ সদস্যইও তাক এনেকুৱা কথাই কৈছিল। সি বি.এ. ডিগ্ৰী লৈ সাংবাদিকতা বিষয় পঢ়িবলৈ আহিছিল। ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক দেউতাকে সমাজৰ হকে কৰিবলৈ লোৱা কামত সদায় উৎসাহ যোগাইছিল। দেউতাকে তাক উৎসাহ যোগাইছিল তাৰ এই মহৎ উদ্দেশ্যৰ প্ৰতি। সাংবাদিকতা পঢ়া শেষ কৰি সি যোগদান কৰিছিল এখন জনপ্ৰিয় দৈনিক বাতৰি কাকতত।



তাৰ এই তিনিবছৰীয়া সাংবাদিক জীৱনত বহু সৰু-বৰ ঘটনা ঘটিছে। যোৱা তিনিটা বছৰে সি কোনো পক্ষপাতিত্বৰ আশ্ৰয় নলৈ তাৰ কলম চলাই নিছে। অবিৰতভাৱে লিখি গৈছে সমাজৰ স্বাৰ্থৰ হকে মাত মাতি। বহুতৰ পৰা প্ৰশংসাও পাইছে সি নিৰ্ভীক সাংবাদিক বুলি। অৱশ্যে সি যে একেবাৰে কোনো সমস্যাৰ সন্মুখীন হব লগা হোৱা নাই এনে নহয়। কেইবাটাও কেলেংকাৰীৰ বাতৰি উপযুক্ত তথ্যসহ প্ৰমাণ কৰি প্ৰকাশ কৰাৰ পিছত ফোনযোগে তাক হুমকি দিছিল। কিছুমানে টকাৰ লোভ দেখুৱাই তেনে বাতৰি পৰিবেশন নকৰিবলৈ সাঁকিয়াই দিছিল। কিন্তু সাহসেৰে সি সেইবোৰৰ সন্মুখীন হৈছিল। সি লিখি গৈছে ইমানদিন তাৰ বিবেকৰ মতে। তাৰ দেউতাকৰ আদৰ্শৰ মতে। দেউতাকে যে তাক





শৈশৱতেই দিছিল সত্যৰ আদিপাঠ। দেউতাকে তাক কৈছিল সত্যৰ পথ কন্টকময় হ'লেও সি যেন সত্যৰ পথৰ পৰা বিচ্যুত নহয়। সেয়ে পাহৰি যোৱা নাই সেই আদৰ্শ। টকাৰ লোভত কোনোদিন তাৰ আদৰ্শক বিসৰ্জন দিয়া নাই। নালাগে তাক এক বিলাসী জীৱন। যেতিয়া দূৰ-দূৰণিৰ পৰা তালৈ উৎসাহভৰা, তাৰ কামৰ প্ৰশংসাৰে পূৰ্ণ চিঠিবোৰ, ফোনকলবোৰ আহে সি তেতিয়া গৌৰান্বিত হয়। সি গৰ্ব অনুভৱ কৰে এইটো ভাবি যে সি সমাজৰ বাবে কিবা এটা কৰিছে। ইয়াতকৈ তাক আৰু কি লাগিছে?

দেউতাকে যে তাক শৈশৱতেই দিছিল সত্যৰ আদিপাঠ। দেউতাকে তাক কৈছিল সত্যৰ পথ কন্টকময় হ'লেও সি যেন সত্যৰ পথৰ পৰা বিচ্যুত নহয়। সেয়ে পাহৰি যোৱা নাই সেই আদৰ্শ। টকাৰ লোভত কোনোদিন তাৰ আদৰ্শক বিসৰ্জন দিয়া নাই।

কিন্তু কালিৰ ঘটনাটোৱে তাক এক অজানিত আশংকাত ভোগাইছে। নাই তাৰ মৃত্যু ভয় নাই কিন্তু ভয় তাৰ পৰাজয়ৰ। সি যে পৰাজিত হব লাগিব। কালিৰ সেই গধুলিৰ ঘটনাটো তাৰ চকুৰ আগত ভাঁহি উঠিল। সি তেতিয়া ঘৰলৈ উভতিছে। সেই নিৰ্জন ঠাইডোখৰত দুজন ল'ৰাই তাক আগচি ধৰিলে। হাতত সিহঁতৰ মৰণাস্ত্ৰ। তাক সিহঁতে কোৱা কথাৰ সাৰমৰ্ম ইমানখিনিয়েই যে সি সিহঁতৰ সংগঠনৰ বিষয়ে সমালোচনা কৰি লিখিছে। সিহঁতে এইবাৰ তাক সকীয়াই দিয়েই ক্ষান্ত হৈছে; কিন্তু দ্বিতীয়বাৰ তেনে ভুল কৰাৰ শাস্তি তাৰ একমাত্ৰ মৃত্যুদণ্ড। সি নীৰৱে গুচি আহিছিল। 'সাংবাদিক বিনয় দত্তৰ মৃত্যু' নাভাবে সি সেয়া এক আশংকাৰ কাৰণ বুলি।

কিন্তু আজি যেতিয়া সি তাৰ কালিৰ ঘটনাটো কাকতখনৰ তাৰ শ্ৰদ্ধাৰ সম্পাদকজনৰ আগত কৈছিল তেতিয়া সম্পাদক জনে কোৱা কথাখিনিয়ে তাৰ চকু কপালত তুলিছিল। আচলতে তাক ভাবুকি দিয়াৰ আগতেই হেনো সিহঁতে সম্পাদকক সিহঁতৰ সংগঠনৰ বিৰুদ্ধে বাতৰি পৰিবেশন কৰিলে কাৰ্য্যালয় বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি দিছে। সম্পাদকজনে তেতিয়া তাৰ মতামত বিচাৰিছিল। সি তেতিয়া স্পষ্ট ভাৱে সম্পাদকক জনাই দিছিল সি কেতিয়াও অসত্যৰ লগত আপোচ নকৰে। সত্য কথা সি সদায় লিখিব। সঁচাকৈয়ে তাৰ কথাই সম্পাদকজনক একেবাৰে সন্তুষ্ট কৰিব নোৱাৰিলে। হয় কিয় নিলিখিব। সিতো কোনো মিছা কথা লিখা নাই। ৰাইজৰ হকে কাম কৰিম বুলি ওলাই যোৱা এটা সংগঠনে যেতিয়া নৰহত্যাকাৰী ঘাতক সংগঠনৰ ভূমিকা লয়, হকে বিহকে সমাজৰ খাটি খোৱালোকক হত্যা কৰে তেতিয়া সি হাত সাৱতি বহি থাকিব কিয় ? সিতো সম্পাদকজনক স্পষ্টকৈ কৈছিল প্ৰথমেই তাৰ এক আদৰ্শ আছে, সি কোনো দিন সমাজৰ অন্যায় হোৱা কামক প্ৰশ্ৰয় নিদিয়ে। কলমৰ খোচত শেষ কৰি দিব বিচাৰে সমাজৰ সেইবোৰ বিষকীটক। সি সদায় বিশ্বাস কৰিছিল তাৰ নিচিনা এজনৰ মৃত্যুৱে শত সহস্ৰজনক সেই আদৰ্শৰে আগবাঢ়ি আহিবলৈ অনুপ্ৰাণিত কৰিব।

কিন্তু আজি যে তাৰ স্বয়ং সম্পাদকজনেই তাক তাৰ আদৰ্শৰ পথত বাধা আৰোপ কৰিছে। কাকতখন আৰু কাকত গোষ্ঠীটোৰ স্বাৰ্থতে তেওঁ তাক তেনে বাতৰি লিখাৰ ক্ষেত্ৰত সংগঠনটোৰ ক্ষেত্ৰত নৰম পন্থা অৱলম্বন কৰিবলৈ কলে। কিয় কৰিব সি? সি কথাটো আলোচনা কৰিছিল তাৰ সহকৰ্মী সকলৰ সৈতে। সকলোৰে সেই একেই কথা। মৃত্যু ভয় সকলোৰে আছে। সঁচাই সি যে কি এটা মানুহ। আদৰ্শ খামুচি ফুৰা, নিজৰ স্বাৰ্থ বিসৰ্জন দি সমাজৰ কাম কৰিবলৈ আগবঢ়া মানুহৰ সংখ্যাই বা আজি কিমান? তাৰ কথা শুনিবলৈ,তাৰ পথৰ সহযোগী হ'বলৈ আজি কোনো আগবাঢ়ি নাহে। তাৰ মনতো ভীষণ নিৰাশাই ভৰাই পেলালে ঘটনাটোৱে। এইমাত্ৰ দি দিছে সম্পাদকক তাৰ চাকৰিৰ ইস্তফা পত্ৰ। সম্পাদক আৰু কাকতখনৰ স্বত্বাধিকাৰীজনেও তাক এৰি দিবলৈ মন কৰা নাছিল কিন্তু সি তাৰ মতত আকোঁৰগোজ। তাৰ দৃঢ় মত সি সত্যৰ সৈতে কেনোদিন আপোচ নকৰে।

আৰু এয়া আজি তাৰ হতাশাগ্ৰস্ত আৰু নিসংগ জীৱনৰ ৰূপ তাৰ বিচনাত। এক অদ্ভুত চিন্তাৰ তাৰ এই মন। সি আজিও বিশ্বাস কৰে তাৰ দৰে মানুহ শেষ হৈ যোৱা নাই। তাৰ লগত খোজ মিলাবলৈ আজি অহা নাই কি হ'ল, কালিলৈ আহিব। তাৰ পথত তাৰ সহযোগী হ'ব।

ভাবি ভাবি কথাটো তাৰ কিবা এক অদ্ভুত সুখানুভূতি জাগি উঠিল। ঘড়ীটোৱে তেতিয়া ৰাতি বাৰ বজাৰ সংকেত দিছে। তাৰ চকুহাল মুদ খাই গৈছে।এতিয়াযে তাৰ সপোন ৰাজ্য...।

## গল্প

# অসম্পূৰ্ণ ডায়েৰীত প্ৰেমৰ স্তৱক

ডিম্পল হাজৰিকা
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান)

সোণাৰুৰ হালধীয়া পাহিবোৰ তলসৰি কেন্টিনৰ ষ্টেপ আৰু তলৰ ফ্ল’ৰটো হালধীয়া হৈ আছিল। এজাক বৰষুণৰ স্পৰ্শত পাহিবোৰ নাচিছিল আৰু ঢৌৰ সৈতে উটি গৈছিল। বৰষুণৰ পানীৰে চিপ্চিপিয়া হৈ থকা বননিখনত খোজ পেলাই এজনী ছোৱালীয়ে মূৰ নোতোলাকৈ বিশাল হলটোৰ ফালে খৰধৰকৈ আগবাঢ়িল। গৰম চাহ গিলাছত শোহামাৰি অৰূপমে মোক ক’লে।

- এইযে তিতি গৈ আছে, ছোৱালীজনীৰ নাম ঝৰ্ণা। তই নিশ্চয় জানিছই আমাৰ লগতে নতুনকৈ আহিছে। কালি মই কথা পাতিছিলো। বিৰাট Interesting। গীত আৰু কবিতাৰ পোক। এই কিতাপখন তায়ে মোক খুজি পঠাইছে। সি হাতত লৈ থকা হীৰেণ ভট্টাচাৰ্যৰ কবিতাৰ কিতাপখন দেখুৱাই কলে। মই তোৰ কথাও কৈছিলো। তোৰ লগত কথা পতাৰ খুউব ইচ্ছা বোলে।

- বাঃ হয় নেকি! তেনেহ’লে কিতাপখন ময়ে দিওঁ দে। চাওঁচোন ওপৰতে বগাই ফুৰা পোকনে, ভিতৰখন খুলি খোৱা পোক। মোৰ কথাত সি হাঁহি দিলে।

সঁচা প্ৰেমেৰে
হৃদয় সম্পৃক্ত ন’হলে সৃষ্টিৰ সম্ভৱ
হ’ব নোৱাৰে। মই বহুদিন কবিতা লিখিব পৰা
নাছিলো। এতিয়া মই ঝৰ্ণাৰ বাবে প্ৰতিদিনেই
কবিতা লিখোঁ। কাৰোবাৰ মৰম-ভালপোৱা
বিচাৰি লিখা কবিতাবোৰত মোৰ সপোন,
আশা-আকাংক্ষাবোৰ সিঁচি দিছো।

(২)

-বৰষুণজাকে আপোনাক খুউব ধুনীয়া কৰি পেলাইছে। বাঃ আপোনাৰ দেহত বৰষুণৰ কি অবাধ বিচৰণ। আপোনাৰ চুলিত ঢৌ খেলিছে, ওঁঠত স্পৰ্শ দিছে, বুকুৰ উষ্ণতা লৈছে। আচলতে এই মূহুৰ্তত মোৰ বৰষুণৰ প্ৰতি বিৰাট ঈৰ্ষা হৈছে। মই পাছফালৰ পৰা কোৱা শুনি তাই ঘূৰি চালে।

-এইবদমাছ, mind your language, noughty image ৰে তুমি গণ্ডগোল লগাইছা বুলি শুনিছো, কৈফিয়ৎ নাছিল। এইবোৰ তুমি কি বকিছা গম পোৱাতো?

- মই মোৰ মনৰ কথাটোহে প্ৰকাশ কৰিছোঁ। any way আজি আপোনাক প্ৰথম লগ পাইছোঁ। মোৰ নাম প্ৰীতম। (মই সোঁহাতখন আগবঢ়াই দিলো) ইতিমধ্যে আপোনাৰ নাম ঝৰ্ণা বুলি জানিব পাৰিছো।

- তুমি ঠিকেই শুনিছা। হয়, মই ঝৰ্ণা বৰুৱা। তাই হাঁহি মাৰি সোঁহাতখনেৰে মোৰ হাতত মৰ্দন কৰিলে।

-ঝৰ্ণা বৰুৱা, মোৰ ওচৰত আপোনাৰ এটা আপত্তি আছে। শুনিছো আপুনি ভাল পায়। সামান্য গহীনভাৱে মই ক’লো।

- কাক ? কি?.....! তাই অপ্ৰস্তুত হৈ সুধিলে।

- কিমান ভালপায়?

- প্ৰীতম তুমি মোক কি সুধিব বিচাৰিছা?

- আপুনি কবিতা ভালপায়।

- ক- বি - তা, তাই ঈষৎ হাঁহি মাৰি কলে। of course, বুজি নাপালেও পঢ়ি ভাল পাওঁ। কিন্তু কিয় সুধিলা? I mean তুমি এনেয়েতো মই ভালপাওঁ বুলি বদনাম জাপি দিব নোৱাৰা।

- এই কিতাপখন আপুনি বিচাৰিছিল? অৰূপমে দিয়া কবিতা কিতাপখন মই আগবঢ়াই দিলো।

- অ’ অৰূপমে তোমাক কৈছে। অশেষ ধন্যবাদ। তাই আগ্ৰহেৰে কিতাপখন ললে।

- ইমান সাধাৰণ কথাটোতে ধন্যবাদ। কেতিয়াবা এনে শব্দবোৰ এৰিও কথা ক’ব জানিব লাগে। লগৰ যেতিয়া....

- এই Mr. ৰ’বা ৰ’বা। ইমানপৰে যে আপুনি আপুনি কৈ লগৰ ছোৱালীজনীৰ আগতে ইমান ভদ্ৰতা সাব্যস্ত কৰি আছা সেয়া অৱশ্যে মনেই কৰা নাই।





- ভদ্ৰতা, এইবাৰ মই হাঁহি ৰাখিব নোৱাৰিলো। বহু আঁতৰলৈ মোৰ হাঁহি বিয়পি পৰিল।

- তুমি হাঁহিবও জানা। মই ভাৱিছিলো তুমি কেৱল কবিতাহে লিখা। ভাল লিখা বুলি আনৰ মুখত শুনিছো। পঢ়াৰহে সুবিধা হোৱা নাই। নিশ্চয় এতিয়াৰ পৰা পঢ়িব পাৰিম।

(৩)

সঁচা প্ৰেমেৰে হৃদয় সম্পৃক্ত ন’হলে সৃষ্টিৰ সম্ভৱ হ’ব নোৱাৰে। মই বহুদিন কবিতা লিখিব পৰা নাছিলো। এতিয়া মই ঝৰ্ণাৰ বাবে প্ৰতিদিনেই কবিতা লিখোঁ। কাৰোবাৰ মৰম-ভালপোৱা বিচাৰি লিখা কবিতাবোৰত মোৰ সপোন, আশা-আকাংক্ষাবোৰ সিঁচি দিছো। এদিন ঝৰ্ণাই মোক সুধি পেলালে।

- প্ৰীতম মই বুজিব পাৰিছো যে তুমি কবিতাবোৰত কাৰোবাক ভালপোৱাৰ কথা প্ৰকাশ কৰিছা। মৰম আৰু বিশ্বাস বিচাৰিছা। কিন্তু এয়া তুমি কাৰ আগত প্ৰকাশ কৰিব খুজিছা?

- সৌ ৰিংটোত বহি থকা ছোৱালীজনীৰ আগত।

- তেনেহ’লে কবিতাবোৰ তুমি মোৰ হাতত কিয় দিছা। তাইৰ হাততহে দিয়াৰ প্ৰয়োজন।

- সেইবাবেইতো মই তোমাৰ হাতত কবিতাবোৰ তুলি দিছো।

- তাৰ মানে?

- ঝৰ্ণা মই তোমাৰ পৰা অলপ মৰম, প্ৰেৰণা আৰু বিশ্বাস বিচাৰিছো। মই তোমাৰ বুকুৰ সেউজীয়াত অলপ আশ্ৰয় বিছাৰো। য’ত মোৰ সমস্ত সত্বাই অবাধ স্বাধীনতাৰে বিচৰণ কৰিব পাৰিব।

- কিন্তু প্ৰীতম তুমি হঠাৎ কিয় এনেকুৱা ধাৰণা লৈ পেলাইছা। মই একেবাৰে অপ্ৰস্তুত হৈ পৰিছো।

- মই জানো, তোমাৰ আপত্তি থকাটোৱেই স্বাভাৱিক। মনত কঢ়িয়াই লৈ ফুৰা কথাযাৰ প্ৰকাশ কৰি দিয়াৰ বাবে তুমি অপ্ৰস্তুত হৈ পৰিছা। তাৰ বাবে মই দুঃখিত। কিন্তু ঝৰ্ণা মোৰ দুচকুৱে তুমি সকলোতকৈ ধুনীয়া হোৱাৰ দোষত দোষী হৈ মই তোমাক ভীষণ ভালপাই পেলাইছো। তোমাৰ দুচকুৰ তন্ময়তাত, তোমাৰ ওঁঠৰ হাঁহিত মই পৃথিৱীৰ সকলো সৌন্দৰ্য বিচাৰি পাওঁ। সৃষ্টিৰ প্ৰেৰণা পাওঁ। তোমাৰ বাবে যেন মই বহু দিনৰে পৰা বাট চাই আছিলোঁ।

- মই জানো প্ৰীতম, এতিয়া তুমি মোৰ সৌন্দৰ্যৰ অতুলনীয় বৰ্ণনা দিয়াটোৱেই স্বাভাৱিক। যিহেতু মই মানুহ। ময়ো এজনী নাৰী। প্ৰশংসাৰ প্ৰতি মোৰো দুৰ্বলতা আছে। এই দুৰ্বলতাকে তুমি ভালদৰে হস্তগত কৰিছা। মই একো বিশেষ সৌন্দৰ্যৰ গৰাকী নহয়।

- মোৰ মাৰ একোছা খুউব ধুনীয়া চুলি আছিল। ঠিক বৰ্তমান কণ্ডিশ্যনাৰ চেম্প’ কিম্বা হেয়াৰ অইলৰ এডভাৰটাইজমেন্টত দেখুৱাৰ দৰে। মাত্ৰ কেইটামান বছৰৰ আগতে তুমি নিজৰ চকুৰে চুলিকোছা প্ৰত্যক্ষ কৰিব পাৰিলাহেঁতেন। কিন্তু এতিয়া কোনোপধ্যে সেই চুলিকোছা মই তোমাক দেখুৱাব নোৱাৰো। চোৱা ঝৰ্ণা, মানুহৰ দৈহিক সৌন্দৰ্যৰ মূল্য কিমান অৰ্থহীন। যি জীৱন কালতেই স্থায়ী নহয়। মই তোমাৰ দেহৰ সৌন্দৰ্য্যৰ প্ৰতি গুৰুত্ব দিয়া নাই। কিন্তু মই বিশ্বাস কৰো তুমি মনৰ পৰা ধুনীয়া। যি সৌন্দৰ্য স্থায়ী হয় যুগ-যুগান্তৰৰ বাবে। মাদাৰ টেৰেছা, মেৰী কুৰী, জয়মতীৰ সৌন্দৰ্য যিদৰে স্থায়ী। মই বাৰে বাৰে তেওঁলোকৰ প্ৰেমত পৰো। যি সকলে আনক বুজি পাব বিচাৰে, শ্ৰদ্ধা জনাব পাৰে। যি সকলে আধুনিক ব্যক্তিকেন্দ্ৰিক আবেষ্টনীৰ পৰা নিজকে মুক্ত কৰিব পাৰে। যি সকলে দুখক বুকুতলৈ হাঁহিব পাৰে পৃথিৱীৰ সকলোতকৈ সুখী হৈ। এই সকলোবোৰ প্ৰতিশ্ৰুতি মই তোমাৰ দুচকুত বিচাৰি পাইছো।

- প্ৰীতম, তুমি ভীষণ আবেগিক হৈ পৰিছা। আৱেগত গ্ৰহণ কৰা সকলো সিদ্ধান্ত শুদ্ধ নহয়। এই সময়চোৱাতেই আৱেগিক হৈ বহুতে নিজৰ মাক-দেউতাকক নেগলেক্ট কৰে। সেইটো সাংঘাটিক ভুল। চোৱা আমাৰ মা দেউতাই আমাৰ বাবে কি নকৰাকৈ থাকে। তেওঁলোকতকৈ আমাক কোনোবাই বেছি ভালপোৱা দিব পাৰিব জানো। সেয়ে মই জীৱনৰ এই ডাঙৰ সিদ্ধান্তটোত মোৰ মা-দেউতাক সম্পূৰ্ণ গুৰুত্ব দিব খোজো। মই তেওঁলোকক উপেক্ষা কৰিব নোৱাৰো।

- ঝৰ্ণা সকলোৱে জীৱনত কিছুমান সপোন দেখে। মোৰো জীৱনত বহুতো সপোন আছে। এই সপোন, আশা-আকাংক্ষাবোৰ সফল ৰূপায়ণৰ বাবে মই কাৰোবাৰ অলপ মৰম প্ৰেৰণা আৰু বিশ্বাসৰ খুউব প্ৰয়োজনবোধ কৰো। যিদৰে মেৰী কুৰী আৰু পিয়েৰ কুৰীয়ে এজনে আনজনৰ প্ৰতি থকা মৰম, প্ৰেৰণা আৰু বিশ্বাসে দুয়োকে সফল কৰি তুলিছিল। ভালপোৱাজন সদায় কাষতে থকাতো সকলোৱে কামনা কৰে। মনৰ কথাপাতি নিৰ্জনতাত হেৰাই যোৱাৰ হেঁপাহ জাগে। যিদৰে তেজৰঙা পলাশ ফুলাৰ বতৰত মলয়াই ঢৌ খেলি গ’লে দুচকু মুদি অনুভৱ কৰিবৰ মন যায় আপোনজনৰ দুবাহুৰ মাজত বুকুৰ উষ্ণতা, ওঁঠৰ স্পৰ্শ। ভালপোৱাজনৰ প্ৰতি এনে অনুভৱ থকাটোৱেই স্বাভাৱিক। কিন্তু ভালপোৱাজনযে মোৰ সৈতে বিয়া পাতিবই লাগিব, তেওঁ মই

বিছৰা ধৰণেৰে ঘন্টাৰ পাছত ঘন্টা মোৰ সৈতে কথা পাতি কটাব লাগিব, এনেকুৱা হোৱাতো মই পচন্দ নকৰো, তেনেকুৱাহে হোৱাটো বিচাৰো। ইমান স্বাৰ্থপৰৰ দৰে মই কোনোদিন এনেকুৱা কোনো দাবী উত্থাপন নকৰো। মই যাক ভাল পাওঁ তেওঁৰ সকলো স্বাধীনতা, অধিকাৰ, নিজস্বতা নিজৰ হাততেই সদায় ন্যস্ত থকাটো বিচাৰো। ই আনৰ দ্বাৰা হস্তগত হৈ আনৰ স্বাৰ্থৰ বাবে পৰিচালিত হোৱাতো মই কেতিয়াও কামনা নকৰো। তেওঁ নিজৰ জীৱনৰ সমস্ত স্বাধীনতাৰ সুখ নিজে অনুভৱ কৰিব পাৰিব লাগিব। যিদৰে মই অনুভৱ কৰিব বিছাৰো। তোমাক মোৰ জীৱনৰ বাবে নাপালে মই দেৱদাসৰ দৰে শেষ হৈ নাযাওঁ। তাৰ পাছতো মোৰ ভালপোৱা সদায় জীয়াই থাকিব। মই সমস্ত জীৱনৰ প্ৰতিটো মূহুৰ্তৰ বাবে



তোমাৰ ভালপোৱা মোৰ বুকুত প্ৰতিস্থা কৰিম। যিদৰে ডান্টেৰ জীৱনত ব্ৰিয়েট্ৰিছৰ কোনো বাস্তৱ প্ৰাপ্তি নথকা স্বত্বেও ডান্টেৰ অখিল সত্বাত ব্ৰিয়েট্ৰিছৰ প্ৰতি থকা সমস্ত ভালপোৱাক জীৱনৰ প্ৰতিটো মূহুৰ্তৰ বাবে হৃদয়ত প্ৰতিষ্ঠা কৰিছিল। যি মোক প্ৰতিটো মূহুৰ্তৰ বাবে সৃষ্টিৰ প্ৰেৰণা আৰু ভালপোৱাৰ অনাৱিল সৰগীয় অনুভূতি প্ৰদান কৰিব। ঝৰ্ণা, মই তোমাৰ পৰা আন একো নিবিচাৰো। মোক কেৱল অলপ মৰম দিয়া, প্ৰেৰণা দিয়া, বিশ্বাস দিয়া। তাৰ বিনিময়ত তোমাক মোৰ সামৰ্থৰে সমস্ত উজাৰি দিব পাৰিম।

-প্ৰীতম মই তোমাৰ কথাবোৰ উপলব্ধি কৰিব খুজিছো কিন্তু মই সাংঘাটিক অসহায়বোধ কৰিছো। তুমি নিৰাশ হোৱাটো মই বিচৰা নাই। কিন্তু মোৰ নিজৰো কিছুমান বিশ্বাস আছে। এয়া জীৱনৰ উদ্দেশ্য সফল কৰাৰ সময়। এই সময়ত অন্য কথা গুৰুত্ব দিয়াটো উচিত হ'ব নোৱাৰে। আমি ধাৰণা কৰা সকলো কথাই শুদ্ধ নহয়। আমি জীৱনক সফলতাৰে প্ৰতিস্থিত কৰিব পাৰিলেহে ভৱিষ্যতে বিচৰাদৰে প্ৰেম-ভালপোৱা আদি উপভোগ কৰিব পাৰিম।

- ঝৰ্ণা এই মূহুৰ্তত কাৰোবাৰ অলপ মৰম, বিশ্বাস আৰু প্ৰেৰণা বিচাৰো। যিহেতু এইটোৱেই আমি আমাৰ সপোন, আশা-আকাংক্ষাবোৰ বাস্তৱ ৰূপায়ণ কৰাৰ সঠিক সময়। কাৰণ মই বিশ্বাস কৰো ভালপোৱাজনে কাৰোবাৰ আকাংক্ষিত সফলতাৰ বাবে যি প্ৰেৰণা আৰু উৎসাহ দিব পাৰে সেয়া পৃথিৱীত আন কোনেও দিব নোৱাৰে। ঝৰ্ণা, মই তোমাক সেইসকলৰ ভিতৰত অন্তৰ্ভুক্ত বুলি ভাবিব নোখোজো যিসকলে এজন মানুহৰ জীৱনক সফল কৰাৰ প্ৰেৰণা দিবৰ বাবে প্ৰেমত পৰিব নোখোজে। অথচ এজন সফল মানুহৰ প্ৰেমত কেৱল জীৱনটো উপভোগ কৰিবৰ বাবে পৰিব খোজে। কেৱল উপভোগেই যদি ভালপোৱাৰ একমাত্ৰ কাৰণ বা উদ্দেশ্য হয়, তেন্তে সেই ভালপোৱা সঁচা হ'ব পাৰে জানো? সেয়া মহৎ আৰু পবিত্ৰ হ'ব নোৱাৰে। ঝৰ্ণা মই যি বিছাৰিছো সেয়া তুমি ইচ্ছা কৰিলে দিব পাৰা। তোমাৰ অলপ মৰম, প্ৰেৰণা আৰু বিশ্বাস পালেই যদি কোনোৱে জীৱনক সফল কৰিব পাৰে, তেন্তে সেয়া দিয়াত তুমি কিয় ইমান অজুহাত উত্থাপন কৰিছা।

- নহয় প্ৰীতম। আচলতে মই তোমাক খুউব ভাল বন্ধু বুলি ভাৱো। তুমি মোৰ পৰা যি বিচাৰিছা সেয়া কাৰোবাক দিবৰ বাবে অলপ ভৱাৰ প্ৰয়োজন আছে। ইমান তাৎক্ষণিভাৱে এনেকুৱা কথাৰ উত্তৰ এটা দিব পৰা নাযায়। বৰ্তমান মই তোমাক ভালপোৱাৰ সম্পৰ্ক দিব নোৱাৰিলেও আমাৰ সম্পৰ্ক হ'ব বন্ধুত্বতকৈও শ্ৰেষ্ঠ।

- কিন্তু ঝৰ্ণা, যদি তুমি মোক অলপ ভালপোৱাই দিব নোৱাৰা তেন্তে কিদৰে বন্ধুত্ব দিবা? সেয়া সম্ভৱ হ'ব নোৱাৰে। কাৰোবাক ভালপোৱাতো সহজ হ'ব পাৰে কিন্তু বন্ধু হোৱাটো ইমান সহজ নহয়। মোৰ দুখত যি পৃথিৱীৰ সকলোতকৈ বেছি কান্দে তেৱেই মোৰ বন্ধু। মোৰ সুখত যি পৃথিৱীৰ সকলোতকৈ বেছি হাঁহে তেৱেই মোৰ বন্ধু। এই মূহুৰ্তত মই তোমাৰ অলপ মৰম বিচাৰি হাঁহাকাৰ কৰি আছো। সেয়া পালে মই পৃথিৱীৰ





সকলোতকৈ সুখী হ'ব পাৰো, সফল হ'ব পাৰো। সেয়াই তুমি দিবৰ বাবে প্ৰস্তুত নহয়। অথচ তুমি মোক বন্ধুত্বতকৈও শ্ৰেষ্ঠ সম্পৰ্কৰ প্ৰতিশ্ৰুতি দিছা। এয়া সঁচা হ'ব নোৱাৰে। এয়া তোমাৰ মিছা প্ৰতিশ্ৰুতি ঝৰ্ণা।

- প্ৰীতম তুমি ভূল বুজিছা। এয়া মিছা প্ৰতিশ্ৰুতি নহয়।

- যদি এয়া তোমাৰ মিছা প্ৰতিশ্ৰুতি নহয় তেন্তে তুমি সমস্ত উল্লাসেৰে হাঁহি,হাঁহি কিম্বা সমস্ত যান্ত্ৰণাত চকুপানী টুকি মোক তোমাৰ সকলো সুখ দুখৰ পৰা গোপনতমলৈ প্ৰকাশ কৰিব পাৰিবা? মোৰ প্ৰতিটো ভুলৰ বাবে এটা চৰ শোধাব পাৰিবা? প্ৰতিটো ভাল কামৰ বাবে এটা চুমা দিব পাৰিবা? কিমান বিশ্বাসেৰে মোৰ হাতত তোমাৰ হাত থ'ব পাৰিবা! কেতিয়াও নোৱাৰা। কাৰণ তুমি মোৰ বাবে অলপ ভালপোৱাই যেতিয়া দিব নোৱাৰা। মই তোমাৰ অলপ মৰম বিচাৰি হাঁহাকাৰ কৰি থকা মূহুৰ্তত তুমি মোৰ চকুপানীৰ কাৰণৰ বিৰুদ্ধে কেনেকৈ পৃথিৱীৰ সকলোতকৈ সাহসী হৈ যুঁজিবৰ বাবে আগুৱাই আহিবা? কিন্তু সঁচাকৈ কাৰোবাৰ বন্ধু হ'বৰ বাবে এই সকলোখিনি প্ৰতিশ্ৰুতি লাগিবই।

মই কৈ যোৱা কথাবোৰ তাই অপলক দৃষ্টিৰে মাথোঁ শুনি থাকিল। কিবা ক'ব খুজিও যেন ক'ব পৰা নাই।

- ঝৰ্ণা, মই তোমাৰ অলপ ভালপোৱা বিচাৰিছো আৰু সেয়াই এতিয়া প্ৰকাশ কৰিছো। সেয়া তুমি মোক দিব লাগিব বুলি কেতিয়াও দাবী নকৰো। তুমি এটা সিদ্ধান্তৰ বাবে সময় বিচাৰিছা। তুমি যিমানেই সময় নোলোৱা কিয় মোৰ কোনো আপত্তি থাকিব নোৱাৰে। যিকোনো মূহুৰ্ত পৰ্যন্ত মই তোমাৰ সিদ্ধান্তৰ বাবে বাট চাই ৰ'ম। মই বিশ্বাস কৰো কাৰোবাক দিব পৰাকৈ তোমাৰ ওচৰত মৰম নিশ্চয় আছে। কাৰোবাক বুজিব পৰাকৈ তোমাৰ হৃদয়ত সহানুভূতি নিশ্চয় আছে।

(৪)

M B R 2, বিশাল ক্লাছৰুমটোৰ দুখন বেঞ্চত মুখামুখিকৈ বহি প্ৰীতমে তাৰ জীৱনৰ বহুতো মূহুৰ্তৰ কথা কুঁহি শইকীয়াৰ আগত প্ৰকাশ কৰি গৈছে। কাৰোবাৰ প্ৰতি কিমান বিশ্বাস আৰু হৃদয়তা থাকিলে পাৰাপাৰহীন মনৰ সকলো কথা দ্বিধাহীনভাৱে প্ৰকাশ কৰিব পাৰি? কুঁহি শইকীয়া ছিনিয়ৰ ষ্টুডেন্ট। প্ৰীতম নতুনকৈ আহিছে। মাত্ৰ কেইটামান মুহূৰ্ত লগ পায়ে ইজনে আনজনৰ প্ৰতি সেই গভীৰ বিশ্বাস আৰু হৃদয়তা গঢ়ি তুলিছে। জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ ভিতৰত প্ৰেমৰ অভিজ্ঞতাই এক সুকীয়া বৈচিত্ৰ বহন কৰে। যি বৈচিত্ৰই জীৱনক এক অনন্য মাত্ৰা প্ৰদান কৰে।

কুঁহি শইকীয়াৰ ঘৰ শিৱসাগৰত। হোষ্টেলত থাকি ইয়াত পঢ়িছে। মোমায়েকে ইয়াৰ ইংৰাজী বিভাগত শিক্ষকতা কৰে। তাই ইংৰাজী সাহিত্যৰ ছাত্ৰী। মোমায়েকৰ তত্বাৱধানত থাকি পঢ়িবৰ বাবে বৰলুইত পাৰ হৈ ইয়ালৈ আহিছিল। খুউব কম সময়তে তাই লক্ষ্য কৰিছিল এজন ল'ৰাই সকলো সময়তে অকলশৰে কেতিয়াবা ক'ৰবাত বহি কিম্বা মনমাৰি ৰৈ থাকে। তাৰ চকুৱে মুখে এক কৰুণ বিষন্নতাৰ চিন তাই স্পষ্টকৈ দেখিছিল। জীৱনৰ এই ৰঙীণ মূহুৰ্তৰ প্ৰাৰম্ভণিতেই সি যেন সকলো সৌন্দৰ্য হেৰুৱাই নিস্তেজ, নিস্পাণ হৈ পৰিছে। কুঁহিয়ে তাৰ প্ৰতি বিশেষভাৱে কৌতূহলী হৈ পৰিছিল।

এদিন তাই লগৰ গৌতমক ল'ৰাটোৰ বিষয়ে সুধিলে। সি উপহাস কৰি ক'লে "এজনীৰ পাছত লাগিছিল। গোৰ মাৰি গঙ্গাত পেলাই দিলে। বেচেৰা গঙ্গাৰে সাঁতুৰি আহি ইয়াতে দেৱদাস হৈ জিৰাইছেহি।" কথাষাৰ কৈয়ে সি খিল খিলকৈ তাচ্ছিল্যৰ হাঁহি মাৰিলে। তাৰ হাঁহিটোৱে যেন কুঁহিৰ বুকুখন হানি-খুচি গ'ল। তাইৰ বাবে কোনোবা উপহাসৰ পাত্ৰ হ'ব। এয়া হোৱাটো তাই কেতিয়াও নিবিছাৰে। তাই সজোঁৰে গৌতমক ক'লে- 'ধন্যবাদ, তুমি মই সোধা কথাষাৰৰ উত্তৰ দিয়া বাবে। কিন্তু মই কথাষাৰ তোমাক সোধাৰ বাবে নিজক কেতিয়াও ক্ষমা কৰি দিব নোৱাৰো।" গৌতমৰ হাঁহিবোৰ স্তব্ধ হৈ গৈছিল। সি কথাষাৰ সহজভাৱে লব নোৱাৰিলে বুলি কৈছিল। কিন্তু ইতিমধ্যে কুঁহিয়ে খৰধৰকৈ সেই ঠাই পৰিত্যাগ কৰিছিল।

উৎপল বৰুৱা নামৰ এই ল'ৰাটোৱে স্কুলত পঢ়ি থকা অৱস্থাতেই কাৰোবাৰ প্ৰেমত পৰিছিল। ক্লাছত সদায় ফাৰ্ষ্ট হোৱা এই ল'ৰাটো অৱশেষত মেট্ৰিকত তৃতীয় স্থানত কোনোমতে পাছ কৰিছিল। প্ৰেমৰ ব্যৰ্থতা কেতিয়াবা জীৱনৰ বাবে কিমান ভয়ঙ্কৰ প্ৰত্যাহ্বান হৈ পৰে তাৰেই যেন উদাহৰণ উৎপল বৰুৱা। কাৰোবাৰ অলপ মৰম বিচাৰিছিল বাবেই তাৰ ধুনীয়া গভীৰ চকুদুটা ইমান বিষন্ন, ইমান কৰুণ। এই কৰুণ চকুদুটাৰ বিষন্নতাই কুঁহিক প্ৰতিটো মূহুৰ্ততে খেদি ফুৰিছিল। পঢ়াৰ টেবুলত, ডাইনিং হলত, ক্লাছৰুমত, হোষ্টেলৰ চাদত, গভীৰ নিশা-বিচনাত..... সকলোতে। আচলতে গৌৰৱে ঈৰ্যাতে উৎপলৰ বিষয়ে তেনেদৰে কৈছিল। মানুহে যিটো বস্তু ঢুকি পাব নোৱাৰে সেই বস্তুটোৰ প্ৰতি ঈৰ্ষা থকাটোৱেই স্বাভাৱিক। উৎপলৰ প্ৰেম আৰু তাৰ হৃদয়খন সঁচাকৈয়ে ঈৰ্ষণীয়। যন্ত্ৰণাৰ বহিঃপ্ৰকাশ নাইবা চকুপানীয়ে কেতিয়াও দুৰ্বলতাক প্ৰতিনিধিত্ব নকৰে। ই প্ৰতিনিধিত্ব কৰে অন্তৰৰ কোমলতা, নিৰ্মলতা আৰু স্বচ্ছতাক। কুঁহিয়ে বাৰু উৎপলক ভালপাই পেলাইছে নেকি? নাই, তাই ইমান সহজে উত্তৰ বিচাৰি পোৱা নাই।

কলেজ জীৱনৰ সময়চোৱা এক নিজস্ব মানদণ্ডৰে

বৈচিত্র্যপূর্ণ। ইউনিট টেষ্টৰ পেপাৰ ঘূৰাই দিয়া মূহুৰ্তৰ বুকুৰ ধপধপনিৰ পৰা কেন্টিনৰ চাহকাপ খোৱাৰ আমেজলৈকে এই মাদকতাবোৰ সকলোৰে বাবে সমানে আহে। তথাপি উৎপলক যেন এখন প্ৰাচীৰে বঞ্চিত কৰি ৰাখিছে এই ৰঙীন মূহুৰ্তৰ মাদকতাখিনি উপভোগৰ পৰা। উৎপলৰ ওঁঠত যিদৰে নাথাকে হাঁহি কিম্বা কান্দোনৰ কোনো খলকনি সেইদৰে তাৰ অন্তৰে বিলাস নকৰে ছোৱালীৰ স্বচ্ছল হাঁহিত, বৃষ্টিমুখৰ হৈ পৰা কলেজৰ দুপৰীয়াবোৰ। আনৰ দৰে সাগৰিকা, অপৰাজিতা, জেছমিনাক ভাল লাগে বাবে সি মিছ নকৰে অসমীয়া, হিষ্ট্ৰী, কিম্বা এন্থ্ৰপ'ল'জীৰ ক্লাছ। তাৰ প্ৰেমৰ ব্যৰ্থতাক আনে তাচ্ছিল্য কৰি উপহাস কৰিব পাৰে। সি মাথোঁ নিৰ্বিকাৰ হৈ অপ্ৰকাশ্যে নিজৰ তচ্নচ্ স্বপ্নৰ সৈতে বিলাস কৰে। নিসংগতাৰে....।

ভালপোৱাক দুচকুৱে ঢাকি ৰাখিব নোৱাৰে। দুচকুত প্ৰকাশ হয় কাৰোবাৰ প্ৰতি থকা ভালপোৱা। ভালপোৱাবোৰ প্ৰথমে অঘৰী লাজ হৈ দুচকুত বাঁহ সাঁজে। ফুলি উঠে অভিমানৰ কুমলীয়া গোলাপ। কুঁহিৰ দুচকুৱে সকলোৰে আগত উৎপলৰ প্ৰতি থকা ভালপোৱা প্ৰকাশ হৈ পৰিছিল। হয়, তাই উৎপলৰ হাতত ধৰি আলফুলে তুলি ল'ব খুজিছিল হৃদয়ৰ জেৰুজালেমত। য'ৰ পৰা সি পুনৰ বিচাৰি পাব জীৱনৰ সুন্দৰতম মূহুৰ্তবোৰ। পুনৰ বিলাস কৰিব পাৰিব সপোনৰ সৈতে। এজন পুৰুযে ইচ্ছা অনুসৰি কোনো নাৰীক ভালপোৱা নিবেদন জনায়। প্ৰয়োজন হ'লে এজনীৰ পৰা আঁতৰি আহি পুনৰ আন এজনীক। যিদৰেই ইচ্ছা হয় সেইদৰে। তাত কোনো অগতানুগতিকতা কিম্বা নতুনত্ব নাই। কিন্তু এগৰাকী নাৰী হৈ তাৰোপৰি আনে উপহাস কৰা উৎপলৰ ওচৰলৈ কুঁহি আগবাঢ়ি যোৱাটোৱে সকলোকে আচৰিত কৰি তুলিছিল।

এদিন উৎপল চাইকেল ষ্টেণ্ডত বৈ আছিল। কুঁহি সেইফালে যাওঁতে সি তাৰ ওচৰলৈ মাতিছিল। কুঁহিক সি জীৱনৰ প্ৰথম বাৰৰ বাবে মাতিছিল। তাইৰ বুকুত অলেখ ভাৱনাই ঢৌ খেলি গৈছিল। কিন্তু সেই মূহুৰ্তত সি কুঁহিক মাঁথো শব্দেৰে আক্ৰমণ কৰিছিল। সোঁৱৰাই দিছিল যে তাই স্বইচ্ছাৰে আনৰ জীৱনক হস্তক্ষেপ কৰাৰ কোনো অধিকাৰ নাই। নাই, তাই অনুভৱ কৰিছিল উৎপলৰ ওঁঠেৰে শব্দবোৰ সাংঘাতিক যন্ত্ৰণা হৈ ওলাই আহিছে। ইমান যন্ত্ৰণা তাই সহিব নোৱাৰে। তাই কাণ দুখন সঁজোৰে হেঁচামাৰি হোষ্টেললৈ দৌৰি গৈছিল। কিবা এটা ভীষণ তাড়ণাৰ বাবে তাইৰ ধুনীয়া কাজল কাজল সৰু চকুযুৰিক বাধা দিব নোৱাৰিলে। কিছুমান শব্দই তাইৰ বুকুত কাৰোবাক কবৰ বাবে খুচি-বিন্ধি গ'ল। তাই শব্দকেইটা বুকুৰ পৰা আলফুলে তুলি আনি এখন উকা কাগজত লিখি থলে। এটা কবিতা .....। কোনে জানো চুৰকৈ কবিতাটো উৎপলৰ হাতত দিছিল। উৎপলে সেইদিনা খুউব আগ্ৰহেৰে কবিতাটো হাতত তুলি লৈছিল। নাই , নাই, আনক উপেক্ষা কৰাৰ যন্ত্ৰণা উৎপলে অনুভৱ কৰিব পাৰে সি জানে সেই যন্ত্ৰণা কিমান ভয়াবহ। তাৰ মনটো কুঁহি নামৰ শব্দটোৱে ক'ৰবাত অজানিতে বাঁহ সাজি ললে।

কুঁহি শইকীয়াৰ বহুতো বদনামী গল্প-গুজব ইতিমধ্যে প্ৰচাৰ হৈ পৰিছিল। কি চৰিত্ৰৰ নাৰী হ'ব পাৰে তাই যি প্ৰথমে এজন পুৰুষক প্ৰেম নিবেদন কৰিবলৈ আগবাঢ়িছে। তাৰোপৰি ইমানবোৰ ল'ৰা থাকোতে এজন ওপেক্ষিতৰ ওচৰত। আনৰ জীৱনক হস্তক্ষেপ কৰিবলৈ উন্মোচন কৰা কোনো সস্তীয়া মানসিকতাৰ মন্তব্যলৈ তাই ভ্ৰূক্ষেপ নকৰিলে। এজন পুৰুষৰ যিদৰে কোনো নাৰীক ভাল লাগিব পাৰে সেইদৰে এজনী নাৰীৰো কোনো পুৰুষক ভাল লাগিব পাৰে। ই মনৰ স্বাভাৱিক স্বতন্ত্ৰতা। তথাপিও এই পুৰুষতান্ত্ৰিক সমাজৰ মুখামুখি হোৱাৰ সাহস গোটাব নোৱাৰে বাবে নাৰীয়ে কাৰোবাৰ প্ৰতি থকা ভালপোৱাক প্ৰকাশ কৰিব নোৱাৰা যান্ত্ৰণা মনতে লৈ ফুৰিব লগা হয়। সিহঁত পুৰুষৰ বাবে পচন্দৰ হ'ব লাগিব। তাৰ বিপৰীতে সিহঁতৰ বাবে কোনো পুৰুষ পচন্দ হোৱাতো অপৰাধ, বদনাম। কিন্তু তাই বিশ্বাস কৰিছিল পৃথিৱীৰ শ্ৰেষ্ঠতম দুৰ্বলতাত জন্মলোৱা পৃথিৱীৰ শ্ৰেষ্ঠতম, সবলতম প্ৰেম। ই কাৰো দুৰ্বল সস্তীয়া মানসিকতাৰ ওচৰত পৰাজয় বৰণ নকৰে।

(৫)

কুঁহিয়ে প্ৰীতমক কৈ গৈছিল চাৰিটা বৰ্ষ গৰকা সিহঁতৰ প্ৰেমৰ বহুতো স্তৱক। হায়াৰ চেকেণ্ডাৰী পৰীক্ষাত দুয়ো প্ৰথম বিভাগ স্থান পাইছিল। উৎপলে পঢ়িবৰ বাবে গুৱাহাটীলৈ গৈছিল। ৰণজিৎ শৰ্মা নামৰ এজন ল'ৰা কুঁহিৰ প্ৰতি থকা অৱস্থাৰে পৰা দুৰ্বল আছিল। উৎপল গুৱাহাটীত থকা সময়ত সি কুঁহিক ভালপোৱাৰ কথা প্ৰকাশ কৰিছিল। কুঁহিয়ে ৰণজিতক কৈছিল। তাইৰ হৃদয়ত উৎপলে ইতিমধ্যে যি স্থান দখল কৰি ৰাখিছে সেই স্থানত আনক প্ৰতিস্থা কৰাতো সম্ভৱ নহয়। কিন্তু তাৰ অৰ্থ তাই ৰণজিতক বেয়া পোৱাতো নহয়। এদিন গৌতম, অভিজিৎ, ৰণজিতহঁতে অত্যাধিক মদ্যপান কৰি আছিল। আগতেও অত্যাধিক মদ্যপান কৰি সিহঁতে যাকে তাকে অসৎ ব্যৱহাৰ কৰাতো কোনো বিশেষ কথা নাছিল। কিন্তু সেইদিনা সিহঁতে কুঁহিক উদ্দেশ্যি কৈছিল- 'আমাৰ কলেজত বোলে ক'ৰবাৰ পৰা চন্দ্ৰামুখী এজনী আহি দেৱদাস বিছাৰি ফুৰিছে? আমাৰ লাক বেয়া, আমি ছেকেণ্ড





হেণ্ড নহ'লো।"

কেৱল সেয়াই যথেষ্ট নাছিল। উৎপল এবছৰৰ পাছত গুৱাহাটীৰ পৰা ঘূৰি আহিছিল। সিহঁতবোৰে যে উৎপলক কি গোচৰ দিয়া নাছিল। কাৰোবাৰ বিষয়ে ইমান অশ্লীল কথাও সাজি ক'ব পাৰে। নাই, নাই কুঁহিয়ে আৰু সহিব নোৱাৰে। তাই কান্দিছিল। চিয়ঁৰি, চিয়ঁৰি নহয়। বুকুৰ মাজতেই হাঁহাকাৰ কৰি কান্দিছিল।

-'তুমি সিহঁতৰ কথাবোৰ মনত ধৰি নাৰাখিবা। কুঁহিৰ কথাবোৰ শুনাৰ পাছত প্ৰীতমে ক'লে- যদিও সময় আগুৱাই আহি একবিংশ শতিকাত সোমাইছিল। সিহঁতে কিন্তু পশুত্বৰ অস্তিত্ব লৈয়ে মছগুল আছে। সিহঁতে প্ৰত্যেকে হাতে হাত ধৰি আগুৱাই যোৱাৰ মানসিকতা কাৰো নাই। বৰঞ্চ যাক দুৰ্বল বুলি ধাৰণা কৰা হয় তাৰ ওপৰত অত্যাচাৰ চলোৱাতোৱেই সিহঁতৰ প্ৰবৃত্তি। ইহঁতবোৰ জীৱ বিজ্ঞান কিম্বা এন্থপ'ল'জীৰ বিৱৰ্ত্তনৰ পাঠৰ উৎকৃষ্ট উদাহৰণ। মানুহৰ মানসিকতাত সৃষ্টিৰ বৈপ্লৱিক উদ্ভাৱনে আধুনিকতাৰ সূচনা কৰিছিল। যি সময়ত সমগ্ৰ বিশ্ব মানুহৰ মানসিক বুদ্ধিৰ দ্বাৰা নিয়ন্ত্ৰিত হৈছে সেই সময়ত সিহঁতৰ মনবোৰ নিয়ন্ত্ৰিত হৈছিল এগিলাচ মদেৰে। বাইক, ফেশ্ব'ন ছাল, যৌনতা আদি কিছুমান সস্তীয়া উন্মাদনাই। সিহঁতেও যাতে সময়ৰ সৈতে আগুৱাই আহিব পাৰে তুমি সেইটো কামনা কৰা। সিহঁতৰ প্ৰতি কোনো আক্ষেপ নাৰাখিবা। প্ৰীতমে ভীষণ আৱেগিক হৈ কথাখিনি কৈছিল।

আচলতে পৰিৱেশ আৰু সমাজে মানসিকতা গঠনত প্ৰভাৱ পেলায়। সেয়ে বিকৃত মানসিকতা গঠনত প্ৰকৃতাৰ্থত দায়ী পৰিৱেশ আৰু সমাজব্যৱস্থা। কলেজত এনে ছাত্ৰবোৰে 'অভদ্ৰতা' প্ৰদৰ্শন কৰিব পৰাটোৱেই 'দ'ম' থকা বুলি গণ্য কৰে। এই দ'ম প্ৰফেছ'নেলিটিতো থাকিলেহে সকলোৱে সিহঁতক সমীহ কৰি থাকিব। সেয়ে এই প্ৰফেছ'নেলিটি লাভৰ বাবে সিহঁতে কেতিয়াবা ৰাস্তাই ঘাটে শিক্ষককো কোৱা দেখা যায় 'ছাল্লা মাষ্টৰী দেখাইছ বে'।" কলেজৰ কোনো ল'ৰা ছোৱালীক মূহুৰ্তে মূহুৰ্তে অত্যাচাৰ কৰি যোৱাটো সিহঁতৰ একেবাৰে সাধাৰণ কথা। কিন্তু আচৰিত কথা সঁচাকৈয়ে কিছুমানে এনে প্ৰফেছ'নেল বিলাকৰ শৰণাপন্ন হৈ পৰে। সেয়ে এনে ধাৰণাবোৰ আজি সকলো প্ৰজন্মৰ মানসিকতাত কম-বেছি পৰিমাণে বিয়পি পৰিছে।

(৬)

ৰাতিপুৱাই কুঁহি শইকীয়াৰ নম্বৰটোৱে প্ৰীতমৰ ম'বাইলত ৰিং কৰিলে। সি পৰম উল্লাসেৰে ফোনটো ৰিছিভ কৰিলে।

- হেল্ল', কুঁহিবা, কোৱা মই প্ৰীতম।

- প্ৰীতম মই ইয়াৰ পৰা যাবলৈ ওলাইছো। পৰীক্ষা দিবৰ বাবেহে আহিম। তোমাক বিদায় জনাবৰ বাবে ফোন কৰিলো। কথাযাৰ শুনি প্ৰীতমে একো বুজি নাপাই আচৰিত হৈ পৰিল।

- হঠাৎ কিয় যাব ওলাইছা? এতিয়াতো ক্লাছ হৈ আছে। তুমি final year ৰ ; অসুবিধা নহ'ব জানো?

- কিন্তু মই যাবৰ বাবে ওলালোৱেই। তুমি পঢ়া শুনাৰ কেয়াৰ ল'বা। দুষ্টামী কৰি নাথাকিবা। তোমাৰ সৈতে আৰু কলেজত কথা পতাৰ সৌভাগ্য নহ'ব।

- কুঁহিবা Please, অন্তঃত তুমি উৎপলৰ কথা ভাৱি ছোৱা। প্ৰীতমে প্ৰায় উন্মাদ হৈ ক'লে।

- সোনটো মই জানিছিলো তোমাৰ দুখ লাগিব। বাই প্ৰীতম তুমি দুখ নকৰিবা। মই গাড়ীত উঠিছো; বাই।

- হেল্ল' হেল্ল'...। তাই ফ'নটো কাটি দিলে।

সি খৰধৰকৈ কলেজলৈ গৈছিল। তাই হঠাৎ ইয়াৰ পৰা কিয় গুছি গ'ল! সি সকলোফালে উত্তৰ বিছাৰি ফুৰিলে। হঠাৎ সি উৎপলক দেখা পালে। উৎপলৰ সৈতে ছোৱালী এজনী বহি আছে। যাৰ হাতত সি হাত থৈছে। প্ৰীতমৰ মনটো হঠাৎ ভাল লাগি গ'ল। সেয়াই দেখোন কুঁহি। তাই কিয় মিছা কথা কৈছিল? সিহঁতে আজি কিমান স্বাধীনতাৰে ইজনে আনজনৰ হাতত খামুচি ধৰিছে। অথচ এই হাতখন এদিন ধৰিবৰ বাবে এদিন কুঁহিৰ জীৱনটো কিমান যন্ত্ৰণা আৰু ভয়াবহতাই গ্ৰাস কৰি পেলাইছিল। সি আগবাঢ়ি যোৱাৰ চেষ্টা কৰি থমকি ৰ'ল। সেয়া কুঁহি নহয়। ছোৱালীজনী সঁচাকৈয়ে ধুনীয়া কিন্তু তাই কুঁহি নহয়। প্ৰীতমে নিজৰ মাজতেই কুঁহিৰ হাঁহাকাৰ কৰি থকা হৃদয়খন আৰু চকুপানীবোৰ অনুভৱ কৰাৰ চেষ্টা কৰিলে। এই মুহূৰ্তত তাৰ উৎপলৰ প্ৰতি ভীষণ ঈৰ্ষা হৈছে। যিদৰে এদিন গৌতমে কুঁহিৰ আগত উৎপলৰ প্ৰতি ঈৰ্ষা প্ৰকাশ কৰিছিল...। ●

## কৌতুক

বৰুৱা ঃ কওকচোন কলিতা, আপুনি যে সদায় দৌৰ প্ৰতিযোগিতাত প্ৰথম স্থান পাই, কাৰণটো কি?

কলিতা ঃ কাৰণ বুলিবলৈ তেনেকৈ একো নাই বৰুৱা। দৌৰাৰ সময়ত মই মাথো ভাৱি লওঁ যে মোৰ পত্নীয়ে হেঁতা এখন লৈ মোক মাৰিবলৈ খেদি আহিছে।

*সংগ্ৰাহক - হেমন্ত কলিতা*

# গল্প

## প্ৰস্থায়া গুচি গ'ল বহু দূৰলৈ...

বৰ্ণালী বৰুৱা
উঃ মাঃ ১ ম বৰ্ষ
কলা শাখা

"...... জীৱন এক ক্ষণিকৰ বিস্ময়। জীৱনতটো পোৱা-নোপোৱা থাকিবই। পোৱা আৰু নোপোৱাৰ মাজত থকা দূৰত্বখিনিৰ বাবেইতো জীৱন জীৱনৰ দৰে। আচলতে জীৱন, পৃথিৱী, প্ৰেম- অপ্ৰেম এই সকলোবোৰ মাথো একো-একোটা বিৰাট শূণ্য, এই শূণ্যতাৰ বুকুত আমি জীৱন বিচাৰি হাহাকাৰ কৰোঁ...।"

"...... জীৱন এক ক্ষণিকৰ বিস্ময়। জীৱনতটো পোৱা-নোপোৱা থাকিবই। পোৱা আৰু নোপোৱাৰ মাজত থকা দূৰত্বখিনিৰ বাবেইতো জীৱন জীৱনৰ দৰে। আচলতে জীৱন, পৃথিৱী, প্ৰেম- অপ্ৰেম এই সকলোবোৰ মাথো একো-একোটা বিৰাট শূণ্য, এই শূণ্যতাৰ বুকুত আমি জীৱন বিচাৰি হাহাকাৰ কৰোঁ...।"

সদায় পঢ়া টেবুলৰ পৰা উঠাৰ আগতে কিবা এটা লিখাৰ দৰে আজিও লিখা পঢ়া সামৰিলে প্ৰস্থায়াই। তাইৰ পুৰণি ফাইলটো এনেকুৱা বহু টুকুৰা-টুকুৰ কাগজ সোমাই আছে। স্বতঃস্ফূৰ্ত অনুভূতিৰ খণ্ডচিত্ৰ....। ঘড়ী টৌলৈ চাই দেখে ১০টা বাজিলেই। আজি প্ৰস্থায়াৰ ক্লাচ ১০-৪৫ ৰ পৰা আছে, সেয়ে কিছুমান আধৰুৱা কামৰ পূৰ্ণতা দিলে তাই। ইতিমধ্যে তাই সদায় কলেজলৈ অহা যোৱা কৰা ৰিক্সাখন আহি পাইছেহি। খৰধৰকৈ ভাত কেইটা খাই ওলাই আহিল-

ৰিক্সাৰ পৰা নামি কলেজৰ ফালে খোজ ল'লে তাই....

ঃ প্ৰস্থায়া......

কলেজৰ গেটৰ সন্মুখত কাৰোবাৰ মাত শুনি ৰৈ গ'ল প্ৰস্থায়া। ঘূৰি চাই দেখে নিৰজক।

ঃ কি হ'ল তোৰ?

ঃ কি হ'ল বুলি যে সুধিছ, কি নহ'ল তাক নোসোধ কিয়?

ঃ অ' কি নহ'ল তাকে ক!

ঃ আচলতে দি জান! তহঁত ছোৱালী জাতিটোৱেই কালৱী নেকি! তাইক জোকাবৰ মনেৰেই কথাষাৰ ক'লে সি।

ঃ ঐ, চিধাই যে জাতত ধৰিলি। জোকাই নল'বি কিন্তু কৈ দিছো।

ঃ কালৱী বুলি কোৱাৰ কাৰণে বেয়া পাব নালাগে। সঁচা কথা কাৰণেহে কৈছো। ইমানকৈ মাতিছো তাইক, নুশুনেহে নুশুনে।

ঃ মই নুশুনাৰ কাৰণে মোক কালৱী বুলি ক'ব পাৰ, কিন্তু ছোৱালী জাত বুলি কিয় কৈছ! নিৰজ তোক মই ভালে ভালে কৈছো, মোক জোকাই নল'বি। মোৰ খং দেখিছই নহয়।

ঃ হু বৰ একেবাৰে খং দেখুৱাবলৈ আহিছে চোৱা, তাইৰহে অকল খং আছে।

এই ডালৰ লগত নোৱাৰি আৰু ( ভোৰ ভোৱালে প্ৰস্থায়াই)। তাই নিৰজক ক'লে- ঐ তই আহি থাক , মই যাঁও। প্ৰস্থায়াই তাক এৰি খৰধকৈ ক্লাচৰ ভিতৰত সোমালগৈ।


প্ৰস্থায়া যোৱাৰ ফালে চাই মিচিকিয়াই হাঁহিলে নিৰজে। এনেদৰে ছোৱালীৰ জাতত ধৰি কথা কৈ প্ৰায়ে জোকাই তাইক। তেতিয়া তাইৰ খুব খং উঠে। প্ৰস্থায়াৰ খং উঠা মুখখন চাই খুব ভাল পাই নিৰজে।

প্ৰস্থায়া আৰু নিৰজ দুয়োটা ব'টানি ডিপাৰ্টমেন্টৰ থাৰ্ড ইয়েৰৰ ষ্টুডেন্ট। দুয়োটা ভাল বন্ধু। প্ৰস্থায়া যিমানে চিৰিয়াছ নিৰজ সিমানে উৎপতীয়া। বেচ জমি থাকে সিহঁত দুয়োৰে মাজত। ডিপাৰ্টমেন্টৰ চাৰৰ লগতো তাৰ খুব সম্ভাৱ। ক্লাচত কাগজৰ আৰু চক মাটিৰ সৰু সৰু টুকুৰাবোৰ দলিয়াই সি জোকাই থাকে তাইক। সৰু ল'ৰাৰ দৰে নিৰজৰ এই আচৰণবোৰ প্ৰাণ ভৰি উপভোগ কৰে প্ৰস্থায়াই।

সদায় ৰৈ থকাৰ দৰে ক্লাচ শেষ কৰি প্ৰস্থায়া ডিপাৰ্টমেন্টৰ







বাৰাণ্ডাতে ৰৈ থাকিল। নিৰজৰ লগত হাঁহি হাঁহি থাকিলেও কেতিয়াবা ৰৈ যায় তাই। নিৰজক ভাল পাই তাই। কি বুলি ক'ব তাই তাক। বহুদিনীয়া চিনাকী অচিনাকী এটা দুখ... সি জানো বিশ্বাস কৰিব পাৰিব? আৰু তাই কেনেকৈ বুজাব হৃদয়ৰ উচুপনিক। সদায় বন্ধু বুলি ভাবিবলে চেষ্টা কৰিলেও নোৱাৰে তাই। তাৰ দুচকুত তাই বিচাৰি পাই বহু নোপোৱাৰ তৃপ্তি। কেনেকৈ দেখুৱাব তাই ওঁঠত দোৰুলখাই ওলমি ফুৰা তাইৰ কাংক্ষিত সপোনটো...। সি জানো জিৰাবলৈ দিব তাইৰ উচুপনিক তাৰ নিসংগতাৰ ভাঁজত। খুউব সচেতন হ'বলগীয়া হয় তাই। এইকেইদিন বৰ কষ্ট অনুভৱ হৈছে তাইৰ। সদায় প্ৰাৰ্থনা কৰে প্ৰস্থায়াই, শেষ বছৰত যেন কোনো দুৰ্বল মুহূৰ্তৰ সৃষ্টি নহয়। তাৰ যিকোনো কথাত চক খাই যায় তাই। বহুপৰ জঠৰ হৈ ৰয় তাই। প্ৰকৃতিস্থ হ'বলৈ বহুপৰ লাগে।

কথাবোৰ ভাৱি থাকোতেই কেতিয়াৰ পৰানো নিৰজ তাইৰ ওচৰত ৰৈ আছে গমেই নাপায় তাই। নিৰজে মতাতহে চক ভাঙিল তাইৰ।

ঃ ঘোঁৰাৰ দৰে টোপনিয়াই ইমান সময়ে কোন ৰাজকোঁৱৰৰ সপোন দেখিছিল? - সি জোকালে তাইক।

ঃ যা এইডাল ! যেতিয়াই তেতিয়াই জোকাই নাথাকিবি মোক। দুয়োটাই বাৰাণ্ডাৰপৰা নামি খোজ কাঢ়িয়েই ঘৰৰ ফালে আগবাঢ়িল.....

নিৰজে লক্ষ্য কৰিছে, প্ৰস্থায়াই আজিকালি অকলশৰীয়াকৈ থাকিবলৈ বিচাৰে। সিও অনুভৱ কৰে- হৃদয়ৰ কোনোবাখিনিত হাঁহাকাৰ কৰি উঠে তাৰ। ডিপাৰ্টমেন্টৰ বাৰাণ্ডাখনৰ খুটাত আউজি ওপৰলৈ চাই থকা কেইবাদিনো দেখিছে তাইক। খুটাতো নহ'লে যেন তাই পৰিয়েই যাব। বিছনাত শুই থাকিয়েই সি প্ৰস্থায়াৰ কথা ভাৱিলে। সি বাৰু তাইক অন্যায় কৰিছে নেকি? সকলো বুজিও নুবুজাৰ ভাও ধৰিছে সি। সিও জানো ভাল নাপায় তাইক। সিয়েই ক'ব তাইক সকলো কথা। তাৰ হৃদয়ৰ গোপন স্থানত আজি চাৰি বছৰে লৈ ফুৰা প্ৰস্থায়াৰ প্ৰতিচ্ছবিৰ কথা। ফোন এটা কৰি এতিয়াই জনাব নেকি? ওহো, কাইলৈ তাইক সকলো কথা খুলি ক'ব সি। প্ৰথমে কথাবোৰ ক'ৰ পৰা আৰম্ভ কৰিব মনতে এবাৰ জুকিয়াই ল'লে সি।

----- --- -----

প্ৰস্থায়া সদায় কলেজলৈ অহা বিক্ৰচাখন এখন বাইকে খুন্দিয়াই থৈ গ'ল। প্ৰস্থায়া বৰ্তমান অজ্ঞান। তাইৰ মূৰত যথেষ্ট দুখ পাইছে। এতিয়া হস্পিতালত ভৰ্তি কৰোৱা হৈছে।

কলেজৰ গেটৰ সন্মুখতে বিয়াৰ পৰা কথাষাৰ শুনি সি বাইক ঘূৰালে হস্পিতেল অভিমুখে। ইতিমধ্যে প্ৰস্থায়াক হস্পিতালৰ জৰুৰী কমত ভৰোৱা হৈছে। প্ৰস্থায়াৰ মাক কান্দি কান্দি বাউলী হৈ পৰিছে। দেউতাকেও সকলোৰে অজ্ঞাতে চকুলো টুকিছিল। একমাত্ৰ ছোৱালী। হঠাৎ যদি তাইৰ কিবা এটা হৈ যায়....।

হস্পিতালত সকলো সময়তে নিৰজ প্ৰস্থায়াৰ ওচৰত আছিল। তাৰ মাতষাৰ শুনি তাই মাত্ৰ হাতেৰে চুই চাইছিল তাক। তাৰ বাহিৰে তাইৰ কৰিব পৰা বিশেষ ব্যৱস্থা নাছিল। প্ৰস্থায়াৰ ধুনীয়া মুখখন চাল এৰাই ৰঙা মঙহ ওলাই গৈছিল। তাইৰ মুখখন দেখি নিৰজৰ দুচকু নিগৰি আহিছিল। প্ৰস্থায়াই এদিন তাক কৈছিল- নিৰজ, জীৱনটো যদি আমি ভৱাৰ দৰে হ'লহেঁতেন, তেতিয়া হয়তো পৃথিৱীৰ সকলো বস্তুৰেই আমি বেয়া দেখিলোহেঁতেন। তাই আৰু কৈছিল- জীৱনৰ লগত বাৰু মৃত্যু নামৰ শিল্পটোৰ কিয় ইমান গাঢ় সম্বন্ধ। মৃত্যু নামৰ কালটোক মোৰ ভয় লাগে নিৰজ।

নিৰজৰ চকু পুনৰ সেমেকি উঠিল। মৃত্যুক ভয় কৰা এই ছোৱালীজনীক যদি মৃত্যুৱে কাঢ়ি লৈ যায়... সি আৰু ভাবিব নোৱাৰিলে।

হস্পিতালত থকা দুদিনৰ দিনা প্ৰস্থায়াৰ অপাৰেচন হৈছিল। সকলোৰে মনত উৎকণ্ঠা। কি বা হয়! অপাৰেচনৰ তৃতীয় দিনা প্ৰস্থায়াক চাবলৈ ডাক্তৰে অনুমতি দিছিল যদিও বিশেষ কথা পাতিব দিয়া নাছিল। সিও গৈছিল প্ৰস্থায়াৰ ওচৰলৈ। সি তাইক কোমল স্বৰেৰে মাতিছিল- প্ৰস্থায়া। তাৰ মাত শুনি তাই চকু মেলিছিল আৰু সেহাই সেহাই কৈছিল- হয়তো মই আৰু বেছি সময় জীয়াই নাথাকিম। কিন্তু তোৰ ওচৰত মোৰ এটা দুখ ৰৈ যাব।

মই জানো প্ৰস্থায়া। মই বুজি পাওঁ তোৰ মনৰ কথা। তই মোক সদায় উৎপতীয়া বুলিয়েই ভাব আৰু একো বুজি নাপাওঁ বুলি ভাব। মই সকলো বুজি পাওঁ। কিন্তু মই ভাবিছিলো, আমাৰ মাজত থকা বন্ধুত্ব নামৰ পৱিত্ৰ সম্বন্ধটো সদায় অটুট থকা। সেয়েহে তোক কম বুলি ভাবিও ক'ব পৰা নাছিলো। প্ৰস্থায়া তোকো মই ভাল পাওঁ। তই ছাগে খুব কষ্ট পালি। যিদিনা তোক কম বুলি আহিছিলো, সেইদিনা তই হস্পিতালত।

নিৰজে কথা কৈ থাকোতেই প্ৰস্থায়াই প্ৰশান্তিৰে চকু দুটা মুদি দিছিল। কোনে জানিছিল! সেই প্ৰশান্তিয়েই কাঢ়িয়াই আনিব প্ৰস্থায়াৰ মৃত্যু...।

---- --- ----

প্ৰস্থায়াৰ মৃত্যু হৈছিল, নিৰজৰ আগৰ উৎপতীয়া স্বভাৱ সলনি হৈ গৈছিল। সি গম্ভীৰ হৈ পৰিছিল। আজি তাৰ আইতাকলৈ মনত পৰিল। সৰুতে আইতাকে সাধু কথা কওঁতে কৈছিল- মানুহ মৰিলে আকাশত তৰা হৈ থাকে।

নিৰজে আকাশলৈ চালে। তৰাবোৰে যেন তাৰ ফালে ৰ' লাগি চাই আছে। সিহঁতে যেন তাৰ মনৰ কথাবোৰ বুজি পাইছে। তাৰ লগৰী এতিয়া তৰাবোৰ, জোনাকবোৰ.. এই তৰাবোৰৰ লগতে প্ৰস্থায়া ওমলি আছে। এতিয়াৰ পৰা সি কাহানিও অকলশৰীয়া অনুভৱ নকৰে। সি ওপৰলৈ চালেই দেখা পাব, জোনাক ভৰা আকাশৰ বুকুত ওমলি থকা তৰাবোৰক, এই জোনাক ভৰা নীলিম আকাশৰ বুকুতে নিৰজে হেৰুৱাই দিব নিজক।

## কৌতুক

ঃ তপেশ্বৰ পাল এদিন চিনেমা চাবলৈ গ'ল। তেওঁ কাহানিও চিনেমাগৃহত চিনেমা চাই পোৱা নাই। টিকট ঘৰৰ পৰা এটা টিকট সংগ্ৰহ কৰিলে। আকৌ ঘূৰি আহি আৰু এটা ল'লে। এনেকৈয়ে তেওঁ এটা এটাকৈ পাঁচটা টিকট ল'লে।

ঃ টিকট দিয়া মানুহজনে ৰ'ব নোৱাৰি তেওঁক সুধিলে। হেৰি! আপোনাৰ লগত বহুত মানুহ আহিছেনেকি?

ঃ তপেশ্বৰ পালে ক'লে - নাই মই অকলে আহিছো।

ঃ তেন্তে আপুনি ইমানবোৰ টিকট কিয় লৈছে।

ঃ কি ক'ম? আপোনালোকৰ গেটত থি ডালকহে ৰাখিছে টিকট দিলেই ফালি পেলায়।

সংগ্ৰাহক - শিৱসিংহ কোঁৱৰ, দ্বাদশ শ্ৰেণী, কলা শাখা।





## গল্প

# অপ্ৰকাশ

প্ৰণীতা বুঢ়াগোহাঁই
উঃ মাঃ ২য় বৰ্ষ
কলা শাখা

সেই দিনবোৰ আছিল কেৱল উপভোগৰ। কিমান সুখৰ দিন আছিল সেইবোৰ। ধেমাজিৰ সেই কলেজখনৰ পাছফালে এখন সৰু নদী বৈ গৈছিল মিঠা শব্দৰে, নদীখনৰ কাষতে আছিল দুজোপা ডাঙৰ শিমলু। য'ত ছয়টা বৰটোকোলাৰ সুখৰ সংসাৰ আছিল। আমলখি কেইজোপাৰ আমলখিবোৰ আছিল এনেকুৱা টেঙা, এবাৰ কামোৰাৰ পাছত আনবাৰ মুখত লগাব পৰা নহৈছিল।

''অ' মা মা,..... কাইলৈ মোৰ জন্মদিন, তুমি কিন্তু কাইলৈ মোক ভাল gift এটা দিব লাগিব, নহ'লে তোমাক মই কৈছো নহয় কি কৰিম...''- এই বুলি কৈ চতুৰ কস্তুৰীগন্ধাই মাক শেফালিকাক এটা ডাঙৰ চিকুট দিলে। মাকে- 'ৰ চোন, কাইলৈ দিম আৰু কিবা এটা'' বুলি মোখনি মাৰিলে। কিন্তু, মৰমৰ বাহিৰে সিহঁতক বেলেগকৈ কি দিব লাগে? তিনিজনীকৈ ছোৱালী, এটা ল'ৰা, কিমান মৰম কৰিব। মৰম কৰি কৰি নিজৰ মৰমবোৰৰ কথাই পাহৰি থাকে। কিমান দিন মনৰ মাজত, বুকুৰ মাজত অতীতৰ ৰঙীণ স্মৃতিৰ ডুখৰীয়া ছবিবোৰ লৈ ফুৰিব। কাৰোবাক মন উজাৰি সকলো ক'বও নোৱাৰি। আজিৰ মানুহে কেৱল নিজৰ স্বাৰ্থৰ কথাহে ভাবে। কথা এটা ক'লেও চকুচৰহা মানুহে সেই কথাটোকে দুফাল কৰি চাৰিভাগে কয়। শেফালিকাই নিজকে সুধিছে- কিয় সময় গতিশীল? শেফালিকাই যেন সময়কেই সকলো দোষ দিব। মাজু জীয়ৰী সমীক্ষাক B.A. পাছ কৰাৰ পাছত বিয়া দিলে এজন কম্পিউটাৰ ইঞ্জিনিয়াৰৰ লগত। খেতিও আছে যথেষ্ট। সুন্দৰ সংসাৰ। বিয়া দিয়া এবছৰ হৈছেহে। ভনীয়েকৰ জন্মদিন বুলি তাই এদিনৰ আগতেই আহি আছে। তাই হেনো এইবাৰ অনুৰাধা শৰ্মা পূজাৰীৰ ভাল কিতাপ এখন দিব। সৰু জীয়ৰী কৃষ্টি, নামত যেনেদৰে, কামত তেনেদৰে। নাটক, গান আদিত পাৰ্গত। মঞ্চত কৰে কৰেই, ঘৰত, স্কুলত লগ-সমনীয়াৰ লগত নাটকীয় ভংগীমাৰেহে কথা পাতে। তাই এইবাৰ মেট্ৰিক দিব। পুতেক সুৰুয অষ্টম শ্ৰেণীত পঢ়ি আছে, সি স্বভাৱত শান্ত, গম্ভীৰ।

"মা, অ' মা, কি ভাবি আছানো? ইমান দেৰি ওচৰত ৰৈ গান গাই আছো খবৰ নাই, হেৰি নহয় মা, কেকটোত 'Happy birthday' বুলি লিখিব নালাগে, দেউতাই ৰাজস্থানৰ পৰা ধুনীয়া ডিজাইন কৰি আনিম বুলি কৈছে, এটা কাম কৰিবা- দেউতাই পৰহি দৰমহা পালেই নহয়, তুমি মোলৈ দামী Gift এই আনিবা।"

"এহ.... ৰ চোন ৰ তোক কি লাগে কথকী, কাইলৈ কি ৰাধা কৃষ্ণৰ বিয়া নেকি? ইমান সুধি আছ? বাপেৰে ভাল ২৫০০০ টকা পায় মাহেকত। নহ'লে যে তহঁতে কেনেকৈ খালিহেঁতেন ভগৱানেহে জানে।"

"এহ হ'ব হ'ব মা, সেইবিলাক বাদ দিয়া, মোক কিন্তু লাগিবই, মই এতিয়া ৰংপিক মাতি আহোগৈ, তাই নহ'লেই যে নহয় আৰু আদিত্যক মাতিব লাগিব, সোনমনিক মাতিব লাগিব, আশাক মাতিব লাগিব, স্বপ্নীলক মাতিব নালাগে সি নেমাতিলেও আহিব, ওঁ.. তাৰ পাছত মোহনা, পাপু, মিন্টু, হেমাঞ্জলিক মাতিব লাগিব।" তাই গপগপকৈ ওলাই গ'ল। কিমান উৎপতীয়া তাই, একেবাৰে তাহানিৰ শেফালিকাৰ দৰে। শেফালিকা ঘৰৰ একমাত্ৰ সন্তান আছিল, দেউতাক ধেমাজি মজলীয়া বিদ্যালয়ত চাকৰি কৰিছিল। মাকে ঘৰতে ৰন্ধা-বঢ়া কৰিছিল। শেফালিকাৰো যে সেই স্কুল, কলেজৰ দিনবোৰ কিমান আনন্দ-ফূৰ্তিৰ আছিল। সেই দিনবোৰ আছিল কেৱল উপভোগৰ। কিমান সুখৰ দিন আছিল সেইবোৰ। ধেমাজিৰ সেই কলেজখনৰ পাছফালে এখন সৰু নদী বৈ গৈছিল মিঠা শব্দৰে, নদীখনৰ কাষতে আছিল দুজোপা ডাঙৰ

শিমলু। য'ত ছয়টা বৰটোকোলাৰ সুখৰ সংসাৰ আছিল। আমলখি কেইজোপাৰ আমলখিবোৰ আছিল এনেকুৱা টেঙা, এবাৰ কামোৰাৰ পাছত আনবাৰ মুখত লগাব পৰা নহৈছিল। কিন্তু কলেজৰ ল'ৰা-ছোৱালীবোৰে তাকে খাই আনন্দ কৰিছিল। ভাল লাগিছিল সেই দিনবোৰ। কলেজলৈ প্ৰথম আহোঁতে যে ৰেগিং হ'ব বুলি কিমান ভয় খাইছিল। চিনিয়ৰসকলে 'ভন্টি তোমাৰ নামটো কি?' বুলি সুধিলে নামটো ক'বলৈও কিমান যে সংকোচ হৈছিল। লগৰবোৰৰ লগত চিনাকি হওঁতেই ইমান লাজ লাগিছিল। এবাৰ 'শ্ৰুতিমাধুৰ্য' নামৰ ল'ৰা এজনৰ লগত চিনাকি হওঁতে নামটো কোৱাৰ আগতে নমস্কাৰ দিবলৈ লওঁতে তেওঁলোকৰ কোনোবা এজনে ক'লে- "হ'ব হ'ব আমি নামটোহে সুধিছো, নমস্কাৰ দিব জানানে বুলি কোৱা নাই নহয়। তাইৰ জীউটো উৰি যোৱা যেন লাগিল। ভয়তে তাই নামটোতকৈ বেছি একো ক'ব নোৱাৰিলে। চিনাকি হৈ 'শ্ৰুতিমাধুৰ্য' নামৰ ল'ৰাজনে ক'লে- "বাঃ কিযে কাব্যিক নাম! বৰ ধুনীয়া দেই।" তাই লাজতে তলমূৰ কৰিলে।

এবাৰ কলেজৰ ফিল্ডত লগৰ কেইজনীমানৰ লগত কিবা কথাত ডাঙৰকৈ হাঁহিছিল। নিলে নহয় চিনিয়ৰ এজনে মাতি। চিনিয়ৰজনে ক'লে- 'ভন্টি তোমাৰ হাঁহিটো বৰ ভাল লাগিছিল দেই, একেবাৰে ৰাৱনৰ হাঁহিৰ দৰে।' তাই ভয়তে কথা ক'ব নোৱাৰা হৈ পৰিল। চিনিয়ৰজনে বহুত কিবাকিবি ক'লে- তাইৰ মগজুত একো নোসোমাল। এদিন কলেজলৈ আহোঁতে তাই অকস্মাৎ ব্ৰেক মাৰিব নোৱাৰি ৰাস্তাতে বাগৰি পৰিল। ভাগ্য ভাল তাইৰ পাছফালে সেই শ্ৰুতিমাধুৰ্য নামৰ ল'ৰাজন আহি আছিল। সি তাই বৰকৈ দুখ পোৱা দেখি দাণ্ডি মেলি উঠাই দিলে আৰু ভালকৈ চাইকেল চলাই যাবলৈ ক'লে। তাই সঁচাকৈয়ে বাওঁ ভৰিৰ সৰু গাঁঠিত বৰ দুখ পালে। যাহক তাই কলেজলৈ যেনেতেনে গ'ল। তাই ভাবিলে সেই ল'ৰাজনে কলেজত চাইকেল চলাব নেজানে বুলি প্ৰচাৰ কৰিলেগৈ ছাগে। কিন্তু, কলেজলৈ গৈ গম পালে তাইৰ বিষয়ে কোনেও একো নেজানে। বৰঞ্চঃ শ্ৰুতিমাধুৰ্যই তাই ভালদৰে আহিব পাৰিলেনে নাই সেইটোহে সুধিলে।

Higher Secondary final year exam. দিয়াৰ পাছত সিহঁতে শিক্ষামূলক ভ্ৰমণ হিচাপে মাজুলীলৈ গৈছিল। সত্ৰ চাবলৈ কি ভাল লাগিছিল। কিযে মিঠা অনুভূতি আছিল সেয়া। তাই মুগাৰ চাদৰ মেখেলা পিন্ধি গৈছিল। তাই ঘৰৰ পৰা আহি থাকোতে বাটতে শ্ৰুতিমাধুৰ্যই লগ পাইছিল আৰু তাইক বৰ ধুনীয়া লাগিছে বুলি কৈছিল। তাই লাজতে ৰঙা-চিঙা পৰি গৈছিল। তাই লগৰ সমনীয়াৰ লগত সত্ৰৰ ভিতৰ সোমাই গোঁসাইৰ ওচৰত সেৱা কৰিলে। সত্ৰৰ পৰা ওলাই অহাৰ পাছত শ্ৰুতিমাধুৰ্য আৰু অপৰাজিতা ওলালহি। অপৰাজিতা শ্ৰুতিমাধুৰ্যৰ পেহীয়েকৰ জীয়েক। একে কলেজত পঢ়ে। শ্ৰুতিমাধুৰ্যই শেফালিকাক ভগৱানৰ পৰা কি বিচাৰিলে সুধিলে। শেফালিকাই ক'লে- "এই সময়ত কি বিচাৰিব লাগে বাৰু, সেইটোৱেই বিচাৰিলো।"

শ্ৰুতিমাধুৰ্যই ক'লে- 'নহয় মানে বেলেগ কিবা বিচাৰিছ বুলি ভাবিহে সুধিলো।"

শেফালিকাইয়ো ক'লে- 'আমাৰ বেলেগ নাই নহয়, আমি সদায় একেই। তোমাৰ সিফালৰ ফালে কি বিচাৰিলা? অপৰাজিতাই ডাঙৰকৈ হাঁহি দিলে। শেফালিকাইয়ো হাঁহিলে।

"মা কি হ'লনো? এনেই হাঁহি দিলা যে।" শেফালিকাই সৰু জীয়েক কৃষ্টিয়ে কেতিয়া বজাৰৰ পৰা বস্তু আনি পালেহি ক'বই নোৱাৰিলে। পৰিস্থিতি গৰম দেখি শেফালিকাই পাতলকৈ ক'লে- তোৰ বায়েৰৰ উৎপাত দেখি মোৰ হাঁহি উঠিছে, সেইকাৰণে হাঁহিলো।

"হ'ব হ'ব, এতিয়া আৰু হাঁহিব নেলাগে, গধূলি হ'ল, ভিতৰলৈ ব'লা, কাইলৈ বহুত কাম আছে।"- এইবুলি কৈ কৃষ্টিয়ে গান এটা গাই ভিতৰ সোমাল।

এটা সময়ত ৰাতি ভাত খাই মেলি সকলো শুলে। মাথো শেফালিকাইহে জোনাক নিশাৰ লোভ সামৰিব নোৱাৰি ঘৰৰ বাৰাণ্ডাখনত বহি আগৰ সেই দিনবোৰলৈ মনত পেলালে। শ্ৰুতিমাধুৰ্যলৈ আজি শেফালিকাৰ বৰকৈ মনত পৰিল। সেই শ্ৰুতিমাধুৰ্য, যিয়ে ইমান সংগোপনে প্ৰেম কৰিব পাৰে। এবাৰ শ্ৰুতিমাধুৰ্যৰ পৰা 'নাহৰৰ নিৰিবিলি ছাঁ' কিতাপখন পঢ়িবলৈ আনিছিল শেফালিকাই। অনুৰাধা শৰ্মা পূজাৰীৰ কিতাপসমূহ শেফালিকাৰ বৰ ভাল লাগে। সেই কিতাপখনত এটা কবিতা আছিল- "ত্ৰিবেণী ত্ৰিবেণী...

কিয় কৰা আমনি...


ৰাতি নাহে টোপনি...."

এই কবিতাটোৰ কাষে কাষে চকুৰে কথমপি দেখি পৰাকৈ সৰুকৈ এটা কবিতা আছিল, সেইটো অতি কষ্টকৰ পঢ়াৰ কবিতাটো আজিও শেফালিকাৰ ভালদৰে মনত আছে।

"শেফালিকা শেফালিকা....  
ৰাতি ৰাতি সপোনত মনে মনে আহা শেফালিকা  
পঁচি পঁচি, শুকাবলৈ ধৰা হিয়াখনিত  
চাকি, বন্তি জ্বলাবলৈ কিয় আহিলা শেফালিকা....  
এতিয়াই নিদিবা ইমান যন্ত্ৰণা..."







শেফালিকাই ভাবিয়েই আচৰিত পালে। তাইৰ মূৰটো আচন্দ্ৰাই কৰাৰ দৰে লাগিল। শেফালিকাই শ্ৰুতিমাধুৰ্যক ময়ূৰীমা ময়ূৰীমা বুলি জোকাইহে। পৃথিৱীত কি হৈছে শেফালিকাই একো ধৰিব নোৱাৰিলে। শ্ৰুতিমাধুৰ্য ল'ৰাটো বেয়া নহয়, পঢ়াতো চোকা। কেৱল খোৱাৰ কথা চিন্তা কৰে। বহুত সময় যেতিয়া শ্ৰুতিমাধুৰ্যই কাৰো লগত কথা নেপাতে, সকলোৱে গম পায় তাৰ ভোক লাগিছে বুলি। তাক লগৰবোৰে 'Food System' বুলি জোকায়। কিন্তু, সি যে ইমান আৱেগিক আৰু চিৰিয়াচ ধৰিব নোৱাৰিলে শেফালিকাই। সি তো আজিলৈকে কাৰো আগত তাইৰ কথা পতা নাই, সোধা নাই। শেফালিকাই ভাবিলে নিশ্চয় সি তাইক জুখি চাবৰ বাবেই এনে কৰিছে, গতিকে তাই আগৰ দৰেই একো গম নোপোৱাৰ ভাও জুৰিব। কিন্তু, তাই মন নকৰিলে তাইৰ এই কথাই তাৰ মনত কিমান দুখ দিব । কাৰোবাৰ জীৱনলৈ কিমান নিৰাশা কঢ়িয়াই আনিব মনেই নকৰিলে।

কিতাপখন এমাহৰ পাছত তাক দিলে। সি ধেমালিতে সুধিলে- " কিতাপখন পঢ়ি কেনেকুৱা লাগিল? নিশ্চয় বেয়া নহয়।" সেইদিনা শেফালিকাই মাকৰ লগত এখুন্দা লাগি আহিছিল, খংটো কলেজতো উঠি আছিল। সেয়ে শ্ৰুতিমাধুৰ্যক ক'লে- "কিতাপখন পঢ়ি ভাল লাগিব বুলিনো কেনেকৈ জানিলা? সকলোৱে সকলো ভাল নেপায় নহয়।"

তাইৰ এনেকুৱা কথা শুনি শ্ৰুতিমাধুৰ্য দুদিন কলেজলৈ নাহিল, লগৰ এজনীৰ পৰা গম পালে এদিন নোখোৱাকৈও থাকিল। তাই এইকথা দুমাহমান পিছতহে গম পালে। তাকো আনৰ মুখৰ পৰাহে।

স্নাতক প্ৰথম বৰ্ষত থাকোতে শিক্ষামূলক ভ্ৰমণ হিচাপে শ্বিলঙলৈ ওলাল সকলো ছাত্ৰ-ছাত্ৰী। শ্ৰুতিমাধুৰ্যও ওলাল। গাড়ীত গৈ থাকোতে শ্ৰুতিমাধুৰ্যই যিয়ে যি বস্তু দিছে খাই গৈছে আৰু গন্তব্যস্থান পাই মানে শ্ৰুতিমাধুৰ্যই যিমান খাইছিল তাতকৈ তিনিগুণ বেছি উলিয়ালে। অলপ দুৰ্বল হ'ল। তিনিঘন্টামান পাছত জ্বৰ হ'ল। এফালে ঠাই চাই যিমান ভাল লাগিছে, আনফালে শ্ৰুতিমাধুৰ্যৰ অৱস্থা দেখি সিমান বেয়া লাগিছে। আনে নাভাৱক বুলি সি বাহিৰত ভাল দেখুৱাই ফূৰ্তি কৰিছে, কিন্তু ভিতৰত এশ ডিগ্ৰীতকৈ বেছি গৰম হৈ গৈছে, এইকথা শেফালিকা আৰু অপৰাজিতাৰ বাদে আনে নাজানে। যেতিয়া অপৰাজিতা আৰু শেফালিকাই গাড়ীত থকা দূৰবীণটো আনিবলৈ গৈছিল, সেই সময়তে গাড়ীৰ একেবাৰে পাছৰ চিটত বহি কোনোবাই কেঁকাই থকা শুনিবলৈ পালে। সিহঁতে তেতিয়াহে গম পালে শ্ৰুতিমাধুৰ্যৰ ভীষণ জ্বৰ। শ্ৰুতিমাধুৰ্যই হঠাতে কোনোবা অহাৰ উমান পাই থিয় হৈ দিলে, সেই সময়তে শেফালিকা আন চিটত বহি দিলে আৰু শ্ৰুতিমাধুৰ্যই নেদেখাকৈ তলমূৰ কৰি থাকিল। শ্ৰুতিমাধুৰ্যই অপৰাজিতাক এই কথা কাৰোবাৰ আগত ক'বলৈ মানা কৰিলে। সি আৰু কিবাকিবি ক'লে, মুখৰ ভিতৰতে ভোৰভোৰালে, তাই একো শুনি নাপালে। শ্বিলঙৰ পৰা ঘূৰি অহাৰ তিনিদিন পাছত অপৰাজিতাক বজাৰত লগ পালে শেফালিকাই। শেফালিকাই অপৰাজিতাই তাৰ জ্বৰ ভাল নোহোৱাৰ কথা জনালে। দিনত এবাৰ জ্বৰ কমে এবাৰ বাঢ়ে। ডাক্তৰে বেজি দিছেহে দিছে নাই ভাল নহয়, "তুমি এপাক যাব নোৱাৰানে? সি নিশ্চয় আনন্দ পাব, যাবাচোন।" শেফালিকাইও কথাটো নভবা নহয়। শেফালিকাই কেইদিনমানৰ পিছতহে যাব বুলি ক'লে। আচলতে, শেফালিকাৰ পৰহিলৈ জন্মদিন, এই কথাটো অপৰাজিতাক শ্ৰুতিমাধুৰ্যৰ জ্বৰ হৈ থকাৰ কাৰণে নকলে। ঘৰলৈ আহি শেফালিকাৰ মনটো ভাল নেলাগিল, কিয় অপৰাজিতাই শ্ৰুতিমাধুৰ্যৰ ওচৰলৈ যাবলৈ ক'লে, কিয় শ্ৰুতিমাধুৰ্যই শেফালিকাই গ'লে ভাল পাব। ইত্যাদি নানা কথাই শেফালিকাৰ মনত তোলপাৰ লগালে।

তাইৰ জন্মদিন '১০ জুলাই' পালেহি। লগৰ প্ৰায় সকলোবোৰ আহিল। তাই এইটো দেখি আচৰিত হ'ল যে

অপৰাজিতা আহিছে। অপৰাজিতাই ক'লে- "কিহে শেফালিকা, মোকেই পাহৰিলা, মই বুলিহে একো কোৱা নাই, হ'ব বাৰু! মই বেলেগৰ নামতহে আহিছোদেই, শেফালিকাই ধৰিব নোৱাৰিলে। অপৰাজিতাক শ্ৰুতিমাধুৰ্যই ঠেলি ঠেলি পঠিয়াইছে। অনুষ্ঠান পৰ্ব শেষ হ'ল। শেফালিকাই এফালৰ পৰা উপহাৰৰ টোপোলা খুলিবলৈ লাগিল। ময়ুৰীমাই সুন্দৰ মিউজিক কাৰ্ড এখন দিছে, পংখীয়ে দামী কলম এটা দিছে আৰু এটা ডাঙৰ পেকেট দেখি শেফালিকা আচৰিত হ'ল। শেফালিকাৰ দেউতাকে মনে মনে তাইলৈ আনি থৈছে বুলি খপজপকৈ খুলিবলৈ লাগিল। পেকেটটো খুলি দেখিলে এহাল ময়ুৰ চৰাইয়ে দাঙি লৈ যোৱা আকাশী ৰঙৰ ঘড়ী। ইমান ধুনীয়া লাগিছে। তলত এডোখৰ পাতল সেউজীয়া ৰঙৰ কাগজত "শেফালিকালৈ বহু মৰম ও শুভেচ্ছাৰে.... শ্ৰুতিমাধুৰ্য" বুলি লিখা দেখিবলৈ পালে। তাই এতিয়াহে বুজি পালে অপৰাজিতা কাৰ হৈ আহিছিল। তাই ভয় লাগি গ'ল। শ্ৰুতিমাধুৰ্যই তাইক ইমান ভাল পায়নে। তাই বৰ আচৰিত হ'ল। শ্ৰুতিমাধুৰ্যই জ্বৰত উঠিবই পৰা নাই অথচ তাইৰ জন্মদিনটো মনত ৰাখিছে। আগৰবাৰ জন্মদিনত তাইক সি এটা পাতল আকাশী ৰঙৰ ধুনীয়া কলম দিছিল। পাতল আকাশী ৰং শেফালিকাই বৰ ভাল পায়। শ্ৰুতিমাধুৰ্যই পাতল সেউজীয়া ৰং পচন্দ কৰে। তাই ভাবি আচৰিত হ'ল- উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা বৰ্তমান স্নাতক প্ৰথম বৰ্ষলৈকে শ্ৰুতিমাধুৰ্যই তাইক ভাল পাই আছেনে? আজিলৈকে সি কাৰো আগত একো কথা কোৱা নাই। ইমান সংগোপনে এজনী ছোৱালীক ভাল পাব পাৰেনে? তাই অসম্ভৱ আচৰিত হ'ল। যাহক সি ভাল পাইছে পাই থাকক। পাছলৈহে তাই কিবা এটা চিন্তা কৰিব। এদিন অপৰাজিতা আহিল শেফালিকাৰ ওচৰলৈ। অপৰাজিতাই ক'লে- "তোমাক ইমান ভাল পায় সি, তুমি কেলৈ তাৰ প্ৰত্যুত্তৰ নিদিয়া। ইমান নিষ্ঠুৰনে? অলপ হ'লেও ভাবিব পাৰা। তোমাক হেৰুৱাব বুলিয়েই সি কাকো একো নকয়, কেৱল মনতে ভাবি থাকে।

শেফালিকা বাকৰুদ্ধ হৈ পৰিল। কি ক'ব তাই। কেনেকৈ ক'ব? প্ৰেমত পৰি প্ৰতাৰণা পাব বুলিয়েই ভয় লাগে। বহুতক দেখিছে- বহুত প্ৰেম সময়ৰ সোঁতত বিৰামহীনভাৱে উটি গৈছে। যদি সি ইমান ভালেই পায়, তাইক ক'ব লাগিছিল। তাই এইটো জানে যে সঁচা প্ৰেমক অভিনয়ৰ মাজেদি লুকুৱাই ৰাখিব নোৱাৰি। যদি সি ভালেই পায়, তেন্তে সি মনে মনে .... । তাইৰ সহ্য নহ'ল। অপৰাজিতাক তাই পাছতহে এই বিষয়ে চিন্তা কৰিব বুলি ক'লে। অপৰাজিতা কিছুসময়ৰ পাছত গ'লগৈ। অপৰাজিতা যোৱাৰ পাছত শেফালিকা ভাৱত বিভোৰ হ'ল। অপৰাজিতাই কোৱা কথাবোৰ জানো সঁচা। সচাঁকৈয়ে সি ভাল পায়নে? সি যদি ভাল পায় তাইৰ আগত কিয় ক'ব নোৱাৰে! কিয় প্ৰকাশ কৰিব নোৱাৰে।

"অ' মা মা, বাহিৰত কি কৰি আছা? নাহা কিয়? মই অকলে শুব নোৱাৰো দেই, বাইদেউহঁত কেতিয়াবাই শুলে।"

পুতেক সুৰুজৰ মাতত শেফালিকাৰ সম্বিৎ ঘূৰি আহিল। তাইৰ লগে লগে পুতেকৰ ওচৰলৈ গ'ল আৰু বিচনাত পৰি পুতেকৰ মূৰত হাত বুলাই টোপনি নিয়াবলৈ চেষ্টা কৰিলে। শেফালিকাৰ মনত কেৱল অতীতৰ স্মৃতিবোৰে খুন্দিয়াবলৈ ধৰিলে। শেফালিকাই স্নাতক প্ৰথম বৰ্ষৰ পৰীক্ষা দিয়াৰ পাছত পৰিয়ালৰ সৈতে তিতাবৰলৈ আহিব লগাত পৰিল দেউতাকৰ ট্ৰেন্সফাৰৰ বাবে। তাইৰ মৰমৰ ধেমাজিখন, মৰমৰ কলেজখন, আপোন ঘৰখন এৰিব লগা হ'ল। তাই শেষবাৰৰ বাবে যিদিনা কলেজলৈ আহিছিল, সেইদিনা তাইৰ সকলো বন্ধু-বান্ধৱীয়ে সহৃদয়ে বিদায় জনালে। শ্ৰুতিমাধুৰ্যক তাই এবাৰ চোৱাৰ হেঁপাহ আছিল। কিন্তু শ্ৰুতিমাধুৰ্য সেইদিনা কলেজলৈ নাহিল। অপৰাজিতাৰ লগত কথা পাতোতে গম পালে শ্ৰুতিমাধুৰ্য এইকেইদিন খুব গম্ভীৰ হৈ গৈছে। কাৰো লগত ভালদৰে কথা নপতা হৈছে। 'ঐ তুমি আমাক এৰি থৈ যাবলৈ ওলাইছা, আমাক কিন্তু নাপাহৰিবা দেই, নতুন নতুন মানুহ পাই আমাক পাহৰিবাই যেন পাইছো। আমাৰ আগৰ ফটোবোৰ চাই এবাৰ হ'লেও কান্দিবা, আমি বাৰু তোমাক সদায় মনত ৰাখিম।" শেফালিকাই কেতিয়াবা প্ৰয়োজন হ'ব বুলি কেইজনমান বন্ধু-বান্ধৱীৰ পৰা অট'গ্ৰাফ ল'লে। তাইৰ খুব মন আছিল শ্ৰুতিমাধুৰ্যৰ অট'গ্ৰাফ ল'বলৈ। তাইয়ো তাক বেয়া পোৱা নাছিল, সি যেতিয়া প্ৰকাশ কৰিব নোৱাৰিলে তাইয়ো তাক একো নক'লে মাথো সংগোপনে....।

শেফালিকা আৰু সিহঁতৰ পৰিয়াল যোৰহাট তিতাবৰলৈ গ'লগৈ। শেফালিকাই যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত নাম লগালে, তাতে অধ্যয়ন কৰিলে। সেই কলেজৰে স্নাতক তৃতীয় বৰ্ষৰ ঋতুৰাজ বৰুৱা নামৰ ল'ৰা এজনে ভালপোৱাৰ প্ৰস্তাৱ দিলে, মাত্ৰ ল'ৰাটো বেয়া নহয়, দেখিবলৈ প্ৰায় শ্ৰুতিমাধুৰ্যৰ দৰে, মাত্ৰ শ্ৰুতিমাধুৰ্যতকৈ ওখ। তাক দেখিলেই শেফালিকাৰ শ্ৰুতিমাধুৰ্যলৈ মনত পৰে। ঋতুৰাজৰ প্ৰস্তাৱ পাই তাইৰ ভাল নালাগিল। তাই তেতিয়া শ্ৰুতিমাধুৰ্যৰ ভাবৰ সাগৰত বিভোৰ। সেই ধেমাজি কলেজত শ্ৰুতিমাধুৰ্যৰ লগত, লগ-সমনীয়াৰ লগত আলোচনা কৰা কথাবোৰ, এন্টাকশ্ৰী খেলা সময়বোৰ, Excursion যোৱাৰ মুহূৰ্তবোৰ, কাজিয়া লগা মুহূৰ্তবোৰে তাইৰ মনৰ মাজত লুকাভাকু খেলিবলৈ লাগিল। শেফালিকাই জেঃ বিঃ কলেজৰ হোষ্টেলৰ থাকি পঢ়া-শুনা কৰিছিল। তাই সেই ঋতুৰাজ বৰুৱা নামৰ ল'ৰাজনৰ প্ৰেম প্ৰত্যাখ্যান কৰি গ'ল, কেৱল শ্ৰুতিমাধুৰ্যৰ বাবে। কিজানিবা শ্ৰুতিমাধুৰ্যক জীৱনত লগ পাই যায়।





ঋতুৰাজ বৰুৱা নামৰ ল'ৰাজনৰ দেউতাকে চাব-কাউন্সিলৰ কৰে, মাকে হাইস্কুলৰ শিক্ষয়িত্ৰী কৰে। ঋতুৰাজৰ দেউতাকে ঋতুৰাজৰ কথা জানি শেফালিকাৰ ঘৰলৈ আহি চিনাকি হৈ গ'লহি। শেফালিকাৰ দেউতাকৰ লগত ঋতুৰাজৰ দেউতাকে কথা পাতি ভাল পালে আৰু ভৱিষ্যতে সম্পৰ্ক অটুত ৰাখিবৰ বাবে দুয়োঘৰ মান্তি হ'ল। শেফালিকাৰ ভয় হ'ল, কিজানিবা তাইৰ কথা জানি দেউতাকে আনৰ আগত বেয়া পাব লগীয়া হয়েই। তাই এতিয়া শ্ৰুতিমাধুৰ্যক ভাল পাই পেলাইছে ক'ব নোৱাৰাকৈ। তাইৰ কলেজত থাকোঁতে তাই সদায় তাক লগ পাব যেন লাগি থাকে। তাই এতিয়াহে বুজিছে হেৰুৱাৰ আশংকা থাকিলেহে প্ৰেমৰ গুৰুত্ব কিমান! তাই যে এতিয়া কাকো ক'ব নোৱাৰে।

ঋতুৰাজে বি.এ. শেষ কৰাৰ পাছত প্ৰতিৰক্ষা বিভাগত চাকৰি কৰিবৰ কাৰণে সাজু হ'ল ক্ষীপ্ৰ গতিৰে। সময়ত ইয়াৰ সুফলো পালে। শেফালিকাইও বি.এ. পাছ কৰিলে। ঋতুৰাজে শেফালিকাৰ ঘৰলৈ সপৰিয়ালে আহি বিয়াৰ প্ৰস্তাৱ পাই মানি ল'লে। সেইদিনা শেফালিকাৰ মাকে শেফালিকাই কাৰোবাক ভাল পাই নেকি সুধিলে, কিন্তু তাই কি ক'ব এতিয়া, সময়ত যি প্ৰেমক তাই আকোঁৱালি ল'ব নেজানিলে এতিয়া কি কৰিব তাই। এতিয়া তাই শ্ৰুতিমাধুৰ্যৰ কথা মাথো ভাবিবহে পাৰে। তাই উৰি গৈ যেন ধেমাজি কলেজতে পৰিবগৈ। তাই সেই শ্ৰুতিমাধুৰ্যই লিখা কবিতাফাঁকি আওৰাবলৈ ধৰিলে-

শেফালিকা শেফালিকা..<br>
ৰাতি ৰাতি কিয় আহা...,<br>
অন্তৰখনিত চাকি, বন্তি জ্বলাবলৈ কিয় আহিছা শেফালিকা....

তাইৰ বিয়াৰ দিনো ঠিক হ'ল। তাই সঘনাই শ্ৰুতিমাধুৰ্যক দেখিবলৈ পালে। ঘৰটোৰ চাৰিওফালেই যেন শ্ৰুতিমাধুৰ্য। কিবা এটা কাম কৰি থাকোঁতেও কেৱল তাই শ্ৰুতিমাধুৰ্যই মতা শুনে- 'শেফালিকা, শেফালিকা এইফালে চোৱা, মই ইয়াত আছো।' শেফালিকাৰ জ্বৰ উঠিল। প্ৰায় ১৫ দিনৰ পাছতহে জ্বৰ ভাল হ'ল।

বহাগৰ ১০ তাৰিখ শেফালিকাৰ বিয়া। তাই এই কেইদিন খাবলৈ, শুবলৈ পাহৰিলে। কেৱল শ্ৰুতিমাধুৰ্যৰ কথাকে ভাবি থাকে। এইমাত্ৰ যেন শ্ৰুতমাধুৰ্যই ক'ব- 'শেফালিকা! তুমি ইমান নিষ্ঠুৰ; কেইদিনমান ৰ'ব নোৱাৰিলানে? ইমান খৰখৰ কৰাৰ কি প্ৰয়োজন আছিল?- শেফালিকাই হাঁহিবই নে কান্দিব। মৰিয়েই থাকো যেন লাগিল শেফালিকাৰ।

বিয়াৰ দিনা তাই গহীন হৈ পৰিল। তাই ভাবিলে ঋতুৰাজৰ লগত তাই সঁচাকৈ সুখী হ'বনে? কঠোৰ বাস্তৱক তাই আকোঁৱালি ল'বই লাগিব। ঘৰৰ মানুহক বিদায় দিওঁতে তাই শ্ৰুতিমাধুৰ্যক দেখিলে কান্দি থকা, পিছ মুহূৰ্ততে তাই গম পালে সেয়া তাইৰ ভ্ৰমহে। ঘৰৰ মানুহক বিদায় দি মেলি তাই ঋতুৰাজৰ ঘৰলৈ আহিল। সেই দিনাই তাই কঠোৰ বাস্তৱক চকু মুদি মানি ল'লে মৰ্মান্তিক ভাৱে। এতিয়াও তাই সুখী ঋতুৰাজৰ সৈতে। যিমানখিনি মৰম পাব লাগে তাইক ঋতুৰাজে তাতকৈ ডেৰ গুণ বেছি দিছে। কাইলৈ মাজু জীয়েকৰ জন্মদিন। ঋতুৰাজে বৰ্তমান ৰাজস্থানতে থাকে। শেফালিকাৰ সৈতে ল'ৰা-ছোৱালীকেইটা যোৰহাটৰ মেইন টাউনত থাকে। ঋতুৰাজৰ লগত শেফালিকাই শ্ৰুতিমাধুৰ্যক তুলনা কৰি চালে। ঋতুৰাজক যদি সাগৰৰ গভীৰতা বুলি ধৰা হয়, তেন্তে শ্ৰুতিমাধুৰ্যক আকাশৰ বিশালতা বুলি ধৰিব পাৰি। আকাশৰ বিশালতা হাতেৰে চুই প্ৰমাণ কৰিব নোৱাৰি আৰু সাগৰৰ গভীৰতা যাক খালী হাতেৰে স্পৰ্শ কৰিব নোৱাৰি। এনেদৰে ভাবি ভাবি দিনটোৰ ক্লান্তি পাহৰি শেফালিকাৰ চকুলৈ টোপনি নামি আহিল।

" এতিয়া তুমি নগৰীয়া অট্টালিকাত<br>
সুখ-সমৃদ্ধিৰ পোছাক সলাইছা<br>
দিনত জেনত<br>
ৰাতি ইনোভাত ঘূৰি ফুৰিছা<br>
সলনি কৰিবলৈ সময় !<br>
পিচে আমি দুবেলা দুমুঠিৰ আশাতেই<br>
ঘৰৰ উৰলি যোৱা মূধচত<br>
টিনপাত লগাবলৈও চিন্তা কৰিছো ! "

-ধ্ৰুৱকুমাৰ তালুকদাৰ



## অনুভৱৰ চ'ৰা

# "জোনাক এতিয়া চৌপাশে"

মনমী কলিত
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

অনুভৱ.......

মোৰ জীৱনগাঁথা
মই 'চম্পাৱতী' হ'বৰে পৰা........!

স্বপ্নৰ পক্ষীৰাজ ঘোঁৰাত উঠি আহে মোৰ সপোন কোঁৱৰ..... মাদল বাজে আবেগৰ। গুণ্‌গুণ্‌কৈ উৰে মৌ মিঠা সপোনৰ ভাষা। কেতিয়া আহিব সপোনৰ ৰেল.... উকি মাৰি ৰ'বহিনে মোৰ বুকুৰ পদুলিত? এয়া ..... ঠিক মই 'চম্পাৱতী' হোৱাৰ আগৰ কথা।

এতিয়া, মোৰ চৌপাশ ভৰি পৰিছে সেই সপোনৰ জীয়া অনুভৱৰ গুণগুণনিৰে। গৰ্ভৱতী মাতৃৰ ভৰুণ অনুভৱেৰে জীপাল প্ৰতিটো দিনৰ সপোন। গুণ্‌গুণায় মোৰ ৰাজকোঁৱৰে.....।

ধানো খাম
পতানো খাম......... আৰু কি?

আৰু সেই প্ৰেমগাঁথা...! একাকাৰ হৈ পৰে.... গলি গলি শেষ হৈ যায় মোৰ সংকীৰ্ণতাৰ মজবুত বৰফখণ্ড। প্ৰেমৰ উষ্ণতাত অৱৰুদ্ধ বতাহে বাট বুলে ফাগুণী পথেৰে। ঠিক, মই 'চম্পাৱতী' হোৱাৰে পৰাই। আটি আটি বান্ধে মোক, লৈ যায় জোনাকৰ বাটেৰে... সেউজ সেউজ হৈ পৰে মোৰ হেঁপাহৰ পৃথিৱী।

ল'ৰালি নালাগে মোক! শেৱালি-বকুলৰ গোন্ধত মতলীয়া হৈ পৰা অতীতৰ সেই সাঁচতীয়া ইতিহাস সামৰি থৈছো মোৰ বুকুৰ আঁচলত..... আলফুলে (আটকৰ দিন যদি আহে...?)

"শাৰদী কোমল জোনাক মায়াৰে
মন উতলা কৰে
জুৰিটিৰ পাৰত কহুঁৱা হালিলে
মন উতলা কৰে।"

....'কৈশোৰ' মোৰ 'চম্পাৱতী' সজাৰ প্ৰাক্‌ক্ষণ। অনাথিনী নহয় মোৰ মাতৃ। অজগৰ নহয় তেওঁৰ জোঁৱাই। হ'লেও মই চম্পাৱতী.......... সুহুৰি হৈ নামে বুকুলে সেই অনুভৱ.... "বকুল বকুল গোন্ধ শেৱালি শেৱালি সুবাসত" ৰাগী লগা মনে কাৰ বাবে বিনাই......... অবাঞ্চিত দিনবোৰ লিপিবদ্ধ হৈ ৰয় কবিতাৰ ৰূপত.........

বহুদিন হ'ল সপোন দেখা নাই
কামনা-বাসনাৰ সতে মিতিৰালি পতা নাই
বহু ৰাতি.....।
কাৰণ তুমি নাই....!!
নাহৰবোৰ নাঙঠ হোৱাৰ কাৰণ বিচৰাৰ আগতেই
তুমি আঁতৰি গৈছিলা
পুৰি ছাই হৈ গৈছিল মোৰ প্ৰতিটো
অন্যমনস্ক দিনৰ সপোন...........

কোনে কৰে এনেকুৱা? দুখৰ সতে মোকাবিলাৰ কি অদ্ভুত পন্থা.. নাহিবি অ' দুখ, নাভাঙিবি মোৰ আলফুল বুকুৰ কাচোন... থাকচোন কবিতাতেই......... থাক!

বুজিছিল নেকি তেওঁ? আঁজুৰি আনিছিল তেওঁ মোক বিষাদ গাঁথাৰ সেই ধাৰাল অনুভৱৰ পৰা! এৰা........ তাৰ ঠিক পিছৰে পৰাই 'চম্পাৱতী' হৈছিলো মই। দুখৰ সাগৰত সাঁতুৰি সাঁতুৰি আচম্বিতে অমৃতৰ সন্ধান পাই গৈছিলো মই। তেতিয়াৰ পৰাই মই তিতিছিলো প্ৰেমৰ বৰষুণত; জীপাল হৈছিল, সেউজ হৈছিল মোৰ এজাৰফুলীয়া সপোন! এন্ধাৰত হেৰাই যাব খোজা সেই পুৰাতনী গান উঠি আহিছিল যেন.........

"আই মোৰ বুকু কুটেকুটায়........
কোনে কয় কাণে কাণে..........এয়া যে প্ৰেমৰ সাজ পিন্ধাৰ ক্ষণ...... ৰাজকোঁৱৰ সেউজ হয়....... স্বাভাৱিকতাৰ পোছাক খুলি জোনাকৰ স্নিগ্ধতাত তিতি কুঁহিপাতবৰণৰ সপোন দুহাতত তুলি গুজি দিয়ে 'চম্পাৱতী'ৰ বুকুত আলফুলে..... সেই দিন ধৰি মই চিৰসেউজ... বন্যা, অনন্যা।

ভাহি উঠে নেকি ৰিণিকি ৰিণিকি ৰাজকোঁৱৰৰ সেই হাঁহিৰ মাজত উদাত্ত অহংকাৰ.....

"প্ৰথম জগালো ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা
হিয়াৰ তোমাৰ!"

এতিয়া ...... 'নাহৰৰ দেশত' সেই আলফুল 'চম্পাৱতী'ক মেলি দিয়া হ'ল...... শৰতে লৈ যায় ৰাজকোঁৱৰৰ শেতেলীলৈ চম্পাৱতীৰ বতৰা........ ফাগুণে গুজি দিয়ে ৰাজকোঁৱৰৰ মনত 'বহাগ' অহাৰ বতৰা.........'চম্পাৱতী' উৰি যায় ৰাজ কোঁৱৰৰ দেশলৈ.......!

ভৰি পৰে সেই দেশ কুঁহিপাতেৰে......
তগৰৰ সুগন্ধিৰে.......

পুনশ্চ ঃ

Every night in my dreams
I see you, I feel you...
and ....
Everything I do, I do it for you."
..... Love is my life
and you....
You are my 'Heart'.





## অনুভৱৰ চ'ৰা

# আকৌ, এবাৰ দিয়ানা জনম মোক

সংগীতা দত্ত
স্নাতক দ্বিতীয় বৰ্ষ
অৰ্থনীতি বিভাগ

টিক্ টিক্ ঘড়ীৰ প্ৰতিডাল কাঁটাৰ নিৰ্দেশত পাৰ কৰি কুৰিটি বসন্তত ভৰি দিছোহি বৰ্তমানত। মোৰ মন মানসত পাই হেৰুৱাৰ বিষাদ অৱসাদ। আকৌ এবাৰলৈও ঘুৰাই পোৱা হলে শৈশৱটি; পুনৰাই সজালোহেঁতেন নানাৰঙী ৰং তুলিকাৰে বৰ্ণময় কৰি। ঘৰৰ চোতালৰ দুবৰিত, পাছফালৰ পুখুৰীৰ থে পথেপীয়া বোকাত লাগি থাকিল শৈশৱৰ সোণোৱালী স্মৃতি। আইৰ উমাল বুকুৰ মাজত নিশ্চিন্তমতে সপোন দেখা সন্ধ্যাবোৰ, জুহালৰ কাষত আইতাৰ তামোলৰ পিকসনা ওঁঠৰ পৰা নিগৰা ৰজাৰাণীৰ সাধুবোৰ হেৰাই গ'ল সকলো গজালি মেলা সময়ৰ সুৰুঙাত। অ' মোৰ মৰমী আই আকৌ এবাৰ দিয়ানা জনম মোক। সাজি থৈছো সপোনৰ কাৰেং, আটোম-টোকাৰিকৈ।

"একে একে মিলি গ'ল থাকিল শূণ্য। দুইৰ এক গ'ল থাকিল এক" ঢৰা পাৰি নেওতা পঢ়া চিএঃৰত আছিল অপূৰ্ব মাদকতা। পিছে নপঢ়িলো তেতিয়াই জীৱনৰ কঠিন গাথাঁ। গাৰ্লচ স্কুলৰ তলসৰা বকুল বিচাৰি পুৱা সোনকালে উঠা বাজি, পথাৰত পবালি পবালি আঙুলিৰে বুটলা সপোনৰ ঠোঁক। ভৰিৰ তলুৱাত পনিয়লৰ কাঁইটে বিন্ধা যন্ত্ৰণাত আছিল পোৱাৰ আনন্দ। বাৰীত বেঙেনা চিঙিবলৈ যাওতে "আই ঐ.. মৰিলো... যি ডালহে চিনাজোক.....", এবাৰ যে এডাল কণমানি চিনাজোক ধৰোতে চিএঃৰত গগণ ফালি হেঙাৰত ভৰিটো ইমান জোৰেৰে মাৰি দিলো যে; ভৰি কাটি তেজৰ সোঁত ব'বলৈ ধৰিলে। সেই তেজ দেখোন নোগোন্ধায় বাৰুদ, বাৰুদ। আজিকালিৰ যে গোন্ধায় বাৰুদ বাৰুদ।

ওপৰেদি উৰাজাহাজ যোৱাৰ মাত শুনিলেই হ'ল আৰু "মা, মই আগলৈ উৰাজাহাজ বনাম, মানে মই বিজ্ঞানী হ'ম। বিজ্ঞানৰ কিতাপখন ক'ত থাকিল; এতিয়াৰ পৰা মই বিজ্ঞান পঢ়িম। বিজ্ঞান পঢ়িব পাৰিলেই বিজ্ঞানী হয়, নহয়নে মা?" এইবোৰ যে মোৰ ল'ৰালিৰ সপোনৰ দাপোন। এতিয়া ভাঙি চুৰমাৰ হৈ পৰি থাকে অ'ত ত'ত, খোচাবিন্ধা কৰে হৃদয়ত। হৃদয় ফাটি বৈ যায় তেজৰ নৈ.......। কেতিয়াবা তেজবোৰ গোট মাৰেহি কলমৰ নিবত, শেতেলীত চট্‌ফটাই থকা উজাগৰী নিশাবোৰত কেতিয়াবা এইবোৰ ক্ৰমশঃ গলি চিএঃাহী হয়। আকুল হৃদয়ে আকৌ নকৈ চহাই-মৈয়াই সিঁচিব বিচাৰে সপোনৰ শইচ। অ' মোৰ মৰমী আই। আকৌ এবাৰ জনম দিয়ানা মোক।

তেতিয়া আহিনৰ কুঁৱলী ফালি শেৱালি সৰা গোন্ধ আহিছিল, এতিয়া কুঁৱলীয়ে অস্পষ্ট কৰে দিক্-বিদিক্, ঢাকি ৰাখে নীলবৰণীয়া আকাশ। তেতিয়া গধুলীবোৰে লৈ আনে ৰোৱনী-দাৱনীলৈ জীপাল মন এটি। কিন্তু এতিয়াৰ গধুলিয়ে আনে মাতাল আত্মাৰ উন্মাদ কণ্ঠৰাগ। শৈশৱত মনবোৰ আছিল নাহৰৰ কুমলীয়া পাত হেন; হাঁহিবোৰ আছিল শিমলুফুলীয়া, বতাহে আনিছিল আজাৰবুলীয়া গোন্ধ। এতিয়া মানৱতা আৰু যান্ত্ৰিকতাৰ নিষ্ঠুৰ পৰশত সকলো ধূসৰ হ'ল। কণমানি হৃদয়ৰ সপোনবোৰ থান্-বান্ হ'ল, বিচাৰি নাপালে এখন মনে বিচৰা আকাশ।

প্ৰতিটো নিস্তব্ধ সন্ধ্যা দুখৰ বুকুত সোমাই চিএঃৰি চিএঃৰি কান্দিবৰ মন যায়, নিৰ্বাক আকুলতাত হৃদয় কঁপে। জিলিৰ চিঁ চিঁ মাতেৰে গভীৰ কৰা সন্ধ্যাবোৰত দুখবোৰ গাভিনী হয় আৰু মাজনিশা যন্ত্ৰণাৰে প্ৰসৱ কৰে অনেক দুখৰ বীজ।

"দুখৰ সাগৰত নাও বাই থাকিম
ধুমুহাত সৰ্বস্বান্ত হৈ
হেৰুৱাম বঠা
দিশ্ বিচাৰি
দিশৰ বিপৰীতে বাম
জীয়াই থাকিম বাবেই
জীয়াই আছো বাবেই
চুৰা চেলেকা নাই"। *(প্ৰাৰ্থনা শইকীয়া)*

সৰুতে আৰু এতিয়াও মাজে মাজে দেউতাই কয় "পৃথিৱীখন ঘুৰণীয়া, কিন্তু বহুত জটিল। আকাশখন যিমান বিশাল, মানুহৰ আশাবোৰো সিমানেই বিশাল, কিন্তু সিবিলাকক বাস্তৱায়িত কৰাটোহে কঠিন।

"হেপাহেঁৰে বালিঘৰ সাজিবহে পাৰি
তাতযে পলকো থাকিব নোৱাৰি"
তথাপিও পুহি ৰাখিছো এটি আশা।
"জীৱনৰ এই ঘাট পাৰ হ'ম
মন আকাশত উৰিব সুখৰ চৰাই
মোৰ দুখৰ নদীত
কাঁজলি, কাঁজলি জোনাকে
পূৰ্ণিমা আহিব
অন্ত হ'ব দুখৰ গান
অন্ত হ'ব দুখৰ গান
চাও, মচি লও দুচকু চাদৰৰ আচলেৰে।"

এদিন আহিব সেই সময়। মোৰ সমস্ত আকুলতাৰে সাৱটি ধৰি আগুৱাই যাম জীৱন নদীৰ পাৰঘাটলৈ। ইপাৰ সিপাৰ সংযোগী নাওখন উঠাৰ আগতে...... মাত্ৰ এবাৰ.... মাত্ৰ এবাৰলৈ পৰিম নিজৰেই সন্তীয়া প্ৰেমত। ইমানদিনেতো নিজৰ প্ৰেমত নপৰিলো কোনোদিনেই। জীৱন নদীৰ ফট্‌ফটীয়া পানীত চাম মোৰ মুখখনি....... আকাশত এটি দুটি তৰা ফুটা সন্ধ্যা এটি / তুমি যে মোক কৈছিলা-মোৰ চকুযুৰিত হেনো লিখা থাকে অনেক টুকুৰা টুকুৰ কবিতা। আৰে, মিছা কোৱা কিয়; মইতো ধুনীয়া নহয়, মেৰিলিন মনৰো; হে'লি বেৰীৰ দৰে....।

অ' মোৰ পূজাৰ বেদীৰ
স্থিতা আই
তুমি দিলে
মই ধাৰে লম
এখনি জীৱন জাঁজী
য'ত এটি দুটি সপোন গুজিম
পোখালি মেলিলে
পুনৰ ঘুৰাই দিম। ●

**মহৎ লোকৰ বাণী**

" মৃত্যুক বিচাৰি নুফুৰিবা, মৃত্যুৱে তোমাক এদিন নিজেই বিচাৰি উলিয়াব। কিন্তু বিচাৰি উলিয়াবলৈ চেষ্টা কৰা সেই পথ, যি পথে মৃত্যুৰ পিছতো তোমাক জীৱনৰ পূৰ্ণতা দিব।"

*- ভাগ হোমাৰ শ্বল্ড*

" যেতিয়া তুমি এই পৃথিৱীলৈ আহিছিলা তোমাৰ ওচৰ চুবুৰিয়াই হাঁহিছিল। এতিয়া তুমি এনেকুৱা এটা কাম কৰা যাতে সকলোৱে তোমাক কান্দি কান্দি বিদায় দিয়ে।"

*- আব্ৰাহন লিংকন*

" এখন ভাল কিতাপ সকলো বন্ধুতকৈ আপোন। বন্ধু-বৰ্গ গুচি গ'লে কিতাপখন তোমাৰ চিৰদিনৰ বাবে ৰ'ব।"

*- টুপাৰ*

*সংগ্ৰাহক - হীৰা চমুৱা*





অনুভৱৰ চ'ৰা

# বুঢ়া লুইত ! এবাৰ থমকি ৰৈ শুনি যোৱা তোমাৰ সন্তানৰ বিননি !

ৰবিনা দলে
স্নাতক দ্বিতীয় বৰ্ষ
অৰ্থনীতি বিভাগ

বুঢ়া লুইত। যাৰ আন এটা নাম ব্ৰহ্মপুত্ৰ অৰ্থাৎ ব্ৰহ্মাৰ পুত্ৰ। তোমাৰ পাৰে পাৰে গঢ়ি উঠিছে শাৰী শাৰী ৰজাৰ দেশ। তোমাৰ শীতল পৰশত প্ৰাণ পাই উঠিছে ৰজাৰ সেউজী দেশ। তোমাৰ নাই কোনো স্থিৰতা....। তুমি কুলু কুলু শব্দৰে বৈ যোৱা অবিৰাম গতিত প্ৰেমিক সাগৰৰ বুকুলৈ। সময় আৰু নদী..... একেটা মুদ্ৰাৰ দুটা পিঠি। সময়ৰ কাটাই যেনেদৰে গতি কৰি থাকে তেনেদৰেই গতি কৰে নদীয়েও। সময় আৰু নদীৰ এই চক্ৰীয় প্ৰবাহত বৈ যায় কিছুমান ঘটনা প্ৰবাহ।

সময়ৰ বুকুত আঁকি থৈ যাঁও
তোমাৰ মোৰ ভাস্কৰ্য.....।

ৰজাৰ দেশত জোনাক ওফৰি পৰা হাঁহিৰ খলকনি......... ৰূপোৱালী নৈত জোনাকীৰ মেলা......।

ঋতুৱে কোবাই থৈ যায় জীৱনৰ গতিপথ......... ঋতুৰ চকৰি ঘূৰি বৰ্ষা নামে ধৰাৰ বুকুলৈ........... বুঢ়ালুইতৰ জোৱাৰ নামে.....। ৰজাৰ দেশৰ দেৱাল নিছিন্ন হয়....... বতাহৰ চেৱে চেৱে ঢৌ খেলি খেলি বৈ যায় যেনি-তেনি.....।

বৰ্ষাৰ বৃষ্টি নামে.. জিৰ্ জিৰ্..... জিৰ্ জিৰ্....... ৰজাৰ দেশত বাৰিষাৰ মহাপ্লাৱন..........। লুইতৰ জোৱাৰত সেউজী দেশ উটি ভাহি ফুৰে আশাহীন ভাৱে। দেওধনী নৃত্য কৰি এফালৰ পৰা খহাই লৈ যায় সুউচ্চ পাহাৰৰ চূড়া.....। লুইতৰ জোৱাৰে উটুৱাই নিয়ে ৰাজকোঁৱৰৰ বাজকাৰেং, ৰাজকুমাৰীৰ সপোনৰ যাদুকৰী কাঠি.....। মেলোনে নেমেলোকৈ মেলা সপোনৰ কলি, সৃষ্টিৰ সম্ভাৱনাৰে পূৰ্ণ পথাৰৰ আশাৰ কঠিয়াবোৰ মষিমূৰ কৰি থৈ যায় বৰষাৰ উন্মুক্ত জলধাৰাই।

ৰাজকাৰেঙৰ মোহ এৰি এটুকুৰা নিৰাপদ আকাশৰ তললৈ ঢাপলি মেলে ৰজাৰ দেশৰ নিঠৰুৱা পখীয়ে.....। ৰজাৰ দেশৰ সেউজী বিৰিখ লঠঙা হ'ল..........। লঠঙা শুকান গছৰ ডালত বহি এজাক পখীয়ে কোৰ্হাল কৰে এমুঠি অন্নৰ বাবে। চৌদিশে কেৱল আৰ্তনাদ.........। শূণ্যতাৰ মৰুভূমিত ৰূপান্তৰিতহয় ৰজাৰ সেউজী দেশ।

দুৰ্যোগ চাবলৈ ৰজা আহে... লগতে আনে সাহাৰ্য্যৰ টোপোলা.......। সৰ্বস্ব হেৰুওৱা আৰ্তনাদ পখীৰ মাজত এমুঠি অন্নৰ বাবে খোৱা কামোৰা.....। ৰজাৰ বান সাহাৰ্য কিমান দিনলৈ.... ? সময় বাগৰি যায়...... নিঠৰুৱা পখীজাকে দিক্-বিদিক্ হেৰুৱায়। সৃষ্টিৰ সম্ভাৱনাৰে পূৰ্ণ পথাৰত শুকান মৰু....। সৃষ্টিৰ নুফুটে অংকুৰ...।

এয়াই বুঢ়ালুইতৰ চক্ৰীয় পৰিঘটনা। এই পৰিঘটনাক ৰোধ কৰিবলৈ ৰজাই প্ৰতিশ্ৰুতি দিয়ে নিঠৰুৱা পখীক ........ এসময়ত ......... বাৰিষাৰ ফেন-ফুটুকাৰ এসময়ত.... বাৰিষাৰ ফেন-ফুটুকাৰ দৰে হয় ৰজাৰ প্ৰতিশ্ৰুতি....।

আকৌ আহে বাৰিষাৰ ৰাতি
শঙ্কা কিহৰ!
বন্ধা আছে বন্ধুত্বৰ এনাজৰী....।

বুঢ়া লুইত ! তোমাৰ বুকুতে হেৰাই গ'ল মোৰ শৈশৱৰ ভূ-স্বৰ্গ। ৰাজকোঁৱৰৰ সতে ৰাজকুমাৰীৰ দৰা-কইনা খেলা, শৰতৰ দোক্‌মোকালিত নকুল খুড়াহঁতৰ ঘৰৰ শেৱালি জোপাৰ পৰা কোঁচ ভৰাই বুটলি অনা.... শেৱালি ফুলেৰে মালা গাঁথি ৰাজকোঁৱৰৰ সপোন দেখা ৰাজকুমাৰীৰ সেই দিনো নাই.... সেই ঠায়ো নাই। এতিয়া আছে মাথো মচিব নোৱাৰা এবুকু স্মৃতি..... ধ্বংসৰ ভগ্নাশেষ....

বুঢ়ালুইত ! ঘৰৰ পিছফালে থকা আম গছ জোপাই, চিনাকি-অচিনাকি গছেৰে ভৰি থকা বাৰীখনে মোক ৰিঙিয়াই মাতে। দুপৰীয়াৰ নিজান বনত কপৌৰে ৰুণ দিয়াৰ কথা ভাবিলে হৃদয় উন্মনা হয়...। অন্তৰে কান্দি উঠে..... কেতিয়া পাম মোৰ হেৰুৱা স্বৰ্গক ঘূৰাই ... ?

হে ব্ৰহ্মাৰ পুত্ৰ। তুমি হ'লা জননীৰ বীৰ পুত্ৰ, শক্তিপুত্ৰ। তোমাৰ মহিমা অপাৰ....। এবাৰ তুমি কাণ পাতি শুনা মোৰ হেৰোৱা স্বৰ্গৰ বিননি। আমিতো তোমাৰেই সন্তান, তোমাৰ সন্তানৰ দুৰ্দশা দেখি এবাৰলৈ হ'লেও কান্দি নুঠেনে তোমাৰ হৃদয়ে। উমি উমি জ্বলি থকা যন্ত্ৰণাৰ জুইকুৰা নুমাই, বোৱাই দিয়া শান্তিৰ নিজৰা....।

যন্ত্ৰণাৰ জৰীত ওলমি ৰয় হৃদয়
তথাপি! আশাৰ তৰীয়ে বান্ধে
জীৱনৰ মহাৰণ....।। ●

অনুভৱৰ চ'ৰা

# অনুভৱৰ এটি পৃষ্ঠা

অপৰাজিতা বুঢ়াগোহাঞি
স্নাতক তৃতীয় বৰ্ষ
বুৰঞ্জী বিভাগ

নকওঁ বুলিলেও ক'বৰ মন যায়, বহু বেছি কথা থুপ খাই আছে হৃদয়ত। খুছি বিন্ধি থাকে মন-বিবেকক অহৰহ। মোৰ পাঁচ বছৰীয়া কলেজীয়া জীৱনৰ অন্তিম ষ্টেপত ...... তাৰ পাছত আমি আগবাঢ়ি যাম আৰু অলপ আগলৈ।

বানে গৰকা মোৰ জন্মভূমি। হয়তোবা আৰু বহুত দিন ডুবি থাকিম-আমি ঢকুৱাখনাবাসীয়ে। কলেজ আৰম্ভ হ'ল-নতুন আশাৰে নতুন উদ্দীপনাৰে কলেজলৈ যোৱা, ক্লাচ কৰা। কলেজ-ক্লাচ-কিতাপ-ঘৰ। হঠাৎ বানপানী হুৰা-দুৰা, কলেজৰ ফিল্ডটো পানী। ক্ৰমে পানী শুকাইছে-পুনৰ ক্লাচ আৰম্ভ -দুই-তিনি সপ্তাহ পুনৰ বানপানী আকৌ বন্ধ কলেজ। কিমাননো ডুবি থাকিম আমিবোৰ? যেতিয়া মানুহৰ জীৱনৰ নিৰাপত্তা নাথাকে, পশু-পক্ষী, জীৱ-জন্তুৱে আৰ্তনাদ কৰে- তেতিয়া মই ক্ষোভত জ্বলি উঠো- কাৰ প্ৰতি এই ক্ষোভ? ব্ৰহ্মপুত্ৰৰ প্ৰতি, গতি নমনা বানৰ প্ৰতি? ওঁহো নহয়-চুলতান মামুদ সদৃশ....

মোৰ কলেজখনক মই ভাল পাওঁ, প্ৰাণভৰি ভালপাওঁ ইয়াৰ প্ৰতিজোপা গছ-লতিকা, চাৰিকড়ীয়া নদীখন, মোৰ চিনাকি বতাহজাকি, অতিকৈ প্ৰিয় লাইব্ৰেৰীটো-ডিপাৰ্টমেন্টটো আৰু জৰাজীৰ্ণ টয়লেটটো, পানী নোলোৱা দমকলৰ জঁকাকেইটা, মোৰ প্ৰিয় বন্ধু-বান্ধৱী আৰু বন্ধুমহলৰ আড্ডাবোৰ-ক'ত হেৰাই যাব দিওঁ মই?

কোনে কাক বিদায় জনাব পাৰে
বুকুত খোদিত হ'ল যাৰ সঠিক ঠিকনা
দুখৰ কৱচ পিন্ধি আমি এৰি বাটে গুছি যাম
পাছে পাছে গুছি যাব সোঁৱৰণীৰ দীঘল ছাঁ।

(অজিত গগৈ)

কেনোদিনেই পাহৰিব নোৱাৰিম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক - যাৰ ওচৰত সদায়ে ঋণী। কেনেকৈ পাহৰিম তৃতীয় বৰ্ষতো মেজৰ ক্লাছত অমনোযোগী হৈ উঠাৰ পাছত চাৰে ক্লাছটো অফ কৰি দিয়া দিনটোৰ বিষয়ে। আচলতে সেইদিনা ক্লাচৰ পৰা মোক বাহিৰ কৰি দিয়া হ'লেই উপযুক্ত শাস্তি পালোহেঁতেন। অৱশ্যে তাৰ পাছৰ মুহূৰ্তবোৰত সেই দিনটোৰ বাবে বেছি শাস্তি দিছো নিজকে। এতিয়া অনুশোচনাত দগ্ধ মই। ক্লাচত কেনেদৰে থকা উচিত সেইটো জনা ভাল।

নানো বুলিলেও মনলে আহিব গাৰ্লচ হোষ্টেলৰ নবাগতা আদৰণি- হুৰা-দুৰা-ঢকুৱাখনাত, বাতৰি কাকতত। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত যি সমন্ধ, সেই সম্বন্ধৰ পবিত্ৰতা আমি বুজি পোৱা উচিত। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত এটা ব্যৱধান থাকিব লাগে, থকাটো উচিত-কাৰণ আমি প্ৰত্যেকেই শিক্ষিত।

আমাৰ কলেজখন চাৰিকড়ীয়া নদীৰ নিচেই কাষত। সেয়ে চাৰিকড়ীয়া নদীখনৰ সৈতেও এক আত্মীয়তা গঢ় লৈ উঠিছে-চাৰিকড়ীয়াৰ বুকুত ডুব যাওঁ, ঢৌবোৰত উটি-ভাঁহি উঠো, বতাহত আঁচল উৰুৱাই ৰৰদৈচিলা হওঁ- আপোন-আপোন চাৰিকড়ীয়া। চাৰিকড়ীয়াৰ এক নিজ সৌন্দৰ্য আছে পাৰৰ পলসুৱা মাটি- সেউজীয়া সোনগুটি।

ইচ্ছা হয় সৌন্দৰ্যৰ আগলি পাতত বহি থকা তোক
হাতৰ মুঠিত ৰাখি থ'ম
ৰাখি থ'ম তোৰ গাঢ়তা
মোৰ চাদৰৰ আচলত নুৰিয়াই থ'ম তোক
তোক পি নিঃশেষ কৰি দিম
বাঢ়িছ কিয় ইমান অবাধ গতিৰে
কলহত ভৰাই থ'ম তোক
ভৰযৌৱনা চাৰিকড়ীয়া
তই নাচিছ, বতাহ হালিছে
দুয়ো মিলি ঝিৰ্ ঝিৰ্
নাৱৰীয়াক ক'বি
নাওখেলা গীত তাইৰ বাবেও এফাঁকি গাবি।

অন্য এক স্নেপ ঃ

সপোনৰ পাছে পাছে আমি দৌৰিছো-আমাৰ পাছে পাছে সপোন। চিৎকাৰ কৰি উঠিছো কেতিয়াবা হিৰোচিমা, নাগাচাকিৰ ধ্বংসস্তুপৰ পৰা তুলি আনিছো নিজকে- হয় প্ৰয়োজন এটি সপোন দেখাৰ ৰঙীণ স্কেছ অঁকাৰ...ধানদোৱা কাঁচিখনত মামৰে ধৰিছে-চিক্‌চিকিয়া হৈ উঠিছে মোবাইল ফ'নৰ ভিন্নসুৰীয়া ৰিংটন। প্ৰায়ে ডুব যাওঁ পলাচী যুদ্ধৰ বুকুত-কিয় বাৰে বাৰে পলাচী যুদ্ধ হয় সমাজখনত, শেতেলীত গধুৰ হৈ ৰয় মোৰ মগজু-ক্ৰমশঃ শিল হৈ পৰিছে। মূলাগাভৰু দেশৰ জীয়াৰীবোৰ কিয় হ'ব লগা হয় শোষিতা, ধৰ্ষিতা...। নাজানো, নাজানো। আচলতে আমি প্ৰত্যেকেই জানো সকলোবোৰ, নজনাৰ দৰে থাকো, এইটো আমাৰ নিজস্ব ঢং।

নুৰিয়াই থোৱা সপোনটো খুলি চালো আজি-ভাজে ভাজে ফিটিকি গৈছে- অস্পষ্ট হৈ পৰিছে-কিছুমানত বৰষুণৰ পানীয়ে ধৰিব নোৱাৰাকৈ বিয়পাই পেলাইছে। পুনশ্চঃ সপোনটোক নুৰিয়াই থৈ দিলো- নালাগে, নাচাও সপোন-দিঠকৰে সৈতে খোজ থম- দিঠকৰ হাতত হাত, ভৰিত ভৰি, বুকুত বুকু থ'ম। অঁ দিঠকৰে সৈতে আগবাঢ়িম। ইতিহাসে হাত বাউল দি মাতিছে গুছি গৈছো অতীতলৈ-এতিয়াও কান্দি আছে জাপানত হিৰ'চিমা-নাগাচাকি-জাপানলৈ বহু দূৰ- একেবাৰে ওচৰৰ পৰা চাওঁ- দুচকু মেলিলেই যাক পাওঁ-সেয়া ধেমাজি কান্দি আছে- বেলতলাত চামেলি। সাঁচায়ে সপোনবোৰ নুৰিয়াই থৈ দিয়াই যুগুত- বাস্তৱৰ ধুমুহা কোন দিনে বা বলে- মোৰ বুকুত কোনে বা পুতি থৈছে এটা বোমা-চাৰখাৰ কৰি তুলিবলৈ মোৰ হৃদয়ৰ দুৱাৰ-খিৰিকি...।





অনুভৱৰ চ'ৰা

# বিজ্ঞাপন

*(প্ৰতিজন হৃদয়বান গ্ৰাহকৰ হাতত)*

সংগীতা শইকীয়া
স্নাতক তৃতীয় বৰ্ষ
ইংৰাজী বিভাগ

সময় সাংঘাটিক ভাৱে ৰূঢ় হৈছে মোৰ প্ৰতি। বাৰে বাৰে চাইছোঁ। আজি নিজকে দাপোণত। কিয় চাইছোঁ, হয় হয় চাব খুজি- মোৰ ভিতৰৰ মানুহজনীক যিয়ে মোক অহৰহ কষ্ট দিবলৈ আৰম্ভ কৰিছে আজিকালি। কিয় হ'বলে আৰম্ভ কৰিছে এনেকুৱা, সকলোৱে হাঁহিলে মই কিয় হাঁহিব নোৱাৰো, কিয় এক অহেতুক বিষণ্ণতাক কঢ়িয়াই লৈ ফুৰো মই নিজেই নাজানো। লগ-সমনীয়াৰ লগত থাকিও নথকাৰ দৰে আচৰণ কৰো, অসহনীয় কৰি তোলোঁ মোৰ উপস্থিতি। মই যেন সকলোৰে অযোগ্য, অনাদৃত, অৱহেলিত এক সত্বা। যি কেৱল সোমাই গৈছে, কেৱল সোমাই গৈছে এক খোলাৰ মাজত। এই ভাৱাবেগৰ কাৰণেই এক বিষাদবোধে খেদি লৈ ফুৰে মোক। কিহৰ কাৰণে ইমান হতাশাৰ ঢল নামি আহিল জানো? সকলো থাকিও অনুভৱ কৰো এক বিশেষ শূণ্যতা। আনৰ ওচৰত সহজে ধৰা পৰি যোৱাৰ ভয়ত নিজকে নিজৰ মাজত বন্দী কৰিবলৈ গৈ বাৰে বাৰে ব্যৰ্থ হৈ পৰিছোঁ। হিচাপ কৰি চাইছোঁ মাহ, বছৰ- আস্ জন্মৰ পৰা সম্পূৰ্ণ হোৱা নাই বিশটা বসন্ত, অথচ্ কি হ'বলৈ আৰম্ভ কৰিছে, মোৰ জীৱনত।

নতুনত্বৰ সন্ধানেই কি মোৰ এই জীৱন, সম্ভৱনে 'বিচাৰি ফুৰাটো' স্থায়ী আনন্দৰ পন্থা নে অহেতুক উৎসুকতাৰ বলি হৈছো মই। কিয় তেওঁৰ মাজত বিশেষ বিশেষ মুহূৰ্ত্তৰ আন একোজনক বিচাৰি হাবাথুৰি খায় তাই। নাই নাই তেওঁ, তেওঁৱেই। মৌলিক, যৌগিকতাৰ অংক কৰা নাযায় তেওঁৰ লগত।

"তেওঁৰ মাজতে মজি আছো।
ভাঙিছো নিজক
গঢ়িব পৰা নাই।
খান্দিছো তেওঁক
শূণ্য দুহাত।"
কি বিচাৰো মই মোৰ পৰা?
কি বিচাৰো মই তেওঁৰ পৰা?

প্ৰশ্ন, প্ৰশ্ন মাথো প্ৰশ্ন, মনত হাজাৰটা প্ৰশ্নৰ হেন্দোলনি। অথচ এক অবান্তৰ প্ৰশ্ন বুলি মনলে অহা এই কথাবোৰক দলিয়াই দিব নোৱাৰি। পাৰি জানো স্ব-ইচ্ছাৰে নিজৰ সপোনবোৰক সমাধিস্থ কৰিব? তেনেহ'লে কম নেকি তেওঁক মোৰ দুখবোৰৰ কথা, মোৰ শূণ্যতাৰ কথা আৰু কব পাৰিনে তেওঁক ভৰাই তুলিবলৈ মোৰ চাৰিও কাষ। আস্ কোৱা যায় নে সেইজন মানুহক যিজনক মই ভালপাওঁ। যিজনক সপোনে দিঠকে কেৱল বিচাৰো, বিচাৰো। ভালপাওঁ, ভালপাওঁ কাৰণেই বিচাৰো তেওঁৰ সুখ, আনন্দ আৰু হাঁহি থকাটো বিচাৰো সদায় আৰু বহুত ভাল হোৱাটো বিচাৰো, এই সকলোবোৰ তেওঁৰ বাবে বিচাৰি অদৃষ্টজনৰ ওচৰত প্ৰাৰ্থনা জনাওঁ আৰু মোৰ নিজৰ কাৰণে বিচৰা ঘৰ সদায়েই শূণ্য হৈ ৰয়, কাৰণ মোৰ বুলি যেন একোৱেই নাই। তেওঁক কোৱা যায়নে মোৰ দুখৰ কথা। মোৰ কথাই যদি তেওঁক দুখে আক্ৰান্ত কৰে কেনেকৈ সহিম মই, সহিব নোৱাৰিব চটফটাই থকা অকণমাণি মইজনীয়ে। অথচ অহৰহ তেওঁক দুখত থকা দেখোঁ। খুউব্ সন্তৰ্পণে সামৰি থৈ দিয়ে তেওঁ নিজকে। অভিনয় কৰে নিখুঁতভাৱে, অথচ ধৰা পৰি যায় সকলোৰে অলক্ষিতে মোৰ আগত। সেইজনক, মোৰ প্ৰিয় মানুহজনক জাপি দিয়া যায়নে আৰু দুখ? সেইকাৰণে নিজেই কঢ়িয়াই লৈ ফুৰো নিজকে, 'অকলশৰীয়াকৈ'।

হৃদয়ৰ প্ৰেমত পৰিছিলো মই সৰুৰে পৰা। প্ৰথমতে নিজৰ, তাৰ পাছত বহুজনৰ। এই হৃদয় প্ৰেমৰ বাবেই যন্ত্ৰণাকাতৰ জনৰ চিঞৰত মোৰ চকুলো নিগৰিছিল, উচুপি উঠিছিলো নিৰৱে, বহুবাৰ উচ্চস্বৰে কান্দিছিলো দুৰ্ভগীয়া জীৱনবোৰৰ কাৰণে, অথচ জনা নাছিলো তেতিয়া মইও যে তেওঁলোকৰ মাজৰ এজন হৈ পৰিম। কিন্তু তেতিয়া একোৱে কৰিব পৰা নাছিলো কাৰণ বহুত সৰু আছিলো তেতিয়া। এদিন সঁচাকৈ মই 'হৃদয়'ৰ প্ৰেমত পৰিলো। তেজ মঙহেৰে গঢ়া এক শৰীৰৰ। তেওঁৰ টনা টনা চকু, হাঁহো নাহাঁহোকৈ হাঁহি থকা মুখখন, প্ৰথম দেখাৰ মুহূৰ্তত মই তেওঁক

কিমান আকৰ্ষণ কৰিছিলো নাজানো, কিন্তু মোক তেওঁ কেৱল আকৰ্ষণ কৰিছিল। অদ্ভুত আছিল সেই আকৰ্ষণ, মই সকলো পাহৰি গৈছিলো। কেৱল চাই থাকিম যেন তেওঁৰ দুচকুলৈ, পাৰ হৈ যাওক মাহ, বছৰ। বহুদিন সপোনত ঠিক তেনেকুৱা এযোৰ চকুৱে মোক খেদি লৈ ফুৰিছিল। মোৰ আনন্দৰ সীমা নাছিল, সপোনবোৰ যেন বাস্তৱৰ পথত দৌৰিছে।

বাস্তৱ সহজ নাছিল, ক'ৰবাত যেন কিবা এটা থাকি গ'ল। হয়তু সহজেই আছিল সকলোবোৰ। মইহে অসহজ বোধ কৰিবলৈ ধৰিলো। ভাল পায়নে তেওঁ মোক? এই প্ৰশ্নটোৱে বাৰে বাৰে উজুটি খাইছিলো মই। চিৰাচৰিত প্ৰেম-ভালপোৱাৰ উপৰিও মই আন কিবা এটাৰ সন্ধান কৰি ভাগৰি পৰিছিলোঁ তেওঁৰ মাজত। যাৰ কাৰণে মই চিৰদিনৰ বাবে "নৈপৰীয়া দুখ" এটা বুকুত বান্ধি ল'লো।

হৃদয়ৰ মাজত হৃদয়খনক পঢ়িব বিচাৰি দেখিছিলো, অযত্নত মামৰে ধৰা তৰোৱাল এখনৰ দৰে আছিল, অলপমান ধাৰ দিলেই যেন স্বাচ্ছন্দ্য ঘূৰি আহিব। ঢালি দিছিলো হৃদয়ৰ সমস্ত মৰম ভালপোৱা, উজাৰি দিছিলো নিজকে, ইয়াতে ক্ষান্ত নাথাকি মোৰ সেউজীয়া হৃদয়খন তেওঁক দি দিছিলো। "হৃদয়ৰ হাতত হৃদয় সমৰ্পণ"- সঁচা আছিল একেবাৰে সঁচা, মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ কথা আছিল ই, নিজে হৃদয়বিহীন হৈ পৰিছিলো। অথচ তাৰ পাছতো তেওঁ মোক ভাল পাইছিলে নে নাই, সুধিব খুজিও ৰৈ গৈছিলো। স্বাৰ্থপৰতো হ'ব নোৱাৰো মই, ভালপোৱা আদায় কৰিবৰ বাবে দিয়া নাই মই মোৰ হৃদয়, মই ভালপাওঁ কাৰণে দিছো। তেওঁ মোক একোৱে সোধা নাছিল, কেনেকৈবা জীয়াই আছো মই। তেওঁ বাৰু আনৰ হৃদয় লৈ প্ৰেমৰ বিজ্ঞাপন মাৰি ফুৰিছিল নেকি, জনা নাছিলো নহয়। নহয় জানিব খোজা নাছিলো, একোৱে জানিব নোখোজো মাত্ৰ তেওঁ ভালে থাকক। তেওঁক বিচাৰি ফুৰো আশে পাশে ক'ৰবাত চকা-মকাকে কিজানি দেখা পাওঁ। ঘন্টাৰ পাছত ঘন্টা বহি ৰৈছিলো তেওঁৰ প্ৰিয় ঠাইৰ আগত এবাৰ মাত্ৰ এবাৰ তেওঁক দেখা পোৱাৰ ইচ্ছাত। কি নাম বাৰু এই ইচ্ছাৰ, তেওঁকটো লগ পাবলে বিচৰা নাছিলো কোনোদিন, মাত্ৰ চাব খুজিছিলো তেওঁক। ক্ৰমে নীলা হ'বলে আৰম্ভ কৰিছিল হালধীয়া পোচাক পিন্ধা সেউজীয়া ছোৱালীজনী, তাই যে জন্মৰ পৰা সেউজীয়া আছিল। জীৱনক জ্যামিতিৰ পাতত ভৰাইও জোখ-মাখ কৰি চাওঁ। ক'ত ভুল হ'ল মোৰ, কিয় এনেকুৱা হ'ল উত্তৰ নাই, উত্তৰ নাই মাথোঁ মৌনতাত নিশ্চুপ হৈ পৰা এজাক বিষণ্ণতাৰ কলৰোল।

কি বিচাৰে মানুহে নিজৰ জীৱনৰ পৰা? এইটো উপলব্ধি কৰিব পৰাটোৱে মানুহৰ বাবে ডাঙৰ কথা। এজন লৰাই বিচাৰেনে তেওঁৰ প্ৰেমিকাক, কেতিয়াবা মাক কেতিয়াবা ভগ্নী আৰু কেতিয়াবা বন্ধু হিচাপে। হয়তু নিবিচাৰে। মই বিচাৰো মোৰ হৃদয় কোনো কোনো মুহূৰ্তত যেনে- জীৱনৰ বিশ্লেষণ, উপলব্ধি ধেমেলীয়া আড্ডা এইবোৰৰ লগৰীয়া হওঁক মোৰ শ্ৰেষ্ঠ বন্ধু হিচাপে আৰু সময় সাপেক্ষে সকলো যাৰ আশ্ৰয়ত মুৰ থৈ আগবাটি যাব পাৰি কেৱল আগবাঢ়ি যাব পাৰি। য'ত ইজন সিজনৰ বাবে সৃষ্টি বুলি দাবী কৰিব পাৰো। " ভালে আছানে, কুশলে থাকিব, মই আছো তোমাৰ কাষত, আগবাঢ়ি যোৱা।" - এই কথা শুনাৰ হেঁপাহতে ৰৈ আছো, ৰৈ থাকিম অনাদি অনন্তকাল।

মোৰ হৃদয়, মোৰ হৃদয়, হৃদয়হীনাৰ ই এক বিজ্ঞাপন, ক'ত আছা তুমি, কুশলে থাকা। মোৰ মৰম, ভালপোৱা আৰু আশীৰ্বাদৰ কাজলি ভৰাই-তোমাৰ সুখ আৰু সমৃদ্ধি বিচাৰিছো। মোৰ প্ৰাৰ্থনাৰ কোলাত সাৰ পাই উঠক তোমাৰ সপোনে,-ভালদৰে থাকিবা।

**কুইজ**

✍ " Happy Birthday to you" গীতটো কাৰ ৰচনা?
- ১৯৩৬ চনত এই গীতটো ৰচনা কৰিছিল ডিলডাৰ্ড পেটিহিলে।

✍ পৃথিৱীৰ উচ্চতম হোটেল ক'ত আছে?
- চীনদেশৰ চাংহাইত। The Grand Hayat Sanghai নামৰ এই হোটেলৰ উচ্চতা ৪২১ মিটাৰ

✍ বিশ্বৰ আটাইতকৈ ওখ মানুহজন কোন?
- মহম্মদ আলম চান্না(পাকিস্তান)। ৮ ফুট ৫ ইঞ্চি উচ্চতাৰ এই মানুহজনৰ জন্ম ১৯৫৪ চনত।

সংগ্ৰাহক- ফুলদ্বীপ হাজৰিকা





# কবিতাৰ কৰাল

## শিৰোনামত আই

মুনমী গগৈ
উঃ মাঃ দ্বিতীয় বৰ্ষ
কলা শাখা



আই ... !
তোৰ মুখেৰে নিগৰি অহা
স্বপ্নিল ভাষাৰ মাদকতাত,
মোৰ আজন্মৰ নিৰ্ঘাত কিছুমান সত্যক!
যাক মই সঞ্চিত কৰোঁ
মোৰ হৃদয়ৰ সোঁৱৰণীৰ দস্তাবেজত।
নৈশব্দৰ মায়াজাল ফালি,
যেতিয়া বৈ যায় তোৰ সেই
মুখৰ মৰমলগা এটি এটি স্তৱক
তেতিয়া সাৰ পাই উঠে কবিতা...।
স্বপ্নাতুৰ জোনাক নিশাৰ
টোপ্, টোপ্ নিয়ৰৰ... ,
হৃদয় বিদাৰক বেদনাবোৰত
ক্ষত বিক্ষত হয় ধৰিত্ৰীৰ কোমল হৃদয়,
অমাৰস্যাক প্ৰশ্ৰয় দিয়ে চন্দ্ৰাৱলীয়ে।
আৰু মই!!
মইও প্ৰশ্ৰয় দিওঁ বেদনাক,
প্ৰশ্ৰয় দিওঁ অপ্ৰকাশিত দুখৰ বৰযুণক
যিজাক বৰযুণে,
মোক জীয়াই থকাৰ প্ৰেৰণা দিয়ে
প্ৰেৰণা দিয়ে কবিতাৰ সৈতে
মিতিৰালি কৰাৰ...।

## বিষাদ

ৰাতুল দত্ত
উঃ মাঃ দ্বিতীয় বৰ্ষ
কলা শাখা

নিদ্ৰাভৰা এই ৰজনীত মই ৰচিছো উজাগৰী সপোন
তুমি যেন আহিছা মোৰ হৃদয়ৰ উপত্যকালৈ
বৰ্ষাসিক্ত এটি নিবিড় পুৱাত....
কিমান আৰু ক্ষণ গণিম দিবাস্বপ্ন দেখি দেখি
মোৰ বুকুত জ্বলিব ধৰিছে মৰিশালীৰ জুই
মোৰ বুকুৰ পৰা নিগৰি অহা জোলোকা জোলোকা তেজত
তুমি যেন ভটিয়নীৰ পাল তৰিছা.......
মোৰ হৃদয়ৰ সেউজীয়া মৰমবোৰ হৈ পৰিছে মোৰ সমস্ত ভালপোৱা
গছবোৰ হালধীয়া হৈ পৰিছে, নদীখনো ৰক্তাক্ত হৈ পৰিছে
আৰু মোৰ বুকুত লাগিছে ফাগুণৰ বনজুই!!!
তুমি, তুমি বিশ্বাসী নাছিলা
বিশ্বাসীৰ ভাও দি দি
মোৰ হৃদয়ত খেলি গ'লা জুইৰ খেলা।
অৱশেষত,
চুই চাব বিচাৰিলা মোৰ হৃদয়ৰ সুৰুয়টো
বান্ধি লৈ দুখন কাগজৰ পাখি.......।
আজি মোৰ পদুলিৰ কৃষ্ণচূড়া জোপাই অনুভৱ কৰিছে
তোমাৰ শূন্যতা, তোমাৰ হাতৰ লাহী পৰশ
আৰু অনুভৱ কৰিছে তোমাৰ জীৱন্ত সত্তা
কাৰণ তুমি আজি মোৰ বাবে হৈ পৰিছা
এটুকুৰা কঠিন শিলা!

## মনত পৰে তোমালৈ ....

দ্বীপজ্যোতি বৰু
উঃ মাঃ ২য় ব
বিজ্ঞান শা

আহিছিলা তুমি অচিন কোনোবা হৈ
হৃদয়ত সিঁচি দিলা মৰম
অতি আপোন হৈ।

কি যে মধুৰ সেই পল, সেই ক্ষণ
তুমি যেতিয়া আছিলা মোৰ নিচেই কাষত
বিচাৰি পাইছিলো মোৰ সকলো
তোমাৰ ওচৰত
আহ! সুখৰ যেন এক অবিৰত প্লাৱন ...।
বিষাদ আৰু কৰুণতাৰ মাজতো
মই বিচাৰি পাইছিলো তোমাক।

আৰু এতিয়া
এতিয়া যেন সময়ে সেই কথা নোসোঁৰৰায়
ভাঙিবানে তুমি?
বিষাদিত,
মোৰ হৃদয়ৰ নিৰ্জনতাৰ কোলাহল
এবুকু ক'লা ডাৱৰৰ বাট নেওচি
দিবানে মোক সঁচা মৰম?
তাৰ কামনাৰে ......




## তেওঁ মোৰ পিতাই

মণিপ্ৰসাদ পেগু
স্নাতক দ্বিতীয় বৰ্ষ
ৰাজনীতি বিভাগ

তেওঁ মোৰ পিতাই, যাৰ সৰল হাঁহিত উজ্জ্বলে
জীৱন প্ৰশস্ত কৰাৰ পথ,
তেওঁ মোৰ পিতাই
যাৰ বুকুৰ সমগ্ৰতাত জীৱন অম্লান
জীৱন মৃত্যুৰ সন্ধিক্ষণতো(?)

তেওঁ মোৰ পিতাই
যি প্ৰথম কুকুৰা ডাকতে
কান্ধত নাঙল যুঁৱলি আৰু হাতত এচাৰি লৈ
নিঃসংগ পথাৰত সংগী হৈ গৰুহালৰ
আৰু পৰম তৃপ্তিত পঁইতা ভাত এবাটিৰে
ভাগৰুৱা দেহাক উদ্যমী কৰে উভলি মূৰত;

তেওঁ মোৰ পিতাই
যি গাখীৰতী ধানৰ ঠোক দেখি
হৃদয়ৰ অটল তলিত
খান্দি উলিয়াই ঐনিতম, আৰু
সন্ধিয়া আপঙৰ বাতিত চুমুক দি
পীৰাত পথাৰখনৰ মানচিত্ৰ আঁকে।






ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

## বিচ্ছেদ ঃ এচমকা কলীয়া ডাৱৰ

জুহি বৰুৱা
উঃ মাঃ দ্বিতীয় বৰ্ষ
কলা শাখা

মই তোমাক
যোৱা দেখিছিলো
বান অহাৰ পৰত
অবিশ্বাসৰ পকনীয়াত তুমি
উটি-ভাঁহি গৈ আছিলা।
তোমাৰ সেই অভিমানে
মোৰ জীপাল যৌৱন
ধূসৰ মৰুভূমিৰ দৰে নিৰ্জন কৰি পেলালে।
যাৰ বাবে
মোৰ হৃদয়ত ফুলি উঠা
মৰমৰ পাপৰিবোৰে
হৃদয়তে আত্মহত্যা কৰে,
বিকট চিঞৰ মাৰি মোৰ
কলিজা ক'লা পেলাই যায়।
অনন্ত আবেগক মোৰ দুখবোৰে
ভৰপক্ দিয়ে
তুমি ঘুৰি নহাৰ ভয়তে
মোৰ বিষাদৰ বৰফ টুকুৰা গলে
সেমেকি উঠে মোৰ
শিতানৰে গাৰু.......





## এখন ভগ্ন হৃদয়ৰ আৰ্তনাদ

জেচমিন গগৈ
উঃ মাঃ দ্বিতীয় বৰ্ষ
কলা শাখা

মোৰ হাতত এখন চিঠি আছে।
চিঠিখন ভগৱানলৈ লিখা।
ৰংমনে লিখিছে......
সেই যে, বহাগতে উৰুখা হোৱা বাঁহনি তলৰ ঘৰটো
বহুদিন হ'ল, পোষ্ট কৰিম বুলি বেগত ভাঁজ কৰি লৈ ফুৰা
সেই চিঠিয়েই নহয়!
লুণীয়া চকুপানীৰে লিখা এটা বিচ্ছেদৰ পৃষ্ঠাও।
তাত লিখিছে.........
সাগৰখনৰো তৃষ্ণা লাগে নেকি?
যাৰ বাবে চুনামি আহে।
নিমিষতে কোলাহলবোৰ নিৰ্জনতাৰ গহ্বৰত
সোমাই থব পাৰে।
কিহৰ বাবে জন্ম হৈয়ে কোলাৰ সলনি ডাষ্টবিনত
এমুঠি আহাৰৰ বাবে বেশ্যা হ'ব লাগে।
আল্লা, ভগৱান, গ'ডবোৰ ক'ত শুই থাকে
নুশুনে নেকি? মাজনিশা চিঞৰবোৰ কাকুতিৰ নৈ হোৱা।
ৰংমনে দুখেৰে লিখিছে,
এইবাৰ মথাউৰি ভঙা উন্মাদ বাঢ়নী পানীজাকে,
খেতি ডৰাও লৈ গ'ল
ভাইটিটোও অঘৰী হ'ল
কিয় বাৰু এনে হয়?
কবিতাৰ স্তৱকৰ দৰে সলনি হয় জীৱন।
জীৱনৰ ক'ত ৰূপ দেখিছে
মমতা ভৰা মুখখনি শুকাই যোৱা
ধুমুহাই ভাঙি নিয়া পঁজা,
আৰু চাব নোৱাৰে।
সেয়েহে সি লিখিছে.....

## সুৰ

অংচুমী শইকীয়া
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা

আশা আৰু অভিলাষৰ সুৰ এই কৃষ্ণৰ
গোপিনী হাতৰ কঙ্কন আৰু নিশাৰ তৃষ্ণাৰ
এক-চিৰন্তন ৰাগ।
যমুনাৰ পাৰৰ জোনাক নিশাত কদমৰ আঁৰে আঁৰে
বাঁহীত ফুঁ নিদিবি কানাই
উতলা মন আৰু বুকুত জগাই হাঁহাকাৰ
জিলিৰ মাতত উকখা আকাশ তলত
মায়াবী প্ৰিয়তম তাই।
ক'তো নাই, ক'তো যে বিচাৰি নাপাই
ব্ৰজবালাৰ মধুৰ নিশাই প্ৰশ্ন
কৰে আজিও যমুনাক।
কৃষ্ণাৰ-কোনখন জগতৰ দাতা তই
কদম তলত ৰোহ গৈ থাকি যোৱা
তাইৰ অতৃপ্ত হৃদয়।
কান্দি থাকে আজিও শৰতৰ নিশাক
বাঁহীৰ কৰুণ সুৰ হৈ।

## চকুলোৰ কবিতা

ৰুবী গগৈ
স্নাতক ৩য় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

চকুৰ পানীৰে লিখিব পাৰি জানো কবিতা?
চকুৰ পানীবোৰ যে-
শেষ হৈ গৈছে গলি গলি।
তুমি যিদিনা আহিছিলা
মোৰ মন বননিলৈ, সংগোপনে;
ভাবিছিলো থাকি যাবা তুমি!
মন বননিত তেতিয়া বসন্তৰ সুবাস।
মোৰ মনৰ নিভৃত নৈখন গৰ্ভৱতী হৈ পৰিছিল
আনিবলৈ লৈছিল প্লাৱন,
পাৰৰ কহুৱা-বিৰিণাই
হালি-জালি নাচিছিল;
আৰু কঢ়িয়াই আনিছিল
সুখ-শান্তি, ক'ত যে ৰঙীণ সপোন!
কিন্তু আঃ এইয়া কি..?
তুমি যে আঁতৰি গ'লা
হৈ আন কাৰোবাৰ,
মোৰ অজানিতেই;
তোমাক যে কোৱাই নহ'ল
(তুমি যে মোৰ বুকুৰ সুবাস)।
আজি আৰু নাই সেই অতীতৰ
মধুৰ সুখানুভূতি।
মন নদীখন যে তেনেই শুকাই-খীনাই
শেষ হৈ গৈছে
যিদৰে শেষ হৈ গৈছে
মোৰ সিক্ত চকুলোবোৰ।
চকুৰ পানীৰে বাৰু কেনেকৈ লিখোঁ?
(তোমাৰ স্মৃতিত) এটি কবিতা???







চকুৰাখনা মহাবিদ্যালয় আলোচনী


## এটা দুখৰ পদ্য

দিগন্ত ভূঞা
উঃ মাঃ দ্বিতীয় বৰ্ষ
কলা শাখা

বহুদিনৰ পৰাই দুখবোৰ উকমুকাই আছে
দুখবোৰ আনৰ হৃদয়লৈ
বোৱাই দিব পৰাকৈ
কোনেও যে লৈ ফুৰা নাই
তেনে এখন হৃদয়।
কাৰ স'তে ক'ত বিনিময় কৰোঁ
দুখৰ একোটি পদ্য?
'সুখ' (?) কিনি ল'ব জনা মানুহৰ মুখত
ফুটিব জানো দুখৰ পদ্য!
এতিয়া যে বিধ্বস্ততাৰ আবেশ
শেষনিশা বানত উটি গ'ল
শ্ৰমজীৱী কৃষকৰ কপালৰ ঘাম, কলিজাৰ তেজ;
মানুহৰ মনবোৰ জড়তাৰ আস্তৰণে
আড়স্ত কৰিলে।
এতিয়া যে কঙাল সকলোতে,
জীৱনৰ ৰঙীণ সপোনৰ বেতস থলীত
সেউজীয়াবোৰে হাঁহাকাৰ কৰি ফুৰিছে।
কবাল মধ্য আন্ধাৰ কিছুমানে সৰ্পিল ভংগীত
কুটি কুটি খাইছে
কুমলীয়া সপোনৰ কোঁহ
দুখে শিপা মেলি থকা হৃদয়বোৰে
হাঁহাকাৰ কৰি উঠিছে;
বানৰ কোবাল সোঁতত উটি গৈছে
পেটৰ ভোক, বুকুৰ বাসনা;
লাহে লাহে তল পৰিছে জীৱনৰ মোহ।
এৰা, বানে ভাঙি দিলে কঙালৰ কঁকাল
আছে মাথো পেটৰ গামোছা।

## এখন মেঘবিহীন আকাশ

পুষ্পাঞ্জলী হাজৰিকা
উঃ মাঃ দ্বিতীয় বৰ্ষ
কলা শাখা



তেওঁ গৈছিলগৈ
সূৰ্যাস্তৰ সোণালী আকাশ লগত লৈ
আৰু লৈ গ'ল
মোৰ সৰলতা, কোমলতা
মোৰ স্বপ্নাতুৰ ভাৱনা
আৰু জীয়াই থকাৰ প্ৰবল স্পৃহা।
তেওঁৰ নিষ্পাপ দুচকুৰ আকুলতাই
একুৰা বনপোৰা জুই
আলফুলে গুজি দিছিল
মোৰ সেউজীয়া হৃদয়ৰ উপত্যকাত।
অসংলগ্ন বহুতো ভাৱনাই
জুমুৰি দি ধৰিছিল তেওঁক, আৰু
বুকু ফাটি ওলাই আহিব খোজা তীব্ৰ আৰ্তনাদটো
সজোৰে ঠেলি পঠিয়াইছিল বুকুৰ এটা নিৰ্জন কোণলৈ।
মই শুনিছিলো
তেওঁ ক্লান্ত খোজৰ শব্দ
প্ৰতিটো খোজত এৰি থৈ গৈছিল
মোৰ প্ৰতি থকা আছন্ন ক্ষোভ আৰু
স্বপ্নভংগৰ সৰু সৰু টুকুৰা।
মই প্ৰথম বাৰৰ বাবে অনুভৱ কৰিছিলো
শাওণৰ বৰষুণ
শীতৰ আগমন
হেৰুওৱাৰ বেদনা
আৰু কিছু দুখবোধ...
এক মৃন্ময় মূৰ্তিলৈ ৰূপান্তৰ হৈছিল মোৰ নশ্বৰ দেহ।
ক্ষন্তেকলৈ হেৰাই গৈছিল মোৰ শ্বাস-প্ৰশ্বাস
মাথো থৰ লাগি চাই ৰৈছিল মোৰ দুচকুৱে
শূণ্যতে হেৰাই যোৱা তেওঁৰ পৱিত্ৰ দেহ।
টোপনিৰ পৰা সাৰ পাইছিল যেন মোৰ দুচকু আৰু
এইমাত্ৰ ভূমিষ্ঠ হোৱা এটি শিশুৰ দৰেই
কান্দি উঠিছিল সি
সজল চকুযুৰিয়ে চাই পঠিয়াইছিল মেঘাছন্ন আকাশলৈ
আৰু ভিক্ষা কৰিছিল
এখন মেঘবিহীন আকাশ।

কবিতাৰ কথা

## গুছি গৈছে সময়বোৰ

বীণাপাণি বৰুৱা
স্নাতক তৃতীয় বৰ্ষ

সেয়া বতাহে কঢ়িয়াই
আনিছে জোনৰ শীতল পোহৰত
দুঃসময়ৰ দুঃস্বপ্ন

তাৰ মাজতে কঁপি আছে
নিঠৰ নিঠৰ নিঃশব্দৰ কংকাল কিছুমান

প্ৰতিবাদ আজি প্ৰতীক্ষাত
বতাহত নাহে উৰি ৰজনীগন্ধাৰ
সুবাস, গধুলি গোলাপ নুফুলে
কলিজাত....

গুছি গৈছে জীৱনবোৰ
গুছি গৈছে সময়বোৰ....।।




## এবটল সুৰাৰ সলনি

ময়ূৰ কৃষ্ণ বৰ
স্নাতক ১ম ব
ৰাজনীতি বিজ্ঞান বিভা

এবটল সুৰাৰ দৰে কবিতাও এটি নিচা...
সঁচাই মিছাই কল্পনাৰ সাগৰত দেওদি ফুৰা...
কবিতাৰ পৰা সুৰা, সুৰাৰ পৰা কবিতা
একেই নিচা... তদ্ৰূপ মাদকতা...।
সুৰামত্তজনে বিচৰণ কৰে
এখন অৱচেতন জগতত
য'ত ...
তেওঁৰ স'তে পৰাজয়ে মোকাবিলা কৰে...
ক্ষণিক যন্ত্ৰণাৰ অৱসান ঘটে, দীনতাৰ কবৰস্থ হয়।
আৰু... সেই নিচাৰ বাসৰাজ্যত
তেওঁ হয় মোগলসম্ৰাট...
আহ! কি তাৰ নিচা ...!!
আৰু এজন কবিয়ে...
পৃথিৱীৰ বোজা লৈ আকাশলৈ উৰা মাৰে।
ফুল, তৰা, গানৰ ব্যঞ্জনাৰে
মৰতত সৰগ ৰচিব খোজে,
দুখ, বেদনা, দীনতা, অসমৰ্থতা
আদিৰ ৰূপান্তৰণে অনুভূতিৰ কঁৰিয়া বুটলে...।
তেনে সুৰা আৰু কবিতাৰ, ইমান মিলামিছা...!!
পাৰ্থক্য ইমানেই...
এজনে অনুভূতিৰ সফুঁৰা মেলে
আৰু আনজনে সুৰাৰ বটল খোলে!!
যেতিয়া সুৰামত্তজন খালত পৰে
দেহে কাঁইটৰ প্ৰেমত পৰে।
বিৰহৰ জ্বালাত হৃদয় পোৰে...!!!
চোৰা, একেই সুৰা... একেই কবিতা...।
কিন্তু...।
কবিয়ে সুৰাও খাব পাৰে
তেনে আহাচোন
আজি সুৰাৰ সলনি
হৃদয়ত লাগি যোৱাকৈ
এবুকু কবিতাকে খাই চোৱা।।





কবিতাৰ কথা

## তোমাক ভালপোৱাৰ বাবেই

পিংকী বৰুৱা
স্নাতক ১ম বৰ্ষ
অসমীয়া বিভাগ

তোমাক ভালপাওঁ
সেই বাবেই তোমাৰ বুকুত মই গইনা লওঁ,
তোমাৰ নিষ্পাপ হৃদয়ত বিচাৰি পাওঁ
মোৰ যাযাবৰী স্বপ্নৰ সকলো ঠিকনা।
মই তোমাক দিব বিচাৰোঁ।
মৰম আৰু
এমুঠি বিশ্বাস
সেই নিষ্পাপ উপহাৰ কেৱল।
তোমাক ভালপোৱাৰ বাবেহে
মোৰ পৰা কিবা পাইছা নাই
সেইটো মই নাজানো।
মোৰ এই ধুৰুপ ভালপোৱাক
তোমাৰ বিশ্বাস হয়নে নহয় সেইটোও
মই নাজানো।
তোমাৰ হৃদয়ত বিচাৰি পাওঁ
মৰমৰ মূৰ্চনাত জাহ যোৱা মোৰ
সেই ঠিকনা মাথোঁ।
মোৰ অপৈণত মৰমক উজ্জীৱিত কৰি
উদ্বেলিত কৰিলা তুমি
জীৱন নাটৰ লগৰীয়া তুমি
মোৰ প্ৰতিটো নাড়ী স্পন্দনত
মাথোঁ বাজি বয়
তোমাক ভালপোৱাৰ
গুন্‌গুণু নূপুৰৰ মিঠা ধ্বনি।



## আৰু কিমান দিন...

চুমি বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ
প্ৰাণীবিজ্ঞান বিভাগ



বহুতদিন হ'ল জোনাক ফুলা নাই বুকুত,
তৰাবোৰেও হঁহা নাই
মাথো আবেগবোৰ টোপাটোপে সৰিছে।
বেদনাক সাৰটি নিশাবোৰ আহে,
হৃদয় বিচ্ছেদিত আবেগত ৰাতিবোৰে সাৰ পায়!
কিমান দিন এনেকৈ বুকুৰ তেজৰ সোঁতত হতাশাৰ নাও বান্ধিম
প্ৰহৰে প্ৰহৰে হুমুনিয়াহৰ নতুন কবচ পিন্ধিম?
আশাৰ হেচুকনিত সাৰ পোৱা জীৱন উৰ্বৰতাত ঠন ধৰা
হৃদয় সেউজীয়াত কাকতি ফৰিং পৰিল।
ৰিক্ত হৃদয়ৰ ভাৱনা গহ্বৰৰ অনাকাংক্ষিত সপোনবোৰক কিমান
দিন
নিয়তিৰ কুৎসিত দুহাতত সমৰ্পণ কৰিম?
যান্ত্ৰিকতাৰ কৰাল তুলাত কিমান দিন চিৰালফটা
মানসিকতাবোৰক জুখিম?
স্মৃতিৰ খমখমনিত বেদনাৰ গভীৰতা বিপদ সীমাৰ
বহু ওপৰলৈ উঠিল!
এনেকৈয়ে টোকোৰা চৰাইৰ বাঁহবোৰৰ দৰে ওলমি ৰব
অঘোষিত মোৰ জীৱন পঞ্জী
যি জোনাকত তিতিব, এন্ধাৰৰ কঠোৰতাত শুকাব।
স্বপ্নাতুৰ পথিক
আজি অতীতৰ আলহী।
আৰু কিমান দিন এনেকৈ মোৰ বুকুৰ উপত্যকাত
দুখৰ বানে গৰা খহাব?
কিমান দিন এনেকৈ, কিমান দিন আৰু.......???

# কবিতাৰ কবাৰ

## থিয়েটাৰৰ এটি নিশা

ডিম্পী সন্দিকৈ
স্নাতক ১ম বৰ্ষ
অসমীয়া বিভাগ


শৰতৰ এটি গভীৰ নিশা
তৰিছে জোনাকৰ চামিয়ানা
কৃষ্ণচূড়াৰ ৰঙ্গমঞ্চত আজি
হেঙুল থিয়েটাৰ
অভিনেতা দলনি পথাৰৰ সেউজীয়া...
সোণাৰুৰ সাজেৰে মোৰ মন উৰণীয়া
এটি মিঠা সুবাসৰ হেঁচা-ঠেলা
কি ফুল গোন্ধাইছে এইপাহ
শেৱালি ফুলৰে গোন্ধ এইয়া
সেইদিনা নিয়ৰ আহিছিল শেৱালিৰ ঘৰলৈ
বহুদিনৰ অপেক্ষা
সেইবাবে বহু ৰাতিলৈ পাতিছিল সিহঁতে
সোণসেৰীয়া সপোনৰ কথা
কৃষ্ণচূড়াৰ ৰঙ্গমঞ্চত নাহৰৰ ঘোষণা
(আজিৰ নাট-'মৰমে গচকা ফুল')
মোৰ হৃদ-স্পন্দনৰ ৰুদ্ধতা
কোনপাহ ফুল গচকিব এতিয়া
সপোনৰ আলাপত মগ্ন শেৱালিপাহ
নে সেই কাঞ্চন পাহ
নদীৰ পাৰত তুমি মোৰ খোপাত গুজি দিয়া
মোৰ ভাৱনাৰ ফুল নহয় এইপাহ
তেজ-মঙহেৰে প্ৰস্ফুটিত ফুল সেইপাহ
নাম 'চামেলী'।



## ভগ্ন হৃদয়ৰ গুঞ্জন

চয়নিকা বৰা
উঃ মাঃ ২য় বৰ্ষ
কলাশাখা

মৰা তেজেৰে চেকুৰা বন্ধা মোৰ কলিজাৰ দাগবোৰো
ভগ্ন হিয়াৰ অশ্ৰুৰেই ধুই পেলাৰ খোজো
সুখ-দুখৰ তুলা চালনী যোৰ আঁতৰাই
অলপ হাঁহিব খোজো
ভদীয়া বানে ধূসৰ কৰাৰ পাছতো
শতৰ ফটিক স্নিগ্ধতাৰ সন্ধান কৰোঁ
ভাৱনাৰ সাগৰত উঠা জোৱাৰৰ স্পৰ্শত
আবেগবোৰে সাৰ পাই
সপোনে পোখা মেলে।
প্ৰিয়জনৰ সান্নিধ্যত উটি যাব খোজে।
সুখৰ নিজৰাত
আবেগৰ ঢৌত..।
বুকুত মুৰথৈ শুনিব খোজো কলিজাৰ স্পন্দন
ভালপোৱাৰ প্ৰতিধ্বনি,
আবেগৰ অনুৰণন।
চকুত চকুথৈ পঢ়িব খোজো হৃদয়ৰ ভাষা,
চকুত চকুথৈ বুজিব খোজো অনুচ্চশব্দৰ অৰ্থ।।








# কাব্যোপন্যাস

## প্ৰিয় বন্ধুলৈ একলম

শ্ৰী নিতুল চুতীয়া
স্নাতক তৃতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ



মৰমেৰে
মোৰ প্ৰিয় বন্ধুলৈ
অনুভৱৰ সেমেকা বাটেৰে...
মই আৰু মোৰ নিৰৱতাই
প্ৰায়েই কথা পাতো
তুমি আকাশ হোৱাহেঁতেন

কেনে আছা তুমি?
ভালেই ছাগে তোমাৰ
মোৰো ভাল জানা, তুমি থকাহেঁতেন
আৰু ভাল.....

হেল্ল' কোনে ক'লে
মই....
হয় আপুনি কোন বাৰু?
এই নাম্বাৰটোৰ পৰা মিছ্‌কল আহিছিল
অ' হয়নেকি, ছ'ৰি
ভৱিষ্যতে ইয়াৰপৰা আৰু মিছ্‌কল নাযায়।
বেয়া নাপাব হা...

এটি মিছ্‌কলেৰে চিনাকি আমাৰ
আজিৰ পৰা কিমান দিনৰ নো
আমাৰ চিনাকি
মোৰ হ'লে বৰ কিবা লাগে দেই...
তুমি-মই হয়তো অবিবেচক আছিলো
নহ'লেনো, ভাঙিব জানো পাৰে
এটা 'মধুৰ সম্পৰ্ক?

তোমাৰ ছাগে এইবোৰ সাধু যেন লাগে নে

এটা কথা কি জানা
পাৰ্থক্য ইয়াতেই
তোমাৰ আৰু মোৰ মাজত...
তোমাক সুধিম বুলিও, সুধিব পৰা নাছিলো
তুমি বাৰু দেখিছিলানে?
মোৰ বুকুতো আছিল এক ক্ষত
মোৰ কলিজাতে এক দুৰুহ যন্ত্ৰণাই
কুৰুকি আছিল
মোৰ দুচকুতো যে আছিল মৰহা সপোনৰ চেকা।

তেনেস্থলত
আনক সদায় সান্ত্বনাবাণী শুনাব পৰাকৈ
মইতো নীলকণ্ঠ নাছিলো।
মইও তোমাৰ দৰে
এটা তেজ-মঙহৰ মানুহ
আবেগ, আশা আদিত অৱৰুদ্ধ
এটা ব্যস্ত ও সন্ধানী যৌৱন....

অ' তুমিতো নিজকে খুউব বাস্তৱবাদী বুলি ভাবা
আৰু বাস্তৱবাদিতাৰ প্ৰমাণ দিবলৈ
তুমি কোনো কুণ্ঠাবোধ নকৰিছিলা
যিকোনো মিছা মাতিবলৈ
বাস্তৱবাদিতাৰ নামত মিথ্যাবাদিতা
বাহঃ পাতিহাঁহ গছত উঠাৰ নিচিনা
অ' মই তোমাকেই কৈছোঁ...

তুমি কৈছিলা বন্দুক লোৱাৰ কথা
মই কৈছিলো- কলম তুলি লোৱা
হতাশাক প্ৰশ্ৰয় নিদি সাহসেৰে আগবঢ়া
তুমি তোমাৰ কলমেৰে নিগৰাইছিলা
শব্দৰ ব্যঞ্জনা
শব্দৰ ইটাৰে, অনুভৱৰ চিমেন্ট আৰু বালিৰে
তুমি সাজিছিলা কবিতাৰ এটি ঘৰ
"মানুহ মানুহ লগা
মানুহৰ সুগন্ধি থকা
এখনি নিভাঁজ হৃদয়ৰ অপেক্ষাৰত মই।"
বন্ধু, মানুহনো কাক বোলে?
মানুহৰ গোন্ধই বাৰু কেনেকুৱা...?
এই বুলি মই যে তোমাক এছ এম এছ কৰিছিলোঁ।
এই একেটা প্ৰশ্নকে তোমাক সুধিছিলোঁ।
বাৰে বাৰে-
কিন্তু তুমি বাৰু কিয় একো উত্তৰ দিয়া নাছিলা!
নে উত্তৰ তোমাৰ নাছিল?

তুমি সেইদিনা মোৰ ইমপেক্টজোৰ
নৰখাহেঁতেন, হেৰালহেঁতেন হয়তো...
তুমি কিহৰবাবে সেইযোৰ
ইমান সজতনে ৰাখিছিলা
ব্যৱসায়িক মুনাফাৰ হেতুকে
নে?
এজন মানুহৰ মানৱতাৰ খাতিৰত
নে?
এইযোৰ ইমপেক্ট মোৰ মৰমৰ বন্ধুৰ...
না... না... এইয়াজানো সম্ভৱ মোৰ বন্ধু...!!
তুমিনো মোৰ বন্ধু কেনেকৈ হ'বা
কাৰণ এজন মানুহ আৰু এজন অমানুহৰ
মাজত বন্ধুত্ব কেনেকৈ সম্ভৱ!
তাতে মই তোমাক গাধ বুলিও ক'ব নোৱাৰো
ধেমালিকৈ হ'লেও.....
আৰো তাতে আছে বয়সৰ সীমাৰেখা
তুমি ডাঙৰ আৰু মই সৰু....

"অনুভৱৰ সীমাৰেখাডাল চুই চালো।
অসীমতাৰ বাদে একো নাই
এতিয়া মাথো যোগ হ'ল নতুনকৈ
বিষাদ, ব্যৰ্থতা আৰু আত্মবিশ্বাস।"
হয়তো এইবাবেই মই তোমাক হেৰুৱালো
তুমি বাৰু কিয় নাজানিলা...
বন্ধুত্ব সকলোৰে লগত সম্ভৱ
ই নামানে বয়সৰ প্ৰাচীৰ
নামানে জাতি-ধৰ্মৰ কথা....

সেইদিনা আশীৰ্বাদ থিয়েটাৰ চাবলৈ যাওঁতে
মই তোমাক সুৰজ্যোতিৰ বিয়া হোৱাৰ কথা ক'লো-
ক'লো তাইৰ মানুহজনে ডিফেন্সত কৰে
তুমি হঠাৎ মোক সুঁকীয়াই দিলা
মানুহজন নহয় ল'ৰাজন!!!
আৰু মই সুধিলো কিয়...?
তুমি ক'লা নাই (?) এনেয়ে
মই আচৰিত হৈছিলো
তোমাৰ কথা শুনি
তাতোতকৈ অধিক আচৰিত হৈছিলো
তুমিও যে এনেয়ে কথা কোৱা বুলি জানি!!
'সোনালী সূতাৰ সাকোঁ' চলি আছিল মঞ্চত
গেলাৰীত বহি থিয়েটাৰ চোৱাৰ প্ৰথম অনুভূতিত
পুলকিত হৈ মই তোমালৈ চাইছিলো
কিয় জানো তেতিয়া তোমাক মোৰ বৰ আপোন যেন
লাগিছিল।
'সূৰ্য মেডিকেল'ৰ ল'ৰা দুটাৰ উৎপাত
মোৰ কিৰিলি
আমাৰ আগত বহা মানুহকেইজনৰ অশ্লীল
কথা-বতৰা
তপনৰ চিগাৰেটৰ ধোঁৱা






আৰু তোমাৰ সবলতাত
আমি উভতিছিলো থিয়েটাৰ শেষ কৰি ঘৰলৈ...
মই তোমাক আমাৰ ঘৰত থাকিবলৈ ক'লো
তুমি ভাবিলা মই তোমাক পুতৌ দেখুৱাইছো বুলি
তুমি নাথাকিলা
কিন্তু তুমি তোমাৰ জ্যেষ্ঠতমৰ কৰ্তব্য পালন কৰিছিলা
সুকলমে...
তুমি মোক ঘৰত থৈ গ'লাগৈ
তুমি নাথাকো বুলি কোৱাত মই জ্বলি গৈছিলো
তোমাক খেদি দিলো আমাৰ ঘৰৰ পৰা
আনকি চাইকেল থ'বলৈও নিদিলোঁ...
তুমি গুচি গ'লা আৰু মই জ্বলি জ্বলি থাকিলো
কটালো এটা উজাগৰী নিশা...
পাছত গমপালো তোমাৰ মুখেৰে
তুমি সেইদিনা জামুগুৰিলৈ ঘূৰি গ'লা...
তুমি আচৰিত হৈছিলা, অস্বস্তি অনুভৱ কৰিছিলা।
মোৰ এই চেলাপেটি জোকৰ দৰে
পাছে পাছে লাগি ফুৰা স্বভাৱটোত
যদিওবা মনে মনে তুমি মোক
মোতকৈও বেছি ভাল পাইছিলা....
তোমাৰ ব্যস্ততাপূৰ্ণ জীৱনত
মোৰবাবে খুউব কম সময় আছিল
তোমাৰ
মই যে ইয়াৰ বাবে কিমান ক্ষোভ-অভিমান
কৰিছিলো
কিন্তু বুজিব পৰা নাছিলো
তোমাৰ ব্যস্ততাখিনিক

তুলসী মালা লাগে বুলি নাজান
বুৰ্বক..........
মই গালি পাৰিছিলো ৰাস-পূৰ্ণিমাৰ দিনাখন
তুমি সেইদিনা বসুদেৱৰ ৰ'ল কৰিছিলা
মই আৰু পলাশে তোমালৈ তুলসীৰ মালা
আনিছিলো.....
মই তোমালৈ চাই হাঁহিছিলো
আৰু তুমিও হাঁহিছিলা লগতে
কৈছিলা..... পোৱালি....!
লাহে লাহে আমাৰ মাজত পাৰ্থক্য কমি
আহিছিল.....
তুমিৰ পৰা তই হ'ল
তুমি আচৰিত হৈছিলা
মোৰ ন' প্ৰব্লেম কথাবোৰ শুনি
আৰু আক্ষেপ কৰিছিলা যে
এইয়া হ'বই নোৱাৰে
প্ৰব্লেম সকলোৰে থাকে আৰু
পোৱালি তোৰো আছে.....
কথা এটাই, তই সদায় সেইবোৰৰ লগত
অকলশৰে যুঁজিব বিচাৰ....
কিন্তু এইয়া জানো ভাল, পোৱালি?
তই মোৰ সকলো জান'
সদায় ওচৰত ছাঁৰ দৰে লাগি মোক সহায় কৰ"।
কিন্তু তইতো তোৰ বিষয়ে মোক...
মই হাঁহিছিলো তোমাৰ কথাশুনি
আৰু তোমাক একেটা কথাকে পুনৰ কৈছিলো-
মোৰ একো প্ৰব্লেম নাই!
তুমি মানি ল'ব পৰা নাছিলা
মোৰ এই কথাটো
হয়তো এইক্ষেত্ৰতেই থাকি গ'ল
আমাৰ অকণমান অবিশ্বাস....

লাহে লাহে এনেদৰে পাৰ হৈ গ'ল সময়বোৰ
সময়ৰ সোঁতত, পৰিৱৰ্তনশীল জীৱনত
তুমিও সলনি হ'লা তোমাৰ পৰা
তোমাৰ পৰিৱৰ্তনময় জীৱনত
মোৰবাবে সময় আগতকৈও নাটনি হ'ল...
আৰু মই একেদৰে থাকিলো
সেই আগৰ ক্ষীণকায়, চকু গাঁতত সোমোৱা
জিৱ' পাৱাৰ ইমপেক্ট পিন্ধা জোনাক
আৰু আজিৰ জোনাক
পাৰ্থক্যটো একোৱেই নাই....!
কিন্তু এইয়া সম্পূৰ্ণ সঁচাটো নহয়
জোনাকো সলনি হৈছিল
স্বভাৱগত ভাবে সি নেদেখুৱাকৈ থৈ দিছিল
তুমিটো অন্ততঃ ধৰিব পাৰিব লাগিছিল
তুমি এনেদৰে বহু কথাই ধৰিব পৰা নাছিলা

জোনাকে এতিয়া আগৰদৰে আৰু নাহাঁহে
সি কি কয় জানা - এতিয়াহে সি জীৱনটোক জীৱন
হিচাপে ল'ব পাৰিছে
তথাপিও সি কেতিয়াবা কেতিয়াবা
অকলশৰে খুউব কান্দে জানা
তোমাৰ কথা ভাবি-
তুমি তাক কিয় একোকে
সঁচা নক'লা.....
জোনাকে ভাবিব পৰা হ'ল
বিচাৰিলেই সকলো নাপায়
আৰু নোপোৱাটোৰেই আমি জীয়াই থকা
জীৱনৰ বৈশিষ্ট্য।
তোমাক নোপোৱাৰ পাছতো
মই ভালদৰে জীয়াই থকা নাই বুলি নাভাবিবা
মই বুজিব পাৰো-
নোপোৱাবোৰক লৈ দুখ কৰি লাভ নাই
যি পোৱা যায় তাকে লৈ জীয়াই থকাটো ভাল।
ঘিউৰে মোক এইদৰেই কৈছিল...।
আৰু মিউৰে মোক কৈছিল-
"বন্ধু, সপোন এনেকুৱাই
দুখেৰে সুখক নিচুকাই।"
আৰু কৈছিল- তই মোৰ বন্ধু, আজীৱন বন্ধু
হাঁহ, হাঁহিবলৈ শিক, সকলো ঠিক হৈ যাব।
পিউৰে মোক কৈছিল-
পূৰ্ণিমাৰ জোনাকখিনি যিদৰে সত্য
অমাৱস্যাৰ আন্ধাৰখিনিও সত্য
ঠিকেই মই পূৰ্ণিমাৰ জোনাকখিনি দেখি
পাহৰি গৈছিলো
অমাৱস্যাৰ ঘোৰ তিমিৰাচ্ছন্ন অন্ধকাৰখিনি....
পাহৰি আছিলো
চন্দ্ৰৰ গাতো অসংখ্য ক'লা দাগ আছে!
জানানে, মোৰ এফাঁকিকবিতা মনত পৰিছে-
"The woods are lovely, dark and deep
But I have promises to keep
And miles to go before I sleep
And miles to go before I sleep."
তুমি নাভাবিবা মই হাৰি গৈছো বুলি



তুমিযে কোৱা - "failer is the pillar of success."
সেইবাবে মই কোনোদিন হাৰ নামানো।
তাতে এতিয়া মই অকলশৰীয়া নহয়
মোৰ ওচৰত আছে- এপাট ব্ৰহ্মাস্ত্ৰ
যিপাট ব্ৰহ্মাস্ত্ৰ তৈয়াৰ হৈছে
ঘিউ-মিউ-পিউৰ অকৃত্ৰিম পবিত্ৰ স্নেহসনা
মৰমেৰে.....
যি মোৰ সমস্ত শক্তি।
তুমি মোৰ সাৰথিৰ প্ৰথম সন্তান আছিলা
সেই হেতু তোমাক পাহৰাটো মোৰ বাবে নহ'ব
কেতিয়াও
আৰু তুমিটো জানাই
"এটা মুহূৰ্ত হ'লেও যি মোৰ লগত বিনিময় কৰে
সুখ অথবা দুখৰ বৰ্ণমালা
যি মোক একান্ত আন্তৰিকতাৰে জুমি জুমি চাই
যি সুৰদী কণ্ঠস্বৰে মোৰ পৰাণ জুৰায়
যাৰ স্মৃতিত উদ্বেলিত হয় মোৰ মন
মই কোনো দিনে উদযাপন কৰিব নোখোজো
সেইসকলৰ বাবে পাহৰনি উৎসৱ....।"
শেষত তোমাক মই ক'ম-
সপোন বচাৰ মুহূৰ্তটোৰ
খু-দুৱনি
আৰু
সপোন ভঙাৰ মুহূৰ্তটোৰ চট্‌ফট্‌নিক
তুলনা কৰি চাবাচোন
বিয়েলি ভাই তুমি বহুত সুখী হ'বা।
এক প্ৰবল সুখৰ আগমনৰ বতৰাই
মোৰ কাণে কাণে যেন
ফুচফুচাই কৈছে....
"হেই, লেটচ্ চেলিব্ৰেট যাৱ।"

*(লেখনিত মই ব্যৱহাৰ কৰা কবিতাৰ পংক্তিৰ কবি Robert Frost আৰু উজ্জ্বল পাওগামৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে)*
*(উৎসৰ্গা - Big Brother ৰ হাতত)*





# লিমাৰিক

নন্দ চুতীয়া

(১)

বুজিবাচোন আইজনীৰ মাক
ৰজাই ভাল দেখে যাক
ভেটিও নেলাগে তাক
(সেয়ে) চহকীয়েও পাই আক
বিপিএল চাউলৰ কাৰ্ড

(২)

অ ভন্টি চলাহী
কথা এষাৰ শুনাহি
আহি আছে নিৰ্বাচন
নকৰিবা বৰ্জন
আঠুৱা কম্বল বিলাব সাদৰেৰে ল'বাহি

(৩)

নাচি দিয়া নাচনী
চৰকাৰী আঁচনি
নহ'বাচোন আজলী
লোৱাচোন বুজনি
অযোগ্যজনো শিক্ষক হয় শিক্ষা বৰ্ডৰ বাছনি

(৪)

অ হৰি ৰাম বোলা জয়
ভকত বান্ধৱে বুজাই কয়
বোৰেল এৰিয়া পথ হয়
হাতীমূৰীয়া শিল গুটি ঢালিলেও হয়
কৈ দিলে হ'ল ইয়াকে চেগু গ্ৰেভেল বুলি কয়।

(৫)

চৌ মইনা চৌ
নেকান্দিবা দৌ
যদিও পেটত নাই ভাত
কপালত যদিও হাত
মন্ত্ৰীয়ে দিছে আশ্বাসবাণী তাকে খাবা দৌ।

# ENGLISH SECTION (Article)

## INDIRA GANDHI NATIONAL OPEN UNIVERSITY (IGNOU)'S PROGRAMMES UNDER CONVERGENCE SCHEME AT DHAKUAKHANA COLLEGE

**Jamini Kumar Saikia**
**Lecturer, Dept. of English**
**Dhakuakhana College**

The Indira Gandhi National Open University, established by an act of Parliament in 1985, is one of the leading universities in the world with knowledge and capabilities in the area of Open and Distance Learning. The university provides seamless access to education at all levels ranging from awareness programmes to doctoral Degrees. It provides Self Learning Materials (SLM) strongly supported by multimedia learning packages and internet-based pedagogy. Latest technological aids and supports through satellite based education are also being used to address the areas of convergence of educational systems and enhance flexible and blended learning. Internationally ODL and technology-enabled Distance Education is gaining acceptance for mass higher education in the areas of liberal arts, humanities, social sciences, languages, literature, mathematics, statistics, teacher education, commerce, computer and information sciences, management science and to a considerable extent even in basic experimental sciences. In order to meet access rates for tertiary flexible education clustering of institutions, optimal utilization of existing resources, credit transfer and mutual recognition programmes (ODL and conventional system) etc. have been initiated. Convergence of Open and Distance Learning and conventional systems is proposed as viable alternative to overcome the probable hazards in enhancing access rate o tertiary education.

The College has become a partner Institute o IGNOU and has introduced seven programs unde IGNOU's Scheme of Convergence of Open an Distance Learning and Conventional systems from th academic session, July, 2008. Some other courses ar introduced from the session January, 2009. The course offered are M.A. in English, in Political cience, in Publi Administration, in Sociology, in Economics, in Histor and in Rural Development, Bachelor Preparator Programme, Bachelor of Arts, Bachelor of Science, Bachelor of Social Works, Post Graduate Diploma i Disaster Management, Post Graduate Diploma i Environment and Sustainable Development, Pos Graduate Diploma in Rural Development, Diploma i Youth in Development work, Diploma in Touris Studies, Certificate in Disaster management, Certifica in Environmental Studies, Certificate in Laborator Techniques, Certificate in Primary Education, Certifica in Rural Development, Certificate in Teaching of English Certificate in Teaching Primary School Mathmatics Certificate in Tourism Studies, Certificate in Computin and Computer Literacy Programme.

### Objectives of IGNOU:

* Democratising higher education by taking it to the doorsteps of the learners
* Providing access to high quality education to al those who seek it irrespective of age, region religion and gender
* Offering need-based academic programmes b giving professional and vocational orientation to the courses
* Promoting and developing distance education in India
* Setting and maintaining standards in distance education in the country as an apex body

### IGNOU's Prominent Features:

* International jurisdiction





* Flexible admission rules
* Individualised study: flexibility in terms of place, pace and duration of study
* Use of latest information and communication technologies
* Nationwide student support services network
* Cost-effective programmes
* Modular approach to programmes
* Resource sharing, collaboration and networking with conventional Universities, Open Universities and other Institutions/Organisations
* Socially and academically relevant programmes based on students need analysis
* Convergence of open and conventional education systems

### IGNOU's Important Achievements:

* Emergence of IGNOU as the largest Open University in the World.
* Recognition as Centre of Excellence in Distance Education by the Commonwealth of Learning (1993).
* Taking IGNOU programmes to African and West Asian countries including Maldives, Mauritius, Nepal and Seychelles in all to 35 countries.
* Award of Excellence for Distance Education Materials by Commonwealth of Learning (1999).
* Launch of a series of 24 hour Educational Channels 'Gyan Darshan'. IGNOU is the nodal agency for these channels and regular. transmissions are done from the studio at EMPC, IGNOU.
* Launch of Gyan Vani and other dedicated educational FM channels.

### The Schools of Studies

With a view to develop interdisciplinary studies, the University operates through its twenty one Schools of Studies like School of Humanities, of Social Sciences etc. Each School is headed by a Director who arranges to plan, supervise, develop and organise its academic programmes and courses in coordination with the School staff and different academic, administrative and service wings of the University. The emphasis is on providing a wide choice of courses at different levels. The following Schools of Studies currently are in operation:

### Academic Programmes

The University offers both short-term and long-term programmes leading to Certificates, Diplomas and Degrees, which are conventional as well as innovative. Most of these programmes have been developed after an initial survey of the demand for such Programmes. They are launched with a view to fulfill the learner's needs for:

v Certification
v Improvement of skills
v Acquisition of professional qualifications
v Continuing education and professional development at work place
v Self-enrichment
v Diversification and updating of knowledge
v Empowerment

### Course Preparation:

Learning material is specially prepared by teams of experts drawn from different Universities and specialised. Institutions in the area spread throughout the country as well as in-house faculty. This materials are scrutinised by the content experts, supervised by the instructors/unit designers and edited by the language experts at IGNOU before they are finally sent for printing. Similarly, audio and video cassettes are produced in consultation with the course writers, in-house faculty and producers. The material is previewed and reviewed by the faculty as well as outside experts and edited/ modified, wherever necessary, before they are finally dispatched to the students, Study Centres and Telecast through Gyan Darshan.

## Support Services:

In order to provide individualised support to its learners, the University has a large number of Study Centres, spread throughout the country. These Study Centres/Partner Institutes are co-ordinated by 43 Regional Centres and Recognised Regional Centres. At the Study Centres, the learners interact with the Academic Counsellors and other learners, refer to books in the Library, watch/listen to video/audio programmes and interact with the Coordinator on administrative and academic matters. The list of Regional and study Centres is given in this handbook. Support services are also provided through Work Centres, Programme Study Centres, Skill Development Centres and Special Study Centres.

## Programme Delivery:

The methodology of instruction in this University is different from that of the conventional Universities. The open university system is more learner-oriented and the learner is an active participant in the pedagogical (teaching and learning) process. Most of the instructions are imparted through distance education methodology and face-to-face mode as per the requirement. The University follows a multimedia approach for instruction, which comprises:

**a) Self Instructional Written Material:** The printed study material (written in self-instructional style) for both theory and practical components of the programmes is supplied to the learners in batches of blocks for every course (on an average 1 block per credit). A block which comes in the form of a booklet usually comprises 3 to 6 units.

**b) Audio-Visual Material Aids:** The learning package contains audio and video CDS which have been produced by the University for better clarification and enhancement of understanding of the course material given to the learners. A video programme is normally of 25-30 minutes duration. The video cassettes are screened at the study centres during specific sessions which are duly notified for the benefit of the learners. The video programmes are telecast on National Network of Doordarshan and Gyan Darshan. All Gyan Vani stations are broadcasting curriculum based audio programmes. In addition, some selected stations of All India Radio are also broadcasting the audio programmes. Learners can confirm the dates for the programmes from their study centres. The information is also provided through the university website.

**c) Counselling Sessions:** Normally counselling sessions are held as per schedule drawn by the Study Centres. These are mostly held during the non-working hours of the host institutions where the study centres are located.

**d) Teleconferences:** Live teleconferencing sessions are conducted via satellite through interactive Gyan Darshan Channel as well as simulcasted on 'Edusat' channel from the University studios at EMPC, the schedule of which is made available at the study centres.

**e) Practicals/Project Work:** Some Programmes have practical/project component also. Practicals are held at designated institutions for which schedule is provided by the Study Centres. Attendance at practicals is compulsory. For project work, comprehensive project guide, in the form of a booklet, is provided to the student alongwith the study materials.

## Objectives of the convergence scheme:

The objective of the IGNOU's scheme is to achieve the projected targets related to access and equity in Higher Education during the 11th Five Years Plan. A convergence between the Conventional University System and Open and Distance Learning (ODL) system through enhanced and optional utilization of the physical facilities, intellectual and knowledge resources in the college is an integral part of the effort. Enhancing the quality and quantity of education in the context of social dimension of the region is also targeted. To devour the potential usable aspects like tourism, rural development etc. is a major concern of the project. Moreover, to uplift the standard of teaching in elementary level is a specific concern of this project.

## Scheme and Programmes:

The college has chosen the scheme of Enhanced Access Programmes. Institution offers Twenty Eight





programmes of IGNOU under this scheme. The scheme Provides for a combination of use of printed Self Learning Course material, face-to-face academic counseling enabled by technology.

1) Institution will provide printed course material, multi media materials and technological supports offered by IGNOU.

2) An additional 2 to 4 hours per day either in the morning or in the afternoon and 6 to 8 hours during the weekends suiting the convenience of the college will be for the contact session. In the contact session the major part of the teaching faculty of this institution will involve in teaching and co-ordination of the activities.

## Organization of Classes :

### 1. Admission :

Eligible students/ ones are admitted into these programmes through a walk-in policy (i.e. students will be admitted round the year.) Application for admission is to be collected from the centre of IGNOU, Dhakukhana College. Duly filled up application with required testimonials is accepted and a candidate has to deposit the course fees at the time of admission. Admission will be made as per guidelines of IGNOU. Students will get the study material supplied by IGNOU within the stipulated period.

### 2. Coordinator:

Mr. Jamini Kumar Saikia Dept. of English, is the Coordinator of IGNOU at Dhakuakhana College. Students may contact the Coordinator and the appointed Academic Counselors at any moment to enquire any relevant matter related to admission, programmes conducted, study material, contact session, examination and so forth. Moreover, the Office of the Principal, Dhakuakhana College will extend help to the students at any moment.

### 3. Faculty:

The faculty for various modules will be drawn from within the college and the services of retired faculty members from various colleges and other educational institutes in consultation with IGNOU.

## Classes and Method of Instruction :

For programmes offered through face to face mode classes are organized at different times such as during off hours of working days, or during vacations. The time table of the classes is announced in the beginning of session. The method of instruction will be as suggested in the programme, that is SLMS supplemented in the at least 50% face to face component. If possible, students have to form study groups. Audio video and multi media materials of IGNOU will be used to supplement the process of teaching and learning.

## Evaluations and Examinations:

Evaluation and examination is handled as per the IGNOU pattern for these Enhanced Access Programmes. Terminal examinations is conducted by IGNOU and results will be completed and declared by IGNOU. The college will organize and Term End Examination Practical for lab courses as per university norms. The system of evaluation in IGNOU is also different from that of conventional universities. IGNOU has a multi-tire system of evaluation. This system includes: 1. Self-assessment exercises within each unit of study 2. Continuous evaluation mainly through assignments which are tutor-marked, practical assignments and seminar/ workshops/extended contact programmes 3. The term-end examinations 4. Project works.

The aims of introducing these courses of IGNOU at Dhakuakhana College are to give opportunities to the aspirants to get standard distance education at minimum cost, generating self employment oportunities, and improving various skills. At the time of selecting these courses the local need is considered. There is a lot of flexibility in IGNOU's education system. So, anyone can overcome the barrier of age, region, and various disadvantages faced at Dhakuakhana. That is why, it is time for everyone to devour this opportunity.

# ENGLISH SECTION (Article)

## TWO INDIAN ANTHROPOLOGISTS AND THEIR LIFE AND WORKS

**Buddha Mohan Boruah**
**B.Sc. Part-III (Anthropology)**

In different periods at various parts of the world defferent Sociologists and Anthropologist worked hard in the field of Anthropology. They tried to develop Anthropology in the field of science using some scientific knowledge. They also tried to establish Anthropology as a part of science. These anthropologists, some "Indian" anthropologists are also note-worthy.

Sarat Chandra Roy (1871-1942)

Sarat Chandra Roy was one of the pioneers of Anthropological studies in India, although he had no formal degree on anthroology. He was born in the year 1871.

He passed Matriculation in 1988 from the City Collegiate School in Calcutta. After this he was greduated with Honours in English from the General Assembly Institute (Scottish Church College) in 1892. He obtained M.A. degree from the University of Calcutta in 1894. His accademic career did not stop at this stage. He proceeded for B.L. Degree which he obtained in 1895 from the Ripon College, Calcuta. Since 1897 he started practicing in the District court of 24-Paragands (Alipore, Calcutta) but within a year he shifted to Ranchi where he could succesfully build up his proffessional career and earned a good reputation in the bar of the Judical Commissioner's Court. For his outstanding literary work and public survices, the Government awarded him a silver medal "KAISE-I-HIND" in 1913 and the title "Ray Bahadur" in 1919.

He was the only Indian who had been elected as an Honarary Member of the Folklore Society of London in 1920. In the same year he became the member of Indian science Congress. Besides, Sri Ray was selected as a member of council'd honour of the International Congress of the Anthropological and Ethnological Science. His presence as a member of senior Commision was much appreciated.

S.C. Ray was the first man of India who delivered a series of lectures on anthropology in many Indian Universities and first to make an effort to publish a quarterly journal for anthropology. He started his investigation among the "Mundas" as early as the begining of twentith century and his findings began to be published right from the year 1907. "The Mundas and their country" is the first book which he published in 1912. This was followed by a number of voluminous monographs- "The Olaons of Cholanapur" (1915). "The Birhars" (1925), "Orans Religion and Customs". (1928, "The Hill Bhuiyas of Orissa" (1935) and "The Kharias" (1937). Sri Roy Kept himself asociated with the "Bihar and Oressa Research Society in Patna since its Origin.

The areas of S.C. Ray's interest was very wide. He wrote on a variety of topics namely caste, Hindu-religion, cultural ethnography and so on. While doing with a particular tribe, he tried to cover different aspects of their life like arts and crafts, traditions and customs etc, which were very important for ethnology. He had more than a hundred original papers and seven books in English. In addition, he wrote seventeen articles in Bengali, sixteen of which were published in the Bengali journal "Prabasi:."





S.C. Ray is considered as the "Father" of Indian Ethnography. He not only made valuable contribution in the study of human society and culture, he tried to popularise the subject anthropology among the general readers. Sri Roy also pleaded for the application of Anthropology in finding out the causes of sufferings of the people. This great personality passed away in 1942.

Biraya Sankar Guha (1894-1961)

Dr. B.R. Guha is a pioneer of physical anthropology in India who completed his professional training at the University of Harvard in 1924. Coming to his own country, at first he made himself associated with the anthropology department of Calcutta University as a part-time lecturer. In 1927 he joined the Zoological Survey of India as an Anthropolgist in its Anthropological section. Dr. Guha was an active as welll as an enthusiastic anthropologist, who under took immense trouble in anthropological works during the period from 1927 to 1945.During 1931, he was awarded the position as a Government Anthropologist because of his monumental work census operation In 1938, he was elected as Vice-President in Physical anthropology in the International Congress at Copenhagen. By establishing the Anthropological Survey of India B.S. Guha succeeded in implementing his long cherished dreams in the year 1946.

In 1945 Dr. Guha submitted a proposal to the Government for the establishmet of a seperate Survey of India in favour of anthropological research and investigation and this proposal was immediately sanctioned by Government. On 1st December 1945, Anthropological survey of India came out of Zoological Survey of India and Dr. B.S. Guha was appointed the Officer on special duty in that newly created institution. On 1st August 1946, he became the director of Anthropological Survey of India and served the institution till death. This survey of India became solemnly concerned with anthropological studies and stood as a wing of Government like the Geological, Zoological, Botanical and Archeological Survey of India.Dr. B.S. Guha initiated researches in physical anthropology mainly on two distinct lines. First, the archeological studies of historic and prehistoric human remains on the materials escavated by the Archeological survey of India. The other significant work was a continuation of the study of the anthropomentry of the Indian population that was started at the request of the 1931 Census organizations. Outstanding anthropological works of Dr. G.S. Guha include reports on Human Remains escavated at Nal (1929), Mohenjodaro (1931) and (1937) and Racial Affinities of the peoples of India in the census of India for 1931, Vol. I, Part III )1935). He obtained anthropometic measurments of 2511 subjects from various parts of undividual India representing thirty-four population groups. The ethnic types of India were classified on that basis.

We should pay a rich tribute to this founder Director of Anthropological Survey of India who had realized the importance of Anthropological researches for the country. He combined the physical and Socio-cultural anthropology beautifully with linguistics, psychology, bio chemistry (food and nutrition) and pre-historic archeology. He was one of the greatest anthropologists, who died in 1961.

***References :***

"Anthropology - the study of Man"
-by Dr. Mrs.- Indrani Basu Roy

# ENGLISH SECTION (Article)

## Botany as an important Branch of Science

**Shri Gitumoni Saikia**
**B.Sc. Last Yr.**
**Deptt. Botany**

**Introduction:** The study of living organisms or objects goes for the term 'Biology'. It is composed of two words 'bios' (meaning life) and 'logos' (meaning discourse or science). Biology was first introduced by Jean Baptiste Lamarck (1749-1829). There fore, Biology deals with the study of both plants, animals and microoganisms, the study of microorganisms differs from living organisms. Hence to give distinct orientation to specialised study, Biology is divided into two branches; Botary ("Bofare"-herb) which deals with the plants and Zoology ('Zool' means animals) that deals with animals. On the other hand microobiology is another branch. The object that cannot be recognised with naked eye are taken for study under this branch.

Scope and application of Botany :

The study of plants is important from various points. The Botanical science is now very much essential for increasing food particles or production, nutrition, reproduction, utilization, conservation and management of nature and natural resources, ecological adaptation to varying conditions of the environment, life history, affinity, phylogexet relationships. Classification of plants, laws involved in evolution and heredity, economic uses and edible purpose such as timber, beverages, pulses,drug, sugars of many kinds.

Specific objects of study exclusively with plants are such as :

(a) Algology or phycology : the study of Algae.
(b) Mycology : The study of fungi.
(c) Bacteriology : the study of Bacteria.
(d) Lichenology : the study of Lichens.
(e) Virology : the study of virus.
(f) Bryology : the study of Bryophytes.
(g) Pteridology : the study of pteridophytes.
(i) Pomology : the study of fruits.
(j) Economic Botony : the study of economically important plants.
(k) Plant geography : the study and mirgration and also distribution of plants.
(l) Genetics : the study of genes etc.

Importance of plants :

Plants, particularly green plants are essential for the existence of human life. The primary necessity of human beings are food, clothing and shelter. Plant world is the basic source for these. Biologists have led to the development of high yielding and drought resistant varieties of cereals-because food comes primarily from cereals (Rice, Wheat etc.) followed by vegetables, pulses, vegetable oil, fruit etc. Many delicious fruits now can be produced without having seeds. Many economic plants play important role in agrinomy and horticulture of science. Further induction of hormone and growth promoting substances are adopted for increasing vigour and vitality of plants. Apart from food, human beings require many essential articles in day to day life Cotton, Jute, Hemp, Ramic, Flax, Coir etc. are used for manufacture of garments.

**Future prospects of plants**

Green plants are only the natural agents which are able to purify the atmosphere by absorbing $CO_2$ from it, by releasing an equal amount of pure $O_2$ into it. Further, it prepares carbohydrates, such as starch, which forms the main constituent or rice, wheat etc. Animals including human beings are highly indebted to plants for their primary supply of needs such as food for mutrition and oxygen for respiration. Without plants the human civilization will be meaningless.

**A. Food and other articles from plants in human welfare :**

(b) Food from plant : Before man domesticated animals and learned how to cultivate plants, he had to depend on hunting animals and gathering wild fruits for his food. Now a days we get our necessary food stuffs like carbohydrates, starch, fat oil, protein from cultivated plants. In this modern world scientific advancements are in a rapid direction, but even a single scientist has not yet been able to produce a single crystal of Sugar. Only the plants can synthesize Carbohydrate by taking materials from soil and air in presence of solar energy. The excess of food substances that plants synthesize are stored as Carbohydrates, fats etc. in seeds, roots, stems and various other parts of the plants for future use of human beings.



ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

Out of 3.5 lakhs of plant species only a handfull are used as sources of food.

(a) Clothes and useful articles Fibers for wearing clothes, for making dresses, wood for constructing houses, medicinal plants for preparing medicines, raw material of various dyes, oil, gum, resin etc. of our daily life are supplied by plants. Furniture we use daily, bodies of transport vehicles that carry thousands of passengers daily, are made of wood supplied by plants. The raw materials required for preparation of papers (as writing papers, papers on which books are printed, newspaper prints etc.) are all supplied by plants.

(iii) Fuels :- Two most important components of modern industrial civilization are Coal and mineral oil. Coal and mineral oil are produced from bodies of underground buried plants by way of natural decomposition. Our modern civilization is based upon the proper utilization of these under ground fossil remains and their by-products. Even wood that we receive from plants is used by fuel for domestic purpose. In the present world a country is said to be economically more solvent and politically stabilized, the more it has got control over the mineral oil of the world

(iv) Agricultural Science : The cultivation of plants is one of man's oldest occupations. With increase of population to meet the demand of food supply, concerted efforts were being made to increase the yield of food grains. This was done by expansion of irrigated cultivated areas, use of improved varities of seeds, intensive cultivation of more than one crofs in one field, judicious use of fertilizers; as a result the total agricultural production increased, the phenomenon "GREEN REVOLUTION". Botany has contributed a lot for the improvement of Agriculture.

Improvement of crops was due by production of new crop variation which are better than the original varities in all respects, a process formed as plant breeding.

(v) Industrial Science :

Botany has contributed immensely for the growth of various industries. Botanical materials act as raw materials for those industries. These materials are processed and converted to commercially useable products. A few examples of industrial application of Botany are-

1. Textile Industry : All fibers generally used for the manufacture of fabrics are known as textile fibere. In the textile industry fibres abtained from cotton seed are twisted together into threads or yarn and then woven. In India Cotton textile industry is mainly concentrated in the western Indian states like Maharastra, Gujarat where the soil is suitable for growth of cotton plants.

Cotton textile products are articles of clothing which include shirtings, outerwear, underwear etc. Household articles include bed sheet covers, pillow covers, towels, blanket etc.

2. Jute industry : The Secondary fibers obtained from jute is used as the world's most important fibre for bagging and wrapping textile. Jute industry in India developed in the eastern part where the Climate is suitable for cultivation of Jute plant. It is for this reason jute industry developed in the states like West Bengal, Assam, Bihar, Kerela etc. Jute Mills mainly manufacture sacks and bags, blankets, Carpets, tarpaulins, rope etc.

3. Paper Industry

Paper industry survives on the supply of raw meterials which are plants or parts of plants. Paper is now considered as one of the most essential materials of civilized mankind. Paper industry thus helps spreading and uplifting of civilization process. Esparfo grass, Straw Jute sticks, hemp, bamboo, bagasse (Sugarcane residue), ramie (Chira grass) are used as raw materials for paper making in addition to "Wood pulp" obtained from trees like pie, firs, Hemlock, Birch etc.

Paper industry developed in the states like Bihar, Assam etc.

4. Lumbering industry :

The lumbering includes various processes from opening up the forest for cutting the trees, transporting logs sawing them into marketable goods, thickness and length, treating them with chemicals for microbial resistance. Lumbering industry is based on forest trees like Teak, Sal panisaj, Hollock etc.

5. Tea industry :

The tea of commerce is obtained from the leaves of several varieties of plants named Camellia thea. A few apical leaves of branches of tea plants are dried and processed to prepare consumable tea. For the preparation of commercial tea, only apical bud and first two leaves are gathered. The fresh leaves are dried,

fermented and cut into pieces of various sizes. Generally green and black tea are used, Green tea is not fermented. State like Assam is rich in tea cultivation.

6. Sugar industry :

Sugar is obtained from two plants Sugarcane and beet. As demand for sugar had increased Sugar industries developed in different countries of the world. The plants were at first cut into pieces, squaeezed through rollers to extract the juice. Through varios types of processing, sugar crystals are obtained. The residual syrup called 'black strip is used for making alcohol and citric acid'.

7. Oil industry :

Oil obtained from plants are used in oil industry, Fixed oil obtained from seeds of groundnut, cotton, Sya, Sunflower, mustard, rape and copra of coconut are used in oil industry for manufacture of cooking oils.

Oil industry is found in various states of India.

8. Rubber industry:

The natural rubber is obtained from the milky laten of rubber plant Hevea brasiliensis. The rubber industry primarily developed due to advancement of automobile industry. Rubber is also used for manufacturing hotwater bottles, soles and heals of shoes, gloves, balloons etc.

The aim of biotechnology is to develop industrial process on the basis of biological principles that produce organic acids, antibiotics, vitamins, biogas, vaccine etc. to develop recombinant microorganism for use in industries and agriculture.

**B. Social value of plant:**

Biology is the basis of psychology and sociology. All animals including human beings are living together on this Earth and maintaining the balance of nature. All plants and animals live in close association with the environment. Biology imparts knowledge on this intimate relationship. The main and foremost aim of biology is to advance the civilization and culture of human race to the fullest extent by creating healthly societies of mankind.

**C. A. Control of pollution by plants :**

With the gradual advancement of technology and civilization, human societies of every level are constantly facing horrible ecological crises, the problem of environmental pollution, caused mainly by the depose of industtrial waste product like Carbon-dioxide, Sulpher-dioxide, Carbon-monoxide and various other chemical compounds. Plants act as a scavenger for the majority for the pollutants. The Carbon dioxide gas of the atmosphere is constantly consumed by plants for the synthesis of food materials, as a result the air is purified. The Oxygen gas released during photosynthesis by plants, also help to purify the air.

In short we can say that the plant world helps to clean our environment and make our living healthier.

**B. Conservation of nature :** In nature there exists a natural balance between the organisms and the environment. Any change of this balance will upset the climatic condition of a particular area. Unethical killing of wild animals indirectly hampers the natural balance and adversely affects the nature. With the knowledge of Biology one can help to keep the natural balance in order by conserving natural resources.

**D. Medicine from plants :**

Plants have been, and still are, a rich source of many natural products most of which have been used extensively for human welfare especially doing up loss of vitality or general debility and also to alleviate human pain and suffering in illness or disease. Basic drugs in medicine, synthesized today by chemical formulation had their origin from plants. The contributions of medical plants towards the production of medicine like Rauvolfine, Quinine, Penicillin etc. are invaluable to our modern medical sciences( eg-B. Pharm.etc.)

**Conclusion :**

The primary aim of science, apart from the satisfaction of intellectual curiosty, is the survival and welfare of human beings. Biology of all the sciences probably has contributed more to and perhaps most closely associated with our everyday life. The science of Biology has not only made remarkable advance during the past few decades but also ameliorated human life by its discoveries and practical application of these discoveries. Biological discoveries have also brought many harms to the human life.

With all respects to Deptt. of Botany of Dhakuakhana College.

*References :*


i) Economic Botany - B.P. Pandey

ii) College Botany - B. Baruah

iii) Introductory Botany- B. Snyal.






## ENGLISH SECTION (Article)

# Frienddhip- A Divine Blessing


**Sri Romen Lagachu**
**T.D.C. 1st Year (Arts)**
**Dept.- English**


Human beings like many other animals, do not like to live lonely life. We are all fond of mixing up with others. We have love and goodwill for others. So others also have such feeling for us. Friendship is nothing but sincere love and good will between different persons. We share our happiness and sorrows with true friendship to be happier and to ease our minds at distress. The union of friends is always beneficial. If tends to strengthen natural motions while reducing the intensity of unnatural or violent situations. Pleasure a natural impulse of every human being is increased and grief is minimised by friendship.

"A friend in need is a friend indeed." A good friend can be best judged at the time of distress. True friendship is constant and permanent. He corrects our faults, projects good suggestions, guides us proper ways and helps us in need. He secrifices his interest for the happiness of someone he dearly loves.

At the time of our happiness and prosperity, many people become our friends but a true friend never leaves us at the time of distress.

A true friend's love does not die with his or her death. True friends can die for each other. Friendship benefits both the heart and the mind. By confiding in a friend we clear our hearts of the clouds of grief or anger. Friendship makes our heart clear as day light i.e. calm and peaceful. We can discuss anything and every thing with our friends and through such friendly discussion we can set our confused ideas and thoughts into order and clarity, thus removing all confusions and obscurities. So, a person bereaved of friendship is an object of pity.

The influence of friends can be varied upon us. We require friends both in our prosperity as well as in our hazards of life. So we should make friendship with other people. Good friends lead us in the right path but bad friends ruin our life. A man without a friend is a man like a tree without leaves and such a man can-neither enjoy his life with good works nor leave any good impression in the Society.

Thus to say, a man is known by the company he keeps.

Friendship is a thing of the heart divinely bestoweed upon men. It cannot be purchased by kinds or coins.

A good friend is like one of the two legs of an individual. If the right leg moves in a right direction the other one moves the same way. That is why, we always look for a right friend for our peace and happiness of life. ●

# সাক্ষাৎকাৰ

## সাহিত্যিকৰে আলাপ - হোমেন বৰগোহাঞি



### সাক্ষাৎ গ্ৰহণ - ডেভিদ বড়া আৰু ডিম্পল হাজৰিকা

*ঢকুৱাখনাৰ সুযোগ্য সন্তান, বৰ্তমান অসমৰ এজন বিশিষ্ট বুদ্ধিজীৱি, সু-সাহিত্যিক, ঔপন্যাসিক, গল্পকাৰ তথা সু-সমালোচক মাননীয় হোমেন বৰগোহাঞিদেৱৰ এটি সাক্ষাৎকাৰ গ্ৰহণ কৰিছিলো যোৱা ২/১০/০৮ তাৰিখে। অসমৰ সাহিত্য জগতৰ এই জীৱন্ত কিংবদন্তীজনৰ সাক্ষাৎকাৰটি প্ৰকাশৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী, পাঠক সমাজ তথা সাহিত্য সংস্কৃতিৰ জগতত খোজ পেলাব বিচৰা জ্ঞানান্বেষীসকললৈ এক পথৰ সন্ধান তথা বাৰ্তা প্ৰেৰণ কৰিব পাৰিলে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।*

*ডেভিদ-ডিম্পল* ঃ নমস্কাৰ।

*বৰগোহাঞি* ঃ নমস্কাৰ।

*ডিম্পল* ঃ আমি প্ৰথমে আপোনাক সুধিব বিচাৰিছো অতীতৰ ঢকুৱাখনাৰ শৈক্ষিক, বৌদ্ধিক আৰু সাংস্কৃতিক পৰিৱেশৰ লগত বৰ্তমানৰ ঢকুৱাখনাক তুলনা কৰি আপোনাৰ মনত কেনেকুৱা অনুভৱ হয়? আপুনি শৈশৱ অতিবাহিত কৰা ঢকুৱাখনাই বৰ্তমান যেন কিবা হেৰুৱাইছে অথবা এতিয়া কিবা নতুনত্ব বিচাৰি পাইছে- আপোনাৰ এনেকুৱা কিবা অনুভৱ হয় নেকি?

*বৰগোহাঞি* ঃ এই প্ৰশ্নটোৰ উত্তৰ দিয়াতো কঠিন। কাৰণ অতীতৰ স্মৃতি এতিয়াও মোৰ মনত সেউজীয়া হৈ আছে। কিন্তু বৰ্তমানৰ ঢকুৱাখনাৰ লগত অতীতৰ ঢকুৱাখনাক তুলনা কৰিব পৰাকৈ মই ইয়াত বেছি সময় কটোৱাৰ সুযোগ নাপাওঁ। মই ইয়ালৈ কেতিয়াবা দহ বছৰৰ মুৰত এবাৰ আহোঁ, কেতিয়াবা বছৰত দুবাৰো আহোঁ। ইয়াত আহি সকলো সময়তে ব্যস্ত হৈ থকাৰ বাবে সেইখিনি তুলনা





কৰাৰ উপায় মোৰ নাথাকে। কিন্তু এটা কথা জানো যে আমাৰ শৈশৱ কালত যিটো শিক্ষাৰ পৰিৱেশ আছিল সেই পৰিৱেশ বৰ্তমান সময়ত স্বাভাৱিকতেই থাকিব নোৱাৰে। আগতে আমাৰ স্কুল বুলিবলৈ ঢকুৱাখনা মজলীয়া বিদ্যালয়খনেই চাৰিটা মৌজাৰ ভিতৰত একমাত্ৰ শিক্ষাৰ স্থলি আছিল। সেই সময়ত যিদৰে ল'ৰা-ছোৱালী অধ্যয়নৰ বাহিৰে আন কাম নাছিলেই, ঠিক সেইদৰে শিক্ষকৰো একমাত্ৰ শিক্ষকতাৰ বাহিৰে আন কাম নাছিল। আজিকালি ল'ৰা-ছোৱালী অসংখ্য হ'ল; স্কুল কলেজো অসংখ্য হ'ল। গতিকে এতিয়াৰ পৰিৱেশটো স্বাভাৱিকতেই আগৰ তুলনাত বেলেগ হ'ল। ই ভালনে বেয়া ক'ব নোৱাৰো। যিহেতু পৰিৱৰ্তন জীৱনৰ ধৰ্ম, গতিকে পৰিৱৰ্তন অনিবাৰ্য। কিছুমান পৰিৱৰ্তন আগতকৈ ভাল হৈছে আৰু কিছুমান পৰিৱৰ্তন আগতকৈ বেয়া হৈছে। শৈশৱত আমি ভালখিনিও পাইছিলো আৰু বেয়াখিনিও পাইছিলো। এইদৰে যুগ যুগ ধৰি পৰিৱৰ্তনৰ মাজেদিয়েইতো পৃথিৱীখন আগবাঢ়িব লাগিব। বুদ্ধিমান মানুহে ভালখিনি গ্ৰহণ কৰি বেয়াখিনি বৰ্জন কৰিব। এতিয়া তোমালোক যিসকলে ভালখিনি গ্ৰহণ কৰি বেয়াখিনি বৰ্জন কৰিব পাৰিবা সেইসকলেই জীৱনত উন্নতি কৰিব পাৰিবা বা মানুহ হ'বা। অন্যথা মানুহ হ'ব নোৱাৰিবা। কিন্তু পৰিৱৰ্তনক কোনেও ভেটি ৰাখিব নোৱাৰে। মোৰ শৈশৱৰ জগতখন আজিও যদি অব্যাহত থাকিলহেঁতেন, তেনেহ'লে মই গুৱাহাটীৰ পৰা আহি একেদিনাই ইয়াত সভা-সমিতি কৰি একেদিনাই ব্ৰহ্মপুত্ৰ অঞ্চল ভ্ৰমণ কৰি আকৌ একেদিনাই গুৱাহাটী গৈ নাপালোহেঁতেন। ই এটা নিশ্চয় পৰিৱৰ্তনৰ ভাল দিশ। কিন্তু আমাৰ যুগত কেতিয়াবা ইয়াৰপৰা গুৱাহাটীলৈ যাবলৈ ৪ দিন সময় লাগিছিল। মই ২৪ মাইল খোজকাঢ়ি লখিমপুৰত গৈ পঢ়িছিলো। তাৰপৰা ঘুৰি আহোতে বাৰিষা কেতিয়াবা মোৰ ৪ দিন সময় লাগিছিল। সেইবোৰ আমাৰ ৰোমাঞ্চকৰ অতীত, আমি সেইটো বেয়াও পোৱা নাছিলো। তাৰপৰাও বহুতো শিক্ষা পাইছিলো। গতিকে একে কথাতে ক'বলৈ গলে পৰিৱৰ্তন জীৱনৰ ধৰ্ম, ইয়াক কোনেও ভেটা দি ৰাখিব নোৱাৰে। ই ভালো আনে, বেয়াও আনে। বুদ্ধিমানজনে ভালখিনি গ্ৰহণ কৰি বেয়াখিনি বৰ্জন কৰে।

*ডেভিদ* ঃ আমাৰ দ্বিতীয় প্ৰশ্নটো হ'ল এখন মহাবিদ্যালয়ৰ আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চা আৰু বৌদ্ধিক চিন্তাৰ উন্মেষৰ লগতে তেওঁলোকৰ চৰিত্ৰ গঠনত বিশেষ সহায়ক হোৱাকৈ সক্ৰিয় ভূমিকা লব পাৰে নেকি?

*বৰগোহাঞি*ঃ সেই প্ৰশ্নৰ উত্তৰ মই প্ৰায়েই বহুত কলেজৰ আলোচনীতেই দি আহিছো। কলেজৰ আলোচনীবোৰেই হ'ল- কলেজীয়া সাহিত্য প্ৰতিভা থকা ল'ৰা-ছোৱালীবোৰৰ সাহিত্য চৰ্চাৰ একমাত্ৰ কঠিয়াতলী। এই আলোচনীবোৰেই তেওঁলোকৰ সাহিত্য-চৰ্চাক কমাৰশালত গঢ়াৰ আগতে জুহালত গঢ়ে। গতিকে কলেজীয়া আলোচনীবোৰেই হ'ল ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চা বা জ্ঞান চৰ্চাৰ এটা বিশাল মাধ্যম। তাৰ উপযুক্ত সদ্ব্যৱহাৰ কৰিলেহে ভৱিষ্যতে তেওঁলোকৰ মাজৰ পৰা ভাল সাহিত্যিক চিন্তাবিদৰ সৃষ্টি হ'ব।

*ডেভিদ* ঃ আপোনাক অন্য এটা প্ৰশ্ন সুধিব বিচাৰিছো। আপুনি আজীৱন সাংবাদিকতা আৰু সাহিত্য চৰ্চা কৰাৰ উপৰিও দেশ আৰু জাতিৰ সম-সাময়িক জ্বলন্ত সমস্যাবোৰৰ উচিত বিশ্লেষণেৰে ইবিলাকৰ বিষয়ে সংশ্লিষ্ট মহলক সময়োচিত পৰামৰ্শ আৰু সকীয়নি দি আহিছে। আমি দেখিছো ইবিলাকৰ সুফলো নোপোৱাকৈ থকা নাই। এই ক্ষেত্ৰত আপুনি নিজে আশানুৰূপ সফলতা লাভ কৰা বুলি ভাবেনে?

*বৰগোহাঞি* ঃ আশানুৰূপ সফলতা কোনো মানুহে লাভ কৰিব নোৱাৰে। যিমানখিনি আশা কৰে তাৰ আধাৰো আধা যদি পায়, নাইবা আশা কৰামতে সকলোখিনি যদি হয় তেনেহ'লে পৃথিৱীখন কেতিয়াবাই স্বৰ্গপুৰী বা নৰকপুৰী হ'লহেঁতেন। এজন মানুহে যিমান আশা কৰে তাৰ অলপমানহে ফল ভোগ কৰে। এইটো ধৰা জখলা বগোৱাৰ নিচিনা। জখলা বগাই বগাই যেনেকৈ ওপৰত উঠৈগে, তেনেকৈ মানুহে অলপ অলপ কাম কৰিহে ওপৰলৈ উঠিব পাৰে। হয়, হয় কিছুমান মানুহে মোক এজন বুদ্ধিজীৱী বুলি কয়; মই নিজে নকওঁ। বুদ্ধিজীৱী দুই প্ৰকাৰৰ থাকে- Public Intelectual আৰু Self Intelectual, Public Intelectual য়ে অকল ব্যক্তিগত চিন্তা-ভাৱনা, ব্যক্তিগত দৰ্শনতেই সন্তুষ্ট নাথাকে, তেওঁলোকে সময়মতে সমাজৰ কথাও ভাৱে। মই অসমীয়া সমাজৰ এজন Public Intelectual অৰ্থাৎ ৰাজহুৱা বুদ্ধিজীৱীৰ ভূমিকা লৈছোঁ। মই নিজৰ সাহিত্য-চৰ্চা কৰাৰ উপৰিও সমাজৰ কথাও একেলগে ভাবো। কাৰণ সমাজখনক বাদ দি কোনো ব্যক্তিৰ স্থিতি থাকিব নোৱাৰে। ব্যক্তিৰ সমাজ যদি সুন্দৰ নহয়, নিৰ্মল নহয়; এজন ব্যক্তিয়ে অকলেতো এখন সুন্দৰ পৃথিৱী, এটা সুন্দৰ জীৱন গঢ়িব নোৱাৰে। গতিকে সমাজৰ কথা চিন্তা কৰাতো প্ৰতিজন মানুহৰে কৰ্তব্য। মই সেইখিনি যথাসাধ্য কৰিছো, কিন্তু কোনেও আশানুৰূপ ফল নাপায় আৰু পোৱাটোও সম্ভৱ নহয়।

*ডিম্পল* ঃ অসম সাহিত্য সভাই অতি সাম্প্ৰতিকে পূৰ্বৰ গৰিমা হেৰুৱাইছে বুলি সততে অভিযোগ উত্থাপিত হৈছে। এয়ে কাৰণত বহু জাতি-উপজাতি, নানা সংস্কৃতিৰে একাকাৰ অসমৰ জাতীয় সত্বাৰ ক্ৰমবিকাশত বাধাৰ সৃষ্টি হোৱাৰ লগতে উদীয়মান সাহিত্য কৰ্মীকো বিৰূপভাৱে প্ৰভাৱান্বিত কৰিছে। এই বিষয়টোৰ লগত আপুনি নিজকে কেনেদৰে জড়িত বুলি ভাৱে? লগতে ইয়াৰ প্ৰতিকাৰৰ উপায় সম্পৰ্কে আপোনাৰ পৰামৰ্শ কেনেধৰণৰ?

*বৰগোহাঞিঃ* ঃ সেই প্ৰশ্নটোও বহুবাৰ শুনিছো। প্ৰশ্নটোৰ উত্তৰত মই এজন সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হিচাপে আনৰ কাম-কাজৰ সমালোচনা নকৰো। এইটো নীতিবিৰুদ্ধ কথা। যিকোনো এটা অনুষ্ঠানৰেই উত্থান-পতন থাকেই ; ব্যক্তিৰ জীৱনতো থাকে, সমাজ জীৱনতো থাকে। ঠিক সেইদৰে সাহিত্য সভাইও মাজে মাজে উত্থান-পতনৰ সন্মুখীন হৈছে। এতিয়া উত্থান হৈছে নে পতন হৈছে-সেইটো মই নকওঁ। কিন্তু যিকোনো এটা সামজিক অনুষ্ঠানৰ উত্থান বা পতন থাকিবই। এইটো এটা অনিবাৰ্য ঘটনা। যদি কিবা বেয়াৰ ফালে ঢাল খাইছে, মানুহৰ সামূহিক প্ৰচেষ্টাত আকৌ ভাল হ'ব। সেইটোকে মই কামনা কৰো।

*ডেভিদ* ঃ আমাৰ এজন আদৰ্শ লেখক হিচাপে আৰু ঢকুৱাখনাৰ এজন সু-সন্তান হিচাপে আপুনি আমাৰ ঠাইখনৰ নৱ-প্ৰজন্মৰ উত্তৰোত্তৰ উন্নতি সাধনৰ বাবে আমাক কেনেধৰণৰ পৰামৰ্শ দিব?

*বৰগোহাঞিঃ* ঃ পৰামৰ্শ মানে... তোমালোক এতিয়া ছাত্ৰ। ছাত্ৰই যদি ছাত্ৰ হিচাপে তেওঁলোকৰ সাধনা কৰে বা প্ৰত্যেকেই একোজন ভাল বা সৎ নাগৰিক হিচাপে গঢ় দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখে তেন্তে ভৱিষ্যতে এখন সুস্থ সভ্য সমাজ গঢ় লৈ উঠিব। আমাৰ সমাজত বেয়া কথা এইটোৱেই যে ব্যক্তি এজনে নিজে একো নকৰি আনক উপদেশ দিব যায়। নিজে একো নকৰি সমাজৰ কথা কয়। ব্যক্তিক বাদ দি সমাজ বুলিতো কোনো বস্তু নাই। গোটেই মানুহবোৰ লৈহে সমাজ। প্ৰত্যেক মানুহ যদি ভাল হয়, সমাজখন আপোনা-আপুনি ভাল হ'ব। ধৰা হওঁক, এখন শাক-পাচলিৰ বাৰী কৰিছা। তাৰ যদি প্ৰতিজোপা শাক ভাল হয় তেতিয়া আমি কওঁ- শাকনি-বাৰীখন ভাল হৈছে। যদি এজোপা শাকো মৰহি যায় তেতিয়া আমি কম যে- শাকনি ডৰা সম্পূৰ্ণ ভাল হোৱা নাই। সেইদৰে তোমালোকৰ ছাত্ৰ অৱস্থাত পঢ়া-শুনা কৰাতো কৰ্তব্য। এজন ভাল ছাত্ৰ হোৱা, এজন ভাল সন্তান হোৱা, এজন ভাল নাগৰিক হোৱা- সেইটো তোমালোকৰ সমাজখনৰ প্ৰতি, ঘৰখনৰ প্ৰতি তথা দেশখনৰ প্ৰতি থকা দায়বদ্ধতা। এতিয়া মই নিজৰ কথাকেই কওঁ-মই বিভিন্ন কামতো লাগিছিলো। কিন্তু কোনো সময়তে মই নিজৰ যিখিনি কৰণীয় (যেনে- পঢ়া শুনাত ভাল কৰিব লাগিব) তাৰপৰা কেতিয়াওঁ বিচ্যুত হোৱা নাছিলো। গতিকে যিমানে সামজৰ কাম নকৰা কিয় মহান গীতাত যে কৈছে স্বধৰ্মে নিধনং শ্ৰেয়, পৰধৰ্ম ভয়াবহ। ছাত্ৰৰ ধৰ্ম হৈছে অধ্যয়ন কৰা আৰু যি উদ্দেশ্যে তোমালোক ছাত্ৰ হৈছা সেই উদ্দেশ্যত সফল বা কৃতকাৰ্য হোৱা। কৃতকাৰ্য ছাত্ৰ এজনে সমাজৰ তথা দেশৰ সৰ্বাঙ্গীণ উন্নতি সাধন কৰে। এতিয়া ঢকুৱাখনা কলেজৰে যিসকল ভাল ভাল সামৰ্থ্যবান ল'ৰা-ছোৱালী আছে তেওঁলোক বাহিৰত পঢ়িবলৈ যায় আৰু যিবিলাকৰ আৰ্থিক সামৰ্থ্য নাই বা পৰীক্ষাত ভাল ফল দেখুৱাব নোৱাৰে সেইসকল ইয়াতে থাকি যায়। ফলত এইবোৰ কলেজৰ ফলাফল ভাল হয়। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে এৱাৰ ফলাফল বেয়া কৰা ল'ৰা ছোৱালী চিৰকাল বেয়া হৈ থাকে। গতিকে তোমালোকে পঢ়াশুনাক প্ৰত্যাহ্বানৰূপে গ্ৰহণ কৰি নিজকে প্ৰশ্ন কৰা যে আমি কিয় ঢকুৱাখনা কলেজৰ পৰাও অসমৰ ভিতৰত প্ৰথম, দ্বিতীয় হ'ব নোৱাৰিম। উদাহৰণস্বৰূপে আইনষ্টাইনে মেট্ৰিকত তৃতীয় বিভাগত উত্তীৰ্ণ হৈছিল। কিন্তু কত কোটি কোটি মানুহে প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। তথাপি কিন্তু আইনষ্টাইনেই হাজাৰ বছৰৰ সৰ্বশ্ৰেষ্ঠ বিজ্ঞানী হ'ল।

ঢকুৱাখনা কলেজতো বহুত ভাল ল'ৰা ছোৱালী আছে। তোমালোকে ভালদৰে পঢ়াশুনা কৰি কলেজখনৰ গৌৰৱ বৃদ্ধি কৰিলে ঢকুৱাখনাৰো গৌৰৱ বৃদ্ধি হ'ব। তোমালোকলৈ বহুত বহুত আশীৰ্বাদ কৰিলো, মৰম জনালোঁ।

*ডেভিদ-ডিম্পল* ঃ ধন্যবাদ ছাৰ।

*বৰগোহাঞিঃ* ঃ ধন্যবাদ ।





## প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ শিতান

# আহিনৰ প্ৰতিশব্দ

সুশান্ত পেগু
প্ৰাক্তন ছাত্ৰ

(১)

আহোঁ নাহোঁকৈ অহা আহিন আহিন গোন্ধ এটাই কোবাই থৈ গ'ল নাকৰ দুপাহি। মেলি দিলো দুহাত, আহক আহিন খুলি দিছো বুকুৰ দুৱাৰ। বক্ষ বিদাৰি বৈ অহা ক্ৰমশঃ শান্ত হৈ পৰা নদীয়েদি ভটিয়াই দিয়া তোমাৰ ডিঙা। চুই যোৱা অশান্ত কলিজা মোৰ, শাঁত পেলোৱা ঘৰ্মাক্ত দেহা। বৰষাই নেফানেফ কৰা কুমলীয়া যৌৱন। বুলাই দিয়া বতাহত কঁপা তোমাৰ লাহি আঙুলি। এমুঠি টোপনিৰে ভাগৰুৱা দেহা থব বিচাৰো তোমাৰ কোলাত। নাবান্ধিবা খোপা, লেতুসেতু হব বতাহে ভঁহাই ফুৰা শেৱালী ফুলৰ সুগন্ধি। অধীৰ হৈ আছো তোমাক আতিথ্য জনাবৰ বাবে। জানো তুমি আড়ম্বৰহীন উকা তোমাৰ দুহাত। তথাপি তুমি কাম্য। বিধ্বংসী বানে বিধ্বস্ত কৰা আলি পদুলিবোৰ থানথিত লগোৱাৰ দায়িত্ব তোমাৰ। আপদীয়া বানে ৰোৱা অবিশ্বাসৰ ববচা-বন উভালি বিশ্বাস আৰু আস্থাৰ বীজ সিঁচাৰ দায়িত্ব তোমাৰ। তোমাৰ নীৰৱ আগমনে ছটিয়াই আশাৰ আছাৰকণি, মূৰ দাঙি উঠে জীয়াই থকাৰ আজৰ হেঁপাহ এটাই। তুমি চিকুনাই দিয়া শুকান বাটেদি আহে আতোলতোল শেৱালীৰ শুভ্ৰতা, আমোল মোল গোন্ধ, ন-কইনা খোজেৰে কুঁৱলী, আহে দুৰ্গতিনাশিনী মাতৃ, য'ত হয় মহামিলনৰ মহাসমুদ্ৰ। তুমি আহা শেৱালী ফুলৰ বাটেদি।

(২)

কি কওঁ তোমাক, নেৱানেপেৰা বৰনৈ বানে আজুৰি নিলে গৰুহাল মোৰ। উদং গোহালি। নিমাওমাও পথাৰ। চাই যোৱা এবাৰ খালি ভঁৰাল। খন্তেক ৰোৱা পদুলিমুখত, চকু ফুৰোওৱাচোন আগফাল পাচফালৰ বাৰী। কি দেখিছা? ছবছবীয়া তামোলপুলিবোৰৰ আওমৰণ, মদাৰ গছৰ গাত মেৰিয়াই থকা পাণৰ শুকান লতাবোৰ নে কল গছৰ কংকালবোৰ। কেনেকৈ থমথমকৈ মদন গোপাল হৈ থিয় দি আছে মৃত দুপৰীয়া এটাই।

আহিন, আহা তুমি এছাটি হিম শীতল বতাহ হৈ। জুৰ পেলোৱা শুকান বুকুখন। এখন সুবিশাল নীলিম আকাশেৰে আৱৰি ৰখা তোমাৰ শীতলতাত পাওঁ সাংঘাটিক নিৰাপত্তা। তুমি নীৰৱ উপস্থিতিৰে সৰৱ কৰি তোলা পুনঃসৃষ্টিৰ আমোঘ মন্ত্ৰ। বিশ্বাস আৰু শান্তিৰে অপুষ্ট মানৱক দীক্ষিত কৰা জীয়াই থকাৰ মহামন্ত্ৰৰে। তুমি জাগৰিত কৰা মৃতপ্ৰায় প্ৰকৃতিক। ন-কুঁহিৰে আলোকিত হওঁক বন-বিৰিখ, তৰু-তৃণ। তুমি আহিলে নিয়ৰে ঠুনুক-ঠানাক খোজ পেলাই সেউজীয়া দলিচাত। প্ৰকৃতিয়ে কুঁৱলীৰ বগা দুপাট্টাৰে ঢাকিব নিজৰ সলজ যৌৱন।

(৩)

শেৱালী ফুল ভাল নোপোৱা অথচ আহিন ভালপোৱা মৎস্য কন্যা তুমি। কিয় ভাল নোপোৱা শেৱালী ফুল....? কেইটামান প্ৰহৰৰ বাবে ফুলে বাবেই। পুৱাতে সৰি যায়। আঃ অসহ্য তাৰ অপমৃত্যু। বাঢ়নিৰে গছকি ফেনেকি দিয়ে যাৰ অস্তিত্ব, যাৰ শুভ্ৰতা। ময়ো বিচাৰো, নহ'বা তুমি শেৱালী ফুলৰ দৰে অল্পায়ু। কিন্তু শেৱালী ফুলৰ দৰে শুভ্ৰ হোৱা... উপচি পৰক সুগন্ধিৰে।

নিজকে অচিনা অচিনা লাগে আহিন আৰু শেৱালীৰ গোন্ধে ছানি ধৰিলে। মৌনতাৰে মুখৰ হৈ পৰে উজাগৰী ৰাতি। মায়াময় জোনাকে সাৰতি ধৰে প্ৰস্তৰ মূৰ্তিৰ দৰে থিয় দি থকা গছবোৰক, আমন জিমনকৈ পৰি থকা বাট পথবোৰক। সেমেকি উঠে কুঁৱলীৰ উচুপনিত সেউজী পাতবোৰ। পিন্ধে নিয়ৰৰ জোনবিৰি।

এইযোৰ তোমাৰ ওঁঠ। কঁপি উঠিছে বতাহত নে জাৰত। চুলি মেলি দিয়া যাজ্ঞসেনী। বতাহে ঢোৱাই নিয়ক। হাতত সাৱে ভৰিত সাৱে আহা। নহ'লে সশব্দে সাৰ পাব নীৰৱতাই। তৰাৰ থোকবোৰ দেখিছা? ভয় নাখাবা চকু মেলি আছে যদিও টোপনিত। সিহঁতে চকু মেলিয়েই শুৱে। তথাপি সাৱধান হ'বা। নহ'লে ডাৱৰৰ সৰু বৰ চুবুৰিক ৰজনজনাই দিব তোমাৰ মোৰ সম্পৰ্কৰ কথা। বৰষুণৰ টোপাল হৈ ডাৱৰে সিঁচিব গোপন খবৰবোৰ পৃথিৱীত। পপীয়া টুটকীয়া বতাহজাকে পালে আমি আৰু নাক উলিয়াব নোৱাৰিম।

লাহেকৈ খোজ দিবা গংগোত্ৰী, শব্দ কৰি উঠিব শুকান পাতবোৰ। চাওঁ শেৱালীৰ সুগন্ধে ছটিয়াই দিছে তোমাৰ মেঘালী চুলি। লোমালোমে ওলমি পৰিছে কুঁৱলীৰ সৰু-সৰু কণিকা। এয়া কি? সিক্ত তোমাৰ দুচকুৰ পাহি। প্ৰাপ্তিৰ, সুখৰ নে অপ্ৰাপ্তিৰ...? অ' কুঁৱলীৰ আকুল স্পৰ্শ। ভালকৈ মেথনি মাৰা ঐ কনেং, বতাহে লাই পাব নহ'লে। খুলি দিয়া আবেগৰ দুৱাৰ। খহাই দিয়া লজ্জা, কুটি কুটি খাম তোমাৰ সাঁচতীয়া যৌৱন। ব'লা কুঁৱলীয়ে সজা সাকোঁৱেদি আঘোনৰ পথাৰলৈ। তোৰে মোৰে মনে মিলিলে ঘৰ এখনকে পাতিব পাৰো পথাৰৰ টঙিতে। মৰমৰ লেছেৰী বুটলি থাপিম গুটি ভঁৰাল এখন। বছেৰেকীয়া বৰনৈৰ বানকো নকৰো কেৰেপ।

## প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ শিতান

# দিব্যলতা দত্ত আৰু অৰুন্ধতী বৰুৱাক বিচাৰি ...

গায়ত্ৰী দলে
প্ৰাক্তন ছাত্ৰী

**DESCRIBE THE LIMIT**

বৰফে আবৃত এখন পাহাৰ। চূড়াত আকাশৰফালে হাত দুখন মেলি থিয় হৈ আছে এজন মানুহ।

ছবিখন মাঘেৰিটাৰ দিব্যলতা দত্তৰ চেম্বাৰত ওলমি আছে। মোৰ চকুৰ সন্মুখলৈ ছবিখন আনি তলত থিয় হৈ আছো মই। চূড়াত হাত মেলি থকা মানুহজনৰ হাতদুখন আকাশত লাগি আছে।

আকাশ চুই চোৱাৰ হেঁপাহত ধূলি-বালিত বাগৰি থাকোতেও দৌৰিছিলো। এতিয়াও দৌৰো। কিন্তু আকাশ! কোনে চুব পাৰে? চূড়াত থিয় হৈ থকা মানুহজনেও আকাশ চুৱাৰ হেঁপাহতেই আছে। কিমান দূৰৈত আকাশ! সেই পাহাৰত লাগি থকা নীলাখিনি। বগা ডাৱৰখিনি সেয়াই আকাশ নহয়জানো?

নহয়। আকাশ আৰু পাহাৰৰ চূড়া কোনোদিনে কোনো সীমনাতেই মিল নহয়। মাথো মিলাৰ দৰে লাগিহে থাকে। তথাপিও আকাশ চুৱাৰ হেঁপাহত সকলোৱে দৌৰে।

"পৃথিৱীৰ সীমা ক'ত! নাজানো। দৌৰা দৌৰা। যিমান পাৰা দৌৰা সেয়াই জীৱন। কটনৰ স্নাতকোত্তৰ ছাত্ৰী হৈ সোমাই অহাৰ দুদিনৰ পাছতেই নাজমা কৌচৰ মেমে কৈছিল। একেটা কথাই কৈছিলো মই দিব্যলতা দত্তক।

হাঁহিৰে মুকুতা সৰাব পৰা দিব্যলতা দত্তৰ কণ্ঠটো কিয় মাজে মাজে থুকাথুকি হৈ যায়! কিয় ! ৰেচমী সূতাৰ দৰে মিহি হাঁহিটো কিয় স্তব্ধ হৈ যায় কেতিয়াবা। বাঁহীৰ দৰে আলোড়িত কৰিব পৰা সুৰটো কিয় মাজে মাজে কঁপি উঠে। বৰ দুখ লাগে মোৰ! বৰ দুখ!

ম'বাইলৰ চুইচ অফ হৈ থাকে চাৰিদিন। পৃথিৱীৰ বহুতো চুকত তোলপাৰ লাগে কি হ'ল দিব্যলতা দত্তৰ? কি হ'ল?

কিয় চুইচ অফ থাকে আপোনাৰ? চিংফৌ গাঁৱলৈ গৈছিল? Network নাছিল?

নাই নাই। ক'লৈকো যোৱা নাই।

তেন্তে!

I have lost my voice

What

Yes Gayatri, I have lost my voice.

পাগল! পাগল আপুনি। কি যে উল্টা-পুল্টা কথাবোৰ ভাৰি থাকে! কওক আপোনাৰ কি হৈছে? কিয় চুইচ অফ?

এনেই। একো হোৱা নাই। কেতিয়াবা সকলোৰে পৰা বিচ্ছিন্ন হৈ নিজৰ লগত কথা পাতো। এইকেইদিন নিজৰ লগত কথা পাতিলো। বহুত কথাৰ প্ৰশ্ন বিচাৰিছিলো।

কি পালে প্ৰশ্ন নে উত্তৰ?

ঃনাই। একো নাপালো। প্ৰশ্নৰো প্ৰশ্নহে পালো। উত্তৰৰো প্ৰশ্ন পালো। কিন্তু উত্তৰ! নাই, আমি যিবোৰ প্ৰশ্নৰ উত্তৰ নিজৰ মাজত বিচাৰো সেই উত্তৰবোৰ চব নিজক সন্তুষ্ট দিবৰ বাবে সজাই লোৱাহে। নিজক নিজে দিয়া ফাঁকি। একো নাথাকে নিজৰ প্ৰশ্নবোৰৰ উত্তৰ। মই একো নাপালো।

কিছুসময় স্তব্ধতা।

স্পীডত ঘূৰা চিলিঙি ফেনখনৰ ঘূৰ্ণনটো ক'ৰপৰা আৰম্ভ হৈছে জানিবৰ মন গৈছে। জিঁয়া পাখিৰ দৰে ফেনখনৰ পাখি তিনিখন পাতল হৈ পৰিছে।

কি ভাবিছা তুমি?

নাজানো কি ভাবিছো। কিন্তু কিবা এটা ভাব মনলৈ আহিছে। ভাৰি ভাল লাগিছে। ক'বৰ মন যোৱা নাই। বন্ধ চকুৰ ভিতৰত মই মাথো দেখিছো-দিব্যলতা দত্ত নামৰ মানুহজনীয়ে চেম্বাৰত বহি কাণত ম'বাইলটো লৈ আছে। চকু দুটা মুদা।

ঠিক ইমানলৈকেহে দিব্যলতা দত্তক মোৰ ভাল লাগিল। ইয়াৰ পাছৰ যন্ত্ৰণাকাতৰ সেই শুকান হাঁহিটো ভাল নালাগিল। কাটি দিলো।

২০০৬ চনৰ ১ অক্টোবৰত ইলুদেৰী অধিকাৰীয়ে সুধিছিল দিব্যলতা তুমি কিমান দূৰত?

ক'ৰপৰা কিমান দূৰৈত দিব্যলতা! সকলোৰে কাষত থাকিও কিয় দিব্যলতা দত্ত থাকিব বিচাৰে সকলোৰে পৰা এক নিৰ্দিষ্ট দূৰৈত। অস! থাককচোন। সেই অধিকাৰ তেওঁৰ একান্তই নিজা। দূৰৈত থাকিও সুখী হওক দিব্যলতা দত্ত।

তথাপিও মোৰ কেতিয়াবা কুৰুকি কুৰুকি সোমাই যাবৰ মন যায় দিব্যলতা দত্তৰ ভিতৰলৈ। কি ভাল পায় দিব্যলতা দত্তই? কেনেকৈ জীয়াই থাকে তেওঁ? কি বিচাৰে তেওঁ সেই কথা জানিবৰ মন যায় ভীষণ মোৰ কেতিয়াবা কেতিয়াবা কিন্তু! কোনেওতো সুধিব নোৱাৰে দিব্যলতা কিয় বাঁহীৰ দৰে করুণ তোমাৰ হাঁহি?

মানুহক ভাল পায় তেওঁ। তেওঁৰ মতে, যিমান পাৰি সিমান ভালপোৱা উজাৰি দিব লাগে।

কি জান, মই য'লৈকে যাওঁ লগত ভালপোৱা লৈ যাওঁ আৰু য'ৰ পৰা উভতি আহো তাৰপৰা ভালপোৱাকেই লৈ উভতি আহো।

ভালপোৱাৰে পূৰ্ণ হয়নে হৃদয়?

নাই নাই, সকলো ভাললগা-ভালপোৱাৰ পাছতো এটা শূণ্যতা ৰৈ যায়- শূণ্যতা। বিশাল শূণ্যতা। কিয় ৰৈ যায় এই শূণ্যতা মই নাজানো।

২। অৰুন্ধতী বৰুৱা আপুনি দিব্যলতা দত্তক চিনি পায়নে? অ' সেই সাধুকথা বিচাৰি ট্ৰাইবেল গাওঁ ভ্ৰমি ফুৰা মানুহগৰাকী? ভীষণ ঈৰ্ষা লাগে মোৰ তেওঁলৈ। এডভাঞ্চাৰৰ বাবে সাজু হওক বুলি নিংখী ল'ৰাটোৱে ৰাতি যেতিয়া তেওঁক শুৱাৰ পৰা জগাই দিয়ে, হাতত টৰ্চ লৈ তেওঁ যেতিয়া ল'ৰাটোক অনুসৰণ কৰে, খুপি খুপি শিলৰ ফাঁকে ফাঁকে পানীত খোজ কাঢ়ি যেতিয়া জেংথু নৈ পাৰ হৈ চাক্মা গাঁৱলৈ যায় আশী বছৰীয়া আংফিও নিংখীৰ লগত ওৰে ৰাতি বহি যেতিয়া অৰুণাচলী সাধু শুনি থাকে, তেতিয়া মোৰ ভীষণ ঈৰ্ষা হয় দিব্যলতা দত্তলৈ। কিয় দিব্যলতা দত্তই নদী ইমান ভাল পায়? ফাটবিহু চাবলৈ আহি তেওঁ যে দিনৰ বেছিভাগ সময় প্ৰখৰ ৰ'দকো আওকাণ কৰি চাৰিকড়ীয়াৰ পাৰতেই বহি আছিল। কবিতা গাবলৈ গৈ মাজুলীত টুনি নৈৰ পাৰত গোটেই সন্ধিয়াটো বহি আছিল। দিচাং চাপৰিলৈ গৈ দিচাং নৈৰ পাৰত আবেলিটো পাৰ কৰি অহা দিব্যলতা দত্তই নদীৰ বুকুত কি এৰি থৈ আহিছে? কিয় কয় তেওঁ প্ৰেম পৃথিৱীৰ প্ৰথম পাপ বুলি? ভীষণ খং উঠে তেতিয়া দিব্যলতা দত্তলৈ মোৰ।

ঃ একমিনিট অৰুন্ধতী বৰুৱা? প্ৰেমে যদি জীৱনলৈ কেৱল যন্ত্ৰণাকেই কঢ়িয়াই আনে, প্ৰেমে নিশাবোৰ যদি উজাগৰে পাৰ কৰায়, সেই প্ৰেমক পাপ বুলি কিয় ক'ব নোৱাৰি?

ঃ হাঁহিৰ চিম্ফনীত ফাটি যায় অৰুন্ধতী বৰুৱা।

ঃ মোক দেখিছা? মোৰ এই ৰঙা বগা সেন্দুৰীয়া গালখন দেখিছা? পঞ্চলিশটা বছৰেও যৌৱন কাঢ়িবপৰা নাই, দেখিছা চলিকোছা-দেখিছা চকুহাল? কি বুজিছা? কি পাইছো মই? প্ৰেমৰ নামত সমস্ত পৱিত্ৰতা ধৰি ৰাখিলো। মাত্ৰ এজনৰ বাবে উন্মুক্ত ৰাখিলো বুকু। আহিলনে তেওঁ? মইচোন বিশবছৰ আগতে তেওঁৰ সতে কাজিৰঙাত কটোৱা এটা আবেলিৰ স্মৃতিকেই সামৰি ঘূৰি আছো। তেওঁতো মোক কোনোদিন বিচাৰি নাহে। মই ফোন কৰিলেও ৰিচিভ নকৰে। আনকি তেওঁৰ জীৱনলৈ কোন নাৰী আহিছে সে কথাও নাজানা। জানো জানো তেওঁ হীনমন্যতাত ভোগে। অকলশৰে থাকিব বিচাৰে। আৰে- ছালবোৰ বগা হৈছে- সেইটো কি ডাঙৰ কথা। মইতো তেওঁৰ ছালখনৰ ভিতৰৰ মানুহজনৰ এটা শব্দ কেৱল এটা শব্দ বিচাৰি ফুৰিছো। মই কি পাইছো? একোতো পোৱা নাই অথচ মইতো কোৱা নাই প্ৰেম পৃথিৱীৰ প্ৰথম পাপ বুলি। ৰৈ থকা সপোন এটা দেখাৰ যে যন্ত্ৰণা ভীষণ সেই কথা ময়ো জানো কিন্তু সেই বুলি জানো সপোন দেখাৰ কাহিনী ইমানতে শেষ হ'ব। মই নাজানো দুচকুত কোনে কিমান সপোন আঁকি সময়ৰ সতে দৌৰে। সময়ে কাৰবাবে কিমান সুখ কঢ়িয়াই আনিছে। কোন কাৰ কিমান মৰমৰ হ'ব পাৰে, সেই মৰমৰ পৰিধিক কোনে কিমান বহল আৰু যুগজয়ী কৰিব পাৰে....

তথাপিওটো আমি সপোন দেখো, আশাৰে আকাশলৈ চাওঁ যেন উজ্জ্বল ধ্ৰুৱতৰা এটা দেখোঁ, যিটো স্থিৰ কোনোদিনি লৰচৰ নহয়। পৃথিৱীৰ নিয়মৰ দৰেই অলৰ অচৰ।

মোৰ এই প্ৰেমক মানুহে ফেটিচিজম বুলি কয়। প্ৰেম কি ফেটিচিজম? কিয় উজাগৰ হয় নিশা? বুকুৰ আবেগ নাথাকিলে টোপনি পতাৰ পৰা হেৰায়? প্ৰেম নাপালে মানুহ অঘৰী হয়? অনুৰাগ নাথাকিলে কোনোবাই কাৰোবাৰ বাবে মৰিব পাৰিম বুলি ক'ব পাৰে? দিব্যলতা দত্তক কৱা সংগ্ৰাম য'ত থাকে মৃত্যুও থমকি ৰয়, শ্ৰম আৰু শিল্পই য'ত কথা কয় কোনো অস্ত্ৰই ভাঙিব নোৱাৰে জীৱন-বৃত্ত। গতি আছে বাবেইতো স্থিতি। ক্ষণিক অমৃত পৰশেৰে স্থিতিকো গতিময় কৰি জীৱন অমৰ কৰিব পাৰি। মই ঘৰ বিচাৰি অঘৰী হোৱা মানুহ... গতিকে জানাই মোৰ কি আছে কি নাই....।

৩।

"আজি জোনাক। ব'লা সোৱ নশিৰি পাৰলৈ যাওঁ।"

"ব'লা।"

সোৱনশিৰি পাৰত বহি থকা প্ৰেমিক-প্ৰেমিকাৰ আলোচ্য বিষয় দিব্যলতা দত্ত। এতিয়া যদি দিব্যলতা দত্তই সেই সৰ্বশ্ৰেষ্ঠ হাঁহিটো মাৰিলেহেঁতেন। প্ৰকৃতিৰ সকলো নৈ-নিজৰা,

চৰাই-চিৰিকতিৰ মাতেই তল পৰিলেহেঁতেন। ফোন কৰা ফোন কৰা দিব্যলতা দত্তলৈ। মাজনিশা দিব্যলতাই শুব পাৰেনে?

ঃ তুমি কৰা। বাহিৰত জোনাক। বাহিৰলৈ ওলাই আহিবলৈ কোৱা।

ঃ মোকতো চিনি নাপায়।

ঃ পাব পাব। মোক চিনি পায়-তোমাকো পায়। মোৰ মাজত তুমি আছা। দিব্যলতা দত্তই জানে সেই কথা।

৯৪৩৫৪৭৫৮....

ঃ দিব্যলতা দত্তৰ স্নিগ্ধ কোমল মসৃণ সহাঁৰি...

ঃ ওঁ কোৱা, মই জানো তুমি ফোন কৰিবা বুলি। কিন্তু বাহিৰত যাব হলে নোৱাৰো। খিৰিকী খুলি থোৱা আছে। মোৰ কোঠাটোলৈও জোনাক আহি পাইছে।

ঃ কেনেকৈ গম পালে মই ফোন কৰিছো বুলি? তোমাৰ কথা তাইৰ মুখত শুনি শুনি মই তোমাক ইমান ভালকৈ জানি পেলাইছো যে মই যেন জানোৱেই তোমাৰ ফোন এটা এনেকুৱা সময়ত আহিব পাৰে বুলি। সোৱনশিৰি পাৰত আছা?

ঃ এটা কবিতা শুনিম আজি ৰাতি। আপোনাৰ কবিতা। প্ৰেমৰ। নকব কিন্তু প্ৰেম পৃথিৱীৰ প্ৰথম পাপ বুলি।

ঃ নকওঁ নকওঁ। অৰুন্ধতী বৰুৱাৰ দৰে জীৱনক ভাল পাবলৈ শিকিছো মই। মই নিজৰ ভাষাৰে এতিয়া কওঁ "তোমাৰ দুচকুত চকু থৈ মই উমান লওঁ তুমি ভালে আছা নে নাই দুচকুৰ কলা মণিত কেনেকৈ লুকুৱাই থৈছা ইমানবোৰ দুখ ইমানবোৰ অব্যক্ত যন্ত্ৰণাৰ বোজা। তোমাৰ দুচকুৰ আলিংগনত পিষ্ট হয় মোৰ হৃদয় তোমাৰ চকুৰ জুই আঙনি যেন উত্তাপত জ্বলি ছাই হওঁ মই।"

ঃ দিব্যলতা বা কবিতা কবিতা......

ঃ কবিতা ?

এডোঙা প্ৰেমত গোপনে তিতিবুৰি উন্মাদ হৈছে বনগীতৰ কলি এটা কুৰুকি সোমাই আছে বুকুৰ ভিতৰত ডুব যোৱা বেলিটো কাষতে শুৱাই পোহৰাব খুজিছো ভিতৰৰ এন্ধাৰ। ওঁঠত নুফুটা শব্দবোৰ বুকুফাটি বিয়পি পৰিল বতাহত এতিয়া মই কি কৰো!

ঃ আৰু ?

ঃ এদিন আদম আৰু ঈভৰ খোৱা নিষিদ্ধ ফল চুৰকৈ খাইছিলো।

তেতিয়াৰ পৰাই তুমি মোৰ উজাগৰ নিশাৰ বিষাদ।

ঃ আৰু এটা! সেই বিখ্যাত কবিতাটো?

ঃ কোনটো?

ঃ হাঁহিটো!

প্ৰাণখুলি দিব্যলতা দত্তৰ কণ্ঠনলীয়েদি ওলাই অহা হাঁহিটোৱে আন্ধাৰৰ সমগ্ৰ কপটতাকেই যেন ধুই নিকা কৰি পেলালে।

মাজনিশা দিব্যলতা দত্ত আৰু অৰুন্ধতী বৰুৱাক এৰি গুছি আহিলো। সি মোৰ সোঁহাতখন মুঠি মাৰি ধৰি ক'লে- দিব্যলতা দত্ত আৰু অৰুন্ধতী বৰুৱাৰ সততাক মই তোমাৰ মাজত বিচাৰো! পামনে?

মই চাই ৰ'লো তাৰ দুচকুলৈ। মানুহ ভাল পাব পৰাৰ এক আকুলতাই মোৰ বুকুত স্পৰ্শ কৰিলে... হয়তো এই কাৰণেই দিব্যলতা দত্ত আৰু অৰুন্ধতী বৰুৱাক মানুহে ইমান ভালপায় হয়তো এইবাবেই!!! ●

**মহৎ লোকৰ বাণী**

- যি মানুহে আটাইতকৈ অকলশৰীয়া হৈ থিয় দিব পাৰে তেওঁয়েই পৃথিৱীৰ আটাইতকৈ শক্তিশালী মানুহ।

-ইবচেন।

- সাহসেৰে যুঁজ কৰা। জীৱনটো বৰ চুটি, এতেকে মহৎ কামৰ বাবে জীৱনটো উছৰ্গা কৰা।

-স্বামী বিবেকানন্দ।

সংগ্ৰাহক - মনিপ্ৰসাদ পেগু







# প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ শিতান

## Book Review
## Hind Swaraj, Gandhi's Challenge to Modern Civilization. Vol. I new Delhi R.P. Mishra (Ed.)

**Sri Ritu Kr. Das**
**Ex Student**

M.K. Gandhi has been attracting the attention of humanity ever since India attained independence through non-violance means. His framework of development and governance continues to be critiqued and actions can not be ignored. It is unfortunate that his thoughts and framework of actions have not been contextualised. Gandhi was always dynamic and moved ahead of the time. In India the Gandhians protected the thoughts of Gandhi as sacrosanct and that can not be and need not be contexualised. Yet a large volume of literature has been developed by the contributions of Scholars who claim to be Gandhian Scholars and those who started moving towards Gandhi to learn more about a new path. Gandhi himself as on author, produced voluminous literature.

After his demise many generated literature by analysing Gandhi in different dimensions with varying perspectives.

The book under review is the first vulume in the Rediscovering Gandhi series. It is a projectised activity and volumes are going to come out one after another. In the fast changing newer perspectives scholars have emerged to look at Gandhi his works and his methodologies. This work is yet another attempt to relook at Gandhi. No doubt it is a compilation of relevent documents akin to Hind Swaraj for perspective analysis and understanding. Any attempt to look at contemporary complex issues in governance, administration, society, economics from the perspective of Gandhi is to be welcomed and appreciated. No doubt contexfualising Gandhi is an imperative need of the hour. Against this background this new volume is a new addition to the existing body of knowledge on Gandhi in the Indian context, debating and critiquing Gandhi are rare phenomena. Gandhi's contributions at the level of knowledge could have been raised to new heights by intensive critiquing. But unfortunately that has not been done substantially in the discourses on Gandhi by the Gandhian Scholars.

When we say that it is rediscovering Gandhi, the Gandhian Framework of Action has to be seen in the light of contemporary Socio-political, economic, cultural and religious issues which are affecting the society Moreover it is necessary to evolve a framework of action as Gandhi wanted action to transform the society. This backdoop made me look for new insights and actions pointing the tools in transforming the society in the book.

I started reading the book under review with the hope of getting a newer approach and nuance to understand Gandhi contextually and take lessons for action as I have been searching for models to work with people.

Moreover Gandhi was always effective in giving operational definitions to each and every concept.

Gandhi relied on Social capital for all his activities. Any reform he suggested would emanate only from the people. In such a way he developed his framework. For long I was not convinced of the arguments of Gandhi in Hind Swaraj because of my poor understanding of hind swaraj. But my search was on to find answers to many of the ills in contemporary society.

In this context four write-ups on Gandhi have cleared my doubts and made me read those writings repeatedly. They are "Gandhi's Hind Swraj" Its appeal to Me by T.S. Ananthu, understanding Gandhi" by Dharampal "Relevance of Gandhi and other Essays" by Prof. K. Swaminathan. Subsequently many books and articles on Gandhi have changed my perception. Having joined a Gandhian institution my grip over the activities has increased. My interaction and interface with other Gandhian institutions have enabled me to work well within the framework of Gandhi. Hence, it is natural to expect some more tools for action from the present book. For rediscovering Gandhi it is appropiate to start only from basics and hence the editor of this volume has started all from Hind Swaraj. The book has four divisions and 17 Chapters, Almost nearly a century after the publication of the first draft of this write up by M.K. Gandhi an excercise of rediscovering Gandhi has been done. For an ordinary reader, it is a good collection to have a rounded perception about Hind Swraj up to Chapter 15. Three chapters in the first part deal with the basic arguments for Gandhi's attack on Western Civilizations. Arguments are projected from the writings and speeches of Gandhi. Part two gives the details of forces, factors and incidents which shaped the thoughts of M.K. Gandhi, which ultimately resulted in writing the book, Hind Swraj Part III presents the commentaries, reviews, arguments criticism, observations on Hind Swraj published subsequently. Finally part four brings to light the agenda for action and the meterial provided are for contextualising Gandhi and developing on action plan.

Chapter 16 and 17 highlight the steps to be taken at the Global level and the national level. All the discusssions are on the existing track. An indepth analysis is necessary to synergise the Socio-political conditions in the world while drafting such a kind of agenda one has to consider the perspectives of Gandhi.

All changes envisaged are in the structural domain of the institutions nationally and internationally but not from the grassroots except making some general recommendations to reform Panchyati Raj. Gandhi never realised much on institutional purse-but he relied on Social Capital. Farther he believed that the process starts only from the grassroots and below not from the top. While going through the entire book even with a cursory backgrond on Gandhi, I felt that the author could have tried to delve further deep into the issues. This is from the point of view of a person who has a thirst for reinventing Gandhi.

What we need is not a bulky volume on Gandhi but a small module and manual to translate the thoughts of Mahatma Gandhi into action. Gandhi's prophetic vision is to change and transform the community for which we need only an action inspiring guide. Yet this book is another in the existing pool of volumes on and by Gandhi. The series editor is committed to his work and has done Justice in compiling the documents successfully with a view to enable the reader to understand the whole gamut of the evolution of the idea. Having got a committed person, normally the expectation of a reader is much more than what an ordinary compiler can do. However, the book will be useful to students, rescarchers and teachers. ●





## ঢকুৱাখনা মহাবিদ্যালয়ৰ ২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকল


ধৰ্মেশ্বৰ চুতীয়া
উপ-সভাপতি


যতীন বড়া
সাধাৰণ সম্পাদক


দুলাল মুদৈ
সহঃ সাধাৰণ সম্পাদক


ডেভিদ বড়া
সাহিত্য ও আলোচনী সম্পাদক


মনোজ বৰুৱা
তৰ্ক ও আলোচনা সম্পাদক


ধ্ৰুৱজ্যোতি গগৈ
শৰীৰ চৰ্চা সম্পাদক


পংকজ ভড়ালী
সমাজসেৱা সম্পাদক


ৰাজজ্যোতি বুঢ়াগোহাঁই
ক্ৰীড়া সম্পাদক


ভৱেশ দাস
ছাত্ৰ জিৰণী কোঠা সম্পাদক


মনালিছা বৰুৱা
সাংস্কৃতিক সম্পাদিকা


শিখামণি খনিকৰ
ছাত্ৰী জিৰণী কোঠা সম্পাদিকা



মনমী কলিতা
২০০৭-০৮ বর্ষৰ স্নাতক চূড়ান্ত
পৰীক্ষাত অসমীয়া বিভাগত প্ৰথম
শ্ৰেণীৰ প্ৰথম স্থান প্ৰাপ্ত


পূৰ্ণিমা ফুকন
২০০৭-০৮ বর্ষৰ স্নাতক চূড়ান্ত
পৰীক্ষাত অসমীয়া বিভাগত প্ৰথম
শ্ৰেণী প্ৰাপ্ত

আ
মা
ৰ
গৌৰৱ


সংগীতা দত্ত
২০০৭-০৮ বর্ষৰ স্নাতক চূড়ান্ত
পৰীক্ষাত ৰাজনীতি বিজ্ঞান বিভাগত
প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান প্ৰাপ্ত


গুণকৃষ্ণ কোঁচ
২০০৭-০৮ বর্ষৰ উঃ মাঃ চূড়ান্ত
পৰীক্ষাত ষ্টাৰ মাৰ্ক প্ৰাপ্ত


পৰমা ফুকন
২০০৭-০৮ বর্ষৰ উঃ মাঃ চূড়ান্ত
পৰীক্ষাত ষ্টাৰ মাৰ্ক প্ৰাপ্ত


জুপিতৰা নাথ
২০০৭-০৮ বর্ষৰ উঃ মাঃ চূড়ান্ত
পৰীক্ষাত ষ্টাৰ মাৰ্ক প্ৰাপ্ত


ডিম্পল হাজৰিকা
স্বৰ্গীয় প্ৰহ্লাদ গোহাঁই সোঁৱৰণী আন্তঃমহাবিদ্যালয়
তৰ্ক প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপ্ত






## ২০০৭-০৮ বর্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ শ্ৰেষ্ঠসকলৰ একাংশ


পলাশ কোঁৱৰ
শ্ৰেষ্ঠ অভিনেতা


অপৰাজিতা বুঢ়াগোহাঁই
শ্ৰেষ্ঠা অভিনেত্ৰী ও শ্ৰেষ্ঠ সাহিত্য
প্ৰতিযোগী


চুচেন বৰ্মন
শ্ৰেষ্ঠ গায়ক


ৰূণা পায়েং
শ্ৰেষ্ঠ গায়িকা


ৰাহুল দে
শ্ৰেষ্ঠ তাৰ্কিক



শ্ৰেষ্ঠ কুইজ দল
( বাঁওফালৰ পৰা ) নিতুল চুতীয়া, ভবেন্দ্ৰজিত গগৈ, পৰাণজ্যোতি বড়া


ৰাজজ্যোতি বুঢ়াগোহাঁই
মিঃ ঢকুৱাখনা ও শক্তিমান পুৰুষ


মুনমী পাচনী
লৌহ মানবী


নিতন বুঢ়াগোহাঁই
যোগসম্ৰাট (একেৰাহে দুবছৰ)


বেবী চুতীয়া
পাঞ্জাৰাণী



যদুমনি ভড়ালী
পাঞ্জাবীৰ



গোবিন হাজৰিকা
শ্ৰেষ্ঠ এথলেটিক

লীলাকান্ত গগৈ
শ্ৰেষ্ঠ ক্ৰিকেটাৰ



দিপাঙ্কৰ দাস
কেৰম ও ডবা চেম্পিয়ন ( একক)



মনোজ গগৈ
বেডমিন্টন চেম্পিয়ন ( একক)



টেবুল টেনিচ চেম্পিয়ন (দ্বৈত )
(বাওঁ ফালৰ পৰা) দিপাঙ্কৰ দত্ত আৰু ৰনোজ প্ৰভাকৰ শৰ্মা



টেবুল টেনিচ ৰানাৰ্চ আপ (দ্বৈত )
(বাওঁ ফালৰ পৰা) ভৱেশ দত্ত আৰু অৰুণজ্যোতি দত্ত



কাৰ্মুকগাম দলে
কেৰম প্ৰতিযোগিতাৰ ৰানাৰ্চ আপ (একক)







বাজৰ্ণী খনিকৰ
শ্ৰেষ্ঠ সমাজসেবক



পাহাৰী পাতিৰ
মুনমী পাচনী
শ্ৰেষ্ঠা সমাজসেৱিকা



কৃণজুন পাতিৰ
ছাত্ৰী জিৰণী কোঠাৰ শ্ৰেষ্ঠা প্ৰতিযোগী



বিউটি বড়া
আকস্মিক বক্তৃতাৰ শ্ৰেষ্ঠা প্ৰতিযোগী



দুলুমনি দলে
২য় শ্ৰেষ্ঠ এথলেটিক

ৰশ্মি চুতীয়া
কইনা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠা প্ৰতিযোগী

## অৱসৰ গ্ৰহণ কৰা মাননীয় অধ্যক্ষ, উপাধ্যক্ষ আৰু শিক্ষকসকলৰ আলোকচিত্ৰ



শ্ৰীযুত শিৱপ্ৰসাদ গগৈ, অধ্যক্ষ
(17/11/1970 - 1/7/'04)

শ্ৰীযুত দশৰথ পাঠক, উপাধ্যক্ষ
(14/09/1967 - 31/8/'01)



ড° জিতৰাম কলিতা, উপাধ্যক্ষ
(25/08/1969 - 31/01/'06)

শ্ৰীযুত বীৰেন দত্ত, উপাধ্যক্ষ
(22/07/1971 - 31/03/'07)



শ্ৰীযুত ভোলানাথ গগৈ, উপাধ্যক্ষ
(22/07/1972 - 24/02/'07)



শ্ৰীযুত নবনাৰায়ণ গগৈ, মুৰব্বী অধ্যাপক
অংকশাস্ত্ৰ বিভাগ
(07/09/1970 - 31/12/'03)



শ্ৰীযুত কোষেশ্বৰ দত্ত
মুৰব্বী অধ্যাপক
সমাজশাস্ত্ৰ বিভাগ
(22/02/1970 - 31/08/'05)

শ্ৰীযুত চুচেন দলে
মুৰব্বী অধ্যাপক
বুৰঞ্জী বিভাগ
(01/07/1970-31/01/'06)



শ্ৰীযুক্তা অনিমা দত্ত
অধ্যাপিকা
অৰ্থশাস্ত্ৰ বিভাগ
(23/12/1975-31/07/'07)





# প্ৰতিবেদন

## উপ-সভাপতিৰ প্ৰতিবেদন

সৰ্বপ্ৰথমে যিসকল স্বণামধন্য লোকৰ আপ্ৰাণ চেষ্টাত ঢকুৱাখনা মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০০৭-০৮ বৰ্ষৰ ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক উপ-সভাপতি হিচাপে নিৰ্বাচন কৰাৰ বাবে ভোটদাতা বন্ধু-বান্ধৱীসকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

এই গুৰু দায়িত্বভাগি গ্ৰহণ কৰিয়েই সহপাঠীসকলৰ সৈতে মহাবিদ্যালয়ৰ উন্নতিৰ হকে যৎপৰোনাস্তি চেষ্টা কৰিছিলো। কিন্তু মহাবিদ্যালয়ৰ উন্নতিৰ কাৰণে কিবা বৰঙণি আগবঢ়াব পাৰিলো নে নাই সেয়া আপোনালোকৰ বিচাৰ্য বিষয়।

বিগত বছৰ সমূহৰ দৰে আমাৰ মহাবিদ্যালয় সপ্তাহটি অতি উলহ মালহেৰে পালন কৰোঁ। এনে এটি মুহূৰ্তত প্ৰত্যেকজন সম্পাদককে মই মোৰ দিহা পৰামৰ্শ ও সহায়-সহযোগিতা আগবঢ়াওঁ আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত যি অসুবিধা হৈছিল এই সকলো অসুবিধা ছাত্ৰ একতা সভাৰ সদস্য সকলে লগ লাগি সুচাৰুৰূপে পৰিচালনা কৰিছিলোঁ।

মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী যেনে- সৰস্বতী পূজা, নৱাগত আদৰণী সভা, পি জি মেম'ৰিয়েল ডেবেটিং কম্পিটিচন আদি বিভিন্ন কাৰ্যসূচীত মই মোৰ সহযোগিতা আগবঢ়াইছিলো।

উপ-সভাপতিৰ কাৰ্যকালত বিশেষ কোনো নিৰ্দিষ্ট কাৰ্যাৱলী নাছিল যদিও মই মোৰ সকলো সহপাঠীৰ সৈতে প্ৰতিটো কাৰ্যত সহায় সহযোগিতা আগবঢ়াইছিলো।

ওপৰোক্ত বিভিন্ন কাৰ্যাৱলীত কিম্বা মোৰ কাৰ্যকালত মোৰ অজানিতে বহুতো ভুল-ভ্ৰান্তি হৈ যোৱা স্বাভাৱিক। সেইয়া ক্ষমাৰ যোগ্য।

শেষত মোৰ কাৰ্যকালত মোক বিভিন্ন সহায়-সহযোগিতা, দিহা-পৰামৰ্শ দিয়া- কেশ, নিতুল, প্ৰাঞ্জল, বিমান, পাৰ্থ, দুলাল, ডেভিদ, যতিন আৰু বহুতো বন্ধু-বান্ধৱী, ভাইটি সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ প্ৰতিবেদন সামৰিছো।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।।
জয়তু ছাত্ৰ একতা সভা।।

শ্ৰী ধৰ্মেশ্বৰ চুতীয়া

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

শব্দৰ গাঁথনিৰে কৃতজ্ঞতা কিমান সফলতাৰে প্ৰকাশ কৰিব পাৰি নাজানো, তথাপিও প্ৰতিবেদনৰ আৰম্ভনিতে সেইসকল ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছোঁ, যিসকলৰ মহান ত্যাগ আৰু হাড় ভগা কষ্টৰ ফলস্বৰূপে "ঢকুৱাখনা মহাবিদ্যালয়" স্থাপিত হৈ আজিৰ অৱস্থাত উপনীত হৈছেহি। ২০০৭-০৮ বৰ্ষৰ "ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে গুৰু দায়িত্ব পালন কৰিবলৈ নিৰ্বাচিত কৰি যিসকল অগ্ৰজ-অনুজ, বন্ধু-বান্ধৱীয়ে মোক মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ সুবিধা দিলে, সেই সকললৈ মোৰ সশ্ৰদ্ধ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰকৃতাৰ্থত এবছৰীয়া কাৰ্য কালত নিজ কৰ্মৰ নথি পত্ৰ অথবা প্ৰতিবেদন প্ৰকাশ কৰি সফলতা তথা বিফলতাৰ মাপ কাঠি জোখাটো বাতুলতা মাথোন। গৌৰৱোজ্জ্বল ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যৰূপে তথা সাধাৰণ সম্পাদকৰূপে উন্নয়নমূলক কাম আৰু ন্যস্ত দায়িত্ব সমূহ কেনেদৰে পালন কৰিলোঁ সেইয়া বিচাৰ কৰাৰ দায়িত্ব আপোনালোকৰ।

**কাৰ্যভাৰ গ্ৰহণ ঃ-**

২০০৭ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শপত গ্ৰহণ অনুষ্ঠানত এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানটিৰ সুস্থ শৈক্ষিক পৰিৱেশ.... ধাৰাবাহিকভাৱে বজাই ৰখাত গুৰুত্ব দিয়া আৰু মহাবিদ্যালয়ৰ সমগ্ৰ ছাত্ৰশক্তিকে একেখন মঞ্চতে থিয় কৰাই কাৰ্যকালত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি সাধন কৰিবলৈ সংকল্পবদ্ধ হৈছিলো আৰু সেইমতেই কামত অগ্ৰসৰ হৈছিলো।

**কাৰ্যকালৰ খতিয়ান ঃ-**

এবছৰীয়া চমু কাৰ্যকালৰ প্ৰতি লক্ষ্য ৰাখি সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ ..... দিনৰ ভিতৰতে সফলতা বিফলতাৰ মাজেৰে একাডেমিক কেলেণ্ডাৰৰ মতে সকলোৰে সহায়-সহযোগত মহাবিদ্যালয়ৰ সপ্তাহটি উলহ মালহেৰে পালন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ স্থল, "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয় পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলন অনুষ্ঠানেৰে। শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত এক সাংস্কৃতিক শোভাযাত্ৰাও উলিওৱা হয় মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা।

প্ৰবল বানপানীকো নেওচি আঠুমুৰীয়া পানীতে

২৫/৭/০৮ তাৰিখে মহাবিদ্যালয়ৰ ৪৩ তম প্ৰতিষ্ঠা দিৱসত অনুষ্ঠানটি অনুষ্টুপীয়াকৈ অনুষ্ঠিত কৰা হয়।

জীৱনৰ ৰঙীণ সপোনবোৰক বাস্তৱত সমৰ্থক ৰূপ দিয়াৰ মানসেৰে আমাৰ মহাবিদ্যালয়লৈ অহা মৰমৰ নৱাগতসকলৰ আদৰণী সভাখন দুবাৰ বানপানীৰ বাবে ঠিক কৰা তাৰিখ মতে অনুষ্ঠিত কৰিব নোৱাৰি অৱশেষত ২৭/০৯/২০০৮ তাৰিখে অতি উলহ-মালহেৰে অনুষ্ঠিত কৰা হ'ল।

অন্যান্য অনুষ্ঠান, উৎসৱৰ লগতে শ্ৰী শ্ৰী সৰস্বতী দেৱীৰ পূজাভাগ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত উদ্‌যাপন কৰা হয়।

মোৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ বহুতো পাঠ্যপুথিৰ যোগান ধৰাৰ ব্যৱস্থা লোৱা হয়।

বানপানীৰ বাবে ক্ষতি হোৱা ঁ প্ৰহ্লাদ গোহাই স্মৃতি সৌধটিৰ নিৰ্মাণ কাৰ্যও মোৰ কাৰ্যকালতে সম্পন্ন কৰা হয়। প্ৰতিবছৰে অনুষ্ঠিত হোৱা ঁ প্ৰহ্লাদ গোহাঁই সোঁৱৰণি তৰ্ক প্ৰতিযোগিতা খনি এইবাৰো সফলভাৱে ৰূপায়ণ কৰা হয়।

মোৰ কাৰ্যকালত বহুবছৰৰ বিৰতিৰ মূৰত "অভিভাৱক সভা" অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ লগতে ছাত্ৰ-ছাত্ৰী নিবাসৰ বিভিন্ন অসুবিধাবোৰৰ বিষয়ে আলোচনা কৰা হয়।

বান বিধ্বস্ত ৰাইজলৈ মোৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰি ৰাইজক উপকৃত কৰো।

আমাৰ মহাবিদ্যালয়ত আজি পৰ্যন্ত এটি প্ৰেক্ষাগৃহ নিৰ্মাণ হৈ উঠা নাই। কলেজ প্ৰেক্ষাগৃহটিৰ বাবেও কৰ্তৃপক্ষৰ লগত আলোচনা কৰিছিলো যদিও চলিত বৰ্ষত কাৰ্যকৰী নহ'ল। অৱশ্যে অতি সোনকালে কাম আৰম্ভ হ'ব বুলি কতৃপক্ষই জনাইছে।

ছাত্ৰ একতা সভাৰ নতুনকৈ বনোৱা কাৰ্যালয়টিৰ নিৰ্মাণ কাৰ্যও অতি সোনকালে শেষ কৰিবলৈ দাবী জনাইছিলো যদিও চলিত বৰ্ষত বিভিন্ন অসুবিধাৰ বাবে সম্পূৰ্ণ কৰিব নোৱাৰি পিছৰ বছৰলৈ পিছুৱাই দিয়া হ'ল ।

পৰৱৰ্তী ছাত্ৰ একতা সভাৰ সদস্যসকললৈ মোৰ বিনম্ৰ অনুৰোধ থাকিল যাতে, তেওঁলোকে এইবছৰৰ আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰাটো প্ৰথম পদক্ষেপ হিচাপে গ্ৰহণ কৰে।

মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্য ভাৰ চলাই থকা বিগত বছৰৰ দিনপঞ্জী আমাৰ বাবে গুৰুত্বপূৰ্ণ বিষয়। আমাৰ কাৰ্যকালত এটা কথা কতৃপক্ষক দৃষ্টিগোচৰ কৰা হৈছিল যে মহাবিদ্যালয়ত শিক্ষক ছাত্ৰৰ যি মধুৰ সম্পৰ্ক থকা উচিত, সেই সম্পৰ্ক কিছু পৰিমাণে হ্ৰাস পাইছে যেন অনুভৱ হয়। তাৰ বাবে আমাৰ ছাত্ৰ-ছাত্ৰীসকলেই প্ৰধানকৈ দায়ী যদিও শিক্ষাগুৰুসকলকো নুই কৰিব নোৱাৰি। আমি ছাত্ৰ-ছাত্ৰীসকলক এটাই অনুৰোধ জনাওঁ যে তেওঁলোকে যেন শিক্ষাগুৰুসকলৰ সৈতে মধুৰ সম্পৰ্ক বজাই ৰাখি মহাবিদ্যালয়ৰ সুস্থ শৈক্ষিক বাতাবৰণ গঢ়ি তোলাত আগভাগ লয়।

<u>কৃতজ্ঞতা স্বীকাৰ</u> ঃ-

আমাক প্ৰতি ক্ষেত্ৰতে দিহা-পৰামৰ্শ দি সহায় কৰা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা গুৰুসকল আৰু মহাবিদ্যালয় কাৰ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ এই সুযোগতে প্ৰণিপাত জনালোঁ। মোৰ প্ৰিয় সতীৰ্থসকলৰ লগতে "বনভিলা মেছ"ৰ আবাসীসকললৈও মোৰ আন্তৰিক কৃতজ্ঞতা যাঁচিলো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীনিবাসৰ সমূহ আবাসী আৰু অন্যান্য ছাত্ৰ-ছাত্ৰীসকলে কৰা সহায়ৰ কথা কোনোকালে পাহৰিব নোৱাৰো। তদুপৰি মোৰ কাৰ্যকালৰ প্ৰতিটো মূহুৰ্তত প্ৰতিটো কাৰ্যৰ সাৰথি বান্ধৱী মুনমী, তন্দ্ৰালী, বিউটি, ৰশ্মি, মৃদুস্মিতা, ডলিবা আৰু বন্ধু- ৰন্টু, কৈলাশ, প্ৰমোদ, দেৱাশিষ, মান্তি, পংকজ, শুভ, মুন, বিশ্ব, নিপু, বুদ্ধিমান, মানস, ভাইটি- তন্ময়, সমুজ্জ্বল, ত্ৰৈলোক্য, অনিল ভন্টি- ৰশ্মি, লুকু, মমী, টিটু, অৰুনিমা, পাহাৰীৰ লগতে বন্ধুসম দাদা নিতন, ধৰ্মেশ্বৰ আৰু গুৰু দাদাৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

<u>ক্ষমা প্ৰাৰ্থনা</u> ঃ-

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে এক গধুৰ দায়িত্ব পালন কৰিবলৈ যাওঁতে আমাৰ লগতে ছাত্ৰ একতা সভাৰ আন বিষয়ববীয়াসকলেও বিভিন্ন কাৰ্য সম্পাদন কৰোঁতে কেতিয়াবা কাৰোবাক যদি খং-ৰাগ কৰিবলগীয়া হৈছিল, তাৰ বাবে এই প্ৰতিবেদনৰ যোগেদিয়েই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

<u>সামৰণি</u> ঃ-

এবছৰীয়া কাৰ্যকালতে সকলো সমস্যা সমাধান কৰাটো সম্ভৱ নহয়। সেয়েহে এই সকলো দায়িত্ব আমি আমাৰ উত্তৰ পুৰুষলৈ দিলোঁ যাতে তেওঁলোকে আমাৰ আধৰুৱা কাৰ্যসমূহ পূৰ্ণ কৰি আমাক আনন্দিক কৰে।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।।

জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

শ্ৰী যতীন বড়া





# সহ-সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

"সময়ৰ গতি দুৰ্নিবাৰ, সময়ক ধৰি ৰখাৰ সাধ্য কাৰ। সময়ৰ পৰিৱৰ্তনৰ ফলতেই পুৰণিৰ বিদায় আৰু নতুনৰ আগমন হয়। অৱধাৰিত তথা সময়ৰ ছন্দময় গতিত বাট বুলোঁতেই ঢকুৱাখনা মহাবিদ্যালয়ৰ হকে যৎকিঞ্চিত সেৱা আগবঢ়াবলৈ সুবিধা পাইছিলো ২০০৭-০৮ শিক্ষাবৰ্ষত ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে মনোনীত হৈ।

সহকাৰী সাধাৰণ সম্পাদকৰ নিৰ্দিষ্ট বিভাগ (দপ্তৰ) তথা কাৰ্য নাথাকিলেও প্ৰতিজন সম্পাদকক তেওলোকৰ বিভাগীয় কাম তথা মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাত যতদূৰ সম্ভৱ সহায়ৰ চেষ্টাৰ ত্ৰুটি কৰা মনত নপৰে।

ঢকুৱাখনা মহকুমাৰ দৰে এটা অতি পিছপৰা অঞ্চলৰ লোকসকল প্ৰধানকৈ ছাত্ৰ-ছাত্ৰীসকলে জ্ঞানৰ জ্যোতিৰে নিজৰ লক্ষ্যপথ বাছি ল'বলৈ সক্ষম হৈছে এই পবিত্ৰ জ্ঞান মন্দিৰৰ যোগেদি। যিসকলৰ কঠোৰ শ্ৰম, দেহৰ ঘাম তথা বুকুৰ উমেৰে এই অনুষ্ঠানটিয়ে বৰ্তমানৰ অৱস্থা পাইছেহি, এই শুভক্ষণতে তেখেত সকললৈ কৃতজ্ঞতা তথা শ্ৰদ্ধা নিবেদন কৰিছো।

যোৱাটো শিক্ষাবৰ্ষত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ওপৰত যে বহুটো উপৰুৱা বোজা আদি পৰিছিল। সেই কথা নিশ্চয় ঢকুৱাখনা মহকুমাৰ প্ৰতিজন সদস্যৰে জ্ঞাত। এনে পৰিস্থিতিত হয়তো মহাবিদ্যালয়ৰ কৰণীয় বহুতো কামেই আধৰুৱা হৈছে। গতিকে এই আপাহতে ঢকুৱাখনা মহাবিদ্যালয়ৰ পৰিয়ালটিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো।

কৃতজ্ঞতা ঃ- ঢকুৱাখনা মহাবিদ্যালয় নিচিনা এটি মহান অনুষ্ঠানত সেৱা কৰিবলৈ আগবাঢ়ি যাওঁতে প্ৰতিটো মূহুৰ্ততে সু-দিহা-পৰামৰ্শৰে উৎসাহিত কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দক এই আপাহতে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। আৰু প্ৰতিটো মূহুৰ্ততে সহায়-সহযোগিতা আৰু উৎসাহ-উদ্দীপনা দি আগবাঢ়ি যোৱাত সহায় কৰা মোৰ দাদা নিতুল, যতীন, ধৰ্মেশ্বৰ, বিশ্ব, মুন, বন্ধু- ডেভিদ, পাৰ্থ, পুস্প, ৰাজীৱ, পৰেশ, ভৈৰৱ, অমৃত, ভাইটি- দিগন্ত, শুভ, লক্ষ্যজিৎ, হৰেণ, ৰাতুল, বিশ্বজ্যোতি, মিথুন, বিশ্বজিৎ, কৃষ্ণকান্ত, হেলেন, হিৰা, হিটলাৰ, ধ্ৰুৱ, লক্ষ্য, নয়নমণি, নাকান, বান্ধৱী- বিজু, ৰুৱী, অজন্তা, পৰিস্মৃতা, টুটুমণি, কৃষ্ণামণি, ৰৱিনা, শিখামণি, ৰুণী, সংগীতা, পম্পি, পাহাৰী, ডলি, আৰু মোৰ নিচেই কাষতে থাকি সকলো সময়তে সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা ৰাজুমণি, ভন্টি পম্পি ওচৰত আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মহাবিদ্যালয় খনিয়ে অনাগত দিনবোৰত উন্নতিৰ পথেৰে আগুৱাই গৈ এটি গৌৰৱ উজ্জ্বল অধ্যায় সূচনা কৰে তাৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।।

জয়তু ছাত্ৰ একতা সভা।।

শ্ৰী দুলাল মুদৈ

# তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো, যিসকলৰ মহান প্ৰচেষ্টাত ঢকুৱাখনা মহাবিদ্যালয়ে আজিৰ এই গৌৰৱময় পৰ্যায়ত উপনীত হৈছে। যিসকল ছাত্ৰ-ছাত্ৰীৰ উৎসাহ, অনুপ্ৰেৰণা আৰু সহযোগিতাত মই ২০০৭-০৮ বৰ্ষৰ তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদক পদত নিৰ্বাচিত হ'লো তেওঁলোকক মই এই সুযোগতে বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালৰ প্ৰথমাৱস্থাত শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত দুলুমণি বৰঠাকুৰ ছাৰে তত্বাৱধায়কৰ দায়িত্ব গ্ৰহণ কৰি মোক বিভিন্ন দিহা-পৰামৰ্শৰে উপকৃত কৰিছিল যদিও কাৰ্যকালৰ শেষাৱস্থাত দায়িত্বৰ পৰা অব্যাহতি লোৱাত ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰদ্ধাৰ অমিয় কুমাৰ সন্দিকৈদেৱে দায়িত্বভাৰ চম্ভালি লয় আৰু মোক বিভিন্ন সাৰগৰ্ভ দিহা-পৰামৰ্শৰে আপ্লুত কৰে। এই আপাহতে মোৰ এই দুয়োজন শিক্ষাগুৰুলৈ সশ্ৰদ্ধ প্ৰণাম যাচিছো।

মোৰ কাৰ্যকালৰ আৰম্ভণিতে প্ৰত্যেক বছৰৰ দৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনটোতেই তৰ্ক আৰু আলোচনা শাখাৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। প্ৰতিযোগিতা সমূহত যথেষ্ট প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাত অৰিহণা যোগায়।

মোৰ কাৰ্যকালত আমাৰ মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগীয়ে বিভিন্ন মহাবিদ্যালয়ত তৰ্ক প্ৰতিযোগিতা কৰি বিশেষ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। মোৰ কাৰ্যকালতেই আমাৰ মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগীয়ে গুৱাহাটীত সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা পৰাগ কুমাৰ দাস সোঁৱৰণী আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি স্থান লাভ নকৰিলেও উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়াবলৈ সক্ষম হয়। কাৰ্যকালৰ এটি বিশেষ অনুষ্ঠান হৈছে "স্বৰ্গীয় প্ৰহ্লাদ গোহাঁই সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা।" উক্ত প্ৰতিযোগিতাত বিভিন্ন প্ৰতিকূল পৰিস্থিতিকো নেওচি বিভিন্ন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰাটো উল্লেখযোগ্য। আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে উক্ত প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

এই এবছৰীয়া কাৰ্যকালত মই বিভাগটোক সৱল কৰিবলৈ যথাসম্ভৱ চেষ্টা চলাইছিলো যদিও এই ক্ষেত্ৰত সফলতা আৰু বিফলতা দুয়োটাই অনুভূত হৈছিল। বিশেষকৈ তৰ্ক আৰু আলোচনা শাখাৰ বাবে থকা পুঁজিৰ পৰিমাণ যথেষ্ট কম হোৱা বাবে বিভিন্ন আহুকলীয়া পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয়। সেয়েহে মই মহাবিদ্যালয়ৰ উচ্চতম কৰ্তৃপক্ষক এই শিতানত পুঁজিৰ পৰিমাণ বৃদ্ধি কৰিবলৈ তৰ্ক আৰু আলোচনা শাখাৰ তৰফৰ পৰা অনুৰোধ জনালো।

মোৰ কাৰ্যকালত বিভিন্ন সহায় সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ ড° চন্দ্ৰনাথ বৰুৱা ছাৰ, বিজয়া দত্ত বাইদেউ, সত্যৰঞ্জন নেওগ ছাৰ. সেৱক চুতীয়া ছাৰ, দুলেন গগৈ ছাৰ, ৰাহুল, মনীষদা, দলি, ডেইজী, ৰুবী, মনালিছা, কৰবী, মৃদুল আৰু বহুতলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত, মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচৰাৰ লগতে নহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনাৰ ক্ষেত্ৰখন ভৱিষ্যতে অধিক সুন্দৰ আৰু সফল হওঁক তাৰেই কামনাৰে মোৰ চমু প্ৰতিবেদন সামৰিছো।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।।

জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

শ্ৰী মনোজ বৰুৱা

## ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তি তথা অনুষ্ঠানৰ শ্ৰম আৰু ত্যাগৰ বলত উজনি অসমৰ অন্যতম শিক্ষানুষ্ঠান "ঢকুৱাখনা মহাবিদ্যালয়" স্থাপিত হৈ ১৯৬৬ চনৰ পৰা আজিকোপতি সুদীৰ্ঘ পথ অতিক্ৰম কৰি সাফল্যৰ ধ্বজা উৰুৱাইছে সেই সকল মহান ব্যক্তিক মোৰ সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰিছো।

মহাবিদ্যালয়খনিৰ এটা অবিচ্ছেদ্য অংগ হৈছে ছাত্ৰ জিৰণী কোঠা। মহাবিদ্যালয়ত পাঠদান চলি থকা দিনবোৰত মাজৰ জিৰণী সময়খিনি যেন ছাত্ৰ-ছাত্ৰীসকল কিছুমান মন ভাল লগা বিষয়বস্তু লগত জড়িত হৈ থাকিব পাৰে তাৰ ওপৰত গুৰুত্ব দি প্ৰথমেই ছাত্ৰ জিৰণী কোঠাৰ মেৰামতি কৰি ল'লো।

ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সদস্য হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মহাবিদ্যালয়ৰ প্ৰতিটো উৎসৱতে নিবিড়ভাৱে কাম কৰি গৈছিলো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে মহাবিদ্যালয় 'ৱাৰ্ষিক ক্ৰীড়া সপ্তাহ' অনুষ্ঠিত হয়। অন্যান্য প্ৰতিযোগিতা সমূহৰ দৰে মোৰ বিভাগৰ প্ৰতিটো প্ৰতিযোগিতা যথেষ্ট উৎসাহ আৰু জাকজমকতাৰে আয়োজন কৰিছিলো। সেয়ে এই প্ৰতিবেদনখনিৰ জৰিয়তে সেই সকললৈ অশেষ ধন্যবাদ জনালো। যি সকলে বিভাগৰ অন্তৰ্গত খেলসমূহত অংশ গ্ৰহণ কৰি মোক মোৰ কৰ্তব্যৰ পথত আগবঢ়াই নিলে। মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ পৰামৰ্শ আৰু প্ৰেৰণাই মোৰ প্ৰতিটো কাৰ্যতেই সদায় সহায় কৰিছিল।

মোৰ কৰ্তব্যত অধিকভাৱে পৰামৰ্শ আৰু প্ৰেৰণা আগবঢ়োৱা পৰম পূজনীয় শ্ৰীযুত যুক্তিৰত্ন শইকীয়া ছাৰ (নৃতত্ব বিভাগ)ৰ ওচৰত মই চিৰকৃতজ্ঞ। মহাবিদ্যালয়ৰ সৰু ডাঙৰ প্ৰতিটো কামতেই সহায়ৰ হাত আগবঢ়োৱা মোৰ বন্ধুসকলৰ মাজৰ অৰুণজ্যোতি, ভৱেশ দত্তক বিশেষভাৱে কৃতজ্ঞতা যাচিলোঁ আৰু মহাবিদ্যালয় পৰিয়ালটোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০০৭-০৮ বৰ্ষৰ এই কাৰ্যকালৰ সময়ছোৱাত কেতিয়া কেনেধৰণৰ পৰিস্থিতিত কি কি ভুল কৰিছিলো সেয়া মোৰ অজ্ঞাত। এই সকলো ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলো। শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে মোৰ বিভাগীয় প্ৰতিবেদনখনি সামৰিলো।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়,

জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা।"

শ্ৰী ভৱেশ দাস







## সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ বুলনিতে যিসকল ব্যক্তিৰ অশেষ চেষ্টা, ত্যাগ আৰু কষ্টৰ ফলত; বানপীড়িত ঢকুৱাখনা অঞ্চলৰ চাৰিকড়ীয়া নদীৰ পাৰত প্ৰথম উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে স্বকীয় গৰিমাৰে মহিমামণ্ডিত ঢকুৱাখনা মহাবিদ্যালয় গঢ় লৈ উঠিল আৰু যিসকল ব্যক্তিয়ে অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে সেউজী অসমীৰ বুকুত তেজৰ নৈ বোৱাই নিজৰ নাম সোণালী আখৰেৰে লিপিবদ্ধ কৰিলে, সেইসকল নমস্যা ব্যক্তি তথা বীৰ শ্বহীদলৈ মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। দ্বিতীয়তে কৃতজ্ঞতাৰে সোঁৱৰিছো- মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ও যিসকলৰ ইচ্ছা আৰু সহযোগিতাৰে মোক বিনা-প্ৰতিদ্বন্দিতাৰে মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদক পদত নিযুক্তি দিছিল, সেই সকল ব্যক্তিক সমাজ সেৱা বিভাগৰ সম্পাদক পদত নিযুক্তি দিছিল, সেই সকল ব্যক্তিক মই শ্ৰদ্ধাৰে সোঁৱৰিছো।

ইং. ২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ এবছৰীয়া কাৰ্যকালত সমাজ সেৱা সম্পাদকৰ দায়িত্ব লৈ কি কৰিলো, কি নকৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। তথাপিতো মোৰ কাৰ্যকালত পাৰ্যমানে সেৱা আগবঢ়োৱাত কেতিয়াও কৃপণালি কৰা নছিলো।

সমাজ সেৱা সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মোৰ কাৰ্যও আৰম্ভ হৈছিল। প্ৰথমতে মহাবিদ্যালয় সপ্তাহৰ উপলক্ষে মহাবিদ্যালয়ৰ চৌহদটো ভালদৰে পৰিষ্কাৰ কৰিছিলো। তাৰোপৰি ˚প্ৰহ্লাদ গোহাঁই সোঁৱৰণী স্মৃতিসৌধ আৰু শ্বহীদ বেদীৰ লগতে মহাবিদ্যালয় সপ্তাহটিত চৌহদটো পৰিষ্কাৰ কৰাৰ বাবে এখন সমাজ সেৱা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হৈছিল। উল্লেখনীয় যে আগৰ বছৰবোৰতকৈ এই বছৰৰ চাফাই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট আছিল।

আমাৰ কাৰ্যকালত হোৱা এটি উল্লেখযোগ্য সাফল্য হ'ল যে- "মহাবিদ্যালয়ৰ মাজভাগত নিৰ্মিত ফুলনিখন।" মহাবিদ্যালয় সপ্তাহটিত সমাজ সেৱা বিভাগত খৰচ কৰিব লগা বিভিন্ন দিশৰ পৰা অৰ্থ সংগ্ৰহ কৰি কেইজোপা মান ডালিয়া ফুলৰ পুলি ৰোপণ কৰা হৈছিল আৰু ফুলনিখনৰ সৌন্দৰ্যই এক আমোদজনক পৰিবেশৰ সৃষ্টি কৰিছিল। কিন্তু কি হ'ব! বৰ লুইতৰ প্ৰৱল জলধাৰাই সকলোবোৰ নিলে উটুৱাই। তিনিবাৰকৈ অহা বলিয়া বানে মহাবিদ্যালয়ৰ এই সৌন্দৰ্য ম্লান কৰি সেন্দুৰীয়া ফুলনিখন উকা কৰি থৈ গ'ল।

সময় আগবাঢ়ি যোৱাৰ লগে লগেই আহি পৰিল "শ্ৰী শ্ৰী সৰস্বতী পূজা"। পূজাৰ আগদিনালৈকে মই মোৰ ফালৰ পৰা কৰিবলগীয়া সকলো কামেই সমাধান কৰি সাধাৰণ সম্পাদক ডাঙৰীয়াক সহায় কৰিছিলো, কিন্তু পূজাৰ দিনা বিশেষ অসুবিধা হেতু পূজা মণ্ডপত উপস্থিত থাকিব নোৱাৰিলো। গতিকে ইয়াৰ জৰিয়তেই মই সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিলো।

বানপানীৰ সমস্যাৰ বাবে এইবাৰৰ নৱাগত আদৰণি সভাখনি বহু পিছুৱাই পাতিব লগা হৈছিল। তথাপিতো যিমান সম্ভৱ কষ্ট কৰি এই উৎসৱটি আনন্দ মুখৰ কৰিবলৈ যত্ন কৰিছিলো। নৱাগত আদৰণি সভাৰ আগদিনাই মহাবিদ্যালয়ৰ প্ৰস্ৰাৱগাৰ কেইটাত ৰং কৰা হৈছিল। তাৰোপৰি দ্বিতীয়বাৰৰ বাবে সকলো গছ-গছনিৰ লগতে স্মৃতিসৌধ আৰু শ্বহীদবেদীত পুণৰ চুণ দিয়া হৈছিল। নৱাগত আগৰণি সভাৰ দিনা পুৱাতেই ছোৱালী হোষ্টেলৰ সমূহ আবাসীৰ সহায়-সহযোগত বৰষুণৰ বতৰকো নেওচি মহাবিদ্যালয়ৰ চৌহদটি চাফা কৰি এটি সুন্দৰ পৰিবেশৰ সৃষ্টি কৰা হৈছিল।

এই প্ৰতিবেদনৰ জৰিয়তে ভৱিষ্যতৰ ছাত্ৰ একতা সভাৰ সম্পাদক সকলৰ প্ৰতি মোৰ কেইটামান বিশেষ অনুৰোধ-

১। মহাবিদ্যালয়ত প্ৰয়োজন হোৱা এটা উন্নত মানদণ্ডৰ প্ৰস্ৰাৱগাৰৰ বিষয়ে আমি অধ্যক্ষ মহোদয়ক অৱগত কৰিছিলো। তেওঁলোকে যাতে কৰ্তৃপক্ষৰ সহযোগত ইয়াৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰে।

২। মহাবিদ্যালয়ত দুটা চাইকেল ষ্টেণ্ড আছে যদিও এইয়া যথেষ্ট নহয়। গতিকে নতুন সম্পাদকসকলে যাতে এই ক্ষেত্ৰত গুৰুত্ব দিয়ে।

মোৰ এই এবছৰীয়া কাৰ্যকালত এনে এটা মহান অনুষ্ঠানৰ এটা গধূৰ দায়িত্ব পালন কৰি যাওঁতে অজানিতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত মই ক্ষমা ভিক্ষা মাঁগিছো।

__কৃতজ্ঞতা স্বীকাৰ__ ঃ- মোৰ এই এবছৰীয়া কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতেই সু দিহা-পৰামৰ্শ ও সহায় সহযোগ আগবঢ়োৱা অধ্যক্ষ, শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° গিৰিণ গগৈ চাৰ ও বিভাগীয় উপদেষ্টা শ্ৰদ্ধাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° অমল চন্দ্ৰ ৰবীন পেগু চাৰৰ লগতে মহাবিদ্যালয়ৰ শিক্ষাগুৰু ড° অমল চন্দ্ৰ দত্ত, বিশ্ববিকাশ গগৈ, অচ্যুত কুমাৰ গগৈ, অমৰেন্দ্ৰ পাল, সত্যৰঞ্জন নেওঁগ, প্ৰশান্ত গগৈ আৰু প্ৰয়াত শিক্ষাগুৰু ডিম্বেশ্বৰ চুতীয়া চাৰকে ধৰি বিভিন্ন বিভাগৰ শিক্ষাগুৰুসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

মোৰ এই কাৰ্যকালৰ সকলো দিশতে সহায় সহযোগ

আগবঢ়োৱাসকলৰ ভিতৰত যতীনদাৰ নামটো মই প্ৰথমেই লব লাগিব। তাৰোপৰি "বনভিলা" মেচৰ সমূহ আবাসী, ছোৱালী আৰু ল'ৰা হোষ্টেলৰ আবাসীসকলৰ সহায় সহযোগিতা ও অতুলনীয়। বিশেষকৈ ডলীবা, মনীষদা, ৰাহুলদা, মনুমীবা, তন্দ্ৰালীবা, ৰণ্টু দা, মৃদুলদা, মনিমা বা, প্ৰাঞ্জলদা, জিতুদা, মুনদা, মনুজ্জলদা ভন্টি- পাহাৰী, বিউটি, মোন, চন্দমা, পল্লবী, গিতালী, লুকু আৰু বন্ধু-মৃত্যুঞ্জয়, কেশৱ, শান্তনু, মানস, নিপু, কৈলাশ, ৰাজশ্ৰী, শুভ, বিশ্ব, মান্তি, প্ৰশান্ত, চুমি, লখিমীৰ উপৰিও মহাবিদ্যালয়ৰ কৰ্মচাৰী নিপেনদা, সদাদা, অৰুণদা আৰু লক্ষীদাৰ ওচৰত মই আজীৱন চিৰ ঋণী হৈ ৰ'ম।

সদৌ শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায় সমূহ যিমান উন্নত হৈছে তাতোকৈ বেছি উন্নত হওঁক সেই লক্ষ্য আগত ৰাখি সকলোৱে অজ্ঞানৰ আন্ধাৰ বিনাশী মহাবিদ্যালয়খনিক আৰু উজ্জ্বলাই তোলো- এই কামনাৰে মোৰ এই প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।।

জয়তু ছাত্ৰ একতা সভা।।

**শ্ৰী পঙ্কজ ভৰালী**

## ছাত্ৰী জিৰণী কোঠা সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে সময়ৰ আকুল আহ্বান আনফালে গভীৰ সমস্যাৰ তীব্ৰ সংঘাতৰ জ্বালাত জৰ্জৰিত হৈও ঢকুৱাখনা মহাবিদ্যালয়খনিক যি সকলে প্ৰাণ দিলে সেই সকললৈ এই সুযোগতে শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

২০০৭-২০০৮ চনত মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদৰ বাবে নিৰ্বাচিত কৰা সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ ওপৰত ন্যস্ত দায়িত্ব পালনত কিমান সফল হৈছো তাৰ বিচাৰ আপোনালোকৰ হাতত। তথাপিতো মই আন্তৰিকতাৰে ক'ব বিচাৰোঁ যে মোৰ কৰ্তব্য মই কেতিয়াও আওকাণ কৰা নাছিলোঁ। এই দায়িত্ব বহন কৰি এটি কথা উপলব্ধি কৰিব পাৰিছো যে বাহিৰৰ পৰা সমালোচনা কৰা যিমান সহজ ভিতৰত থাকি কাম কৰাটো অধিক কষ্টকৰ।

আমি গভীৰ দুখেৰে লক্ষ্য কৰিছো যে ছাত্ৰী জিৰণী কোঠাটো দূৰত হোৱা বাবে খেলিবলৈ যাবলৈ ছাত্ৰীসকলে ইচ্ছা প্ৰকাশ নকৰে। ফলস্বৰূপে সকলো সময়তে কোঠাটো বন্ধ কৰি ৰাখিব লগা হয়। অতি দুখৰ বিষয় যে কিছুসংখ্যক ছাত্ৰীয়ে ছাত্ৰী জিৰণী কোঠাটো ক'ত আছে তাকেই নাজানে। সেয়েহে মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনাওঁ যে ছাত্ৰী জিৰণী কোঠাটো ছাত্ৰী নিবাসৰ ভিতৰৰ পৰা আঁতৰাই আনি ছাত্ৰীসকলৰ এই অভাৱ দূৰ কৰে যেন।

মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহ অতি সুকলমে পাৰ হৈ যায়। মোৰ দায়িত্বত থকা মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো খেল বিভাগতে আগৰ বছৰৰ তুলনাত অধিক প্ৰতিযোগীক আকৰ্ষিত কৰিব পৰাটো সাফল্য বুলিয়েই ধৰিছো।

দায়িত্বত থকা সময়ছোৱাত দিহা পৰামৰ্শৰে সহায় কৰা বিভাগীয় উপদেষ্টা মহোদয়া বাসন্তী মৰাং বাইদেউক শলাগ লৈছো।

কৃতজ্ঞতা স্বীকাৰ ঃ- নিৰ্বাচনী প্ৰচাৰৰ পৰা আৰম্ভ কৰি মোৰ কাৰ্যকালৰ প্ৰতি মূহুৰ্ততে দিহা পৰামৰ্শৰে আগবঢ়াই নিয়া বন্ধু মিন্টুৰ নাম প্ৰথমতেই ল'ব লাগিব। যিখিনি ত্যাগ স্বীকাৰ কৰি তেওঁ মোক সহায় কৰিলে তাৰ বাবে মই তেওঁৰ ওচৰত সদায় ঋণী হৈ ৰ'লো। লগতে ভাইটি কন্টু, শান্তনু, বান্ধৱী ৰাজুমনি, বিজু, অজন্তা, সংগীতা, পৰিস্মৃতা, কৃষ্ণা, টুটুমণি, ঋণী, নৰৰুপা, ভন্টী, পম্পী, কমী, ৰবিনা, জ্যোৎস্না, বেবী, মাইনা, দাদা দ্বিপেন, শিৰ, বন্ধু দুলাললৈ কৃতজ্ঞতা জনোৱাৰ লগতে সকলোৰে ওচৰত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিলোঁ।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়।।

জয়তু ছাত্ৰ একতা সভা।।

**শ্ৰী শিখামনি খনিকৰ।**





## আলোচনী শাখাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে মোৰ হিয়াভৰা শ্ৰদ্ধাঞ্জলি নিবেদিছো সেইসকল সু সন্তানলৈ, যি সকলে অসম তথা অসমীয়া ভাষা-সংস্কৃতিৰ আকাশত দেখা দিয়া কলীয়া - ডাৱৰ আঁতৰাবলৈ আপ্ৰাণ চেষ্টা কৰি গৈছে। দ্বিতীয়তে, অশ্ৰু অঞ্জলি যাচিছোঁ সেইসকল স্বনামধন্য ব্যক্তিলৈ, যিসকলৰ অসীম কষ্ট, ত্যাগ আৰু চেষ্টাৰ ফলত আমাৰ এই পবিত্ৰ শিক্ষানুষ্ঠানটিয়ে আজিৰ পৰ্যায় পাইছেহি আৰু লগতে মহাবিদ্যালয়ৰ সকলো দাদা- বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টি, যাৰ উৎসাহ, অনুপ্ৰেৰণা আৰু ঐকান্তিক প্ৰচেষ্টাত মই ২০০৭-০৮ বৰ্ষৰ ঢকুৱাখনা মহাবিদ্যালয়ৰ আলোচনী শাখাৰ সম্পাদকৰ পদটিত উপবিষ্ট হ'বলৈ সক্ষম হ'লো, তেওঁলোককো কৃতজ্ঞতাৰে সোঁৱৰিছো।

কাৰ্যদক্ষতা ঃ আলোচনী শাখাৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণৰ কেইদিনমানৰ পিছতেই মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। ইয়াত মোৰ বিভাগত মুঠ ১২ টা প্ৰতিযোগিতা অনুষ্ঠিত হয়। নিৰ্বাচনত জয়ী হৈ যিমান গৌৰান্বিত আৰু উৎসাহিত হৈছিলো, সিমানে অসন্তুষ্টি আৰু হতাশাতো ভুগিছিলো। যিহেতু, মহাবিদ্যালয় সপ্তাহৰ উপলক্ষে আয়োজিত সাহিত্য প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা বৰ দুখলগা আছিল। আনকি, কিছু প্ৰতিযোগীক প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে জোৰ কৰিও আনিব লগা হয়। তদুপৰি আলোচনী প্ৰকাশৰ বাবে যিমানখিনি লিখনী মোৰ হাতত পৰিছিল, সেইখিনি যথেষ্ট পৰিমাণৰ নাছিল। আনকি, সংগৃহীত লিখনী সমূহৰ প্ৰায়ভাগেই উন্নত মানদণ্ডৰ নাছিল। ই নিশ্চয়কৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চৰম পৰিতাপৰ কথা। এইখিনিতে উল্লেখ কৰিব পাৰি যে, মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ যি কেইটা প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল সেই প্ৰতিযোগিতাসমূহত শেষ হোৱাৰ লগে লগেই পুৰস্কাৰ আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰিবলৈ সক্ষম হৈছিলো। ইয়াৰোপৰি, উত্তৰ লখিমপুৰ কলেজৰ সাহিত্যপ্ৰেমী শিক্ষকগোট / ছাত্ৰ-ছাত্ৰী গোটৰ উদ্যোগত প্ৰকাশ পাব লগা 'সেউজীয়া হৃদয়ৰ গান' শীৰ্ষক সদৌ অসম ভিত্তিত প্ৰকাশ পাব লগা কাব্য সংকলনটিৰ বাবে আমাৰ মহাবিদ্যালয়ৰ পৰাও কেইটামান কবিতা পঠাবলৈ সক্ষম হৈছিলো।

কৃতজ্ঞতা স্বীকাৰ ঃ কৃতজ্ঞতা স্বীকাৰ কৰিবলৈ যাওঁতে প্ৰথমেই ল'ব লাগিব তত্বাৱধায়ক ড° চন্দ্ৰনাথ বৰুৱা ছাৰৰ নাম। তেখেতৰ দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাৰ অবিহনে মই সম্পাদক হিচাপে আগুৱাই যোৱাত বহু অসুবিধা হ'লহেঁতেন। সেয়েহে, তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। দ্বিতীয়তে, আলোচনীখনি প্ৰকাশৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ লিখনী সমূহ পৰীক্ষণ, অনুমোদন, আলোচনীখনিৰ পৰিকল্পনা আদি বহুতো দিশত পৰামৰ্শৰ লগতে সহায়-সহযোগ কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত ইন্দিবৰ বুঢ়াগোহাঞি, শ্ৰীযুত অমিয় কুমাৰ সন্দিকৈ, শ্ৰীযুত ডিম্বেশ্বৰ গগৈ, শ্ৰীযুক্তা ভাৰতী গগৈৰ লগতে সম্পাদনা সমিতিৰ সকলো সদস্য-সদস্যাৰ ওচৰত মই কৃতজ্ঞ হৈ ৰ'ম। তৃতীয়তে, মোৰ কাৰ্যকালত সকলো কামতে সহায়-সহযোগ কৰাৰ উপৰিও বিভিন্ন কামত পৰামৰ্শ আগবঢ়োৱা অগ্ৰজক্ৰমে মনমীবা, নিতুলদা, ধৰ্মেশ্বৰ দা, মোৰ বন্ধু-বান্ধৱীক্ৰমে দুলাল, পুষ্পধৰ, পাৰ্থ, ধ্ৰুৱ, পদ্মেশ্বৰ, পৰেশ, মনোজ, বুদ্ধ, পলাশ, নিতুল, ৰুবী, কৰবী, মনালিচা, ডেইজী, নিৰ্মুমনি, নিৰুপমা, পংখী,মৰমী, অনুজক্ৰমে দিগন্ত, কৃষ্ণকান্ত, ধ্ৰুৱজ্যোতি, হৰেণ, প্ৰণৱ, অৰূপ,নলীন, গোলাপ, হীৰা, টিটুমনি, পুষ্পাঞ্জলী, গীতাঞ্জলী, ডেইজী, ছয়নিকা, সুপ্ৰিয়া তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞ হৈ ৰ'ম।

পৰিশেষত, মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়খনিৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি প্ৰতিবেদন সামৰিলো।

জয়তু ঢকুৱাখনা মহাবিদ্যালয়

জয়তু ঢকুৱাখনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

**শ্ৰী ডেভিদ বড়া**

## ক্ৰীড়া শাখাৰ সম্পাদকৰ প্ৰতিবেদন

২০০৭-২০০৮ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত ক্ৰীড়া শাখাৰ সম্পাদক পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ সুবিধা দিয়াত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

প্ৰতিবেদনৰ আৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল তথা সমূহ কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। বহু আশা আৰু প্ৰত্যাশাৰে বিভাগীয় সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছতে চাওঁতে চাওঁতে আজি বছৰৰ অন্তিম পৰ্যায়ত উপনীত হৈছোহি। মোৰ অতি সীমিত জ্ঞানেৰে আমাৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ হকে

কি কৰিব পাৰিলো সেইটো আপোনালোকৰ বিচাৰ্য বিষয় যদিও যথাসাধ্য চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। আমাৰ মহাবিদ্যালয়ৰ আৰ্থিক দিশটো বিশেষভাৱে সৱল নোহোৱাত প্ৰয়োজনীয় সুবিধা সমূহ মোৰ কাৰ্যকালত ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিবলৈ সক্ষম হৈছো বুলি ক'ব নোৱাৰো। ক্ৰীড়া শাখাৰ সামান্য পুঁজিৰে ছাত্ৰ-ছাত্ৰীসকলৰ হকে আৰু মহাবিদ্যালয়ৰ হকে যিখিনি কৰিব নোৱাৰিলো তাৰ বাবে এই সুযোগতে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো।

সম্পাদক পদত অধিষ্ঠিত হোৱাৰ পাছতে প্ৰথম কাৰ্যসূচী আছিল ডিব্ৰুগড় মহাবিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয় দলটিয়ে লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ লগত প্ৰতিদ্বন্দীতাত অৱতীৰ্ণ হৈ পৰাজয় বৰণ কৰে।

ইয়াৰ পাছতে আহি পৰে মহাবিদ্যালয়ৰ সকলোৰে আকাংক্ষিত "মহাবিদ্যালয় সপ্তাহ"। এই মহাবিদ্যালয় সপ্তাহ পৰিপাটিকৈ চলাই নিয়াৰ চেষ্টা কৰিছিলো। এই দিশত বিভাগীয় উপদেষ্টা মহোদয় শ্ৰীযুত যোগানন্দ সুত চাৰে বিশেষ ভূমিকা লয় আৰু অন্তিম মূহুৰ্তলৈকে তেখেতে মোক সকলো দিশতে পৰামৰ্শ দিয়াৰ উপৰিও সহায়ৰ হাত আগবঢ়ায়। এই ক্ষেত্ৰত মোক বিভিন্ন ক্ষেত্ৰত সহায় সহযোগ আগবঢ়োৱা মোৰ বন্ধু জ্ঞানদ্বীপ, প্ৰণৱ, অপু, নিতুল, যোগা, বাবলু, তপন, মনোজ, প্ৰকাশ আৰু ভন্তীসম গীতাঞ্জলী আৰু মনালিচা লৈ ধন্যবাদ জনালো।

সদৌ শেষত কাৰ্যকালৰ সময়ছোৱাত অজানিতে কৰা সকলো ভুলৰ বাবে মহাবিদ্যালয় পৰিয়ালটিৰ ওচৰত বিনম্ৰভাৱে ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনাৰে মোৰ এই চমু প্ৰতিবেদন সামৰিছো।

'জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা'

শ্ৰী ৰাজজ্যোতি বুঢ়াগোহাঁই

## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধাৰে সুঁৱৰিছো সেইসকল ব্যক্তিক যি সকল ব্যক্তিৰ মহান চেষ্টাৰ ফলত ঢকুৱাখনা মহাবিদ্যালয় নামে এই জ্ঞানৰ মন্দিৰটো গঢ় লৈ উঠিল। ঢকুৱাখনাৰ দৰে অতি পিছপৰা অঞ্চলত জনসাধাৰণৰ মাজত শিক্ষাৰ পোহৰ বিস্তাৰ কৰি অতি নিস্বাৰ্থভাৱে যি সকল মহান ব্যক্তিৰ অহোপুৰুষাৰ্থ এই মহাবিদ্যালয়খনে প্ৰাণ পালে তেওঁলোকৰ অমৰত্ব কামনা কৰিলো।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মোৰ প্ৰতি আন্তৰিকতা ও আস্থা থকাৰ বাবেই হয়তো তেওঁলোকে মোক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদিকা হিচাপে অতি সন্মানীয় পদত অধিষ্ঠিত হ'বলৈ সুবিধা দিলে। প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মোক প্ৰতিটো খোজতে সৎ পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা আৰু কাযসুচী সমূহ সুচাৰু ৰূপে পৰিচালনা কৰাৰ লগতে নিজে একান্ত আগ্ৰহেৰে প্ৰতিটো কামতে নিজৰে দায়িত্ব পালন কৰিলে বিভাগীয় উপদেষ্টা শ্ৰদ্ধাৰ শ্ৰীযুত সত্যৰঞ্জন নেওগ ছাৰে। তেখেতলৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সাংস্কৃতিক সম্পাদিকা হিচাপে এই অভাজনে সাধ্যনুসাৰে কি কৰিব পাৰিলো নোৱাৰিলো সেইয়া আপোনালোকৰ বিচাৰ্য বিষয়। তথাপি মই চেষ্টাৰ ত্ৰুটি কৰা নাছিলো।

কাৰ্যভাৰ গ্ৰহণ কৰিয়ে মই প্ৰথম পদক্ষেপ হিচাপে মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠান বিলাক সম্পন্ন কৰো।

মোৰ কাৰ্যকালৰ গৌৰৱৰ বিষয় হ'ল- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ অংশ গ্ৰহণ। এই ক্ষেত্ৰত উপদেষ্টা নেওগ ছাৰে অশেষ কষ্ট কৰি ছাত্ৰ-ছাত্ৰীৰ দলটো লৈ গৈ গোলাঘাট মহাবিদ্যালয়ত প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰালে।

দুখৰ বিষয় যে মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা তেনেই কম। এই ক্ষেত্ৰত





ছাত্ৰ-ছাত্ৰীসকলে অভিযোগ কৰে যে বাদ্যযন্ত্ৰৰ অভাৱ। বিষয়টোৰ ক্ষেত্ৰত মই কওঁ যে এটা বছৰৰ কাৰণে হোৱা প্ৰতিনিধিজনে সংগীতৰ ক্ষেত্ৰত প্ৰয়োজনীয় সকলো উন্নত মানদণ্ডৰ বাদ্যযন্ত্ৰৰ যোগান ধৰিবলৈ অপাৰগ। গতিকে মই ক্ষমাৰ প্ৰাৰ্থী।

শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিছো। মোক প্ৰতি খোজতে সহায় ও পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু অধ্যক্ষ ড° গিৰিণ গগৈ ছাৰ, চিত্ৰ কোঁছ ছাৰ, ডিম্বেশ্বৰ গগৈ ছাৰ, উপাধ্যক্ষ পূৰ্ণানন্দ গগৈ ছাৰ, নেওগ ছাৰ, ভাৰতী বাইদেউ, লক্ষী বাইদেউৰ লগতে সমূহ শিক্ষাগুৰু আৰু কৰ্ম কৰ্তালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

নিৰ্বাচনী প্ৰচাৰৰ পৰা আৰম্ভ কৰি দায়িত্বত থকা সময়ত মোক প্ৰতিটো মুহূৰ্তত সহায় কৰা প্ৰজ্বলিতা, ৰশ্মি, লিচ্‌মা, প্ৰিয়ংকা, জুলুশ্ৰী, ৰিংকু, শিখা, মিতালী, দিপ্তী, তন্দ্ৰালী, ভৰেশ, ভবেন্দ্ৰজিত, মনোজ, ধৰ্মেন্দ্ৰ, সদা, দ্বিপেন, চুচেন, নিতুল, পলাশ, ৰাহুলদা, পাৰ্থ, ভন্টি কাকুমণি, অপৰাজিতা, জুমণি, জুপিতৰা, ৰুণাৰ লগতে সমূহ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী, মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিলোঁ।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়।"

"জয়তু ছাত্ৰ একতা সভা।"

মনালিছা বৰুৱা।

## শৰীৰ চৰ্চা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতেই, যিসকল মহান ব্যক্তিয়ে অঞ্চলটোৰ ভৱিষ্যৎ, ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ প্ৰতি লক্ষ্য ৰাখি অহোপুৰুষাৰ্থ প্ৰচেষ্টাৰ জৰিয়তে বৰ্তমান মহাবিদ্যালয়ৰ এই পৈণত অৱস্থাত পৰিণত কৰাইছেহি সেইসকল মহান ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

২০০৭-০৮ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ক্ৰীড়া শাখাৰ সম্পাদক পদৰ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বাতিল কৰা স্বত্বেও শৰীৰ চৰ্চা শাখাৰ সম্পাদক পদত মনোনীত কৰি ছাত্ৰ একতা সভাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধি হিচাপে অন্তৰ্ভুক্ত কৰাত শিক্ষাগুৰুসকল আৰু মোৰ বন্ধু-বান্ধৱীসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

বাৰ্ষিক "মহাবিদ্যালয় সপ্তাহ"ৰ শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগীৰ সংখ্যা তেনেই নগন্য আছিল। যোৱা কেইটাবছৰৰ দৰে মোৰ বেলিকাও ইয়াৰ বিপৰীত নহ'ল। মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰ বা ছাত্ৰী কেৱল পঢ়াতেই সীমাবদ্ধ নহয়। পঢ়াৰ লগতে খেলা-ধুলা, নাচ-গান আদিত জড়িত নাথাকিলেও প্ৰকৃত ছাত্ৰ বা ছাত্ৰীৰ ভূমিকা গ্ৰহণ কৰিব নোৱাৰে বুলি আমাৰ অনুভৱ হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ লগতে খেলা-ধুলাতো অধিক মনোনিবেশ কৰিব বুলি আশা ৰাখিলো। যি কি নহওক এই ক্ষেত্ৰত আমাৰ শিক্ষাগুৰুসকলৰ অৱহেলাৰ ভাৱো মন কৰিবলগীয়া। ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষা গুৰুসকলে বিষয়বোৰ গুৰুত্ব সহকাৰে গ্ৰহণ কৰিলে শিক্ষাৰ লগে লগে অন্যান্য শিতানতো মহাবিদ্যালয়ৰ গৌৰৱ কামনা কৰিব পাৰোহঁক।

কাৰ্যকালত মোৰ বিশেষ ভূমিকা নাছিল। গতানুগতিকতাহে ৰক্ষা কৰা হ'ল। অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ অৱহেলিত ভাৱৰ লগতে বিশেষ কাৰণত সাঁতোৰ প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰিব নোৱাৰাত মই দুখিত।

মোৰ কণ্টকীয়া কৰ্মময় দিনকেইটাত মোক পৰামৰ্শ আৰু সহায় আগবঢ়োৱা মোৰ বিভাগৰ উপদেষ্টা গুণীন গগৈ ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো আৰু আৰম্ভণিৰে পৰা মোৰ লগত ছাঁৰ দৰে লাগি থকা পদ্মেশ্বৰ, বুদ্ধমোহনৰ লগতে শান্তনু, পলাশ, ডেভিদ, মনোজৰ ওচৰত মই চিৰদিনৰ বাবে ঋণী হৈ ৰ'ম।

"To err is human" কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে (শিক্ষাগুৰু / কৰ্মচাৰী / ছাত্ৰ-ছাত্ৰী) ওচৰত ক্ষমা বিচাৰিছো। কাৰোবাক যদি কেতিয়াবা টান কথাও শুনাইছো তেন্তে বন্ধু, দাদা বুলি ক্ষমা কৰি দিয়ে যেন।

পৰিশেষত, ঢকুৱাখনা মহাবিদ্যালয়ৰ শিক্ষাৰ লগতে অন্যান্য দিশত অগ্ৰগতিৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"।

ধ্ৰুৱজ্যোতি গগৈ

# The List of Winners of Competitions : College Week : 2007-08

## Result of Cultural Competitions

1. **Bihu Dance**
1st- Karabi Borguhain
2nd- Deijee Pegu
3rd - Tutumoni Phukan
2. **Bihu Geet**
1st- Rashmi Konch, Shuchen Borman
2nd- Runjun Bora
3rd - Runa Payeng
3. **Rabha Sangeet**
1st - Shiva Sharmah
2nd- Tapanjyoti Bora
3rd - Shuchen Borman
Runjun Bora
4. **Anu Nitam**
1st - Runa Payeng
2nd - Priyanav Pegu
3rd - Shankar Jyoti Doley
5. **Lokageet**
1st - Shuchen Borman
2nd - Runa Payeng
3rd - Tapanjyoti Bora
6. **Bhupendra Sangeet**
1st - Shuchen Borman
2nd - Shiva Sharmah
3rd - Devajit Dutta
7. **Jyoti Sangeet**
1st - Tapanjyoti Bora
2nd - Runa Payeng, Rashmi Chutia
3rd - Shuchen Borman
8. **Borgeet**
1st - Runa Payeng
2nd - Bhoirab Dutta
3rd - Shiva Sharmah
9. **Gajal**
1st - Runa Payeng
2nd - Shuchen Borman
3rd- Shiva Sharmah
10. **Bhajan**
1st - Runa Payeng
2nd - Shiva Sharmah
3rd - Bhoirab Dutta
11. **Modern Dance**
1st - Kakumoni Dutta
2nd - Kiranmoyee Borguhain
Manju Baishya
3rd - Juree Chutia
12. **Modern Song**
1st - Tapanjyoti Bora
Rashmi Konch
2nd - Shiva Sharmah
Shuchen Borman
3rd - Runa Payeng
Tribikramjit Bora
13. **Parbati Prasad Geet**
1st - Shuchen Borman
2nd - Runa Payeng
3rd - Tapanjyoti Bora
14. **Oi-Nitom**
1st - Runa Payeng
2nd - Shuchen Borman
3rd - Rajkiran Pegu
15. **Fashion show**
1st - Ranjana Patir
2nd - Karabi Borguhain
3rd - Deijeerani Pegu
16. **Sangeet Quize**
1st - Madhurima Konwar
Majani Begam
Jinamoni Dutta
2nd - Ju-moni Baruah
Bhabendrajit Gogoi
Tribikramjit Bora
3rd - Manmi Kalita
Rashmi Konch
Gunakrishna Konch
17. **Koutuk Abhinoy**
Consolation Prize - Nitul Borman
3rd - Rashmi Konch
18. **Akak Abhinay**
Consolation Prize - Palash Konwar
19. **Mukabhinay**
Consolation Prize - Palash Konwar
20. **One-act-play**
1st - Puhar Nathaka Puharar Shandhanat
2nd - Nil
3rd - Holiday.
21. **Actors of best team of drama**
Palash Konwar
Aparajita Boragohain
Bhoirab Dutta
Titan Kr. Lamuboruah
Papul Chutia
Nitul Borman
**Actors of drama 'Holiday'**
Bonti Phukan
Jesmina Gogoi
Dolli Konwar
Karabi Borgohain
Rajashri Boragohain
22. **Bheshson Compitition**
Consolation Prize - Rashmi Chutia
Best Actor - Palash Konwar
Best Actress - Aparajita Buragohain
Best Singer - Shushen Borman
Best Singer - Runa Payeng





## Result of Games Competitions

**General Sports**
1. 100 Metre race
1st - Dulumoni Doley
2nd - Gubin Hazarika
3rd - Pranab Baruah

2. 200 Metre Race
1st - Gubin Hazarika
2nd - Dulumoni Doley
3rd - Manashjyoti Baruah

3. 400 Metre race
1st - Gubin Hazarika
2nd - Dulumoni Doley
3rd - Awe Ate Pegu

4. 800 Metre race
1st - Dulumoni Doley
2nd - Gubin Hazarika
3rd - Pranab Baruah

5. 1600 Metre race
1st- Gubin Hazarika
2nd- Dulumoni Doley
3rd - Pranab Baruah

6. Marathan Race
1st- Gubin Hazarika
2nd- Pranab Baruah
3rd - Pranab Gogoi

7. Champion Group of Cricket
H.S. 1st year (Arts)

Runners up :
H.S. 1st year (Science)
Best Athletic : Gubin Hazarika
Best Cricketer : Lilakanta Gogoi

## Result of Gymnasiam Competitions

**Arms Wrestling (Boys')**

55-60 kg
Champion : Jadumoni Bharali
Runners up : Lila Kt. Gogoi

0-55 kg
Champion : Santanu Baruah
Runners up : Dhrubajyoti Gogoi

61-70kg
Champion : Pradip Pegu
Runners up : Boikuntha Mili

71kg above
Champion : Papul Chutia
Runners up : Prakash Kaman

Champion of the champion
Jadumoni Bharali
Runners up : Papul Chutia

**Result of Arms' Wrestling (Girls')**
0-55kg
Champion- Babi Chutia
Runners up - Pallabi Chutia

Champion of the champions : Babi Chutia

**Result of Power Lifting Compition**
(a) 0 to 60 groups (boys')
1st - Raj Jyoti Buragohain
2nd - Santanu Boruah
3rd - Ritu Chamuah
Bhabesh Das
(b) 60 to above groups (boys')
1st - Prakash Kaman
2nd - Rajib Paw
3rd - Lila Kt. Gogoi
Apu Boruah

**Power Lifting (Girls')**
(a) 0 to 55 groups (Girls')
1st - Munmi Pachani
2nd - Lukumoni Gohain
3rd - Pallabi Chutia

Strong Man of the year 2007-2008 - Mr. Raj Jyoti Buragohain
Strong Women of the year 2007-2008 - Miss Munmi Pachani.

**Result of the Body Building**

1st - Raj Jyoti Buragohain
2nd - Dulumoni Doley
Santanu Boruah
3rd - Lila Kt. Gogoi

Mr. D.K.C. (2007-2008)
Raj Jyoti Buragohain

**Yogs :-**

1st - Niton Gohain
2nd - Nill
3rd - Nill

**Result of Debating and Symposium Coms.**

Result of extempore speech
1st - Beauti Borah
2nd - Gunakrishna Konch
3rd - Manish Borguhain

Quize

1st team - Paran Jyoti Borah
Nitul Chutia
Bhabendrajit Gogoi

2nd team - Gunakrishna Konch
Dibendu Handique
Ankur Dutta

3rd team - Rupesh Mili
Lili Borah
Manika Konwar

Debating Competition
1st - Rahul Dey
2nd - Dimpol Hazarika
3rd - Manish Borguhain

Best Debator : Rahul Dey

**Result of Literature and Art Competitions**

1. Assamese Poem Recitation
1st - Aparajita Buraguhain
2nd - Rashmi Chutia
3rd - Dimpal Hazarika

2. English Poem Recitation
1st - Rashmi Chutia
2nd - Rashmi Konch
3rd - Purnima Phukan

3. Self written Poem Recitation
1st - Jupitara Nath
2nd - Aparajita Buragohain
3rd - Dimpal Hazarika

4. Assamese News Reading
1st - Runjun Boruah
2nd - Rashmi Chutia
3rd - Rahul Dey.

5. English News Reading
1st - Rashmi Chutia
2nd - Rahul Dey
3rd - Runjun Borah

6. Art Competition (On the spot)
1st - Rashmi Chutia
2nd - Dimpal Hazarika
3rd - Runjun Borah

7. Poem Competition ( On the spot)
1st - Aparajita Buragohain
2nd - Sangita Dutta
3rd - Jupitara Nath

8. Poem Competition (at Home)
1st - Aparajita Buragohain
2nd - Julushri Gogoi
3rd- Beauti Borah

9. Short Story Competition (at home)
1st - Jupitara Nath
2nd - Karuna Borah
3rd - Aparajita Buragohain

10. Article Competition
1st - Biswajit Bharali,
Aparajita Buragohain
2nd - Manmi Kalita
3rd - Beauti Borah





11. Light Essay Competition
1st - Nill
2nd - Nill
3rd - Nill
Consolation Prize - Rashmi Konch

12. Wall Magazine Competition :-
1st - Assamese Dept. (Shabdashipa)
Editor - Julushri Gogoi
2nd - Dept. of History (Mung-dun-chun- kham)
Editor - Manujjal Gogoi
3rd - Nill

Best Litarature Competititor : Aparajita Buragohain

**Results of Boys' Common Room Competitions**

Carrom Competition (Single)
Champion - Dipankar Das
Runners up - Karmukgam Doley

Carrom Competition (Dauble)
Champion - Diganta Mili & Biswajit Kumbang
Runners up - Karmukgam Doley & Biman Boruah

Bedminton Competition (Single)
Champion : Manuj Gogoi
Runners up : Chandra Nath Paul.

Bedminton Competition (double)
Champion - Paul Pegu & Chandra Nath Paul
Runners up - Tonmoy Handique, Parama Dowarah

Chess Competition
Champion : Dipankar Das
Runners up : Bhabesh Das

Table Tenis Competition (single)
Champion : Manuj Pravakar Sharmah
Runners up : Arunjyoti Dutta

Table Tennis Competition (double)
Champion : Dipankar Dutta
Ranuj P. Sharmah
Runners up : Bhabesh Dutta
Arunjyoti Dutta

**Results of girls Common Room Competitions**

1. Carrom (single)
Champion - Kiranmoyee Borguhain
Runners up - Runjun Patir

2. Carrom (double)
Champion : Jashuda Doley & Pahari Patir
Runners up : Kiranmoyee Borguhain
& Kakumoni Dutta

3. Ludu (single)
Champion manalisha Khanikar
Runners up : Runjun Patir

4. Ludu (double)
Champion - Ranjita Gogoi & Rubi Gogoi
Runners up - Runjun Patir & Bornali Patir

5. Ring (single)
Champion - Tandrali Mili
Runners up - Pahari Patir

6. Ring (double)
Champion - Baby Chutia & Trandali Mili
Runners up - Paharai Patir & Gitalakhi

7. Bedminton (single)
Champion - Runjun Patir
Runners up - Deijeerani Pegu

8. Bedminton (double)
Champion - Runjun Patir & Arunima Patir
Runners up - Deijeerani Pegu
& Lukumoni Buragohain

9. Bride Competition
1st - Rashmi Chutia
2nd - Kiranmoyee Buragohain
3rd - Shantirani Buragohain

Best player of girls Common Room :-
Runjun Patir

আলোচনীখনি সম্পাদনাৰ ক্ষেত্ৰত
অজানিতে বৈ যোৱা ভুল-ভ্ৰান্তিৰ
বাবে সকলোৰে ওচৰত ক্ষমা
প্ৰাৰ্থনা জনালোঁ।

- সম্পাদক


# DHAKUAKHANA COLLEGE MAGAZINE

## OUR EX. EDITORS


| VOLUME | EDITORS | SESSION |
|---|---|---|
| I | MOHURAM CHAMUAH | 1971-1972 |
| II | BAGEN BORUAH | 1972-1973 |
| III | MADAN CHUTIA | 1973-1975 |
| IV | BISHNU BORBORAH | 1975-1977 |
| V | PABITRA KUMAR GOGOI | 1977-1978 |
| VI | ANANTA KUMAR DUTTA | 1978-1985 |
| VII | RAMEN CHUTIA | 1985-1986 |
| VIII | LAKHESWAR SONOWAL | 1986-1988 |
| IX | LOKNATH HANDIQUE | 1988-1989 |
| X | CHITRA KUMAR KONCH | 1989-1990 |
| XI | CHENIRAM GOGOI | 1990-1991 |
| XII | LEKHAN CHUTIA | 1991-1992 |
| XIII | HEMANTA KUMAR BORUAH | 1992-1993 |
| XIV | DEVID GOGOI | 1993-1994 |
| XV | JAYANTA MADHAV BORUAH | 1994-1995 |
| XVI | JITU DUTTA | 1995-1996 |
| XVII | PALASH KONCH | 1996-1997 |
| XVIII | JITEN SAIKIA | 1997-1998 |
| XIX | PABITRA KALITA | 1998-1999 |
| XX | DHRUBAJYOTI HANDIQUE | 1999-2000 |
| XXI | MADHAB SAIKIA | 2000-2001 |
| XXII | ASHWINI KUMAR PEGU | 2001-2002 |
| XXIII | MEGHALEE DUTTA | 2002-2003 |
| XXIV | BASHISTHA DEV PHUKAN | 2003-2004 |
| XXV | PANKAJ SAIKIA | 2004-2005 |
| XXVI | SIRAJ KR. HANDIQUE | 2005-2006 |
| XXVII | DIPEN GOGOI | 2006-2007 |

## আলোকচিত্ৰত মহাবিদ্যালয়ৰ কেইটামান মুহূৰ্ত

আলোকচিত্ৰঃ ইন্দিবৰ বুঢ়াগোহাঞি



অসম অৰুণাচল সীমান্ত ড্ৰোপাঙত মহাবিদ্যালয়ৰ পৰিবেশ
অধ্যয়ন বিভাগৰ ক্ষেত্ৰ অধ্যয়নৰ এটি মুহূৰ্ত



পৰীক্ষাগাৰত কৰ্মৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী




ভাৰপ্ৰাপ্ত উপাধ্যক্ষ বীৰেণ দত্ত আৰু
ভোলা নাথ গগৈৰ বিদায় সভাৰ এটি দৃশ্য



২০০৮ চনৰ বিধ্বংসী বানৰ কবলত আমাৰ মহাবিদ্যালয়



২০০৮ চনৰ বানপানীত বোকা-পানী নেওচি নিজ কৰ্ত্তব্যত
ব্যস্ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা



চাৰিকড়ীয়া নদীৰ প্ৰচণ্ড গৰাখহনীয়াই ভাবুকি দিছে
মহাবিদ্যালয়খনিলৈ